
মুকলী
স্মৃতিগ্ৰন্থ
বাৰোৱাৰী পূজা কমিটি
বঙাইগাঁও, গান্ধীময়দান
ইং ২০২৩ চন










# স্মৃতিগ্ৰন্থ

# মুৰুলী

১০৩ সংখ্যক ৰাস মহোৎসৱ উদযাপন



# বাৰোৱাৰী পূজা কমিটি

**বঙাইগাঁও, গান্ধী ময়দান**

**ইং ২০২৩ চন।**

**সম্পাদকদ্বয় ঃ** শ্ৰী লক্ষেশ্বৰ নাথ
শ্ৰী শশীভূষণ মেধি

বঙাইগাঁও বাৰোৱাৰী পূজা কমিটিৰ উদ্যোগত ১০৩ সংখ্যক ৰাস মহোৎসৱ উদ্‌যাপন উপলক্ষে বাৰোৱাৰী পূজা কমিটিৰ দ্বাৰা প্ৰকাশিত স্মৃতিগ্ৰন্থ, ২০২৩ ইং

# সম্পাদনা সমিতি

**উপদেষ্টা মণ্ডলী** ঃ শ্ৰী ভূমিধৰ চৌধুৰী
শ্ৰী অলকেশ চক্ৰৱৰ্ত্তী
শ্ৰী উদয় কুমাৰ মজুমদাৰ
শ্ৰী জগন্নাথ গোস্বামী
শ্ৰী কাজল দত্ত
শ্ৰী বিধুভূষণ সৰকাৰ

**সভাপতি** ঃ শ্ৰী উৎপল কুমাৰ মজুমদাৰ

**সম্পাদকদ্বয়** ঃ শ্ৰী লক্ষেশ্বৰ নাথ
শ্ৰী শশীভূষণ মেধি

**সদস্যবৃন্দ** ঃ শ্ৰী যোগেশ চন্দ্ৰ নাথ
শ্ৰী ধৈৰ্য্যনাথ চৌধুৰী
শ্ৰী সমীতাভ পাঠক
শ্ৰী মনোজ কুমাৰ ভাগৱতী
শ্ৰী বিজয় শৰ্মা

**বেটুপাত পৰিকল্পনা** ঃ শ্ৰী লক্ষেশ্বৰ নাথ

**মুদ্ৰণ** ঃ চিলাৰায় অফচেট প্ৰিন্ট, বঙাইগাঁও।

# শ্ৰদ্ধাঞ্জলি



বঙাইগাঁও বাৰোৱাৰী পূজা কমিটিৰ লগত দীৰ্ঘদিন ধৰি ওতপ্ৰোত ভাৱে জড়িত যিসকল মহান ব্যক্তিয়ে আমাৰ মাজৰ পৰা অকালতে বিদায় মাগিলে, সেইসকল নমস্য ব্যক্তিলৈ আমি শ্ৰদ্ধাঞ্জলি নিবেদন কৰিছোঁ ।

**সম্পাদনা সমিতি**



# কৃতজ্ঞতা স্বীকাৰ-

যিসকল লেখক লেখিকাই তেখেত সকলৰ বহুমূলীয়া লেখা আৰু বিজ্ঞাপন প্রদান কৰি 'মুৰুলী'ক সজাই তোলাত সহায় কৰিলে, তেখেত সকলৰ প্রতি আমি কৃতজ্ঞতাৰ শৰাই আগবঢ়াইছোঁ।

স্মৃতিগ্রন্থখনি প্রকাশ কৰি উলিওৱাত বিভন্ন সময়ত, বিভিন্ন দিশত বাৰোৱাৰী পূজা কমিটিৰ কৰ্মকৰ্তা সকলে সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবে আমি শলাগ লৈছোঁ। বিভিন্ন সময়ত কাৰ্য্য সম্পাদন কৰোঁতে অসুবিধাৰ সন্মুখীন হোৱা বাবে ত্রুটি ৰৈ যোৱাটো স্বাভাৱিক।

সদৌ শেষত অনিচ্ছাকৃতভাৱে ৰৈ যোৱা ভুল-ত্রুটিৰ বাবে ৰাইজৰ ওচৰত মাৰ্জনা বিচাৰিছোঁ।

**সম্পাদনা সমিতি**

[illegible]
MEMBER
*Assam Legislative Assembly*

सत्यमेव जयते

Block-B, 3rd Floor, Room No. 312
Assam Secretariat, Dispur, Guwahati- 781006
Tel : 0361-2237023 (O)
Mob. : +91 9435021325
e-mail :

# –ঃ শুভেচ্ছা বাণী ঃ–

নামনি অসমৰ বৃহত্তৰ বঙাইগাঁও বাসী ৰাইজে অইন অইন বছৰৰ দৰে এইবেলিও শ্ৰীশ্ৰী কৃষ্ণৰ ৰাস মহোৎসৱ ১৫ দিনীয়া বৰ্ণিল কাৰ্যসূচীৰে উদ্‌যাপন কৰিবলৈ লৈছে। ৰাস মহোৎসৱৰ লগত সংগতি ৰাখি সমিতিৰ স্মৃতিগ্ৰন্থ **'মুৰুলী'** প্ৰকাশ কৰাৰ প্ৰস্তুতি লোৱা বুলি জালিবলৈ পাই অতিশয় আনন্দিত হৈছো।

এই **'মুৰুলী'**ৰ পাতত বৃহত্তৰ বঙাইগাঁৰৰ ঐতিহ্যমণ্ডিত ৰাস মহোৎসৱৰ সকলো দিশৰ কথাই দলিল হৈ থাকক। ৰাস মহোৎসৱৰ সফল সমাপ্তিৰ লগতে অনুষ্ঠানটো ৰাইজৰ ভক্তিৰ আভাৰে উদ্‌ভাসিত হৈ সমাজত জিলিকি থাকক- তাকেই কামনা কৰিলোঁ।

(শ্ৰী ফণী ভূষণ চৌধুৰী)

***Shri Nabadeep Pathak,*** *ACS*
*District Magistrate & District Commissioner*
*Bongaigaon District*
*Assam (India), Pin-783380*

Phone : 03664-230889 (O)
e-mail Id: dc-bongaigaon@nic.com

# শুভেচ্ছাবাণী

মই জানিবলৈ পাই আনন্দিত হৈছোঁ যে প্ৰত্যেক বছৰৰ দৰে এইবছৰো বাৰোৱাৰী পূজা কমিটিয়ে, বঙাইগাঁৱৰ গান্ধীময়দানত ৰাস মহোৎসৱ উদ্‌যাপন কৰিবলৈ আগবাঢ়িছে। উক্ত ৰাস মহোৎসৱৰ লগত সংগতি ৰাখি সমিতিয়ে এখনি স্মৃতিগ্ৰন্থ **‘মুৰুলী’** প্ৰকাশৰো দিহা কৰা বুলি অতিশয় আনন্দিত হৈছোঁ।

আশা কৰিছোঁ প্ৰকাশিত হ’বলগীয়া **‘মুৰুলী’** স্মৃতিগ্ৰন্থখনিয়ে বিগত বছৰৰ দৰে এইবাৰো উক্ত ৰাস মহোৎসৱখনিৰ সৌষ্ঠৱ বৃদ্ধি কৰিব আৰু ৰাইজৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হ’ব। আশা কৰোঁ ঠিক এনেদৰে অনাগত বছৰলৈ এই ৰাস মহোৎসৱখনিয়ে অসমীয়া সংস্কৃতিলৈ অৱদান আগবঢ়াই যাব।

শেষত বাৰোৱাৰী পূজা কমিটিৰ পৰিয়াললৈ মোৰ আন্তৰিক শুভেচ্ছা যাচিলোঁ আৰু উক্ত ৰাস মহোৎসৱখনিৰ সফলতাৰ উন্নতি কামনা কৰিলোঁ।

নৱদ্বীপ পাঠক (অ.অ.সে.)
জিলা আয়ুক্ত, বঙাইগাঁও জিলা

**Sri Gakul Barman**
Chief Executive Councilor
KAMATAPUR AUTONOMOUS COUNCIL
(KAC)

सत्यमेव जयते

KAMATAPUR AUTONOMOUS COUNCIL (KAC)
North Salmara
P.O.: North Salmara, Pin- 783383
Dist. Bongaigaon
Mobile : 7002831790/ 9854418392

Ref.

Date:



# শুভেচ্ছা বাৰ্তা

বঙাইগাঁও গান্ধীময়দান শ্ৰীশ্ৰী কৃষ্ণৰ ৰাস মহোৎসৱৰ স্মৃতিগ্ৰন্থ 'মুৰুলী' প্ৰকাশ কৰাৰ প্ৰস্তুতি লোৱা বুলি জানিবলৈ পাই মই অতিশয় আনন্দিত হৈছো।

স্মৃতিগ্ৰন্থ এখনি মানৱ সমাজৰ জ্ঞানৰ উৎকৰ্ষ সাধন আৰু নব্যচিন্তাৰ অংকুৰণৰ আহিলা স্বৰূপ। স্মৃতিগ্ৰন্থ খনিৰ জৰিয়তে সাংস্কৃতিক, শিক্ষা আৰু আধ্যাত্মিক দৰ্শনৰ সৃষ্টিশীল চেতনাবোৰৰ অনুশীলন হওঁক। আশাকৰোঁ, বঙাইগাঁৰৰ ঐতিহ্যমণ্ডিত ৰাস মহোৎসৱৰ সকলোবোৰ দিশ সামৰি স্মৃতিগ্ৰন্থ খনিত লিপিবদ্ধ হৈ থাকক। শেষত, ৰাসমহোৎসৱৰ প্ৰতিটো কাৰ্য্যসূচীৰ সফল সমাপ্তি আৰু স্মৃতিগ্ৰন্থ খনি সৰ্বাংগ সুন্দৰ ৰূপত প্ৰকাশৰ কামনা কৰিলোঁ।

গোকুল বৰ্মণ

শ্ৰী গোকুল বৰ্মণ
মুখ্য কাৰ্যবাহী পাৰিষদ
কমতাপুৰ স্বায়ত্ত শাসিত পৰিষদ

Chief Executive Councilor
Kamatapur Autonomous Council
Bongaigaon

# সম্পাদনাৰ মেজৰ পৰা-



মান্যাঃ মম শ্ৰদ্ধাস্পদঃ সভাসদগনাঃ।
প্ৰাৰম্ভে অহং ভৱন্তং সশ্ৰদ্ধং প্ৰণামং জ্ঞাপয়ামি।
মম অনিচ্ছাকৃত্য ভুলস্য, দোষস্য হেতু
অগ্ৰে অহং ক্ষমাং মাগয়ামি।

আমি অইন অইন বছৰৰ দৰে এইবেলিও বৃহত্তৰ বঙাইগাঁও বাসী ৰাইজৰ সহযোগত বঙাইগাঁও গান্ধীময়দানত ২৭ নৱেম্বৰ ২০২৩ ইং তাৰিখৰ পৰা ১৫ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে শ্ৰীশ্ৰী কৃষ্ণৰ ৰাস মহোৎসৱ উদ্‌যাপন কৰিবলৈ লৈছো হওক। শাৰদীয় ৰাস মহোৎসৱৰ লগত সংগতি ৰাখি আমাৰ সমিতিৰ স্মৃতিগ্ৰন্থ 'মুৰুলী' প্ৰকাশ কৰাৰ চেষ্টা অটুট ৰাখিছো। ১০৩ বছৰ গৰকা বঙাইগাঁৱৰ ৰাস মহোৎসৱ ৰাইজৰ মনত নিশ্চয় এটা সাঁজ বহুৱাইছে। এই মহান উৎসৱৰ এটা অংশ হ'ল 'মুৰুলী'। 'মুৰুলী' নামনি অসমৰ সাহিত্য-সংস্কৃতি, শিল্প-কলা, তথা জনজীৱনৰ বৰ্ণিল বিৱৰণ সম্বলিত এখন দস্তাবেজ হৈ পৰক সেয়া আমাৰ চিৰকাম্য।

বঙাইগাঁও গান্ধীময়দানৰ বাৰোৱাৰী পূজা কমিটি বৃহত্তৰ বঙাইগাঁৱৰ এটা মহান অনুষ্ঠান। অনুষ্ঠান পৰিচালনা কৰাৰ বাবে অভিজ্ঞ তথা কৰ্ম দক্ষ ব্যক্তিৰ প্ৰয়োজন নই কৰিব নোৱাৰি। কেইজনমান অভিজ্ঞ তথা কৰ্মদক্ষ ব্যক্তিৰ নেতৃত্বত এই মহান অনুষ্ঠানটো সুকলমে চলি আছে।

বিগত বৰ্ষ সমূহৰ লেখিয়াকৈ এইবেলিও সমিতিৰ স্মৃতিগ্ৰন্থ 'মুৰুলী' প্ৰকাশ কৰাৰ সিদ্ধান্ত ৰাইজে গ্ৰহণ কৰে। সিদ্ধান্তক কাৰ্যক্ষম কৰাৰ দায়িত্ব আমাৰ ওপৰত ন্যস্ত কৰে। ৰাইজৰ আশীৰ্বাদ শিৰধাৰ্য কৰি আমি দায়িত্ব মূৰপাতি লওঁ। ৰাস মহোৎসৱৰ এই শুভক্ষণত 'চিৰ চেনেহী ভাষা জননী'ক প্ৰণিপাত জনোৱাৰ উদ্দেশ্য 'মুৰুলী'ক ন-সাজেৰে সাঁজি উলিয়াবলৈ প্ৰয়াস কৰিছোঁ।

'মুৰুলী'ক সঁজাই তোলাৰ ক্ষেত্ৰত বিভিন্ন দিশত সম্পাদনা সমিতিক সহায়ৰ হাত আগবঢ়োৱা বাৰোৱাৰী পূজা কমিটিৰ সভাপতি, সম্পাদক সমন্বিতে সমিতিখনলৈ কৃতজ্ঞতাৰ শৰাই আগ বঢ়াইছোঁ। এইখিনিতে উল্লেখ কৰিব লাগিব যে যি সকল মহান লেখকে 'মুৰুলী' লৈ অৱদান আগবঢ়ালে তেখেত সকলৰ লেখাৰ বিষয় বস্তু সম্পূৰ্ণ নিজৰ ওপৰত সম্বলিত; ইয়াত সম্পাদনা সমিতিৰ কৰিবলগীয়া নাই।

সদৌ শেষত আমাৰ অচ্ছিাকৃতভাৱে হৈ যোৱা ভুল ক্ৰটিৰ বাবে কৰযোৰে ক্ষমা মাগিছো। লগতে অনাগত দিনবোৰত সু-হৃদয় ৰাইজৰ বহুমূলীয়া পৰামৰ্শ পাম বুলি আশা ৰাখিছোঁ।

*(শশীভূষণ মেধী)* *(লক্ষেশ্বৰ নাথ)*

**সম্পাদকদ্বয়**

**'মুৰুলী' সম্পাদনা সমিতি**

# ‘মুৰুলী’- সম্পাদনা সমিতিৰ সভাপতিৰ দু-আষাৰ....

*“যদা যদাহি ধৰ্মস্য গ্লানিভৱতি ভাৰত*
*অভ্যুত্থানম ধৰ্মস্য তদাত্মানং সৃজাম্যহম*
*পৰিত্ৰানায় সাধুনাং বিনাশায়শ্চ দুস্কৃতিনাং*
*ধৰ্ম সংস্থাপনাৰ্থায় সম্ভৱানি যুগে যুগে।।”*

যেতিয়াই এই পৱিত্ৰ ভাৰত ভূমিত ধৰ্মৰ অধঃপতন হয় আৰু অধৰ্মৰ অভ্যুত্থান ঘটে তেতিয়া সাধু-সন্ত সকলক পৰিত্ৰাণ কৰাৰ বাবে দুস্কৃতিকাৰীসকলক বিনাশ কৰি ধৰ্ম সংস্থাপনৰ বাবে যুগে যুগে ভগৱান বিভিন্ন ৰূপত এই মৰ্ত্যভূমিত অৱতীৰ্ণ হৈছে। সত্য, ত্ৰেতা, দ্বাপৰ বিভিন্ন যুগত ভগৱান ভিন্ন ভিন্ন ৰূপ ধাৰণ কৰিছে। দ্বাপৰ যুগৰ ভগৱান হৈছে শ্ৰীকৃষ্ণ। শ্ৰীকৃষ্ণ সৰ্বজ্ঞ, সৰ্বশক্তিমান, অন্তৰ্যামী, চিন্ময়, স্বৰাট আৰু সৰ্বত্ৰ বিৰাজমান। শ্ৰীকৃষ্ণ হৈছে পৰমেশ্বৰ, সৰ্ব্বকালৰ পৰমকাৰণ, শান্ত, দাস্য, সখা, বাৎসল্য, মাধুৰ্য্য, হাস্য, বীৰ, পৰম আধাৰ। শ্ৰীকৃষ্ণৰ ৰূপ পৰম আকৰ্ষক সেই অপ্ৰাকৃত ৰূপৰ দ্বাৰা তেঁও তাৰকা, কালি, ললিতা আৰু ৰাধাৰাণি তথা গোপিনীসকলৰ চিত্ত হৰণ কৰিছিল।

শ্ৰীকৃষ্ণ মানে শ্ৰীযুক্ত যি কৃষ্ণ। শ্ৰীকৃষ্ণৰ গা অপূৰ্ব মাধুৰ্যমণ্ডিত, অতি মনোৰম, আকৰ্ষণীয় আৰু সকলো শুভ গুণসম্পন্ন। তেওঁ জ্যোতিৰ্ময়, বলবান, নিত্য নবযৌৱন সম্পন্ন। তেওঁ সত্যবাদী, প্ৰিয়ভাষী, ভক্তবৎসল, জিতেন্দ্ৰিয়, সংযত, ক্ষমাশীল, ন্যায়-নিষ্ঠ, পৱিত্ৰ, উদাৰ সৰ্ব মঙ্গলময় আৰু পৰম নিয়ন্তা। শ্ৰীকৃষ্ণ শ্ৰীবিষ্ণুৰ অষ্টম অৱতাৰ। শ্ৰীকৃষ্ণই আদি, তেওঁই অন্ত। তেওঁৰ ইচ্ছাতেই জীৱজগত জীয়াই আছে। তেওঁ বিভিন্ন সময়ত বিভিন্ন লীলা খেলা কৰিছে। ‘ৰাসলীলা’ তাৰ মাজত অন্যতম। ৰাস শব্দৰ অৰ্থ হ’ল ৰসভাৱ। ই শ্ৰীকৃষ্ণৰ এটি নৃত্যলীলা বিশেষ। যেতিয়া কোনো এজনে বহুতো মহিলাৰ লগত ৰংগৰসত নৃত্য কৰে তাক ৰাসলীলা বোলে। শ্ৰীকৃষ্ণৰ ৰাসলীলা কেতিয়াও জড় জগতৰ কোন নৃত্যৰ লগত তুলনা নহয় বা অনুকৰণীয়ও নহয়।

শ্ৰীকৃষ্ণ বাঁহীবাদনত বৰ নিপুন আছিল। শ্ৰীকৃষ্ণৰ মনমোহিনী বাঁহীৰ ধ্বনিত ব্ৰজবাসিনী সকল পাগল আছিল। শ্ৰীকৃষ্ণক মুৰলীধৰও কোৱা হয়। শ্ৰীকৃষ্ণ তিনি ধৰণৰ বাঁহী ব্যৱহাৰ কৰিছিল- (১) বেণু (২) বংশী আৰু (৩) মুৰুলী। তেওঁৰ বংশী ধ্বনিত মন মতলীয়া কৰা যাদু আছিল। এই তিনিবিধ বাঁহীৰ মাজত সৰ্বোত্তম আছিল ‘মুৰুলী’। মুৰুলী ধ্বনিত মনোমুগ্ধকৰ সুৰ সৃষ্টি কৰে। এই মুৰুলী ধ্বনি কৰ্ণ গহ্বৰত প্ৰবেশ কৰা মাত্ৰেই নৰ-নাৰী, পশু-পক্ষী গোটেই জীৱকূল আনন্দত মতলীয়া হৈ পৰিছিল। শ্ৰীকৃষ্ণৰ মুৰুলী ধ্বনিত আকৰ্ষিত হৈ গোপিনী সকলে মতলীয়া হৈ দৌৰি ফুৰিছিল এই ধ্বনিৰ উৎস বিচাৰি। শ্ৰীকৃষ্ণৰ শান্ত-সৌম্য দেহাৱয়ব, মন-মোহিনী ৰূপ গোপিনীসকল শ্ৰীকৃষ্ণক পতিৰূপে পাবলৈ কামনা কৰিছিল। শ্ৰীকৃষ্ণ অন্তৰ্যামী, ভক্তসকলৰ মনোকামনাৰ উমান পায়, তেওঁলোকৰ

মনোকামনা পূৰণ কৰাৰ মত পোষণ কৰে। এই গোপিনীসকলৰ মধ্যমণি আছিল শ্ৰীৰাধিকা। গোপিনী সকলৰ মনোস্কামনা পূৰণাৰ্থে শ্ৰীকৃষ্ণ কাৰ্তিকী পূৰ্ণিমাৰ দিন যোল হাজাৰ গোপিনীৰ লগত মিলিত হৈছিল। ভগৱান শ্ৰীকৃষ্ণ নিজ দেহক যোল হাজাৰ ৰূপত প্ৰকাশ কৰি সকলৰ লগত নৃত্যলীলা সমাপন কৰিছিল। শ্ৰীকৃষ্ণ সংগ লাভ কৰি গোপিনী সকলে পৰম তৃপ্তি লাভ কৰিছিল। এই নৃত্যত নাছিল কোনো কামাবেগ। গোপিনীসকল শ্ৰীকৃষ্ণৰ সংগ সুখত আত্মহাৰা হৈ শ্ৰীকৃষ্ণৰ গুণকীৰ্ত্তন কৰে।

এইবেলি আমি বঙাইগাঁও বাৰোৱাৰী পূজা কমিটি বিভিন্ন কাৰ্যসূচীৰ জৰিয়তে বঙাইগাঁও গান্ধী ময়দানত ১০৩ সংখ্যক ৰাস মহোৎসৱ উদ্‌যাপন কৰি আছো। আজিৰ এই শুভক্ষণত মই শ্ৰীকৃষ্ণৰ শ্ৰীচৰণত দুপাহী পুষ্পাৰ্ঘ নিবেদন কৰিছোঁ আৰু সমূহ পাঠকবৰ্গলৈ আন্তৰিক প্ৰীতি আৰু শুভেচ্ছা জনাইছো।১৫ দিনীয়া ৰাসমেলা আৰু অন্যান্য সমূহ কাৰ্যসূচীৰ সফলতা কামনা কৰিলোঁ। বাৰোৱাৰী পূজা কমিটিৰ মাননীয় সভাপতি, কাৰ্যকৰী সভাপতি, সম্পাদকদ্বয় আৰু সকলো কৰ্মকৰ্তা সকললৈ থাকিল মোৰ আন্তৰিক প্ৰীতি আৰু শুভেচ্ছা।

শ্ৰীকৃষ্ণৰ ৰাসমেলাৰ লগত ৰজিতা খোৱাকৈ আমাৰ কমিটিৰ উদ্যোগত বছৰেকীয়া স্মৃতিগ্ৰন্থ **'মুৰুলী'**-২০২৩ প্ৰকাশ কৰিবলৈ পাই আমি নথৈ আনন্দিত। মুৰুলী সম্পাদনা সমিতিৰ সম্পাদকদ্বয় সহ সকলো সদস্যক মই ধন্যবাদ জনাইছো। উপদেষ্টা মণ্ডলীৰ উপদেশ আৰু সদস্য সকলোৰ অক্লান্ত শ্ৰম আৰু প্ৰচেষ্টাত আমাৰ 'মুৰুলী' প্ৰকাশৰ পৰিকল্পনা বাস্তৱায়িত হৈছে। সকলোকে মই ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো। যিসকল লেখক/লেখিকাৰ মূল্যবান লেখনি আমাৰ মুৰুলীৰ সৌষ্ঠৱ বৃদ্ধি কৰিছে আৰু যি সকল বিজ্ঞাপনদাতাৰ আৰ্থিক আনুকূল্যত আমাৰ স্মৃতিগ্ৰন্থ মুৰুলী প্ৰকাশ সম্ভৱ হৈছে সকলো সহৃদয় ব্যক্তিলৈ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

শেষত সকলৰ সৰ্বাঙ্গীন মঙ্গল কামনা কৰোঁ আৰু আমাৰ বাৰোৱাৰী পূজা কমিটিৰ উত্তৰোত্তৰ শ্ৰীবৃদ্ধি কামনা কৰিলোঁ।

শুভেচ্ছাৰে-

***উৎপল কুমাৰ মজুমদাৰ***

সভাপতি,

মুৰুলী সম্পাদনা সমিতি

বাৰোৱাৰী পূজা কমিটি,

বঙাইগাঁও, গান্ধীময়দান।

# বাৰোৱাৰী পূজা কমিটিৰ সভাপতিৰ প্ৰতিবেদন

"ঈশ্বৰ:পৰম: কৃষ্ণ সচ্চিদানন্দ বিগ্ৰহ:।
অনাদি ৰাদি গোবিন্দ: সৰ্ব কাৰণ: কাৰণম।।"

— শ্ৰীকৃষ্ণ হল পৰমেশ্বৰ, তেওঁ গোবিন্দ নামেৰে পৰিচিত। তেওঁৰ চিন্ময় দেহ শাশ্বত আনন্দপূৰ্ণ। শ্ৰীকৃষ্ণ সকলোৰে আদি তেওঁ অনাদি আৰু কাৰ্যকৰণৰ পৰম কাৰণ। ভগবান বিষ্ণুৰ অষ্ঠম অবতাৰ শ্ৰীকৃষ্ণ। দ্বাপৰ যুগত ভগবান হল শ্ৰীকৃষ্ণ। কংসনিধন আৰু ভক্ত সকলৰ সৃজন কৰাৰ উদ্দেশ্যলৈ ভগবান শ্ৰীকৃষ্ণ দ্বাপৰ যুগত মত্যভূমিত অবতীৰ্ণ হৈছিল। শ্ৰীকৃষ্ণ হল সৰ্বজ্ঞ, সৰ্বশক্তিমান, অৰ্ন্তযামী, চিন্ময়, অবিনশ্বৰ, শান্ত, দাস্য, সখা, বাৎসল্য, পূৰ্ণজ্ঞানম, সদা আনন্দময় আৰু সৰ্বকালৰ পৰম কাৰণ। শ্ৰীকৃষ্ণ এক আৰু অদ্বিতীয়। তেওঁ সকলো ঈশ্বৰৰ পৰম ঈশ্বৰ। তেওঁ বিভিন্ন দিব্যৰূপত ভক্তৰ লগত লীলাখেলাত অনুৰক্ত। শ্ৰীকৃষ্ণ সান্নিধ্যত জীৱন হয় মধুময়। শ্ৰীকৃষ্ণপ্ৰেমই একমাত্ৰ শান্তি আৰু মুক্তিৰ উপায়।

বঙাইগাঁও নামনি অসমৰ এটি ঐতিহ্যপূৰ্ণ-ঐতিহাসিক চহৰ। এই চহৰত থকা বহুতো ধৰ্মীয় অনুষ্ঠানৰ মাজত গান্ধীময়দানত প্ৰতিষ্ঠিত ৰাসমন্দিৰ লগতে সোমনাথ মন্দিৰ আৰু দুৰ্গা মন্দিৰ অন্যতম। এই মন্দিৰত সদায় পূজা-অৰ্চনা, নাম প্ৰসংগ, ভাগবৎ পাঠ, শিবপূজা, জন্মাষ্টমী, বুঢ়া-বুঢ়ীৰ পূজা, দুৰ্গোৎসৱ, আদি বিভিন্ন পূজা উৎসৱ উদযাপন কৰা হয়। বঙাইগাঁও গৌড়ীয় মঠৰ সহযোগত আমাৰ ৰাসমন্দিৰত সাতদিন ব্যাপি ৰথযাত্ৰা অনুষ্ঠান পালন কৰা হয়। এই মন্দিৰত প্ৰতিনিয়ত অসংখ্য ভক্তৰ সমাগম ঘটে। এই বছৰ বাৰোৱাৰী পূজা কমিটিৰ উদ্দ্যোগত বিভিন্ন বৰ্ণাঢ্য কাৰ্যসূচীৰ মাধ্যমেৰে ১০৩ সংখ্যক ৰাস মহোৎসৱৰ আয়োজন কৰা হৈছে। এই পূৰ্ণক্ষণত মই শ্ৰীকৃষ্ণৰ চৰণযুগলত দুপাহী পুস্পাৰ্ঘ নিবেদন কৰিছোঁ আৰু ধৰ্মপ্ৰাণ ৰাইজলৈ সেৱা আগবঢ়াইছোঁ। এইবেলি ৰাস মহোৎসৱ উপলক্ষে ১৫ দিনীয়া মেলাৰ ব্যৱস্থা কৰা হৈছে লগতে ভাওনা, নামপ্ৰসংগ, খাৰাতাল, চিত্ৰাংকন আৰু কুইজ প্ৰতিযোগিতা, কিছু বৈদ্যুতিক কাৰুকাৰ্যৰ ব্যৱস্থা কৰা হৈছে। শ্ৰীকৃষ্ণৰ ৰাসলীলাৰ লগত সংগতি ৰাখি আমাৰ মুখপত্ৰ 'মুৰুলী' প্ৰকাশ কৰা হল। ৰাসমহোৎসৱ পৰিচালনাৰ বাবে অভিজ্ঞ আৰু কৰ্মঠ সদস্যলৈ বিভিন্ন বিভাগৰ উপসমিতি গঠন কৰা হৈছে। আমাৰ সদস্য সকলোৰ ঐকান্তিক প্ৰচেষ্টা আৰু অক্লান্ত শ্ৰম এই মহাযজ্ঞৰ পৰিকল্পনা বাস্তৱায়িত কৰিব আশা ৰাখিছোঁ।

বাৰোৱাৰী পূজা কমিটিৰ সাধাৰণ সম্পাদক শ্ৰীযুত সুব্ৰত কুমাৰ চক্ৰবৰ্ত্তী হঠাৎ অসুস্থ হৈ চিকিৎসাধীন হব লগীয়া হোৱাত আমাৰ কমিটি সহ সম্পাদক শ্ৰীযুত কাজল দত্ত আৰু শ্ৰীযুত বিধুভূষণ সৰকাৰক যৌথভাবে ভাৰপ্ৰাপ্ত সম্পাদক হিচাবে দায়িত্ব অৰ্পণ কৰে। সদস্য সকলোৰ আন্তৰিক সহযোগিতাত আমাৰ কাম-কাজ সুচাৰুৰূপে চলিছে। মই শ্ৰীযুত সুব্ৰত কুমাৰ চক্ৰবৰ্ত্তীৰ আশু আৰোগ্য কামনা কৰিছোঁ। বাৰোৱাৰী পূজা কমিটিৰ উদ্দ্যোগত মন্দিৰ নিৰ্মাৰ্ণ, উন্নয়ন আৰু অন্যান্য কামত জড়িত জীৱিত/মৃত সকলো নমস্য ব্যক্তি বিশেষকৈ প্ৰয়াত লক্ষ্মীকান্ত ৰায়, ৺অজিত

কুমাৰ মজুমদাৰ, ৺গৌৰেন্দ্ৰ নাথ চক্ৰবৰ্ত্তী, ৺সত্যপ্ৰিয় দাসগুপ্ত, ৺সুবোধ চৌধুৰী, ৺ বিনোদ ভাগবতী, ৺ বানিজ চৌধুৰী, ৺ মনোহৰ উপাধ্যায় আদি সকলোলৈ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

বঙাইগাঁও বাৰোৱাৰী পূজা কমিটিৰ সৌজন্যত ইতিমধ্যে ৰাধা কৃষ্ণ মন্দিৰ, সোমনাথ মন্দিৰ আৰু দুৰ্গা মন্দিৰৰ নিৰ্মাণ সম্পুৰ্ণ হৈছে। এতিয়া মন্দিৰবোৰ, নাটমন্দিৰ, অফিচ আদি মন্দিৰ প্ৰাঙ্গন নতুনকৈ ৰং কৰোৱা হল। মাহাত্মাগান্ধী পথ সংলগ্ন নতুন তোৰণ নিৰ্মাণ কাৰ্য পূৰ্ণগতিত চলিছে। ৰাসমহোৎসৱৰ সময়ত মৃন্ময় মুৰ্ত্তিবোৰ প্ৰতিষ্ঠাৰ বাবে স্থায়ী পকীগৃহ আৰু অফিচগৃহটো দুমহলীয়াকৈ নিৰ্মাণ কৰা একান্ত আৱশ্যক। শকত পৰিমাণৰ পুজিৰ অভাৱত কোন ধৰণৰ দীৰ্ঘম্যাদী পৰিকল্পনা হাতত লব পৰা নাই। অলপতে আমাৰ বাৰোৱাৰী পূজা কমিটিখন পঞ্জীয়ন কৰা হৈছে। কেইজনমান অভিজ্ঞ ব্যক্তিৰ তত্বাবধানত এখন সংবিধান প্ৰস্তুত কৰা হৈছে আৰু সাধাৰণ সভাত সংবিধানখন অনুমোদন কৰা হৈছে।

বাৰোৱাৰী পূজা কমিটিৰ লগত ওত:প্ৰোত ভাবে জড়িত বঙাইগাঁও বিধানসভা সমষ্টিৰ বিধায়ক মাননীয় শ্ৰীযুত ফণীভূষণ চৌধুৰী দেৱলৈ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। তেওঁৰ সময়োপযোগী দিহা পৰামৰ্শ, আৰ্থিক অনুদান আৰু সহযোগিতা আমাৰ অনুষ্ঠানৰ উন্নয়নৰ সোপান।

বাৰোৱাৰী পূজা কমিটিৰ উপদেষ্টা মণ্ডলীৰ সদুপদেশ, কাৰ্যকৰী সভাপতি, উপ সভাপতিসকল, সম্পাদকদ্বয় আৰু অন্যান্য বিষয়ববীয়া সকলোৰ সমৰ্থন আৰু সহযোগিতা আমাৰ উন্নতিৰ ধাৰক আৰু বাহক। মই সকলোকে আন্তৰিক ধন্যবাদ জনাইছোঁ। 'মুৰুলী' সম্পাদনা সমিতি যথেষ্ট কষ্ট কৰি সঠিক সময়তে এটি উন্নত মানৰ স্মৃতিগ্ৰন্থ প্ৰকাশ কৰি দিয়াত মই সম্পাদনা সমিতিৰ সকলোকে ধন্যবাদ জনাইছোঁ। ৰাস মহোৎসৱৰ লগত জড়িত সকল বিষয়ববীয়া, উপসমিতিৰ সদস্যবৃন্দ, দেউৰী পুৰোহিত, স্বেচ্ছাসেৱক, অন্যান্য কৰ্মী আৰু ৰাইজৰ সহযোগিতাৰ বাবে সকলোলৈ ধন্যবাদ জ্ঞাপন কৰিছোঁ।

বাৰোৱাৰী পূজা কমিটিৰ উদ্যোগত আয়োজিত ৰাসমহোৎসৱৰ সফলতা কামনা কৰিছোঁ। ঈশ্বৰৰ ওচৰত সমূহ ৰাইজৰ সৰ্বাঙ্গীন মঙ্গল কামনা কৰিলোঁ। জয় শ্ৰীকৃষ্ণ।

ধন্যবাদেৰে—

***শ্ৰীভূমিধৰ চৌধুৰী***
সভাপতি
বাৰোৱাৰী পূজা কমিটি,
বঙাইগাঁও, গান্ধীময়দান।

# বাৰোৱাৰী পূজা কমিটিৰ সম্পাদকদ্বয়ৰ কলমৰ পৰা

জয় জয়তে সকলোলৈ আমাৰ আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জনাইছো। বঙাইগাঁও বাৰোৱাৰী পূজা কমিটি দ্বাৰা আয়োজিত ১০৩ সংখ্যক শ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱ উদযাপন উপলক্ষে প্ৰথমতে আমি ৰাধাকৃষ্ণৰ শ্ৰীচৰণত পুষ্পাৰ্ঘ নিবেদন কৰিছোঁ। আমাৰ দেশত বিভিন্ন ঠাইত ৰাস মহোৎসৱ উদযাপন কৰা হয়। আমাৰ বঙাইগাঁওত বিভিন্ন কাৰ্যসূচীৰে প্ৰতিবছৰ শ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱ উদযাপন কৰা হয়। ভগবান শ্ৰীকৃষ্ণই কৰা লীলা সমূহৰ মাজত ৰাসলীলা হৈছে শ্ৰেষ্ঠ লীলা। ভগবান ভক্তৰ অধীন। ভগবান সদায় ভক্তৰ মনোস্কামনা পূৰণ কৰে। ব্ৰজৰ গোপিনীসকলে শ্ৰীকৃষ্ণৰ মুৰুলী ধ্বনিত আকৃষ্ঠ হৈ শ্ৰীকৃষ্ণক পতিৰূপে পাবলৈ মনে মনে কামনা কৰিছিল। অন্তৰ্যামী শ্ৰীকৃষ্ণ গোপিনীসকলৰ মনোস্কামনা পূৰণ কৰিছিল। কাৰ্তিকী পূৰ্ণিমাত নিজক যোল হেজাৰ ৰূপত প্ৰকাশ কৰি যোল হেজাৰ গোপিনীৰ লগত নৃত্যলীলাত লিপ্ত হৈছিল। গোপিনীসকল শ্ৰীকৃষ্ণৰ সংগ সুখত বিভোৰ নিজ পতি-পুত্ৰ সংসাৰ পাহৰি আনন্দত আত্মহাৰা হৈ শ্ৰীকৃষ্ণৰ লগত নৃত্যলীলা কৰিছিল।

বাৰোৱাৰী পূজা কমিটিৰ সাধাৰণ সম্পাদক শ্ৰীসুব্ৰত কুমাৰ চক্ৰবৰ্ত্তী মহাশয় হঠাৎ অসুস্থ হৈ বহিঃ ৰাজ্যত চিকিৎসাধীন হৈ থাকিব লগীয়া হোৱাত আমাক দুয়োজন সহঃ সম্পাদকৰ ওপৰত অস্থায়ীভাবে সাধাৰণ সম্পাদকৰ দায়িত্ব অৰ্পন কৰা হয়। আমাৰ কৰ্মকৰ্তা সকলৰ প্ৰস্তাৱ অনুযায়ী আমি দুয়ো এই গুৰু দায়িত্ব মুৰ পাতিলৈ কাৰ্যনিৰ্বাহ কৰি আছোঁ। সম্পাদকৰ দায়িত্ব পালনত আমি কিমানদুৰ সফল হৈছো নেজানো কিন্তু উপদেষ্টা মণ্ডলীৰ উপদেশ, সভাপতি, কাৰ্যকৰী সভাপতি আৰু অন্যান্য কৰ্মকৰ্তা সকলোৰ অকুণ্ঠ সমৰ্থন আৰু আন্তৰিক সহযোগিতাত দায়িত্বখিনি সুচাৰুৰূপে পালন কৰিবলৈ যত্ন কৰিছোঁ। আমি এওঁলোকক আন্তৰিকভাবে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। ইতিমধ্যে বাৰোৱাৰী পূজা কমিটিৰ যোৱা বছৰৰ বছৰেকীয়া আয়-ব্যয়ৰ হিচাব সাধাৰণ সভাত দাখিল কৰা হয় আৰু ব্যয়ৰ সভাৰ হিচাবৰ প্ৰতিবেদন অনুমোদন জনাইছে।

নামনি অসমৰ এটি অন্যতম ধৰ্মীয় অনুষ্ঠান আমাৰ বঙাইগাঁও বাৰোৱাৰী পূজা কমিটি। আমাৰ ধৰ্মীয় অনুষ্ঠানত প্ৰতিনিয়ত পূজা অৰ্চনা, সন্ধ্যাৰতি, ভাগবৎ পাঠ, সোমনাথ পূজা, শ্ৰীকৃষ্ণৰ জন্মাষ্টমী, বুঢ়া-বুঢ়ীৰ পূজা, দুৰ্গোৎসৱ, ৰাস মহোৎসৱ আদি উদযাপন কৰা হয়। আমাৰ পুৰোহিত আৰু দেউৰী বৰ ভক্তি আৰু আন্তৰিকতাৰে পূজা অৰ্চনা কৰে। এইবেলি শ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱ উপলক্ষ্যে ১৫ দিনীয়া মেলা, চিত্ৰাংকন প্ৰতিযোগিতা, নামগান, ভাওনা, উপহাৰ কুপনৰ খেল, স্মৃতিগ্ৰন্থ প্ৰকাশ আদি বিভিন্ন কাৰ্যসূচী হাতত লোৱা হৈছে। ৰাস মহোৎসৱ পৰিচালনাৰ বাবে উপ-সমিতি গঠন কৰি দিয়া হৈছে। সমূহ কাৰ্যসূচীত আমাৰ সদস্যসকল আন্তৰিকভাবে অংশগ্ৰহণ কৰে। সকলো সদস্য দিনে-ৰাতি দেহে-কেহে খাটি ৰাস মহোৎসৱ সফল সমাপ্তি ঘটোৱাত সহযোগ কৰে। আমাৰ এই ধৰ্মীয় অনুষ্ঠানটো ৰাইজৰ দান বৰঙনি, সদস্য মাছুল আৰু ৰাসমেলাৰ উদ্ধৃত ধনেৰে পৰিচালনা কৰা হয়। নিত্য পূজা-অৰ্চনা, বিজুলী বিল, সাফাই খৰচ, অফিচ পৰিচালনা খৰচ, দেউৰী পুৰোহিতৰ মাহেলী মাননি, অন্যান্য অনুষ্ঠান আৰু

যাবতীয় মেৰামত আৰু উন্নয়নমূলক কাৰ্যসূচী এই শিতানৰ পৰা সমাপন কৰা হয়। এই বেলি তিনিটা মন্দিৰ, নাট মন্দিৰ, অফিচ আৰু মন্দিৰ প্ৰাঙ্গন ৰং কৰোৱা হৈছে। এম.জি. ৰোড সংলগ্ন নতুন তোৰণ এটি নিৰ্মাণ কৰা হৈছে। চি.চি. কেমেৰাবোৰ পুন:সক্ৰিয় কৰা হৈছে। প্ৰয়োজনীয় মেৰামতিৰ কামখিনি সমাপ্ত কৰা হৈছে। পূজাৰ বাবে কিছুমান বাচন-বৰ্তন কিনা হৈছে।

শ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱৰ লগত সংগতি ৰাখি স্মৃতিগ্ৰন্থ মুৰুলী প্ৰকাশ কৰা হল। আমি মুৰুলী সম্পাদনা সমিতিৰ সকলোকে আন্তৰিক ভাবে ধন্যবাদ জনাইছোঁ। মুৰুলীত প্ৰকাশিত লেখাৰ লেখক/লেখিকা আৰু বিজ্ঞাপন দাতা সকলোকে আমি আন্তৰিক ভাবে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

আমাৰ বাৰোৱাৰী পূজা কমিটি মুখ্য উপদেষ্টা আমাৰ সকলৰ প্ৰিয় আৰু সন্মানীয় বিধায়ক শ্ৰীযুত ফণীভূষণ চৌধুৰী দেৱক পৰম শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। তেওঁৰ বহু মূল্যবান পৰামৰ্শ আৰু সহায়-সহযোগিতা আমি সদায় কৃতজ্ঞতাৰে স্মৰণ কৰিম। বাৰোৱাৰী পূজা কমিটিৰ সভাপতি, কাৰ্যকৰী সভাপতি, উপসভাপতি, কোষাধক্ষ্য আৰু অন্যান্য বিষয়ববীয়া সকল, উপসমিতিৰ সন্মানীয় কৰ্মকৰ্তা সকলোলৈ আন্তৰিক সেৱা যাচিছোঁ। অজানিত ভুল-ত্ৰুটিৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰিছোঁ।

শেষত শ্ৰীকৃষ্ণৰ ওচৰত সকলৰ মঙ্গল কামনা কৰিছোঁ । বঙাইগাঁও চহৰৰ ঐতিহ্যমণ্ডিত ৰাসমন্দিৰ আৰু বাৰোৱাৰী পূজা কমিটি উত্তৰোত্তৰ শ্ৰীবৃদ্ধি কামনা কৰিছোঁ।

শ্ৰদ্ধাসহ—

***কাজল দত্ত***
***বিধুভূষন সৰকাৰ***
ভাৰপ্ৰাপ্ত সম্পাদকদ্বয়
বাৰোৱাৰী পূজা কমিটি,
বঙাইগাঁও, গান্ধীময়দান।

# সূচীপত্ৰ -


| | | |
|---|---|---|
| ● দশমৰ ৰাসলীলা ঃ শ্লীলতা-অশ্লীলতাৰ প্ৰশ্ন | ড০ নীলমোহন ৰায় | ১ |
| ● পশ্চিম অসমৰ কৃষক সমাজৰ 'ন-খোৰা' উৎসৱঃ এটি অধ্যয়ন | ড° ধীৰেণ শৰ্মা | ৭ |
| ● শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ | ড° জবা ঠাকুৰীয়া | ১৪ |
| ● শঙ্কৰদেৱৰ ধৰ্ম দৰ্শনত নাৰীৰ ভূমিকা | ড° ৰাস্না ৰাজখোৱা | ১৭ |
| ● ৰাসলীলা- ভগৱান শ্ৰীকৃষ্ণৰ শ্ৰেষ্ঠ লীলা | শ্ৰীঅনিল চন্দ্ৰ শৰ্মা | ২৬ |
| ● অসমীয়া জনমানসত লক্ষ্মী-অলক্ষ্মী | ড° উপেন ৰাভা হাকাচাম | ৩০ |
| ● ৰাসলীলাঃ পুৰাতন ঐতিহ্য বিচাৰ | কন্দৰ্প বৰপূজাৰী | ৫৬ |
| ● শৰতৰ ৰাসোৎসৱ | ভানু পাঠক | ৬০ |
| ● আধ্যাত্মিক দৃষ্টিত শ্ৰীকৃষ্ণৰ ৰাসলীলা | শ্ৰী মংগল সিং ৰায় | ৬৯ |
| ● শ্ৰীকৃষ্ণৰ ৰাসক্ৰীড়া | প্ৰমোদ শৰ্মা | ৭০ |
| ● শ্ৰীকৃষ্ণৰ ৰাসলীলাত ভক্তিৰস বিৰহ আৰু প্ৰেমৰ সমাহাৰ | দীনেশ চন্দ্ৰ দাস | ৭২ |
| ● বিষধৰ কালিয় নাগ | শ্ৰীশৈলেন্দ্ৰ নাৰায়ণ চৌধুৰী | ৭৭ |
| ● কৃষ্ণ সংস্কৃতি, ৰাধা আৰু ভাৰতীয় দৰ্শন | অজিত কুমাৰ দাস | ৮১ |
| ● ৰাসলীলাৰ কিছু ৰস, কিছু পুৰণি স্মৃতি আৰু পূৰ্বপুৰুষৰ কৰ্ম্মৰাজী | উদয় কুমাৰ মজুমদাৰ | ৮৩ |
| ● ৰাস পঞ্চাধ্যায় | শ্ৰী বিচিত্ৰ শৰ্মা | ৮৫ |
| ● ৰাসলীলাৰ বৰ্ণনা | নীৰেন চন্দ্ৰ দাস | ৮৭ |
| ● মহাপুৰুষ শংকৰদেৱৰ দৃষ্টিত ৰাসক্ৰীড়া | সমীৰ কুমাৰ সুত্ৰধৰ | ৯০ |
| ● শ্ৰীকৃষ্ণৰ ৰাসলীলা | শৈলেন্দ্ৰ সূত্ৰধৰ | ৯২ |
| ● অৰূপৰতন | শ্ৰী নাৰায়ণ কুমাৰ দেব | ৯৭ |
| ● শ্ৰীকৃষ্ণকীৰ্তন কাব্যের ৰাধাবিরহ ও অভিসার সম্পৰ্কিত আলোচনা | বাণী বৰুৱা | ৯৯ |
| ● "ৰাসলীলা তত্ত্ব ও মাহাত্ম্য" | নীহাৰ ৰঞ্জন পাল | ১০২ |
| ● মৰ্যাদা পুৰুষোত্তম | নিশীত ৰঞ্জন দাস | ১০৬ |

# দশমৰ ৰাসলীলা ঃ শ্লীলতা-অশ্লীলতাৰ প্ৰশ্ন

**ড০ নীলমোহন ৰায়**
**গুৱাহাটী**

ৰাস এক ধৰণৰ নৃত্য। বৈদিক শাস্ত্ৰমতে এজন নটে যেতিয়া বহু নটীৰ সৈতে নৃত্য কৰে, তেতিয়া সেই যৌথ নৃত্যকেই কোৱা হয় ৰাসনৃত্য।[১] ৰাস এনে এবিধ নৃত্য য'ত সমান সংখ্যক নট আৰু নৰ্তকী সন্মিলিত হয়। নৰ্তকীসকলে ইজনীয়ে সিজনীৰ হাতত ধৰি গোলাকৃতিত থিয় হয় আৰু নটসকলে প্ৰতি দুজনী নৰ্তকীৰ মাজত থাকি নৰ্তকীসকলৰ কণ্ঠদেশ ধাৰণ কৰে আৰু নট-নটীসকলে একেলগে তালে তালে নৃত্য কৰে। ইয়েই ৰাসনৃত্য।[২] মণ্ডলাকাৰে নৃত্য কৰা অনেক নৰ্তকীৰ মাজত যদি কোনো নটে নৃত্য কৰে, সেই নৃত্যক হল্লীস নৃত্য বোলে।[৩] এই হল্লীস নৃত্য যদি বিবিধ তালযুক্ত আৰু বহুবিধ গতিসমন্বিত হয়, তেনেহ'লে সি ৰাসনৃত্য নামে অভিহিত হ'ব পাৰে।[৪]

ৰস শব্দৰ পৰাই ৰাস শব্দৰ উৎপত্তি—'ৰসনাং সমূহ ৰাস'। উপৰি-উক্ত নৃত্য যদি ৰসাত্মক হয় তেতিয়াহ'লেহে প্ৰকৃত ৰাস হ'ব, কিয়নো ৰসেই ৰাসৰ প্ৰাণ। ৰসস্বৰূপ, আনন্দস্বৰূপ, সচ্চিদানন্দ বস্তুই পৰমবস্তু। সেই পৰমবস্তু স্বয়ং ভগৱান। সেয়ে ভগৱানৰ সৈতে সম্বন্ধ-বিশিষ্ট নৃত্যই প্ৰকৃত ৰাস। সেই বিচাৰত ভগৱান শ্ৰীকৃষ্ণৰ সৈতে নিত্য-কান্তাসকলৰ নৃত্যই প্ৰকৃত ৰাসনৃত্য। এই ৰাসলীলাক ভগৱান শ্ৰীকৃষ্ণৰ সকলো লীলাৰ মুকুটমণি বুলি কোৱা হয়। শ্ৰীমদ্ভাগৱত ভগৱান শ্ৰীকৃষ্ণৰ দেহ বা বিগ্ৰহ, তাৰ ভিতৰত 'দশম স্কন্ধ' হ'ল তেওঁৰ প্ৰসন্ন বদনকমল। ৰাসলীলা সেই বদনকমলৰ মধুৰ হাঁহি। ৰাসলীলাত ভগৱানৰ ভক্ত-বাৎসল্য, প্ৰেমৰশ্যতা আৰু মাধুৰ্য যিদৰে প্ৰভাসিত হৈছে তেনেদৰে আৰু ক'তো দেদীপ্যমান হৈ উঠা নাই। সেই কাৰণেই ৰাসলীলা অতুলনীয়, অনন্য। ৰাসলীলাত শ্ৰীকৃষ্ণৰ আৰু গোপীসকলৰ কাৰো মনত স্বসুখবাসনা নাই, সেই কাৰণে ৰাসলীলা নিবৃত্তিপৰায়ণা। ই শ্ৰীকৃষ্ণৰ কামজয়ী লীলা হিচাপে প্ৰসিদ্ধ। শ্ৰীকৃষ্ণ কামজয়ী হোৱাৰ আখ্যানটো এনে ধৰণৰ—এবাৰ ৰতিপতি কামদেৱৰ মনত অভিমান হ'ল যে ব্ৰহ্মা, ইন্দ্ৰ, চন্দ্ৰ, বৃহস্পতি সমন্বিতে অন্যান্য দেৱতাক তেওঁ পৰাভূত কৰিছে, মহাদেৱক পৰাভূত কৰিব নোৱাৰিলেও তেওঁৰ চিত্ততো চাঞ্চল্য জগাবলৈ সক্ষম হৈছে, যাৰ পৰিণতিত কামদেৱ মহাদেৱৰ ৰোষবহ্নিত ভস্মীভূত হৈ অনংগ ৰূপ পাবলগীয়া হৈছে। জগতৰ সকলোৱেই কামদেৱৰ বশীভূত, মাথোঁ বাকী আছে কৃষ্ণ। কৃষ্ণক পৰাভূত কৰিব পাৰিলেই তেওঁ সৰ্বজয়ী হ'ব পাৰে। এনে ভাবনাৰ দ্বাৰা প্ৰবুদ্ধ হৈ কামদেৱ শ্ৰীকৃষ্ণক পৰাভূত কৰাৰ বাবে সচেষ্ট হ'ল। কাত্যায়নী ব্ৰত উদ্‌যাপনৰ দিনত কামদেৱ বিফল মনোৰথ হ'ল, ৰাস পূৰ্ণিমাত তেওঁৰ উত্তম সুযোগ আহিল। নিৰ্জন

ফৰিংফুটা জোনাক ৰাতি, সুগন্ধি বায়ু প্ৰবাহিত, প্ৰেমাকুল অনিন্দ্যসুন্দৰী যুৱতীসকলৰ মাজত বিদ্যমান একমাত্ৰ পুৰুষ শ্ৰীকৃষ্ণ। এনে এক অনুকূল পৰিৱেশত মদনে প্ৰথমে শ্ৰীকৃষ্ণৰ ৰথ ভাঙি দিব বিচাৰিলে। গোপীসকলৰ মনেই হ'ল শ্ৰীকৃষ্ণৰ ৰথ। সেই মনত কামভাব উদ্ৰেক কৰাৰ চেষ্টা কৰি মদন বিফল হ'ল। শেষত ফুলশৰ লৈ তেওঁ শেষ চেষ্টাৰ বাবে শ্ৰীকৃষ্ণৰ ওচৰ চাপিল। সৰ্বপ্ৰাণীক আকৰ্ষণ কৰিবলৈ সক্ষম হোৱা শ্ৰীকৃষ্ণৰ ভুৱনমোহন ৰূপ দেখি মদনে ভাবিব ধৰিলে—যদি মই নাৰী হ'লোহেঁতেন তেন্তে এই পুৰুষৰত্নকেই ভজন কৰিলোহেঁতেন। মনতে এনেদৰে চিন্তা কৰি মদনে শ্ৰীকৃষ্ণৰ চৰণত আত্মসমৰ্পণ কৰিলে। তেতিয়া গোপীসকলে ক'লে—এই ৰাসস্থলিত আন কোনো পুৰুষ সোমোৱাৰ অধিকাৰ নাই, তুমি কিয় আহিলা? তেতিয়া কামদেৱে ভুল হৈছে বুলি কৈ আৰু কোনোদিন বৃন্দাবনলৈ নাহিব বুলি অংগীকাৰ কৰিলে। গোপীসকলে সেইখিনিতে সন্তুষ্ট নাথাকি ক'লে—তুমি প্ৰতিজ্ঞা কৰা, এই ৰাসলীলা যিয়ে শ্ৰদ্ধাপূৰ্বক শ্ৰৱণ কৰিব অথবা বৰ্ণনা কৰিব, তেওঁলোকৰ মনতো তুমি উদয় নহ'বা। কামদেৱে সেই প্ৰস্তাৱ নতশিৰে মানি লৈ স্থান ত্যাগ কৰিলে। পৰাজয়ৰ চিনস্বৰূপে কামদেৱৰ ধ্বজচিহ্ন মকৰকেতন গোপীসকলে ৰাখি দিলে। দোললীলা (দোলযাত্ৰা)ৰ সময়ত এই মকৰকেতন ৰাধা-কৃষ্ণৰ (গোপী-কৃষ্ণৰ) দোলমঞ্চৰ ওপৰত সজাই ৰখা হয়। সি যি কি নহওক, ভগৱান শ্ৰীকৃষ্ণই শত-সহস্ৰ গোপীৰ সৈতে ৰাস-বিহাৰ কৰিও 'আত্মন্যৱৰুদ্ধ শ্ৰদ্ধান্বিতোহনু শৃনুয়াদথ বৰ্ণয়েৎ যঃ'।

ভক্তিং পৰাং ভগৱতি প্ৰতি লভ্য কামং।
হৃদ্ৰোগমাশ্বপনিনোত্যচিৰেণ ধীৰঃ।।

যিয়ে শ্ৰদ্ধাপূৰ্বক, অৰ্থাৎ ই নৰ-নাৰীৰ কেলি নহয়, বৰং সকলো ঐশ্বৰ্য আৰু মাধুৰ্যৰ আকৰ স্বয়ং ভগৱান শ্ৰীকৃষ্ণ আৰু তেওঁৰ হ্লাদিনী শক্তিময়ী কান্তাসকলৰ সুমধুৰ বিলাস—এই সুদৃঢ় বিশ্বাসেৰে শ্ৰৱণ অথবা বৰ্ণনা কৰিব, ঈশ্বৰত তেওঁৰ প্ৰেমভক্তি লাভ হ'ব, হৃদয়ৰ কামব্যাধি দূৰীভূত হ'ব আৰু তেওঁ ধীৰ হ'ব অৰ্থাৎ চাঞ্চল্য বৰ্জিত হ'ব। শ্ৰীকৃষ্ণই বৃন্দাবনত কৰা সকলো লীলাই মধুৰ, তাৰ ভিতৰত ৰাসলীলা মধুৰতৰ।

আহিন মাহৰ শাৰদী নিশাত গোপীসকলক লৈ বৃন্দাবনৰ বালিচাপৰিত শ্ৰীকৃষ্ণই কৰা এই ৰাসলীলাৰ ইতিবাচক আৰু নেতিবাচক আলোচনা-পৰ্যালোচনাৰ অৱকাশ আছে। ৰাসলীলাত গোপী-কৃষ্ণৰ প্ৰেমচৰ্যাৰ সন্দৰ্ভত অশালীনতাৰ প্ৰশ্নও উত্থাপিত হৈছে। বিষয়টো ৰহস্যপূৰ্ণ বুলিয়েই সম্ভৱতঃ ভাগৱতত ৰজা পৰীক্ষিতৰ মুখেৰে দুবাৰকৈ এই বিষয়টোৰ সন্দৰ্ভত প্ৰশ্ন উত্থাপন কৰাই শুকদেৱে বৃহৎ ব্যাখ্যাৰে উত্তৰ প্ৰদান কৰাৰ সুযোগ লৈছে। বিষয়টো হ'ল—শ্ৰীকৃষ্ণৰ বংশীধ্বনিত আকুল হৈ গোপীসকলে সৰ্ববন্ধন বিমুক্ত হৈ মাজনিশা আহি মিলিত হৈছিল কৃষ্ণৰ লগত। দৰাচলতে ই আছিল সমাজৰ ৰীতি উলংঘন কাৰ্য। কিয়নো গোপীসকলৰ সকলোৱেই আছিল বিবাহিতা, কিছুমানৰ সন্তানো আছিল। তেনেক্ষেত্ৰত পাৰিবাৰিক নীতি-বন্ধনক উলংঘা কৰি পৰপুৰুষ কৃষ্ণৰ সৈতে মিলিত হোৱা কাৰ্য কিমান দূৰ ন্যায়সংগত? আনহাতে, ভাগৱততে উল্লেখ আছে যে যিসকল গোপীক নিজৰ নিজৰ স্বামীয়ে বাহিৰলৈ যাবলৈ নিদি কোঠাতেই অৱৰুদ্ধ কৰি ৰাখিছিল তেওঁলোকেও শ্ৰীকৃষ্ণৰ চিন্তা কৰি ত্ৰিগুণময় দেহ ত্যাগ কৰি মুক্তি লাভ কৰিলে। এতিয়া প্ৰশ্ন হ'ল উপপতি ভাবত চিন্তা কৰিও সেই গোপীসকলে পৰমপদ লাভ কৰিলে আৰু তেওঁলোকৰ ভৱবন্ধনো মোচন হ'ল। প্ৰিয়তমাই যদি প্ৰিয়তমাৰ চিন্তা কৰি কৰি

দেহত্যাগ কৰে তেন্তে সি সাংসাৰিক প্ৰেমৰ উচ্চাদৰ্শ হ'ব পাৰে, কিন্তু তাত তেওঁৰ ভৱবন্ধন মোচন নহয়। আনহাতে শ্ৰীকৃষ্ণ পৰমব্ৰহ্ম হ'লেও গোপীসকলে তেওঁক সেইভাৱেৰে সেৱা কৰা নাছিল, তেওঁলোকে কান্তভাৱেহে চিন্তা কৰিছিল। তেনেক্ষেত্ৰতো তেওঁলোকৰ মুক্তি কিদৰে সম্ভৱ হ'ল?

এনে প্ৰশ্নৰ উত্তৰত শুকদেৱে শিশুপাল প্ৰসংগ উত্থাপনৰ দ্বাৰা 'অনুক্ষণ স্মৰণ' বা চিত্ত নিৰিষ্টতাই যে মুক্তিৰ উপায় সেই কথা স্পষ্টভাৱে বুজাই দিছে। ত্ৰিগুণ নিয়ন্তা ভগৱান কৃষ্ণত চিত্ত সততে নিৰিষ্ট থাকিলেই তন্ময়তা জন্মে, সেই চিত্ত-নিৰিষ্টতা কাম-জনিতই হওক অথবা দ্বেষ-জনিতই হওক নাইবা প্ৰেম-জনিতই হওক তাৰ ওপৰত নিৰ্ভৰ নকৰে।[৫] গীতাত ভগৱান শ্ৰীকৃষ্ণই কৈছে—'সততে মোক স্মৰণ কৰা আৰু যুদ্ধও কৰা, মোত মন বুদ্ধি অৰ্পণ কৰিলে তুমি নিশ্চয় মোক পাবা। যিয়ে একান্তচিত্ত হৈ নিৰন্তৰ মোক স্মৰণ কৰে, যাৰ চিত্ত নিৰন্তৰ মোতেই যুক্ত থাকে তেওঁৰ বাবে মই সুলভ' (গীতা—৮/৭; ৮/১৪)। ভাগৱততো অনুৰূপ ভাৱেৰেই প্ৰতিধ্বনি শুনা যায়। গোপীসকলৰ প্ৰসংগত ভাগৱতত উল্লিখিত কথাৰ তাৎপৰ্য এয়ে যে নিৰন্তৰ শ্ৰীকৃষ্ণ স্মৰণ যদি প্ৰেমবশতঃ নহৈ কামৰশতও হয়, তথাপি ফল একেই হ'ব কিয়নো শ্ৰীকৃষ্ণ পৰমাত্মা, তেওঁৰ স্মৰণেই কামদোষ নষ্ট হয়। ভাগৱতত শ্ৰীকৃষ্ণই কৈছে ঃ

ন ময্যাৱেশিতধিয়াং কাম, কামায় কল্পতে।
ভৰ্জিতা ক্বথিতা ধানা প্ৰায়ো বীজায় নেষ্যতে।।
(ভা. ১০/১২/২৬)

অৰ্থাৎ 'মোত যিসকলৰ চিত্ত নিৰিষ্ট তেওঁলোকৰ কাম আৰু কাম হৈ নাথাকে। ধান ভাজিলে অথবা সিদ্ধ কৰিলে তাৰপৰা গজালি নোলায়।' স্মৰ্তব্য যে ব্ৰজনাৰীসকলে দৈনন্দিন সকলো কাৰ্যৰ মাজতেই শ্ৰীকৃষ্ণক ধ্যান কৰিছিল। তেওঁলোকে গাইৰ গাখীৰ খীৰাওঁতে, গাখীৰ মথন কৰোঁতে, শিশুক দোলনাত ৰাখোঁতে, ঘৰ-দুৱাৰ নিকা কৰোঁতে আৰু এই জাতীয় সকলো কাৰ্যৰ মাজতেই শ্ৰীকৃষ্ণৰ গুণ-গান কৰিছিল। তেওঁলোকৰ চিত্ত সততে কৃষ্ণৰ সৈতে যুক্ত আছিল। এই ধৰণৰ কৃষ্ণানুধ্যানৰ মাজত অৱশ্যে নিৰ্মল প্ৰেমৰেই ভাবব্যক্তি প্ৰকট হৈ উঠিছে। কিন্তু প্ৰশ্ন হ'ল ৰাসলীলাৰ সময়ত গোপীসকলে স্বামী-পুত্ৰ, আত্মীয়-পৰিজন, ঘৰ-সংসাৰ সকলো এৰি শ্ৰীকৃষ্ণৰ সৈতে মিলনৰ বাবেহে উদ্‌বাউল হৈ দৌৰি অহা কাৰ্য কিমানদূৰ অনাবিল প্ৰেমভাবনাৰে বিধৌত?

ভাগৱতত আছে, পৰমভোক্তা শ্ৰীকৃষ্ণই যেতিয়া শৰৎকালৰ পূৰ্ণিমা ৰাতি ব্ৰজগোপীসকলৰ সংগসুখ ভোগ কৰাৰ বাসনা কৰিলে, ঠিক সেই সময়ত চন্দ্ৰই তাৰ সমস্ত সৌন্দৰ্য লৈ আকাশত উদিত হ'ল। শৰৎকালৰ পূৰ্ণিমাৰ ৰাতি হ'ল আটাইতকৈ উজ্জ্বল আৰু বিতোপন ৰাতি। চন্দ্ৰ উদয়ৰ ফলত গোপীসকলৰ সৈতে কৃষ্ণৰ নাচিবৰ বাসনা জন্মিল। এই সন্দৰ্ভত শংকৰদেৱে লিখিছে ঃ

শৰত কালৰ ৰাত্ৰি অতি বিতোপন।
বহুবিধ পুষ্পে বিকশিত বৃন্দাবন।।
দেখি যোগমায়া বলে হৰিষে তহিত।
ৰাস-ক্ৰীড়া কৰিতে কৃষ্ণৰ ভৈল চিত্ত।।
(দশম—১২১১)

পূৰ্বদিশত চন্দ্ৰ উদয় হোৱাৰ লগে লগে বননি সুবাসিত ফুলেৰে উপচি পৰিল। চৌদিশে তেতিয়া স্নিগ্ধতা নামি আহিল। কৃষ্ণই যেতিয়া তেওঁৰ বাঁহী বজাবলৈ আৰম্ভ কৰিলে, বৃন্দাবনৰ সকলো গোপীয়েই তেতিয়া মুগ্ধ হৈ গ'ল। পূৰ্ণচন্দ্ৰৰ উদয়, ৰক্তিম দিগন্ত, স্নিগ্ধ আৰু মনোৰম পৰিৱেশ আৰু পূৰ্ণবিকশিত ফুলৰ

সৌৰভে সেই বাঁহীৰ সুৰৰ প্ৰতি তেওঁলোকৰ আকৰ্ষণ সহস্ৰগুণে বৃদ্ধি কৰিলে। গোপীসকল স্বাভাৱিকভাৱেই কৃষ্ণৰ সৌন্দৰ্যৰ প্ৰতি অতিশয় আকৃষ্ট হৈয়েই আছিল, এতিয়া এনে পৰিৱেশত প্ৰাণ আকুল কৰি তোলা বংশীধ্বনি শুনি তেওঁৰ ইন্দ্ৰিয়ৰ তৃপ্তিসাধন কৰিবলৈ উদগ্ৰীৱ হৈ উঠিল। সেই সময়ত যিয়ে যি অৱস্থাত আছিল সেই অৱস্থাতেই দৌৰি গ'ল কৃষ্ণৰ ওচৰলৈ ঃ

আছিলেক কতো কতো গোপী গাই দুই।
কান্দিয়া আছাৰি যায় বিমোহিত হুই।।
কতোজনী যায় দধি মথনকো এৰি।
আখাতে থাকিল দুধ চৰু সৈতে পড়ি।।

(দশম—১২১৬)

পীয়ন্তে আছিল শিশু তাহাকো নগনি।
পতি শুশ্ৰূষাকো এড়ি যায় কতোজনী।।
সাঞ্জন্তে আছিল কতো গোপিকা লেপন্তে।
আধাভুঞ্জা হুয়া কতো যায় লৰৰন্তে।।

(দশম—১২১৭)

শ্ৰীকৃষ্ণই এইদৰে তেওঁৰ ওচৰলৈ দৌৰি অহাটো সমীচীন হোৱা নাই বুলি নানা প্ৰকাৰ বুজনিৰে তেওঁলোকক ঘৰলৈ পঠিয়াবলৈ চেষ্টা কৰিও যেতিয়া ব্যৰ্থ হ'ল, তেতিয়া গোপীসকলৰ মনোবাঞ্ছা পূৰ্ণ কৰাৰ বাবেই ৰাসক্ৰীড়াৰ আয়োজন কৰিলে। তেওঁ গোপীসকলক আলিংগন আৰু চুম্বন কৰিবলৈ ধৰিলে, তেওঁ দুবাহুৰে কোনো গোপীকাৰ মূৰ, বুকু অথবা কঁকাল মেৰিয়াই ধৰিলে। শ্ৰীকৃষ্ণক স্পৰ্শ কৰি, তেওঁৰ সৈতে পৰিহাস কৰি আৰু পৰস্পৰক বিহ্বলতাৰে অৱলোকন কৰি তেওঁলোকে মহা আনন্দ উপভোগ কৰিলে। কৃষ্ণই যেতিয়া গোপীসকলৰ দেহ স্পৰ্শ কৰিলে, তেতিয়া কৃষ্ণক আলিংগন কৰাৰ বাসনাও গোপীসকলৰ তীব্ৰতৰ হ'ল। তেওঁলোক আটাইয়ে এই লীলা-বিলাস উপভোগ কৰিলে আৰু শ্ৰীকৃষ্ণৰ সংগসুখ লাভ কৰি পৰম আহ্লাদিত আৰু কৃতাৰ্থ হ'ল। শংকৰদেৱে দশমত লিখিছে ঃ

আনন্দে গোবিন্দ গোপিকাৰ বঢ়াই কাম।
ৰমিলা শৰত ৰাত্ৰি আতি অবিশ্ৰাম।।
কৰিলা সুৰভি সন্তোষিলা মনমথ।
নিৰন্তৰ গোপীৰ পুৰিলা মনোৰথ।।

(দশম—১২৯১)

গোপীসকলৰ কৃষ্ণৰ সৈতে হোৱা এই মিলন পৰ্যায়ক লৈয়েই বিবিধ প্ৰশ্ন আৰু নিন্দা-স্তুতিৰ অৱতাৰণা হৈ থাকে। কিন্তু বৈষ্ণৱ প্ৰেমতত্বত ইয়াক দোষণীয় বা নিন্দাৰ্হ বুলি অভিহিত কৰা নহয়। বৈষ্ণৱ প্ৰেমতত্ব মতে গোপী-কৃষ্ণৰ এই প্ৰেমক সাধাৰণ নৰ-নাৰীৰ প্ৰেম হিচাপে আখ্যায়িত কৰিব নোৱাৰি। গোপনাৰীসকলৰ এই প্ৰেম সাধাৰণ কাম নহয়। প্ৰণয়ৰিষ্ট অন্তৰৰ আকুতিয়েই ইয়াত নিবিড়তম বন্ধনত ভক্ত আৰু ভগৱানক আৱদ্ধ কৰিছে। 'চৈতন্যচৰিতামৃত'ত কোৱা হৈছে ঃ

সহজে গোপীৰ প্ৰেম নহে প্ৰাকৃত কাম।
কামক্ৰীড়া সাম্যে তাৰ কহি কাম নাম।।

(চৈতন্যচৰিতামৃত, মধ্যলীলা)

বৈষ্ণৱ ধৰ্মতত্ব মতে, সকলো গোপীয়েই পৰকীয়া। সামাজিক আদৰ্শৰ মানদণ্ডত পৰকীয়াপ্ৰেম নিঃসন্দেহে দোষণীয়, নিন্দনীয়। কাৰণ স্বামী বৰ্তমান থাকোঁতে পৰপুৰুষৰ প্ৰতি আসক্তি সমাজ-সংসাৰৰ বাবে কোনোপধ্যেই সমৰ্থনযোগ্য হ'ব নোৱাৰে। কিন্তু বৈষ্ণৱসকলৰ মতে শ্ৰীকৃষ্ণ লৌকিক পুৰুষ নহয়। তেওঁ স্বয়ং ঈশ্বৰৰ প্ৰতিৰূপ—'কৃষ্ণস্তু ভগৱান স্বয়ং'। পৰকীয়া প্ৰেমৰ তত্ব হ'ল—পৰপুৰুষত অনুৰক্তা কুলবধূৱে যিদৰে আত্মহাৰা আকুলতা লৈ পৰপুৰুষক

ভাল পায়, সেইদৰে সুতীব্ৰ আকুলতা লৈ ভক্তই ভগৱানকো ভাল পাব লাগিব। অৱশ্যে তত্ত্বত পৰকীয়া ভগৱানক স্বীকাৰ কৰিলেও জীৱনৰ বাস্তৱক্ষেত্ৰত কিন্তু নাৰীসকলৰ পৰকীয়া আচৰণক নিন্দা কৰা হৈছে। সমাজ জীৱনত এই পৰকীয়াপ্ৰেমৰ আদৰ্শ সকলোতে বৰ্জনীয়। বিষপান যিদৰে মহাদেৱৰ ক্ষেত্ৰতেই সম্ভৱ, মানৱৰ ক্ষেত্ৰত নহয়, পৰকীয়া প্ৰেমো সেইদৰে বৃন্দাবন লীলাতেই সম্ভৱ, বাস্তৱজীৱনত নহয়। 'চৈতন্যচৰিতামৃত'ত এই কথাৰ সুন্দৰ উল্লেখ আছে ঃ

পৰকীয়াভাৱে ৰতিৰসেৰ উল্লাস।
ব্ৰজবিনা তাহাৰ অন্যত্ৰ নাহি বাস।।

বৃন্দাবনৰ নিত্যলালীৰ মাধুৰ্য প্ৰকাশৰ বাবে মহাপ্ৰভু চৈতন্যৰ দ্বাৰা আজ্ঞাপ্ৰাপ্ত হৈ শ্ৰীৰূপগোস্বামী যেতিয়া বৃন্দাবনলৈ যাবলৈ ওলাল, তেতিয়া মহাপুৰুষে অন্তিমবাৰৰ বাবে প্ৰাণতকৈ প্ৰিয় শ্ৰীৰূপক সঁকীয়াই দিলে এইবুলি যে ঃ

কৃষ্ণকে বাহিৰ নাহি কৰ ব্ৰজ হৈতে।
ব্ৰজ ছাড়ি কৃষ্ণ কভু নাযায় কাহাতে।।

অৰ্থাৎ কৃষ্ণপ্ৰেমৰ পৰকীয়া লীলা যেন বৃন্দাবনতেই আৱদ্ধ থাকে। ব্ৰজভূমিৰ বাহিৰে সেই প্ৰেমলীলা যেন আন ঠাইত প্ৰযোজ্য বা উদ্ধৃত নহয়। নৰ-নাৰীৰ স্বাভাৱিক প্ৰবৃত্তিক যিসকলে প্ৰেম বুলি স্বীকাৰ কৰিছে, তেওঁলোকেও কিন্তু অবৈধ প্ৰণয় অৰ্থাৎ পৰনাৰীৰ প্ৰতি তেনে স্বাভাৱিক প্ৰবৃত্তিক প্ৰেম বুলি স্বীকাৰ কৰা নাই, বৰং নিন্দাকেই কৰিছে। এনে অৱস্থাত শ্ৰীকৃষ্ণ আৰু পৰনাৰী গোপীসকলৰ প্ৰণয় কিদৰে অলৌকিক প্ৰেমৰস হ'ব? শ্ৰীকৃষ্ণই নিজেই কৈছে— 'জগুপ্সিতং সৰ্বত্ৰ হ্যৌপপতং কুলস্ত্ৰিয়'। অৰ্থাৎ এই উপপতিভাব সদ্‌গতি বিৰোধী, অকীৰ্তিকৰ, অসাৰ, ক্লেশকৰ, ভয়াৱহ আৰু নিন্দিত।[৬] ই যিদৰে পৰীক্ষিতৰ, সেইদৰে জনসাধাৰণৰো প্ৰশ্ন। এই প্ৰসংগত শ্ৰীৰূপগোস্বামীয়ে এক প্ৰণিধানযোগ্য উত্তৰ প্ৰদান কৰিছে। তেওঁ কৈছে—উপপতিভাবময় প্ৰণয় প্ৰাকৃত নৰনাৰীক অৱলম্বন কৰি গঢ়ি উঠিলেই সি দোষণীয় অৰ্থাৎ নিন্দিত হ'ব। বৃন্দাবনলীলাত উপপতিভাবময় প্ৰণয়ৰ অৱলম্বন স্বয়ং ভগৱান কৃষ্ণ। তেওঁ প্ৰাকৃত মানুহ নহয়। যিসকলে তেনেভাব নিবেদন কৰিছিল সেই গোপনাৰীসকলো সাধাৰণ নাৰী নাছিল। লীলাত প্ৰবৃত্ত হোৱা এই গোপীসকলৰ বহুতেই ভগৱানৰ স্বৰূপশক্তি।[৭] ব্ৰহ্মসংহিতা মতে, তেওঁলোক আছিল শ্ৰীকৃষ্ণৰ হ্লাদিনী শক্তিৰ প্ৰকাশ, অৰ্থাৎ কৃষ্ণৰ পৰা অভিন্ন। আনহাতে এই গোপীসকলৰ কোনোবা আছিল দেৱতা, কোনোবা ঋষি কোনোবা আছিল শ্ৰুতি আৰু অপ্সৰা। ত্ৰেতাযুগত দণ্ডকাৰণ্যবাসী মুনি-ঋষিসকলে ৰামচন্দ্ৰৰ মনোহৰ ৰূপলাৱণ্যত মুগ্ধ হৈ তেওঁৰ সৈতে মধুৰ ভাবত বিহাৰ কৰিবলৈ বাঞ্ছা কৰিছিল, সেই মুনিসকলেই গোকুলত গোপীৰূপে জন্মগ্ৰহণ কৰিছিল।

গতিকে দেখা যায় গোপীসকল পৰনাৰী হ'লেও সেয়া ব্যৱহাৰিক ভাব মাত্ৰ। ৰসৰ উৎকৰ্ষ সৃষ্টিৰ বাবে যোগমায়াৰ দ্বাৰা এই পৰনাৰীভাব কল্পিত হৈছে। পৰকীয়াভাৱত যি ৰসৰ উল্লাস বা পৰাকাষ্ঠা তেনে উল্লাস স্বকীয়াভাৱত নহয় বা নাথাকে। বিবাহিত নৰনাৰীৰ প্ৰণয়ে পৰম উৎকৰ্ষ লাভ কৰিব নোৱাৰে। সেয়ে ইয়াক সমঞ্জসা ৰতি বুলি কোৱা হয়।[৮] পৰকীয়াত লোকনিন্দাৰ ভয় আৰু বাধাৰ প্ৰাচীৰ আছে। এই প্ৰণয় অতি দুৰ্লভ আৰু দুৰ্লভ কাৰণেই উৎকৃষ্ট। এই সমৰ্থাৰতিৰ প্ৰণয় অতি প্ৰবল আৰু দুৰ্নিবাৰ।[৯] ঔপপত্যভাব নাথাকিলে এই প্ৰণয়ে চৰম উৎকৰ্ষ লাভ কৰিব নোৱাৰিলেহেঁতেন। সেয়ে যোগমায়াই কৃষ্ণৰ নিত্য-প্ৰেয়সীসকলৰ তেনেভাব প্ৰকাশ কৰি মধুৰৰসক উন্নত ৰূপত উপস্থাপিত কৰিছে। লাজ,ভয়, ঘৃণা আদি সকলো ভাব পৰিত্যাগ কৰি প্ৰিয়তমৰ মিলন-প্ৰত্যাশী নহ'লে তাত পূৰ্ণতা আহিব নোৱাৰে। বৈষ্ণৱদৰ্শন মতে, কৃষ্ণ আৰু গোপৰমণীসকলৰ সম্বন্ধ নিত্য। সেয়ে এই

লীলাও নিত্য।যেতিয়া ভগৱানৰ স্বৰূপমাধুৰ্য আস্বাদন কৰাৰ আৰু প্ৰেমমাধুৰ্য আস্বাদন কৰাৰ প্ৰবল উৎকণ্ঠা জাগ্ৰত হয়, তেতিয়া যোগমায়াৰ সহায়ত নিত্য-স্বকীয়ভাব আৱৰণ কৰি শ্ৰীকৃষ্ণই নিজ প্ৰেয়সীসকলৰ পৰকীয়াভাব প্ৰকাশ কৰে। যোগমায়া শক্তিয়েই ভগৱান কৃষ্ণৰ সকলো লীলা সংগঠন কৰে। ভগৱান সৰ্বজ্ঞ হ'লেও লীলাপুষ্টিৰ বাবে আৰু ৰসাস্বাদনৰ কাৰণে যোগমায়াৰ প্ৰভাৱত নিৰ্দিষ্টকালৰ বাবে নিৰ্দিষ্ট বিষয়ত সেই সৰ্বজ্ঞতা পাহৰি থাকে। গোপীসকল যে তেওঁৰ নিত্য-কান্তা সেই কথাও পাহৰে। তদুপৰি কৃষ্ণই বাঁহী বজাইছে, সেই বাঁহীৰ সুৰ মাথোঁ অনুৰক্তা গোপীসকলেহে শুনিছে—আন কোনেও শুনিবলৈ পোৱা নাই; গোপীসকলে ঘৰ এৰি ৰাসস্থলীলৈ গৈছে, কিন্তু স্বজন-পৰিজনে ভাবিছে তেওঁলোক ঘৰতেই আছে। এই সকলো কাৰ্য যোগমায়াৰ দ্বাৰাই সম্পাদন কৰা হৈছিল।

উপৰ্যুক্ত আলোচনাৰ পৰা এই কথা প্ৰতীয়মান হ'ল যে গোপীসকলে সৰ্ববিষয় ত্যাগ কৰি শ্ৰীকৃষ্ণৰ সৈতে মিলিবলৈ আহিছিল, তেওঁৰ ওচৰত আশ্ৰয় গ্ৰহণ কৰিছিল ('সন্ত্যজ্য সৰ্ববিষয়াং—স্তৱ পাদমূলম্' —ভা. ১০/২৯/৩১), নিৰন্তৰ তদ্‌গতচিত্ত আছিল (উৰুক্ৰমচিত্তমানা—ভা. ১০/৪৪/১৫), কৃষ্ণসুখৰ বাবে বিষয়-বাসনা ত্যাগ কৰা গোপীসকলৰ কথা শংকৰদেৱে দশমত সুন্দৰকৈ কৈছে ঃ

সবগৃহ-সুখ তেজি ভজিলো তোমাৰ পাৱে,
ভকত বৎসল হেন জানি।।
কায় বাক্য মনে আমি তোমাকেসে সেৱা কৰোঁ
কেনে বোলা নিদাৰুণ বাক।
ভকতক ত্যাগ প্ৰভু তোমাৰ উচিত নহে,
দাসী বুলি ধৰিয়ো আমাক।।
(দশম—১২৫৫)

নিঃসন্দেহে এয়া পৰম প্ৰেমৰেই লক্ষণ। এই প্ৰেম কান্তাপ্ৰেম; সেয়ে কান্ত-কান্তাৰ মাজত যি দৈহিক সম্পৰ্ক আৰু তাৰবাবে যি ৰসোপভোগ সেয়াও তাত আছিল; সেইহেতু ৰাসলীলাৰ বৰ্ণনাত তাৰ উপস্থিতি অতি স্বাভাৱিক। কিন্তু তাত অৰ্পিত যি কাম সেয়া কাম-ৰূপে কল্পিত নহয়, দৰাচলতে সি ভগৱৎ-প্ৰেমহে। এই সন্দৰ্ভত লক্ষ্মীনাথ বেজবৰুৱাই অতি সাৰুৱা কথা এষাৰ কৈছে—'ব্ৰজৰ গোপীসকলে মূৰ্তিমান আনন্দ শ্ৰীকৃষ্ণক আলিংগন কৰি গোটেই সংসাৰ পাহৰি গৈছিল। শ্ৰীকৃষ্ণৰ ৰাসলীলা জীৱ-ব্ৰহ্মৰ আলিংগনৰ অভিনয়। সংসাৰ পাহৰিব পাৰিলেই কাম নাথাকে। আনন্দমূৰ্তিৰ সৈতে আলিংগিত হ'বৰ উপায় প্ৰেম। প্ৰেমৰ ঘাই লক্ষণ প্ৰিয়তমৰ অপ্ৰাপ্তিত দাৰুণ উৎকণ্ঠা। বিৰহিনী ব্যভিচাৰিণী কামিনীয়েই সেই উৎকণ্ঠাৰ এক মাথোন চূড়ান্ত দৃষ্টান্ত। এইবাবে গোপীসকলক ব্যভিচাৰিণী পৰনাৰীৰূপে থিয় কৰি ভক্তৰ ভগৱন্তক পাবৰ উৎকণ্ঠা দেখুৱা হৈছে অৰ্থাৎ জীৱৰ এনেকুৱা উৎকণ্ঠা হ'লেই জীৱই ভগৱন্তক পাব। এয়ে ৰাসলীলাৰ ঘাই শিক্ষা।'[১০]

সেয়ে ৰাসলীলা আৰু যিয়েই কি নহওক, ই যোগমায়া-ঘটিত অপ্ৰাকৃত আৰু আমাৰ নৈতিক বিচাৰ-বিতৰ্কৰ অতীত এক অলৌকিক তত্ত্বৰ ওপৰত আধাৰিত বিষয়। অৱশ্যে আধুনিক মনীষীসকলৰ বহুতৰেই মত এয়ে যে ভাগৱতৰ ৰাসলীলা বৰ্ণনা এটি আধ্যাত্মিক ৰূপক (Spiritual Allegory) হে।❐❐

# পশ্চিম অসমৰ কৃষক সমাজৰ ‘ন-খোৱা’ উৎসৱঃ এটি অধ্যয়ন

**ড° ধীৰেণ শৰ্মা**
**অভয়াপুৰী**

কৃষিকেন্দ্ৰিক অসমীয়া জনজীৱনৰ প্ৰিয় লোক উৎসৱ ‘ন খোৱা’ হ’ল আঘোণত পথাৰৰ পৰা ঘৰলৈ চপাই অনা নতুন ধানৰ চাউলেৰে বনোৱা আহাৰ তথা অন্যান্য দ্ৰব্যৰ ব্যৱহাৰকেন্দ্ৰিক এক অনুপম লোকাচাৰ। বাৰিষা বোকা-পানী খচি আশাৰে কৰা শালি ধানৰ খেতি হেমন্ত ঋতুত সোণোৱালী শইছলৈ ৰূপান্তৰিত হয়। পৰম্পৰাগত লোকাচাৰ পালন কৰি শ্ৰমজীৱী সবল কৃষকে পথাৰৰ সোণালী পকা ধান ঘৰলৈ আনে। এই ন ধানৰ চাউলেৰে ব্ৰহ্মপুত্ৰ উপত্যকাৰ পশ্চিম অসমৰ লোক সকলে বিশেষকৈ গাঁৱলীয়া কৃষক সমাজৰ লোকসকলে ‘ন-খোৱা’ উৎসৱ পাতে। অঞ্চলটোৰ অধিবাসী বড়ো, ৰাভা, গাৰো, হাজং, কোচ ৰাজবংশী, চাহ জনজাতি, ব্ৰাহ্মণ, কলিতা, কায়স্থ, নাথ-যোগী, কৈৱৰ্ত, হীৰা, হৰিজন, মুছলিম, নেপালী আদি বিভিন্ন জনগোষ্ঠীৰ লোকসকলে সাধাৰণতে আঘোণ মাহত (নৱেম্বৰ-ডিচেম্বৰ) উদ্‌যাপন কৰা এই উৎসৱত নতুন ধানৰ চাউলেৰে তৈয়াৰী প্ৰসাদ, ভাত, পৰম্পৰাগত পানীয় আদি উপচাৰ সমূহ ক্ৰমে ইষ্ট দেৱতা আৰু পূৰ্বপুৰুষৰ নামত উছৰ্গা কৰি পিছত নিমন্ত্ৰিত প্ৰতিৱেশী তথা আত্মীয় কুটুম্ব সমন্বিতে উদ্যোক্তা পৰিয়ালৰ সকলোৱে তৃপ্তিৰে গ্ৰহণ কৰে। কেৱল নতুন চাউলেই নহয়, অনেকে সেই সময়ত উৎপন্ন হোৱা শাক পাচলিৰ অগ্ৰভাগ ন-খোৱাত ব্যৱহাৰ কৰে। খাল-বিল পুখুৰীত ধৰি অনা মাছেৰেই হওক বা পোহনীয়া হাঁহ, পাৰ, মুৰ্গী, গাহৰিৰ মঙহেৰেই হওঁক, পৰম্পৰাগত ৰন্ধন প্ৰণালীৰে প্ৰস্তুত কৰা ন-খোৱা ভোজৰ এসাজ ওচৰে-পাজৰে থকা সকলৰ সৈতে লগে ভাগে খোৱাতো পৰম তৃপ্তিদায়ক আৰু আন্তৰিকতাৰ কথা বুলি সবল কৃষক সমাজৰ লোকসকলে দূৰ অতীতৰ পৰা বিশ্বাস কৰি আহিছে। এই আলোচনাত ব্যৱহৃত ন-খোৱা সম্পৰ্কীয় তথ্যবাজি পশ্চিম অসমৰ পাঁচখন জিলা গোৱালপাৰা, ধুবুৰী, কোকৰাঝাৰ, বঙাইগাঁও আৰু চিৰাঙৰ বিভিন্ন প্ৰান্তত বাস কৰা বিভিন্ন জাতি জনগোষ্ঠীয় কৃষক সমাজৰ পৰা প্ৰত্যক্ষ ক্ষেত্ৰ অধ্যয়নৰ জৰিয়তে সংগ্ৰহ কৰা হৈছে। সংগৃহীত তথ্যৰাজি বিশ্লেষণ কৰি দেখা গৈছে যে, অঞ্চলটোৰ বিভিন্ন জনগোষ্ঠীয়ে প্ৰায় একেখিনি সময়তে (আঘোণ মাহত) উদ্‌যাপন কৰা ‘ন-খোৱা’ উৎসৱত মানুহৰ সামুহিক দায়িত্ববোধ আৰু ৰমনীয় ঐক্য সংহতিৰ ছবি পৰিস্ফুট হয়।

বিভিন্ন জাতি-জনগোষ্ঠীৰ আবাসভূমি পশ্চিম অসমৰ লোকসকলৰ মূল জীৱিকা কৃষি। সেয়েহে কৃষি কেন্দ্রিক আচাৰ-উৎসৱ সমূহ ইয়াৰ লোক জীৱনৰ বাবে এক সহজাত কথা। 'ন-খোৱা' অঞ্চলটোৰ অধিবাসী সকলৰ বাবে বিশেষকৈ কৃষিজীৱি পৰিয়াল সমূহৰ বাবে এক অতি আনন্দদায়ক আৰু হেঁপাহৰ লোকাচাৰ। সাধাৰণতে অঞ্চলটোৰ লোকসকলে ঋতুৰ নিয়ম অনুযায়ী শালিধানৰ খেতিকে বছৰটোৰ মূল খেতি হিচাপে গণ্য কৰে। আহাৰ শাওন মাহত পথাৰত বোৱা শালিধানৰ কঠীয়া কাতি-আঘোণ মাহত পকিবলৈ ধৰে। আঘোণৰ কোনো শুভ দিন এটিত পথাৰৰ পকাধান ঘৰলৈ আনি সেই ধানৰ চাউলেৰে কোনো সুবিধাজনক দিনত ন-খোৱা পাতে। নিজৰ পৰিয়ালৰ লোকসকলৰ বাহিৰেও ওচৰ-চুবুৰীয়া, আত্মীয় কুটুম্ব, গাৱলীয়া প্রতিবেশী তথা কেতিয়াবা নাতিদূৰৰ আলহী-অতিথিয়েও ন-খোৱাৰ নিমন্ত্রণ পায়। অঞ্চলটোৰ বিভিন্ন জন-গোষ্ঠীৰ মাজত দূৰ অতীতৰ পৰা চলি অহা পৰম্পৰাগত ন-খোৱা উৎসৱৰ চাৰিত্রিক বিচিত্রতা, ভিন্ন বিশ্বাস, আৰু গোষ্ঠীভেদে কিছু সুকীয়া লোকাচাৰেৰে উদ্‌যাপিত ন-খোৱা উৎসৱ সমূহৰ মাজত থকা সাদৃশ্য তথা আন্তঃ সম্পৰ্কৰ বিষয়ে আলোচনা কৰাৰ অৰ্থে এই আলোচনা পত্র প্রস্তুত কৰা হৈছে। আলোচনা পত্রখনত প্রয়োজন হোৱা তথ্যৰাজি অঞ্চলটোৰ ভিন্ন প্রান্তত বাস কৰা জাতি জন-গোষ্ঠী, সমাজ জীৱনৰ পৰা প্রত্যক্ষভাৱে সংগ্রহ কৰা হৈছে। সংগৃহীত তথ্যৰাজি সমূহৰে গৱেষণাৰ উপযোগীকৈ সজাই লৈ সূক্ষ্মভাবে বিশ্লেষণ কৰি এই আলোচনা পত্রখন প্রস্তুত কৰা হৈছে।

অঞ্চলটোৰ বড়ো, ৰাভা, গাৰো, হাজং, কোচ ৰাজবংশী, চাহ জনগোষ্ঠী আদিকে ধৰি বিভিন্ন থলুৱা জাতি জনগোষ্ঠীয়ে তেওঁলোকৰ নিজস্ব লোকৰীতিৰে পালন কৰা ন-খোৱা উৎসৱৰ বিষয়ে অনুসন্ধান কৰি জানিব পৰা গৈছে যে, প্রায়বোৰ জনগোষ্ঠীয়ে প্রায় একে সময়তে আঘোণ মাহৰ পৰা মাঘ মাহৰ ভিতৰত, পৰাপক্ষত আঘোণ মাহত ন-খোৱা উৎসৱৰ আয়োজন কৰে। ন-খোৱা উৎসৱত নতুন চাউলেৰে ৰন্ধা অগ্রভাগ প্রথমে নিজ নিজ ইষ্ট দেৱতা তথা উপৰি পুৰুষৰ প্রতি আগবঢ়াই ঘৰে পাৰে সকলোৰে মঙ্গল কামনা কৰিহে এই উৎসৱৰ ভোজ ভাত খুৱাৰ নিয়ম। উৎসৱৰ ধৰণ আৰু উদ্‌যাপন প্রক্রিয়া তথা উৎসৱ আয়োজক পৰিয়ালৰ আকাংক্ষা সম্পৰ্কে অনুধাবন কৰি দেখা হৈছে যে অঞ্চলটোৰ সৰল কৃষি জীৱনৰ বাবে ন-খোৱা এক সংহতি আৰু সমতাৰ উৎসৱ।

এই আলোচনাৰ প্রাথমিক লক্ষ্য আৰু উদ্দেশ্য হ'ল-

১। অঞ্চলটোৰ বিভিন্ন জনগোষ্ঠীসমূহৰ মাজত প্রচলিত বিভিন্ন ন-খোৱা লোকাচাৰ বা লোক উৎসৱৰ মৌলিক চৰিত্র বিশ্লেষণ কৰা,

২। ন গোষ্ঠীভেদে ন-খোৱা উৎসৱত পালন কৰা লোক বৈচিত্র্য অধ্যয়ন কৰা, আৰু

৩। ন-খোৱা উৎসৱৰ জৰিয়তে অঞ্চলটোৰ বিভিন্ন জাতি-জনগোষ্ঠী সমূহৰ মাজত ৰক্ষিত আৰু প্রবাহিত হৈ থকা আন্তঃ সংহতি সম্পৰ্ক বিচাৰ কৰা।

এই অধ্যয়নত প্রয়োজন হোৱা তথ্যসমূহ প্রাথমিক ভাবে অধ্যয়ন ক্ষেত্রত গৱেষকে চলোৱা গভীৰ প্রত্যক্ষ অনুসন্ধানৰ জৰিয়তে সংগ্রহ কৰা হৈছে। তথ্যসমূহ যাতে সকলো জনগোষ্ঠীৰ পৰা প্রতিনিধিত্বমূলক ভাবে সংগৃহীত হয় তাৰ প্রতি সততে নজৰ ৰাখি অঞ্চলটোৰ বিভিন্ন জনগোষ্ঠীয় জনপদৰ পৰা প্রতিচয়ন পদ্ধতিৰে নিৰ্বাচন কৰা ১৩ খন গাঁও অধ্যয়নৰ আওতালৈ অনা হৈছে। প্রাথমিক ভাবে আহৰণ কৰা এই মৌলিক তথ্যৰাজিক বিভিন্ন গ্রন্থ,

আলোচনী, স্মৃতিগ্ৰন্থ, অপ্ৰকাশিত ৰচনা আদিৰ পৰা সংগ্ৰহ কৰা প্ৰাসঙ্গিক তথ্যৰে পৰিপূৰণ কৰাৰ চেষ্টা কৰা হৈছে। এনেদৰে সংগৃহীত তথ্যবাজি যথাৰীতি সজাই লৈ অধ্যয়নৰ বাবে প্ৰয়োজনীয় বিশ্লেষণ আগবঢ়োৱা হৈছে।

এই অধ্যয়নৰ পৰা দেখা গৈছে যে, পশ্চিম অসমৰ সকলো জাতি জনগোষ্ঠীৰ কৃষিজীৱি সমাজে প্ৰায় একে ধৰণে ন-খোৱা উৎসৱ পালন কৰে। এই উৎসৱ প্ৰধানতঃ পৰিয়ালকেন্দ্ৰিক হয় যদিও কেতিয়াবা ৰাজহুৱা ভাৱেও ইয়াক উদ্‌যাপন কৰা দেখা যায়। পৰিয়াল কেন্দ্ৰিক ভাৱে উদ্‌যাপন কৰা ন-খোৱা উৎসব আয়োজক পৰিয়ালৰ চোতালত বা মূল ঘৰৰ মজিয়াত উদ্‌যাপন কৰা হয় যদিও ৰাজহুৱা ভাৱে উদ্‌যাপন কৰা ন-খোৱা উৎসৱ সাধাৰণতে আয়োজন কৰা হয় কোনো ধৰ্মীয় অনুষ্ঠান, নদী তীৰ, পাহাৰৰ নামনি অঞ্চল, মুকলি খেতি পথাৰ’ আদিত। পৰিয়ালকেন্দ্ৰিক ন-খোৱা উৎসৱৰ বাবে প্ৰয়োজনীয় সকলোবোৰ সামগ্ৰী সংগ্ৰহ তথা অন্যান্য ব্যৱস্থা আয়োজক পৰিয়ালে নিজে কৰে। আনহাতে ৰাজহুৱা ভাৱে আয়োজিত ন-খোৱাৰ বাবে প্ৰয়োজনীয় বিভিন্ন প্ৰকাৰ সামগ্ৰী তথা টকা-পইচা গাঁৱৰ প্ৰতি ঘৰৰ পৰা বৰঙনি তুলি সংগ্ৰহ কৰা হয়। ৰাজহুৱা ন-খোৱা উৎসৱত উৎসৱ থলীত বন্ধা ভোজভাতৰ লগতে বিভিন্ন পৰিয়ালে ব্যক্তিগত ভাৱে প্ৰস্তুত কৰি অনা বিভিন্ন সুস্বাদু আহাৰ গাঁৱৰ মুনিহ-তিৰোতা, ডেকা-বুঢ়া, শিশু, কিশোৰ-কিশোৰী আদিয়ে একেলগে বহি পৰম তৃপ্তিৰে গ্ৰহণ কৰে। সাম্প্ৰতিক অধ্যয়নত এই সত্যও পৰিস্ফুট হৈছে যে সাধাৰণতে প্ৰায়বোৰ পাৰ্ব্বত্য জনজাতিৰ লোকে উদযাপন কৰা ন-খোৱা উৎসৱত নতুন চাউলেৰে বনোৱা পৰম্পৰাগত পানীয় ব্যৱহাৰ কৰা হয়। বড়ো, ৰাভা, গাৰো, হাজং আদি এনে জন-জাতিৰ কেইটামান মূল উদাহৰণ। এই অধ্যয়নত ব্যৱহাৰ কৰা তথ্য সমূহ প্ৰত্যক্ষ ভাৱে কোকৰাঝাৰ জিলাৰ কালুগাঁও, চিৰাং জিলাৰ তিলকা গাঁও, গোৱালপাৰা জিলাৰ দুধনৈ, বঙাইগাঁও জিলাৰ বামুণগাঁও ৰাভা পাৰা দ্বিতীয় খণ্ড, খগৰপুৰ গাৰো দোকান, বাতাবাৰী, বালাপাৰা, উত্তৰ বইটামাৰী, ইকৰাবাৰী আৰু সৃজনগ্ৰাম, ধুবুৰী জিলাৰ গৌৰীপুৰ, কৃষ্ণকলি চাহবাগিচা আদি জনপদ সমূহৰ পৰা বাস্তৱ ক্ষেত্ৰ অধ্যয়নৰ জৰিয়তে সংগ্ৰহ কৰা হৈছে।

এই গাঁওসমূহৰ পৰা সংগ্ৰহ কৰা তথ্যসমূহ বিশ্লেষণ কৰাৰ পিছত দেখা গৈছে যে, বিভিন্ন জনগোষ্ঠীৰ মাজত লোক-সাংস্কৃতিক পৰিচয়ৰ বিভিন্নতা থকা স্বত্বেও এই জনগোষ্ঠী সমূহৰ লোকসকলে বিশেষকৈ কৃষক শ্ৰেণীৰ লোকসকলে প্ৰায় একক ভাৱে সাৰ্বজনীন কিছুমান লোকাচাৰ পালন কৰে। এই লোকাচাৰ সমূহে জনগোষ্ঠী সমূহৰ মাজত ভাতৃত্বসুলভ সম্পৰ্ক ৰক্ষাত সহায় কৰে। অঞ্চলটোৰ বিচিত্ৰ জাতি-জনগোষ্ঠীয়ে পালন কৰা ন-খোৱা উৎসৱৰ মূল চৰিত্ৰবাজি তলত দাঙি ধৰা হ’ল

১। ন-খোৱা উৎসৱ অঞ্চলটোৰ সকলো জনগোষ্ঠীৰ দ্বাৰা বছৰৰ আঘোণ মাহৰ পৰা মাঘ মাহৰ ভিতৰত প্ৰায় একে সময়তে পালন কৰা হয়।

২। প্ৰায় সকলো ক্ষেত্ৰতে দেখা যায় যে, নতুন ধানৰ চাউলেৰে তৈয়াৰী আহাৰ ইষ্টদেৱতা আৰু পূৰ্ব পুৰুষৰ নামত উছৰ্গা কৰাৰ পাছতহে উপস্থিত অন্যান্য সকলে গ্ৰহণ কৰাৰ নিয়ম।

৩। সকলো জাতি জনগোষ্ঠীৰ সমাজতে দেখা যায় যে, ন-খোৱা উৎসৱৰ আয়োজকে উপস্থিত সকলোৰে বাবে ভগৱানৰ আশিস প্ৰাৰ্থনা কৰে।

৪। অধ্যয়নৰ পৰা গম পোৱা গৈছে যে, ন-খোৱাত ডেকা-বুঢ়া, পুৰুষ মহিলা সমন্বিতে সকলোৰে প্ৰতি সমভাৱ পোষণ কৰি সকলোৱে একেলগে বহি উৎসৱৰ ভোজ ভাত গ্ৰহণ কৰে।

৫। তাৎপৰ্য্যপূৰ্ণ ভাৱে সকলো জনগোষ্ঠীয়ে পালন কৰা ন-খোৱা উৎসবত প্ৰাকৃতিক সংৰক্ষণশীলতাৰ নাতি সংৰক্ষিত হৈছে।

বড়ো কৃষক সমাজে ন-খোৱা উৎসবক ''বনখাম গালুই'' বুলি কয়। 'বনখাম' শব্দৰ অৰ্থ 'চাউল' আৰু 'গালুই' মানে 'নতুন'। অৰ্থাৎ ন-চাউলৰ উৎসৱ। বড়ো সমাজত এই উৎসৱ সাধাৰণতে পথাৰৰ পৰা পকা ধান ঘৰলৈ চপাই অনাৰ পিছত অসমীয়া আহিন মাহৰ ৯ তাৰিখে উদযাপন কৰা হয়। প্ৰচলিত পৰম্পৰা অনুসৰি প্ৰথমে পথাৰৰ পৰা পকা ধানৰ মুঠি এটা কিছু লোকাচাৰ পালনৰ মাজেৰে পৰিয়ালৰ মুৰব্বী গৰাকীয়ে ঘৰলৈ আনি 'মাই বাকৰি'ত (ভৰাল) থয়। 'মাইনাও' (লক্ষ্মী দেৱী) লৈ ভক্তিৰে প্ৰণাম জনাই ধানৰ মুঠিটো এনেদৰে ভৰালত থোৱাৰ পিছত ধান চপোৱা কামত ধৰা হয়। এনেদৰে ধান চপাই থকাৰ মাজতে বা চপাই শেষ হোৱাৰ পিছত আঘোণ মাহৰ কোনো এটি সুবিধা জনক দিনত 'বনখাম গালুই'ৰ আয়োজন কৰা হয়। ইষ্ট দেৱতা বাথৌক প্ৰণাম জনাই উৎসৱৰ দিনা সন্ধিয়া ন ধানৰ চাউলেৰে ভোজভাতৰ আয়োজন কৰা হয়। ভোজত 'অনলা বনখ্ৰী' (এবিধ সুস্বাদু পৰম্পৰাগত আঞ্জা) আৰু 'জৌ' (বড়োসকলে চাউলেৰে বনোৱা এবিধ পৰম্পৰাগত পানীয়) থকাটো এক প্ৰকাৰ বাধ্যতামূলক। 'অন্‌লা বনখ্ৰী' দুই প্ৰকাৰৰ। নিৰামিষ 'অনলা বনখ্ৰী' সাধাৰণতে গাজৰ, আলু আদি শিপাজাতীয় শাক-পাচলিৰে তৈয়াৰ কৰা হয়। আনবিধ হ'ল আমিষ অনলা বনখ্ৰী'। এইবিধ আঞ্জা বিশেষকৈ মুৰ্গীৰ মাংসৰে তৈয়াৰ কৰা নিয়ম। উল্লেখযোগ্য এই যে, বড়োসকলৰ জনপ্ৰিয় এই পৰম্পৰাগত আমিষ অনলা বনখ্ৰী প্ৰস্তুত কৰোঁতে কোনোধৰণৰ তেল ব্যৱহাৰ কৰা নহয়। ইয়াৰ বিপৰীতে কেৱল নিমখ, জলকীয়া আৰু চ'ডা ক্ষাৰেৰে অতি সুস্বাদ ভাৱে এইবিধ আঞ্জা প্ৰস্তুত কৰা হয়।

অন্যান্য খাদ্য সামগ্ৰীৰ সৈতে 'অনলা বনখ্ৰী' আৰু 'জৌৰ অগ্ৰভাগ প্ৰথমে কলপাতৰ ওপৰত সজাই বাথৌ দেৱতালৈ বুলি আগবঢ়োৱা নিয়ম। বাথৌ দেৱতাৰ পিছত প্ৰায় একে পদ্ধতিৰে এই উপচাৰ সমূহ পৰিয়ালৰ পূৰ্ব পুৰুষলৈ বুলি উছৰ্গা কৰা হয়। কোনো কোনো পৰিয়ালে ইয়াৰ পিছত নাঙল, যুঁৱলি, কাঁচি, জৰকা, বিন্ধা আদি কৃষি সামগ্ৰীও সমূহলৈ পৰম্পৰাগত পদ্ধতিৰে পূজা আগবঢ়ায়। ইয়াৰ পিছত গাঁৱৰ নিমন্ত্ৰিত সকলক ভোজৰ আহাৰ খাবলৈ দিয়া হয়। বড়ো সমাজত পৰম্পৰাগত ন-খোৱা উৎসৱত শিশু আৰু গৰখীয়া সকলক প্ৰথমে খাবলৈ দিয়া হয়। ইয়াৰ পিছত ক্ৰমে বয়োজ্যেষ্ঠসকল, ডেকা গাভৰু সকল আৰু সৰ্বশেষত পৰিয়ালৰ লোকে আহাৰ গ্ৰহণ কৰে।

'মাই পিদান ছানা' (মাই মানে চাউল, পিদান মানে নতুন আৰু ছানা মানে খোৱা) হ'ল ৰাভা জনজাতীয় সমাজৰ জনপ্ৰিয় ন-খোৱা উৎসৱ। পথাৰৰ খেতি চপাই ঘৰলৈ অনাৰ পিছত আঘোণ মাহত 'মাই পিদান ছানা' উদ্‌যাপন কৰা হয়। ৰাভা সকলৰ মাজত বিভিন্ন উপগোষ্ঠী আছে। এই উপগোষ্ঠী সমূহৰ লোক সকলে ভাগে ভাগে কিছু স্বকীয় লোক পৰম্পৰাৰ অতিৰিক্ত সংযুক্তিৰে, আঘোণৰ কোনো এটি শুভ সোমবাৰ বা বৃহস্পতিবাৰে পথাৰৰ পৰা পকাধানৰ মুঠি এটি ঘৰলৈ আনি ধানৰ মুঠিটোত তুলসী পানী ছটিয়াই পৱিত্ৰ কৰি ভক্তিভাৱে ভৰালত থয়। ইয়াৰ পিছত ইষ্ট দেৱ-দেৱী সকল ক্ৰমে 'গাঁও ৰজা' (শিৱ বা ৰিষি দেৱতা), 'লখিমী গাঁও ৰজা' (লক্ষ্মী দেৱী) আৰু পূৰ্ব পুৰুষলৈ পৰম্পৰাগত পূজা আগবঢ়াই 'মাই পিদান ছানা'ৰ কাম কৰা হয়। এই উৎসৱত সৰ্বপ্ৰথম গাঁও ৰজা ৰিচি দেৱতাৰ নামত এটি ডেকা মুৰ্গী বলি দিয়া হয়। তাৰ পিছত বতৰীয়া ফল, ফুল, মগুমাহ আদিৰ সৈতে ন চাউলৰ প্ৰসাদ ৰিচি দেৱতালৈ আগবঢ়োৱা হয়। দেৱতালৈ

আগবঢ়োৱা এই প্ৰসাদ সমূহৰ ওপৰত চাউলেৰে বনোৱা ৰাভাসকলৰ পৰম্পৰাগত পানীয় 'ছকৰ' ছটিয়াই দিয়া হয়। ৰিচি দেৱতাৰ পূজাৰ পিছত 'লখিমীহাড়ি'ৰ সন্মুখত মাইকী কুকুৰ এজনী বলি দি লখিমী গাঁও ৰজাৰ পূজা সমাপন কৰা হয়। লখিনীহাড়ি হ'ল বান্ধনি ঘৰৰ চৌকাৰ কাষৰ অনুচ্ছ বাহৰ চাঙৰ ওপৰত বোকা মাটিৰ প্ৰলেপ দি ভক্তিৰে সজাই থোৱা দুটা ধান-পূৰ্ণ ডাঙৰ কলহ। কলহ দুটাৰ মুখ দুখনো প্ৰলেপ দিয়া হয়। লখিমীহাড়ি চাঙখন সাধাৰণতে পাকঘৰৰ উত্তৰ পূৰ কোণত থাকিব লাগে। য'ত নিতৌ সন্ধিয়া লক্ষ্মী দেৱীৰ নামত বন্তি জ্বলোৱা হয়। লখিমীহাড়িৰ ওচৰতে পাকঘৰৰ উত্তৰ দিশৰ মুধৱ খুটাটো মাটিৰে পৰিষ্কাৰকৈ লেপি কুচি ৰাখি ইয়াক গাঁও বজা হিচাপে কল্পনা কৰি নিতৌ সন্ধিয়া এই গাঁৱৰ ৰজাৰ সন্মুখত বন্তি জ্বলোৱা নিয়ম। ইয়াৰ পিছত উপৰি পুৰুষলৈ বুলি প্ৰস্তুত কৰা চাউলৰ পিঠাগুৰিৰে বনোৱা প্ৰসাদ, পাত্ৰ এটাত অলপমান 'ছকৰ' আৰু আন এটা পাত্ৰত পানী প্ৰসাদ হিচাপে আগবঢ়োৱা হয়। বিচি দেৱতাৰ পূজাৰ দৰে লখিমী গাঁও ৰজা আৰু পূৰ্বপুৰুষৰ পূজাৰ প্ৰসাদ সমূহতো 'ছকৰ' ছটিওয়াতো নিয়ম।

ঠাই বিশেষে ৰাভা সকলৰ মাজত 'মাই পিদান ছানাৰ' সময়ত কিছু সুকীয়া লোকাচাৰ প্ৰদৰ্শন কৰাও দেখা যায়। উদাহৰণ স্বৰূপে দুধনৈ অঞ্চলত 'মাই পিদান ছানাৰ' সময়ত আয়োজক পৰিয়াল বা গাঁৱৰ ৰাইজে আন কোনো দেৱ-দেৱী বা পূৰ্বপুৰুষলৈ পূজা আগবঢ়োৱাৰ পৰিবৰ্তে কেবল "বনবাসী দেবী"ৰ নামতে পূজা সেৱা আগবঢ়ায় আৰু এই পূজাত পদ্মা দেবী বা বিষহৰিৰ নামত বিভিন্ন লোকাচাৰ পালন কৰা হয়।

যি কি নহওক, পূজা শেষ হোৱাৰ পিছত ন চাউলৰ ভাত প্ৰথমে খেতিৰ মূল সম্পদ গৰু ম'হক খাবলৈ দিয়া হয়। ইয়াৰ পিছত মাছ, মুৰ্গী, হাঁহ, পাৰ, হৰিণা। আদিৰ মাংস তথা অন্যান্য আহাৰ ক্ৰমে শিশুসকল, বয়োজ্যেষ্ঠ সকল, ডেকা-ডেকেৰীসকল আৰু আয়োজক পৰিয়ালৰ সদস্যসকলে খোৱাৰ নিয়ম। উৎসৱৰ সময়ত শিশু সকলৰ বাহিৰে সকলোৰে পৰম্পৰাগত পানীয় 'ছকৰ' গ্ৰহণ কৰিব পাৰে।

গাৰো সকলে ন-খোৱা উৎসৱক 'মি গিতাল চা আনি' বুলি কয়। 'মি' মানে ধান বা চাউল, 'গিতাল' মানে নতুন আৰু 'চা আনি' মানে খোৱা। পৰম্পৰাগত লোকাচাৰৰ মাজেৰে আঘোণ মাহৰ কোনোবা এটি সুবিধাজনক দিনত পৰাপক্ষত দেওবাৰে কৃষক গাৰো সকলে 'মি গিতাল চা আনি' উৎসৱ পালন কৰে। 'দো' 'অ' কাপ্পা আৰু' ৱাক কাপ্পা' হ'ল 'মি গিতাল চা আনিত বাধ্যতামূলক ভাবে পবিৰেশন কৰিব লগা দুবিধ সুস্বাদু পৰম্পাবাগত আহাৰ।' দো অ' কাপ্পা' হ'ল 'তেলবিহীন ভাবে কেৱল পিয়াজ, নহৰু বা যিকোনো মছলাৰে পনীয়াকৈ ৰন্ধা মুৰ্গী মাংস। আনহাতে বাক কাপ্পা হ'ল কেৱল নিমখ, জলকীয়া আদা আৰু ক্ষাৰেৰে তেল বিহীন ভাৱে ৰন্ধা গাহৰিৰ মাংস। উৎসৱৰ দিনা আগেয়ে সন্ধিয়া ঈশ্বৰৰ নামত মুৰ্গী বলি দিয়া হৈছিল। সম্প্ৰতি এই বলি প্ৰথাৰ প্ৰচলন কমি অহা দেখা গৈছে।

গাৰো পৰম্পৰা মতে আমন্ত্ৰিত গাৱৰ লোক সকল আয়োজক পৰিয়ালব চোতালত উৎসৱৰ দিনা সন্ধিয়া গোলাকাৰে বহে। ন-খোৱাৰ মূল আহাৰ গ্ৰহণ কৰাৰ আগতে আমন্ত্ৰিত সকলক পৰম্পৰাগত পানীয় 'চু', দো অ কাপ্পা আৰু ৱাক কাপ্পা খাবলৈ দিয়া হয়। বয়োজ্যেষ্ঠ সকলক প্ৰথমে খাবলৈ দিয়া হয়। ইয়াৰ পিছত শিশু সকলে আৰু অন্যান্য সকলে খোৱাৰ নিয়ম।

হাজং সকলে ন-খোৱা পৰম্পৰাক 'নয়া খাওৱা'

বুলি কয়। হাজং সমাজৰ পৰম্পৰা মতে ন চাউলৰ ভাত প্ৰথমে ঈশ্বৰলৈ বুলি উছৰ্গা কৰা হয়। তাৰ পিছত নতুন চাউলৰ গুৰিৰে মিহলোৱা পানী ঘৰৰ দেৱাল, শইচৰ ভঁৰাল তথা চৌহদৰ কেউপিনে ছটিয়াই দিয়া হয়। এনেদৰে ন চাউলৰ পানী ছটিওৱা পৰম্পৰাক 'হাদা দেৱা' বুলি কোৱা হয়। 'হাদা দেৱা'ৰ কাম শেষ হোৱাৰ পিছত ক্ৰমে আমন্ত্ৰিত জ্যেষ্ঠ সকল, অন্যান্য সকল আৰু পৰিয়ালৰ সদস্য সকলে নয়া খাওৱাৰ আহাৰ গ্ৰহণ কৰে। ভাত খোৱাৰ আগতে আমন্ত্ৰিত সকলক চাউলৰ গুৰিৰে বনোৱা পানীয় 'চু' খাবলৈ দিয়া হয়। হাজং সমাজত যিকোনো পূজা চলি থকাৰ সময়ত মদ খোৱা নিষেধ। কেতিয়াবা এনে ন খোৱা অনুষ্ঠানৰ সময়ত কবিয়ালী আদি লোক সংগীতৰ পৰিৱেশনৰ ব্যৱস্থাও কৰা হয়।

কোচ ৰাজবংশী সকলে ন-খোৱাক 'নোৱা খোৱা' বুলি কয়। সাধাৰণতে আঘোণ মাহত আয়োজন কৰা 'নোৱা খোৱা' উৎসৱৰ সময়ত প্ৰথমে বিষহৰি আৰু 'ঘৰ গোঁসানী' দেৱীক পূজা কৰি লয়। বিষহৰি হ'ল সৰ্প দেৱী পদ্মাৰ আন এটা নাম। আনহাতে ঘৰ গোঁসানী হ'ল ঐশ্বৰ্য্যৰ গৰাকী লক্ষ্মী দেৱীৰ আন এটা নাম।

নোৱা খুৱাৰ দিনা সৰ্বপ্ৰথম নতুন চাউলৰ প্ৰসাদৰ সৈতে তামোল পাণ, মগুমাহ, ফল-মূল আদি ঘৰ গোঁসানী আৰু বিষহৰি দেৱীলৈ আগবঢ়োৱা হয়। সন্ধিয়া নতুন চাউলেৰে বনোৱা ভাত তথা অন্যান্য উপকৰণ কলৰ পাতত গৰু-ম'হক খাবলৈ দিয়া হয়। গৰু-ম'হক খাবলৈ দিয়া এই ন চাউলৰ আহাৰৰ স'তে মগুমাহ, গাজৰৰ পাত, ধনীয়া পাত আদি উপকৰণ সমূহো থাকে। নোৱা খোৱাত নিশ্চিত ভাবে পূজা দিব লগা এগৰাকী বিশিষ্ট দেৱতা হ'ল ৰাখাল ঠাকুৰ। কলপতুৱাৰে বনোৱা দোনাত নোৱা খোৱাৰ বাবে ৰন্ধা আহাৰৰ সৈতে পৰম্পৰাগত প্ৰসাদ সুন্দৰকৈ সজাই ৰাখাল ঠাকুৰলৈ বুলি সভক্তিৰে আগবঢ়াই গৰু ম'হৰ লগতে গৃহস্থৰ সকলোৰে মঙ্গল কামনা কৰা হয়। ৰাতিলৈ আমন্ত্ৰিত লোকসকলৰ সৈতে পৰিয়ালৰ সকলোৰে মিলি একেলগে ভোজভাত খাই নোৱা খোৱা পৰ্বৰ সামৰণি মাৰে। জনপ্ৰিয় কৃষি উৎসৱ ন-খোৱা হ'ল অসমীয়া কৃষক সমাজে পালন কৰা নতুন শস্য ব্যৱহাৰৰ এক মনোৰম পৰম্পৰা। কৃষি কৰ্মক মূল জীবিকা হিচাপে গ্ৰহণ কৰা বুজন সংখ্যক গাঁওবাসীব লোকৰ বাবে ন খোৱা হ'ল এক অতি আনন্দদায়ক লোকাচাৰ। প্ৰকৃতিৰ বুকুত সহজাত জীৱন কটোৱা কৃষি কেন্দ্ৰিক অঞ্চল সমূহত ন-খোৱা উৎসৱ বহুল ভাৱে পালন কৰা হয়।

পৰিবৰ্তনশীল পৃথিৱীত গ্ৰাম্য জীৱনৰো পৰিবৰ্তন ঘটিবলৈ ধৰিছে। সবাৰে আগোচৰে ধীৰে ধীৰে, গাঁৱে ভূঞে, চহৰে-নগৰে সকলোৰে জীৱনলৈ প্ৰৱাহিত হোৱা এই পৰিবৰ্তনৰ বতাহে শান্তিপ্ৰিয় গাঁৱলীয়া লোকসকলক যেন প্ৰদান কৰিছে এক অবুজ জটিলতা, য'ৰ পৰা সাৰি যোৱাৰ উপায় আজি আৰু কাৰো নাই। আমাৰ এই পৰিবৰ্তনশীল পাৰিবাবিক তথা সামাজিক জীৱনৰ মাজত ন-খোৱাৰ দৰে সমূহীয়া ভোজনৰ অনুষ্ঠানে আমাক অনৈক্যৰ মাজতো একতাৰ বান্ধোনেৰে, ভিন্নমুখ জটিলতা আৰু যন্ত্ৰণাৰ মাজতো প্ৰেম ভাতৃত্ব আৰু সহন শীলতাৰে জীৱন অতিবাহিত কৰিবলৈ উদ্‌গনি যোগায়। সাম্প্ৰতিক অধ্যয়নৰ পৰা দেখা গৈছে যে, প্ৰস্তাবিত ন-খোৱা উৎসৱ পশ্চিম অসমৰ বিভিন্ন লোকসমাজত যদিও সুকীয়া সুকীয়া লোকাচাৰ লোকৰীতিৰে উদ্‌যাপিত হয়, তথাপি উৎসৱৰ মূল লক্ষ্য আৰু উৎসৱ শেষৰ সামূহিক আনন্দৰ চৰিত্ৰ কিন্তু প্ৰায় একে। অধ্যয়নৰ পৰা এই সত্যও পৰিস্ফুট হৈছে যে, পশ্চিম অসমৰ এই বিচিত্ৰ ন-খোৱা উৎসৱত ভিন্ন জনগোষ্ঠীয় মানুহৰ সামুহিক দায়িত্ববোধ প্ৰতিবিম্বিত

হৈছে, য'ত ভিন্ন গোষ্ঠীয় আৰু ভিন্ন জনপদৰ কৃষক জীৱনৰ সৰল জীবন পৰিক্ৰমা আৰু সহজাত আনন্দৰ ছবি পৰিস্ফুট হৈছে। এইদৰেই অঞ্চলটোৰ বিভিন্ন জনগোষ্ঠী তথা জনপদৰ মাজত আন্তৰিক সংহতি তথা বুজাবুজিৰ পৰম্পৰাগত বান্ধোন ন-খোৱা উৎসৱে অধিক সুদৃঢ় কৰা পৰিলক্ষিত হৈছে।

মুঠতে অবিৰত পৰিবৰ্ত্তনৰ প্ৰৱাহত উটি যোৱা ইলেকট্ৰনিক যুগৰ ভোগবাদী আধুনিক সমাজত জিৰণি বিহীন মানুহে অন্ততঃ মুহূৰ্ত্তৰ বাবে তথা সৰল আনন্দেৰে সহজাত জনগোষ্ঠীয় সুগন্ধিৰে পৰিপূৰ্ণ পৰম্পৰাগত ন-খোৱা উৎসৱৰ মাজত জীৱনৰ নানন্দিক সৌন্দৰ্য্য উপভোগ কৰাৰ সুবিধা পায়। ন-খোৱাব দৰে সমূহীয়া পৰম্পাৰাগত উৎসৱৰ গুৰুত্ব সেয়েহে ইলেকট্ৰনিক সভ্যতাৰ চমকনিয়ে ম্লান কৰিব পৰা নাই। ববং অনন্য স্বকীয়তাৰে এই পৰম্পৰাগত উৎসৱবিধৰ জনপ্ৰিয়তা দিনে দিনে বাঢ়িবহে লাগিছে। মফচলীয় গ্ৰাম্য জীৱন দুৰৰে কথা, এতিয়া আনকি নগৰ চহৰতো সোণালী আঘোণৰ পথৰুৱা সুগন্ধি ছটিয়াই। ন-খুৱাই অব্যাহত ৰাখিছে ইয়াৰ পাৰস্পৰিক জয়যাত্ৰা। ❑❑

***প্ৰসংগ পুথিঃ***

দত্ত, বীৰেন্দ্ৰ নাথ, শৰ্মা, নবীন চন্দ্ৰ আৰু দাস, প্ৰবীন চন্দ্ৰ *2014. A handbook of folklore material of north east India, ABHAS, Assam. Guwahati*. নাৰ্জী, ভবেন ২০০৯, বড়ো কছাৰীৰ সমাজ আৰু সংস্কৃতি, গুৱাহাটী বীণা লাইব্ৰেৰী।

নেওগ, হৰিপ্ৰসাদ আৰু গগৈ, লীলা ১৯৭৫, অসমীয়া সংস্কৃতি, ডিব্ৰুগড় বনলতা, ডিব্ৰুগড়, অসম।

শৰ্মা, ধীৰেন ২০০৯, অসমৰ লোকসংস্কৃতিত পৰম্পৰাগত উৎসৱ অনুষ্ঠান, যোৰহাট, অসম সাহিত্য সভা, চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট ১

**সংবাদ দাতাঃ**

হৰেশ্বৰ ৰাভা, কৃষক, বামুণগাঁও ৰাভাপাৰা, অভয়াপুৰী, বয়স ৬৮ বছৰ।

প্ৰেমজিত বসুমতাৰী, সহযোগী অধ্যাপক, কোকৰাঝাৰ মহাবিদ্যালয়, বয়স ৫৮ বছৰ।

মৃগেন ৰায়, কৃষক, ভোমাপাৰা, অভয়াপুৰী, বয়স-৭৮ বছৰ। আমিৰুদ্দিন, কৃষক, ধৰ্মতলা, ধুবুৰী, বয়স- ৪৮

# শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ

ড° জবা ঠাকুৰীয়া
বঙাইগাঁও

"কৃষ হেন শব্দ ইটো পৃথিৱীবাচক ভৈল
ন আনন্দত প্ৰৱৰ্ত্তয়।
দুইৰ এক পদ ভৈল পৰম ব্ৰহ্ম ৰূপ কৃষ্ণ
নাম আনন্দৰ মাত্ৰ কয়।"
(শ্ৰীমদ্ভাগৱদ গীতা)

শ্ৰীমদ্ভাগৱতৰ শ্ৰেষ্ঠতম টীকাকাৰ শ্ৰীধৰ স্বামীয়ে "কৃষ্ণ" নামৰ পাৰিভাষিক অৰ্থ সম্পৰ্কে এনেদৰে কৈছে "কৃষ্" আৰু মূৰ্দ্ধণ্য "ণ" এই দুইটা মিলি 'কৃষ্ণ' শব্দ হৈছে। "কৃষ্" শব্দৰ অৰ্থ "ভূ" অৰ্থাৎ "সত্বা" বা "অস্তিত্ব" আৰু মূৰ্দ্ধণ্য "ণ" ৰ অৰ্থ "নিবৃত্তি" অৰ্থাৎ "পৰমানন্দ"; সেইবাবে "কৃষ্" আৰু মূৰ্দ্ধণ্য "ণ" ৰ মিলনৰ অৰ্থ- অস্তিত্ব বা সত্তাৰে সৈতে পৰমানন্দৰ মিলন। অৰ্থাৎ "কৃষ্ণ" সৎ, চিৎ আৰু আনন্দস্বৰূপ।

ভাগৱতৰ একাদশ স্কন্ধৰ আধাৰত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে "শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ" অধ্যায় ৰচনা কৰিছে। এই অধ্যায়ত ঊনৈশটা কীৰ্তন বা ঘোষা আছে। ধৰ্মৰ মূল কথাবোৰ গুৰুজনাই ইয়াত উল্লেখ কৰিছে। যেতিয়াই পৃথিৱীত ধৰ্মৰ গ্লানি হয় তেতিয়াই প্ৰাকৃত আকাৰ বৰ্জিত নিৰাকাৰ হৰিয়ে সনাতন ধৰ্মৰ গ্লানি গুচাই যুগধৰ্ম প্ৰৱৰ্ত্তৱৰ বাবে দুষ্টক দমন আৰু সন্তক পালনৰ বাবে বিভিন্ন অৱতাৰ গ্ৰহণ কৰে। শংকৰদেৱে ভাগৱতত কৈছে- ব্ৰহ্মৰূপী সনাতনে যুগে যুগে অৱতাৰ ধৰে অসংখ্যাত।" শ্ৰীমদ্ভাগৱদতত কৈছে—

"যদা যদাহি ধৰ্মস্য গ্লানিৰ্ভৱতি ভাৰত
অভ্যুত্থানম্ ধৰ্মস্য তদাত্মানং সৃজাম্যহম্
পৰিত্ৰাণায় সাধুনাং বিনাশায় চ দুস্কৃতাম্
ধৰ্মসংস্থাপনাৰ্থয় সম্ভৱামি যুগে যুগে।।"

দুষ্টক দমন আৰু সন্তক পালনাদি নানা লীলাৰ দ্বাৰা যোগেশ্বৰ কৃষ্ণই জগতত শান্তি স্থাপন কৰাৰ পিছত ব্ৰহ্মা আদি কৰি দেৱতা সকলে কৃষ্ণক পাৰ্থিৱ লীলা সামৰি নিজ স্থানলৈ অৰ্থাৎ বৈকুণ্ঠলৈ যাবলৈ অনুৰোধ কৰে। কৃষ্ণৰ প্ৰয়াণৰ কথা উদ্ধৱে গম পাই নানা কৃতাঞ্জলী কৰি কৃষ্ণৰ ওচৰত তত্বজ্ঞান বিচাৰি প্ৰাৰ্থনা কৰে। কৃষ্ণৰ কৃপাত উদ্ধৱ জ্ঞান, কৰ্ম, ভক্তি আদি যোগৰ কথা অৱগত হয়। পুনঃউদ্ধৱে কৰ্ম বন্ধৰ পৰা মুক্ত হোৱাৰ উপায় বিচাৰি

যোৱাত কৃষ্ণই এনেদৰে আশ্বাস দিয়ে— কৰ্মবন্ধৰ পৰা পৰিত্ৰাণ পাবলৈ যাৰ ইচ্ছা আছে তেওঁ প্ৰথমতে বৈষ্ণৱৰ সংগ গ্ৰহণ কৰিব লাগিব। ভকতৰ লগত বহি কৃষ্ণৰ গুণ গান শুনিব, সৰ্বক্ষণে কৃষ্ণ নাম ল'ব, হৃদয়ত কৃষ্ণৰ ৰূপ চিন্তা কৰিব। কৃষ্ণৰ ৰূপ আৰু গুণ শ্ৰৱণ কীৰ্ত্তন কৰাৰ বাহিৰে আন ধৰ্ম নাই। এয়াই সত্য ৰহস্য আৰু ভকতিৰ মহাজ্ঞান।

কৃষ্ণৰ পৰা পৰম প্ৰসাদ লাভ কৰি উদ্ধৱৰ মনত পৰম আনন্দ লাভ হৈছিল। কৃষ্ণৰ চৰণ স্পৰ্শ কৰি চৰণৰ ধূলি শীৰত লৈ কান্দি কান্দি উদ্ধৱ আঁতৰি গৈছিল।

কৃষ্ণই উদ্ধৱক আকৌ এনেদৰে কৈছিল—

সমস্ত ভূততে হৰি বিৰাজমান হৈ আছে। সেয়ে সকলোকে বিষ্ণু জ্ঞান কৰা উচিত—

"সমস্ত ভূততে ব্যাপি আছে হৰি
সবাকো মানিবা তুমি বিষ্ণু বুদ্ধি কৰি।।"

পৃথিৱীত সকলো বস্তুতে বিষ্ণুৰ সত্তা সমাহিত হৈ আছে মাথো একান্ত ভাৱে উপলব্ধি কৰিলে বিষ্ণুৰ মাহাত্ম্য বুজিব পাৰি।

ব্ৰাহ্মণ, চণ্ডাল কাৰো জাত কুল নিবিচাৰি দানী আৰু চোৰ সকলোৰে প্ৰতি একে ধৰণৰ দৃষ্টিভংগী অৰ্থাৎ সমতুল্য ভাৱ পোষণ কৰিব লাগিব।

"ব্ৰাহ্মণৰো চণ্ডালতো নিবিচাৰি জাতকুল দাঁতাত চোৰৰ যাৰ দৃষ্টি সমতুল।।"

এনে উচ্চ ধাৰণা পোষণ কৰিব পৰা জনহে প্ৰকৃত বৈষ্ণৱ আৰু জ্ঞানী, যাৰ ফলত কোনো ভিন্ন ভাব নাথাকে।

সেইদৰে কুকুৰ, শিয়াল, গাধ আদি জীৱসমূহত ভিতৰতো আত্মা আছে, আৰু মনুষ্য দেহত থকাৰ দৰে সেই আত্মা সমূহতো মান বিৰাজ মান হৈ আছে। এনে ধাৰণাৰ ভাবনা জনাযত্ন কৰিবলৈ হ'লে নিতৌ কৃষ্ণ নাম লোৱাত অভ্যাস কৰিব লাগিব।

"কুকুৰ শৃগাল গৰ্দভৰো আত্মাৰাম
জানিয়া সবাকো পৰি কৰিবা প্ৰণাম।।"

কৃষ্ণই উদ্ধৱক আকৌ কৈছে যে যিবিলাক ব্যক্তি অতি দাম্ভিক আৰু শঠ তেনে ব্যক্তিক কেতিয়াও তত্বজ্ঞান দিবলৈ প্ৰয়াস নকৰিবা। স্ত্ৰী বা শূদ্ৰ যিয়েই নহওক — মোৰ প্ৰতি ভক্তি যাৰ অবিচলিত তেনে ব্যক্তিক কেতিয়াও তত্বজ্ঞান দিয়াৰ পৰা বিমুখ নকৰিবা।

এনেদৰে কৃষ্ণই মহাভক্ত উদ্ধৱক নানা তত্বজ্ঞান আৰু উপদেশৰ কথা কৈ বিদায় ললো।

উদ্ধৱৰ পঢ়া বিদায় লৈ কৃষ্ণই সকলো গোপ, গোপিনী, বালক, বৃদ্ধক দ্বাৰকাত এৰি অন্যান্য যুদ্ধবীৰ সকলৰ সৈতে প্ৰভাস তীৰ্থলৈ যাত্ৰা কৰে। প্ৰভাস তীৰ্থত স্নান কৰি চতুৰ্ভূজ ৰূপ ধাৰণ কৰে। সেই সময়ত আকাশত কৃষ্ণৰ মহিমা গুণ কীৰ্তন কৰি কৃষ্ণৰ মূখ্য পৰিষদ বৰ্গই পুষ্প বৃষ্টি বৰ্ষণ কৰিছিল। মহাপুৰুষ শংকৰদেৱে কৃষ্ণ বৈকুণ্ঠলৈ যোৱাৰ বৰ্ণনা এনেদৰে দিছে—

'আকাশ প্ৰকাশি কৰিলা প্ৰয়াণ
ৰশ্মিৰ পুঞ্জ চুটিল।
দেখে কি নেদেখে বিজুলী চটকে
বৈকুণ্ঠ গৈয়া উঠিল।।'

কৃষ্ণৰ দেহৰ জ্যোতি ব্ৰহ্মা আদি দেৱতা সকলে চকুৰে চাই থাকিব নোৱাৰি অধোমুখে সকলোৰে নিজ নিজ বিমানত চৰিছিল। কৃষ্ণ বৈকুণ্ঠলৈ গৈ অনন্ত শয্যাত বহিছিল আৰু মহালক্ষ্মীয়ে স্বামীৰ চৰণত ধৰি প্ৰণাম কৰিছিল। কৃষ্ণৰ মুখ্য পৰিষদ বৰ্গই চৌপাশে বেঢ়ি ধৰি নানাভাবে স্তুতি কৰিছিল। কেইজন মানে ধৱল চামৰেৰে— বিচি দিছিল। কৃষ্ণক চাবলৈ অহা কৃষ্ণৰ চতুৰ্ভূজ সৈন্যগণে

আহি কৃষ্ণক দণ্ডৱতে পৰি প্ৰণাম জনাইছিল। বৈকুণ্ঠবাসীয়ে কৃষ্ণ পৃথিৱীৰ পৰা পুনৰ বৈকুণ্ঠলৈ যোৱা বাবে মহোৎসৱ পালন কৰিছিল।

ব্ৰহ্মা আদি দেৱগণে কৃষ্ণ বৈকুণ্ঠলৈ যোৱা সময়ত কৃষ্ণৰ দেহৰ তীব্ৰ পোহৰ সহ্য কৰিব নোৱাৰি নিজ নিজ বাহনত চকু মুদি থকাৰ বহু সময়ৰ পাছত চকু মেলি চাইছিল। তেওঁলোকে কৃষ্ণ বৈকুণ্ঠলৈ গমন কৰা দৃশ্য চাব নোৱাৰি মনত বৰ দুখ অনুভৱ কৰিছিল।

কৃষ্ণই পৃথিৱী এৰি বৈকুণ্ঠলৈ যোৱাৰ পিছত পৃথিৱীত অধৰ্মই ছানি ধৰিছিল। শ্ৰী, ধৰ্ম, ধৃতি(ধৈৰ্য), সত্য, সৌচ, নীতি আদি কৃষ্ণৰ লগত গৈছিল। স্বধৰ্ম, আচাৰ সকলোকে খেদি দি পাপেই সকলো সমাজ নিজৰ অধীন কৰি লৈছিল। পৃথিৱীৰ মানুহৰ শ্ৰী(ঐশ্বৰ্য্য) হানি হ'ল, ধৰ্ম লোপ পালে, ধৃতি হ্ৰাস পালে, সকলো মানুহ অশুচি হ'ল, নীতিজ্ঞান বিলুপ্ত হ'ল। অন্যায় অধৰ্মই পৃথিৱীৰ চাৰিওফালে বিয়পি পৰিল। একমাত্ৰ হৰিৰ নাম ধৰ্মৰ বাহিৰে সকলো নাশ হ'ল। মহন্ত সকলৰ মহা বিপদ হ'ল। দুৰ্জন সকলৰ মন আনন্দেৰে উপচি পৰিল।

কৃষ্ণ বিহীন পৃথিৱীয়ে অতি বিষাদেৰে কৈছিল— 'হে প্ৰাণ নাথ মোক অনাথিনী কৰি তুমি ক'লৈ গুচি গ'লা। মই এতিয়াহে বিধৱা হ'লো। মই এতিয়া কেনেকৈ পাপৰ বোজা কঢ়িয়াম মই তোমাৰ চৰণৰ ধ্বজ, বজ্ৰ, যৱ আদি শুভ লক্ষণযুক্ত খোজৰ পৰা বঞ্চিত হ'লো। মই এতিয়া চণ্ডালৰূপী কলিৰ হাতত পৰিলো আৰু মহা দুখেৰে বৰ্তি থাকিব লগীয়া হ'ল। এনেদৰে পৃথিৱীয়ে কৃষ্ণৰ বিৰহত বিলাপ কৰিছিল।

মহাপুৰুষ শংকৰদেৱে ঘোৰ কলি কালৰ নানা দুখ সন্তাপৰ পৰা মুক্তি পাবৰ বাবে সকলো মানুহকে ভাগৱত শ্ৰৱণ কীৰ্তন কৰিব কৈছে—

"কেৱল কৃষ্ণৰ কীৰ্তন কৰন্তে"
উপজে সমস্ত পুণ্য।
সুখে বসি ৰংগে ভকতৰ সংগে
কৃষ্ণক কৰা আলাপ।।
লভিবা মুকুতি তৰিবা ভুকুতি
যমৰো যাতনা তাপ।
কৃষ্ণৰ কিঙ্কৰে ৰচিলা শংকৰে
নলেবা পাষণ্ড মতি।।
এড়া তান কাম বোলা ৰাম ৰাম
বৈকুণ্ঠ যাইবাক প্ৰতি।।"

❐❐


**সহায়ক গ্ৰন্থঃ**

১। দাস, সুৰেন্দ্ৰ কুমাৰ(সম্পাদনা)ঃ শ্ৰীমদ্ভাগৱত (দ্বাদশ স্কন্ধ সম্পূৰ্ণ ভাগৱতৰ গদ্য ৰূপ, বনলতা, ২০০৭, গুৱাহাটী)

২। বেজবৰুৱা, লক্ষ্মীনাথঃ তত্বকথা, লয়াৰ্ছ বুক ষ্টল, ১৯৯২, গুৱাহাটী।

৩। ভকত, দ্বিজেন্দ্ৰ নাথঃ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ বিৰচিত কীৰ্তনঃ এক সমীক্ষাত্মক আলোচনা; চন্দ্ৰ প্ৰকাশ, গুৱাহাটী, ১৯৯৪।

# শঙ্কৰদেৱৰ ধৰ্ম দৰ্শনত নাৰীৰ ভূমিকা

ড° ৰাস্না ৰাজখোৱা
জামুগুৰিহাট, শোণিতপুৰ

খ্রিষ্টীয় চতুদৰ্শ - পঞ্চদশ শতিকাত সমগ্ৰ বিশ্বৰ লগতে ভাৰততো ধৰ্মীয় জাগৰণ আৰম্ভ হৈছিল। কেইবাজনো মহাপুৰুষে ভাৰতৰ বিভিন্ন প্ৰান্তত আবিৰ্ভাৱ হৈ সংস্কৃত ভাষাত আবদ্ধ হৈ থকা হিন্দু ধৰ্মৰ মূল তত্ত্ববোৰ জনসাধাৰণৰ বোধগম্য হোৱাকৈ আঞ্চলিক ভাষালৈ অনুবাদ কৰি ধৰ্ম সংস্কাৰৰ প্ৰবল সোঁত বোৱাইছিল। এই আন্দোলনেই নৱ বৈষ্ণৱ আন্দোলন বা ভক্তি আন্দোলন। এই ধৰ্মৰ মূল উদ্দেশ্য আছিল জাতিভেদ প্ৰথা আওকাণ কৰি সাম্যবাদী সমাজ গঢ়া, আচাৰসৰ্বস্ব ধৰ্মীয় ব্যয়বহুলতা ত্যাগ কৰি জনগণক এক ঈশ্বৰমুখী কৰি তোলা।

মধ্যযুগত আৰম্ভ হোৱা এই সংস্কাৰধৰ্মী ভক্তি আন্দোলনবোৰৰ তাৎপৰ্য অধ্যয়ন কৰিলে দেখা যায় যে তাত নাৰীৰ স্থান আছিল গৌণ। জীৱৰ মুক্তিৰ পথ নাৰীয়ে অৱৰোধ কৰে বুলি ধৰ্মগুৰু সকলে নাৰীক দূৰতে বিদুৰ কৰিছিল।

পঞ্চদশ শতিকাৰ শেষৰ ফালে ভাৰতৰ উত্তৰ-পূৰ অঞ্চলত ধৰ্ম বিপ্লৱ আৰম্ভ কৰিছিল মহাপুৰুষ শঙ্কৰদেৱে। অন্ধবিশ্বাস, কুসংস্কাৰত আচ্ছন্ন হৈ থকা অসমৰ জনগণক উদ্ধাৰ কৰিবলৈ গীতা, ভাগৱত, পুৰাণ, বিষ্ণুপুৰাণ আদি সৰ্বভাৰতীয় গ্ৰন্থৰ আধাৰত মহাপুৰুষজনাই নৱ বৈষ্ণৱ ধৰ্মৰ সূচনা কৰিলে। সমাজৰ এনে এটা দিশ নাই য'ত গুৰুজনাৰ পৰশ পৰা নাই। ধৰ্মত, দৰ্শনত, আধ্যাত্মিকতাত, সাহিত্য - সংস্কৃতিত আৰু ৰাষ্ট্ৰীয় ঐক্যত সকলোতে নেতৃত্ব দি ধৰ্ম সংস্কাৰৰ যোগেদি উত্তৰ - পূৱ ভাৰতৰ বিভিন্ন জাতি - গোষ্ঠী আৰু বৰ্ণৰ লোকসকলক একতাৰ ডোলেৰে বান্ধিবলৈ প্ৰয়াস কৰিছিল আৰু বহুক্ষেত্ৰত সফলো হৈছিল। মহাপুৰুষজনাই সাধাৰণ জনগণই বুজিব পৰাকৈ সংস্কৃত ভাষাৰ অগাধ শাস্ত্ৰ মন্থন কৰি ধৰ্মৰ সাৰতত্ব সহজ - সৰল ভাষাত ৰচনা কৰিছিল।

প্ৰাক - শঙ্কৰী যুগত মাতৃ - প্ৰধান অসমীয়া সমাজত দেৱীৰ প্ৰাধান্য আছিল। কামৰূপৰ 'কামাখ্যা' আৰু শদিয়াৰ 'কেচাঁইখাতী' গোঁসানী প্ৰাক - শঙ্কৰী অসমত দেৱী প্ৰাধান্যৰ দেখ দেখ নিদৰ্শন। যোগিনী তন্ত্ৰত স্পষ্টকৈয়ে কোৱা হৈছে, ''সৰ্বত্ৰ বিৰলা দেৱী কামৰূপে গৃহে গৃহে।'' আনহাতে শঙ্কৰদেৱে প্ৰচাৰ কৰা বৈষ্ণৱ ধৰ্ম আছিল পিতৃ - প্ৰধান সমাজৰ ধৰ্ম, যি সামন্তবাদলৈ নকৈ উৰ্ত্তীণ হোৱা অসমীয়া সমাজখনৰ লগত অধিক খাপ খোৱা আছিল। সামন্তবাদী সমাজৰ নাৰীৰ স্থান স্বাভাবিকতেই গৌণ; কাৰণ নাৰীয়েই যদিও কৃষিৰ উদ্ভাৱিকা, তথাপি সামন্তবাদৰ যিটো অৰ্থনৈতিক বৈশিষ্ট্য - হালৰ সহায়ৰে

বিস্তৃত অঞ্চল জুৰি আৰ্দ্ৰ শস্যৰ খেতি কৰাৰ ক্ষমতা থাকে পুৰুষৰ হাততহে, ফলত এনে সমাজত নাৰীৰ অৰ্থনৈতিক ক্ষমতাৰ পৰা চ্যুত হৈ পুৰুষৰ কৰ্তৃত্বধীন হ'বলৈ বাধ্য হয়; গতিকে পুৰুষ - প্ৰধান সামন্ত সমাজৰ ভাৱাদৰ্শ শংকৰী ধৰ্মত নাৰীৰ স্থান উচ্চ নোহোৱাটোৱেই স্বাভাৱিক আছিল।

এইজনা যুগজয়ী পুৰুষে প্ৰণয়ণ কৰা ভাগৱত, কীৰ্ত্তন, দশম, ভক্তিৰত্নাকৰ আদি গ্ৰন্থতো নাৰীৰ প্ৰতি বিদ্বেষভাব প্ৰকাশ পোৱা পৰিলক্ষিত হয় যেনে...

"ঘোৰ নাৰী মায়া সব মায়াত কুৎসিত।
মহাসিদ্ধ মুনিৰো কটাক্ষে হৰে চিত্ত।।
দৰশনে কৰে সবে তপ, জপ, যোগ ভংগ।
হেন জানি জ্ঞানীগণে এৰে কামিনীৰ সংগ"।।
(কীৰ্ত্তন)

"স্ত্ৰীটো নাথাকে আতি প্ৰেম পুৰুষৰ।
পুষ্পক চুম্বিয়া যেন ত্যাজে মধুকৰ"।। (দশম)
"পৰম অনৰ্থকাৰী নাৰী সমস্তয়।
নাৰীসঙ্গে বহু দুখ পুৰুষে লভয়"।। (ভক্তি ৰত্নাকৰ)
"স্ত্ৰী শূদ্ৰ অন্ত্যজাতি অধম চণ্ডালে"।। (ভাগৱত)
"সমস্তে কহয় ৰমণীৰ গতি স্বামীৰ পদ অৰ্চন"।। (কীৰ্ত্তন)
"স্বামী সেৱা কুলস্ত্ৰীৰ মহাধৰ্ম।
পুৰুষক পুষিবা কৰিবা গৃহকৰ্ম"।। (দশম)

কেৱল অসমৰ বৈষ্ণৱ সাহিত্যতে নহয়, নাৰী সম্পৰ্কে এনে অৱজ্ঞাসূচক মন্তব্য প্ৰায় সকলো ধৰ্মৰ প্ৰাথমিক স্তৰতে দেখা পোৱা যায়। কিন্তু উল্লেখ্যযোগ্য দিশ এইটোহে যে মহাপুৰুষজনাৰ ৰচনাত নাৰীৰ প্ৰতি যি বিদ্বেষভাব প্ৰকাশ পাইছে সেয়া গুৰুজনাৰ নিজস্ব মত নহয়। সৰ্বভাৰতীয় বৈষ্ণৱ আদৰ্শত থকা নাৰী সম্পৰ্কীয় ধাৰণাহে। শংকৰী যুগত, জনজাতীয়তাবাদৰ পৰা সামন্তবাদলৈ অসমৰ যেতিয়া উত্তৰণ ঘটিবলৈ আৰম্ভ কৰিছিলহে মাথোন, তেনে অৱস্থাত, অন্ততঃ ব্যৱহাৰিক স্তৰত, নাৰীৰ প্ৰতি উৎকট অৱহেলা অসমীয়া বৈষ্ণৱসকলৰ নিশ্চয় নাছিল। নাৰীৰ প্ৰতি উৎকট অৱহেলা থকা হ'লে শঙ্কৰদেৱৰ নাতি বোৱাৰীয়েক কনকলতাই বাহৰিদেৱৰ জীয়েক ভুৱনেশ্বৰীয়ে সত্ৰ পৰিচালনা কৰাৰ অধিকাৰ পোৱা নিশ্চয় সম্ভৱ নহ'লহেতেন। তিৰোতা মানুহ মেধি হোৱাৰ দৃষ্টান্তও 'কথা গুৰুচৰিত'ত পোৱা যায়। নাৰীক শৰণ দিয়াৰ ক্ষেত্ৰত কুণ্ঠা প্ৰদৰ্শন কৰিলেও শঙ্কৰদেৱে চন্দৰী, বনৰা আদি আই সকলক নিজে শৰণ দিছিল। পৰৱৰ্তীকালত তেওঁ শৰণ দিছিল চিলাৰায় পত্নীসকলক। গুৰুজনাৰ নিজস্ব ৰচনা শৈলীত নাৰীৰ প্ৰতি থকা তেখেতৰ সন্মান সুন্দৰকৈ উজলি উঠিছে।...

"স্ত্ৰী - বাল্য বৃদ্ধ সমস্তৰে অধিকাৰ।
চণ্ডালকো কৰে নামে তেখানে উদ্ধাৰ"।।
(ভাগৱত)

আৰু

"পুৰুষে তিৰীয়ে হৈবা একমতি।
তেসেবে সিজিব হৰিত ভকতি"।।

গুৰুজনাৰ ধৰ্ম দৰ্শনত নাৰীৰ স্থান সম্পৰ্কে আলোচনা কৰিবলৈ যাওঁতে, আমি সেই সময়ৰ নাৰীসকলক দুটা স্তৰত ভাগ কৰিব পাৰো। এটা স্তৰ হ'ল বাস্তৱিকভাবে লগপোৱা নাৰীসকল আৰু শঙ্কৰদেৱৰ লেখনীসমূহৰ নাৰী চৰিত্ৰসমূহ।

আমি প্ৰথমতে বাস্তৱিকভাবে লগপোৱা নাৰীসকলৰ বিষয়ে আলোচনা কৰি চাওঁ। এই সকল নাৰীৰ ভিতৰত প্ৰথমে উল্লেখ কৰি লাগিব মহাপুৰুষ শঙ্কৰদেৱৰ বুঢ়ীমাক খেৰসূতীৰ কথা। পো - বোৱাৰী সত্যসন্ধাৰ অকাল বিয়োগ তেখেতৰ বাবে আছিল নিশ্চিতভাৱে গভীৰ বেদনাদায়ক। তাৰ মাজতো নিজৰ দায়ত্ব পালন তেখেতৰ

জীৱনৰ আদৰ্শনীয় দিশ। শঙ্কৰদেৱক মহাপুৰুষৰ স্তৰলৈ তুলিব পৰাটোৱে তেখেতৰ জীৱন সাৰ্থক কৰি তুলিছে। খেৰসূতী আইৰ মহত্ব তেওঁৰ এটা কথাতেই প্ৰকাশ পাইছে, সেইটো হৈছে তেওঁৰ নাতিয়েক শঙ্কৰদেৱক পাণ্ডিত্য আৰু জ্ঞানৰ মহত্বৰ কথা বুজাব পাৰিছিল....‘‘আমাৰ বংশত অপণ্ডিত নাই, তই মূৰ্খ হ’ব খুজিছিনে? ৰজাক স্বদেশে পূজে বিদ্যাবন্তক সৰ্বদেশে পূজে’’। মধ্যযুগত অসমত স্ত্ৰী - শিক্ষাৰ কিবা ব্যৱস্থা আছিল বুলি জনা নাযায়। তথাপি অতি সহজ সৰল ভাষা আৰু সুন্দৰ নিদৰ্শনেৰে তেওঁ ৰজা আৰু বিদ্যাবন্তৰ স্থান বুজাই দিবলৈ সক্ষম হৈছিল। শঙ্কৰদেৱৰ বুঢ়ীমাক খেৰসূতীয়েই অধ্যাপক মহেন্দ্ৰ কন্দলিৰ জৰিয়তে জ্ঞানৰ পথ প্ৰদৰ্শন কৰাইছিল। ইয়াৰ মহৎ ফল অসমীয়া সমাজ - সংস্কৃতিয়ে ভোগ কৰিছে। শঙ্কৰদেৱৰ জীৱনৰ গুৰিবঠা স্বৰূপ এই গৰাকী মহীয়সী নাৰী আছিল ৰাম চৌধাৰীৰ দুহিতা। এইগৰাকী নাৰীয়েই ঘাটমাউৰা শঙ্কৰদেৱক তেৰ বছৰ বয়সত মহেন্দ্ৰ কন্দলিৰ টোলত নামভৰ্ত্তি কৰি বিদ্যাৰম্ভ কৰাইছিল। আইতাক খেৰসূতীয়েই আছিল শঙ্কৰদেৱৰ অভিভাৱক, পিতৃ - মাতৃ সকলো। শঙ্কৰদেৱৰ জীৱনত এই গৰাকী নাৰীৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। মহাপুৰুষজনাৰ বৈবাহিক জীৱনৰ প্ৰতি থকা বৈৰাগ্য ভাব আতৰোৱাৰ ক্ষেত্ৰতো এই গৰাকী নাৰীৰ অৱদান উল্লেখনীয়। আইতাক খেৰসূতীৰ বুজনিতে শংকৰদেৱ, সূৰ্যৱতীৰ লগত বিবাহপাশত আৱদ্ধ হয়। কিন্তু এটা কন্যা সন্তান জন্ম দিয়েই সূৰ্যৱতীৰ মৃত্যু হয়। খেৰসূতীয়ে সেই বয়সতো মাতৃহীনা পৰিনাতি মনুৰ চোৱা - চিতাৰ সম্পূৰ্ণ দায়ত্ব গ্ৰহণ কৰি শঙ্কৰদেৱক বৈষ্ণৱ ধৰ্ম প্ৰচাৰত মনোনিৱেশ কৰিবলৈ সহায় কৰে। আইতাক খেৰসূতীৰ বুজনিতেই শঙ্কৰদেৱ দ্বিতীয়বাৰৰ বাবে বিবাহ পাশত আৱদ্ধ হয়। এনেদৰেই খেৰসূতী আইয়ে জীৱনৰ দীঘল বাটছোৱাত শংকৰদেৱ আগবাঢ়ি যোৱাত গুৰুত্বপূৰ্ণ ভুমিকা পালন কৰে।

চন্দৰী আই আছিল এনে এগৰাকী নাৰী যি গৰাকী নাৰীৰ কোলাই - বোকোচাই শিশু শঙ্কৰদেৱ ডাঙৰ দীঘল হৈছিল। শিৰোমণি ভূঞাৰ ঘৰৰ দাসী চন্দৰী আইৰ চৰিত্ৰৰ মাজেৰে সেই সময়ৰ আন এগৰাকী গুণী - জ্ঞানী নাৰীৰ পাৰদৰ্শিতা উল্লেখ কৰিব পাৰি। এদিন এজন ব্ৰাহ্মণ পণ্ডিত শংকৰদেৱৰ ওচৰত গীতা - শাস্ত্ৰৰ অৰ্থ সুধি তৰ্ক কৰিবলৈ আহিছিল। চন্দৰী আয়ে গীতাৰ ভাঙনি কৰিব্ৰাহ্মণ পণ্ডিত কেইজনক শুনালে...

ভগৱন্ত ভক্তিযুক্ত  পুৰুষৰ আত্মবোধ
মাধৱৰ প্ৰসাদে মিলয়।
কৃষ্ণৰ কৃপাত জানা  গুচয় সংসাৰ ভয়
এহিমানে গীতাৰ নিৰ্ণয়।

সেই সময়ত সকলো নাৰীয়েই নিৰক্ষৰ আছিল যদিও এনে আষাৰ কথাৰে গীতাৰ সাৰ - মৰ্ম নিৰ্ণয় কৰি দি চন্দৰী আয়ে পণ্ডিত ব্ৰাহ্মণকো তবধ মনাব পাৰিছিল। ব্ৰাহ্মণ পণ্ডিতজনে গুৰুজনাৰ দাসী এগৰাকীৰ মুখত গীতাৰ এনে তাৎপৰ্য শুনি শঙ্কৰদেৱ কেনে পণ্ডিত হ’ব অনুমান কৰিব পাৰি তাৰ পৰা গুছি আহিছিল। শিৰোমণি ভূঞাৰ পৰিয়ালৰ সংস্কাৰ আৰু সেই সময়ৰ উচ্চস্তৰৰ জ্ঞান বিদ্যা চৰ্চাৰ মাজত চন্দৰী আয়ে লাভ কৰা উৎকৰ্ষই মধ্যযুগীয়া নাৰীৰ প্ৰতিভাৰ দিশটোকে দাঙি ধৰে। এই গৰাকী চন্দৰী আয়ে শঙ্কৰদেৱে চিহ্নযাত্ৰা ভাওনাৰ সপ্ত বৈকুণ্ঠৰ পট অকাঁৰ সময়ত কল্পতৰু বৃক্ষজোপাৰ স্থান নিৰ্ণয় কৰি দিছিল। ‘‘চিহ্ন যাত্ৰা’’ৰ কাৰণে বৈকুণ্ঠৰ পট আঁকি কল্পতৰু জোপা ক’ত দিব চিন্তা কৰি বৈ থকা গুৰুজনাত চোতালত ধান মেলি দিবলৈ গৈ চন্দৰী আয়ে ‘‘বোলে ডেকাগিৰি সেইখিনিতে নিদিয়া কিয় শ্ৰীমন্দিৰৰ আগে সপ্তদ্বাৰ

আগকৈ?” গুৰুজনাও চন্দৰী আয়ে দেখুওৱা ঠাইতে কল্পতৰু অংকণ কৰিলে। ইয়াৰ দ্বাৰা প্ৰমাণিত হয় যে গুৰুজনাই সেই কালতেই নাৰীৰ চিন্তা - চৰ্চাক অৱহেলা নকৰি সন্মান সহকাৰে আদৰণি জনাইছিল। চন্দৰী আয়ে বৃন্দাবনী বস্ত্ৰতো ভুল ধৰিছিল। বৃন্দাবনী বস্ত্ৰত তোলা বট গছজোপা যমুনাৰ সোঁফালৰ পৰিৱৰ্তে বাওঁফালেহে তোলা বুলি চন্দৰী আয়ে আক্ষেপ কৰিছিল।

আন এগৰাকী সুনিপুন তীব্ৰ বুদ্ধি সম্পন্না, সাহসী নাৰী, ভৱানীপুৰীয়া গোপাল আতাৰ মাতৃ বজ্ৰাংগী আই। নিজৰ বুদ্ধি আৰু কাৰ্যদক্ষতাত অতুলনীয় এই গৰাকী মাতৃয়ে সংগ্ৰামত বিশেষ কৃতিত্ব ৰাখি থৈ গৈছে। তেওঁ চাৰিখন ভাৰৰ বস্তু অকলে মূৰত কঢ়িয়াই নি নাজিৰা হাটত পোহাৰ দিছিল। পিছলৈ বৰদোৱাতো পোহাৰ দিছিল। আই কৰ্মপটু আৰু স্বাৱলম্বনৰ উপৰিও আছিল তীব্ৰ বুদ্ধি সম্পন্না। এবাৰ নিজৰ পুত্ৰ গোপাল আতাক স্বৰ্গ - নাৰায়ণ সিংহৰ চাওদাঙৰ চকুত ধূলি মাৰি নিজৰ গাৰ কাপোৰৰে আঁৰ কৰি ৰাখি, তেওঁ জীৱন ৰক্ষা কৰিছিল। বয়ন শিল্পত তেওঁ বিশেষ দক্ষতা আৰু পাৰদৰ্শিতা আছিল। পিছত তেওঁ নিজৰ যোগ্যতাৰ বলত ৰজাৰ সাতকুৰি আৰু লিগিৰিৰ পাচঁকুৰি, মুঠতে বাৰকুৰি তাঁতশালৰ ওজা শিপিনী হ'ব পাৰিছিল।

বাৰবাসী আই আছিল নাৰায়ণ দাস ঠাকুৰ আতাৰ পত্নী। তেওঁ এগৰাকী সুনিপুন গৃহিনী, ধৰ্মশীলা আৰু গুৰু ধৰ্মাদৰ্শৰ অনুগামী আই। তেখেতে গৃহতে থাকিও গুৰুৰ ধৰ্মৰ আদৰ্শ ৰক্ষা কৰিছিল। এবাৰ দেশত দাৰিদ্ৰতাই দেখা দিয়াত আয়ে ভকতৰ কাৰণে নিজৰ গুটিধানৰ ভঁৰালটি দান দি মহানুভৱতাৰ পৰিচয় দিছিল। সেই সময়তে কেইজনমান ব্ৰাহ্মণে শঙ্কৰদেৱৰ বিষয়ে মিছা অপবাদ দি ৰজাক গোচৰ দিছিল। ৰজাই গড়মালিক শঙ্কৰদেৱক ধৰি আনিবলৈ পঠাইছিল। গড়মালিয়ে গুৰুজনাক নাপাই বাৰবাসী আইৰ স্বামী নাৰায়ণ দাস ঠাকুৰ আতা, গোকুল চান্দক ধৰি নি শাস্তি দিছিল। আইয়ে স্বামীৰ লগতে আহি ৰজাক গুৰুজনাৰ বিৰোধিতা নকৰিবলৈ অনুৰোধ কৰিছিল। আই গৰাকী সেই সময়ত অন্তঃসত্তা আছিল আৰু তাতেই এটি পুত্ৰ সন্তান প্ৰসৱ কৰিলে। অতি দুখৰ দিনত জন্ম হোৱাৰ কাৰণে সন্তাটিৰ নাম 'দুখীয়া' ৰাখিছিল। কিন্তু গুৰুজনাই এই কথা জানিব পাৰি দুখৰ দিনত জন্ম হৈ আনন্দ দিয়াৰ কাৰণে তেওঁৰ নাম পৰমানন্দ ৰাখিলে। সময়ত সেই পুত্ৰ টোৱেই পৰমানন্দ আতৈ নামে খ্যাত হয়।

আনহাতে ৰামৰায়ৰ কন্যা কমলাপ্ৰিয়াই বুৎপত্তি দেখুৱাইছিল গায়ন বিদ্যাত। কোচৰজাৰ পৰিয়ালৰ লগত সৌহাৰ্দ্যপূৰ্ণ সম্বন্ধ গঢ়ি তোলাত এই গৰাকী নাৰীয়েই মূখ্য ভূমিকা গ্ৰহণ কৰিছিল। শ্ৰীমন্ত শঙ্কৰদেৱৰ খুড়াকৰ পুতেক জগতানন্দ এজন ৰাজনীতিজ্ঞ পুৰুষ আছিল। চুখাম্‌ফা স্বৰ্গদেৱে যুদ্ধ পৰিচালনাৰ ক্ষেত্ৰত জগতানন্দৰ মন্ত্ৰণাত সন্তুষ্ট হৈ 'ৰায়' উপাধি প্ৰদান কৰে। তেতিয়াৰ পৰা জগতানন্দ 'ৰামৰায়' হিচাপে বেছিকৈ খ্যাত হৈ পৰিল। জগতানন্দ ওৰফে ৰামৰায়ৰ এগৰাকী অতিশয় সুন্দৰী কন্যা হ'ল কমলাপ্ৰিয়া। এওঁক মহাৰাজ চিলাৰায়ে বিবাহ কৰায়। বিবাহখন ঐতিহ্যমণ্ডিত। ৰাজপৰিয়ালত ছোৱালী নিবলৈ অহাৰ প্ৰথা নাই। আনহাতে ভূঞা পৰিয়ালত ছোৱালী দিবলৈ যোৱাৰ প্ৰথা নাই। শেষত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ হস্তক্ষেপত সিদ্ধান্ত হ'ল যে কন্যাপক্ষই কন্যাক লৈ পাটবাউসীৰ পৰা নাৱেৰে ভটিয়াই যাব আৰু দৰাপক্ষই দৰাক লৈ নাৱেৰে উজাই আহি যি ঠাইত দুয়োপক্ষৰ নাও মিলিত হ'ব সেই ঠাইতেই বিবাহ অনুষ্ঠিত হ'ব। দুয়োপক্ষৰ নাও সোণকোষ নৈৰ এখন ঠাইত মিলিত হয় আৰু সুঁতি

এটাৰে গৈ নাও বান্ধে। সেই ঠাইখনতে চাফা-চিকুণ কৰি ৰভা দিয়ে আৰু নাম-প্ৰসংগৰ মাজেৰে কন্যা সম্প্ৰদান কৰে। এওঁৰ কণ্ঠত শঙ্কৰদেৱে ৰচনা কৰা বৰগীত

"পামৰু মন, ৰামচৰণে চিত্ত দেহু।
অথিৰ জীৱন, ৰাম মাধব কেৰি নাম
মৰণক সম্বল লেহু।"

শুনিয়েই চিলাৰায় দেৱান শঙ্কৰদেৱৰ প্ৰতি আকৰ্ষিত হৈছিল। কমলাপ্ৰিয়া আয়ে সমস্ত নাৰী সমাজৰ কথা চিন্তা কৰি ঈশ্বৰৰ উৎপত্তি, লীলা আৰু প্ৰলয়ৰ সমস্ত বৰ্ণনা দি এখন শাস্ত্ৰ পুথি লিখি দিবলৈ গুৰুজনাক প্ৰাৰ্থনা জনালে। পাটবাউসীলৈ গৈ মহাপুৰুষ মাধৱদেৱৰ দ্বাৰা তিনিশপদৰে পূৰ্ণ কৰা 'জন্ম ৰহস্য' নামৰ শাস্ত্ৰখনি সম্পূৰ্ণ কৰি পিতৃ ৰামাৰায়ৰ হাতত অৰ্পণ কৰিলে। শাস্ত্ৰখনিয়ে আইক আনন্দিত কৰাৰ লগতে সেই সময়ৰ লোকসকলো উপকৃত হ'ল।

শত বাধা-বিঘিনি নেওঁচি কেইবাগৰাকীও বিদূষী নাৰীয়ে গুৰুজনাৰ ধৰ্ম মূখ্য কৰিছিল। ভৱানীপুৰীয়া গোপাল আতাৰ কন্যা পদ্মপ্ৰিয়া আছিল অসমৰ প্ৰথম মহিলা কবি। বৈষ্ণৱ যুগৰ এগৰাকী বিদূষী নাৰী হিচাপে তেওঁৰ পৰিচয় পাব পাৰি তেওঁ ৰচনা কৰা গীতবোৰৰ পৰা। মহাপুৰুষ দুজনা তথা তেওঁ পিতৃগুৰুৰ আৰ্হিত 'ৰামগিৰী' ৰাগৰ ৰাগ সংযোজন কৰি গীত ৰচনা কৰিছিল।

"পুত্ৰ পৰিবাৰ সবহো অসাৰ" বুলি শংকৰদেৱে গীত ৰচিছিল যদিও সংসাৰ বৰ্জ্জন কৰাৰ তেওঁ পক্ষপাতী নাছিল। তেওঁ নিজে দুবাৰকৈ বিয়া কৰাইছিল আৰু দুই বিবাহৰ ফলস্বৰূপে পাচোঁটাকৈ সন্তানৰ বাপেকীও হৈছিল। কেৱল সেয়ে নহয়, তেওঁৰ প্ৰিয়তম শিষ্য মাধৱদেৱক নিজৰ জীয়েক বিষুওপ্ৰিয়াৰ বিয়া কৰাবলৈ অনুৰোধ কৰিছিল। কিন্তু মাধৱদেৱে তেওঁৰ অনুৰোধ প্ৰত্যাখান কৰিছিল আৰু সত্ৰসমূহত এচাম উদাসীন বা কেৱলীয়া ভকতৰ সৃষ্টি কৰি থৈ গ'ল। শঙ্কৰদেৱৰ দ্বিতীয় পত্নী কালিন্দী আইৰ গুৰু ভক্তি আছিল অপৰিসীম। সাংসাৰিক জীৱনত সকলো সময়তে কৰ্মপ্ৰেৰণা যোগাইছিল পত্নী কালিন্দী আয়ে। এই গৰাকী নাৰীৰ সাহচৰ্যত মহাপুৰুষ জনাই সাংসাৰিক দায়িত্বৰ পৰা মুক্ত হৈ একাণপতীয়াভাৱে ধৰ্ম সাহিত্য চৰ্চা কৰিবলৈ সময় উলিয়াব পাৰিছিল। বিদূষী নাৰী গৰাকীয়ে শঙ্কৰদেৱৰ বৃহৎ ব্যক্তিগত পুথিভঁৰালটোৰ দায়িত্ব বহন কৰিছিল। প্ৰয়োজন অনুযায়ী গুৰুজনাক সকলো দিশতে সহায় আগবঢ়োৱা কালিন্দী আয়ে সুন্দৰীদিয়াত সত্ৰ পাতিবলৈ মাধৱদেৱক আজ্ঞা দিছিল।

মহাপুৰুজনাই পূৰ্ণানন্দ নদীয়ালৰ ভাৰ্যা ৰাধিকাক সামাজিকভাৱে প্ৰতিষ্ঠা কৰি সমাজৰ তথাকথিত অৱহেলিত জাতিৰ যথাযোগ্য সন্মান যাচিছিল। যোগ্যজনৰ যোগ্য পদৰ পৰা বঞ্চিত কৰা নাই। ইয়াৰ উৎকৃষ্ট উদাহৰণ, ধৰ্মৰ সৰ্বোচ্চ আসন সত্ৰাধিকাৰ পদ লাভ কৰা শঙ্কৰদেৱৰ নাতি-বোৱাৰী, আই কনকলতা। আই কনকলতাৰ উল্লেখীয় অৱদান হৈছে - সমসাময়িক সকলো বিপদ-বিঘিনি নেওচি শঙ্কৰদেৱে এশ চল্লিছ বছৰৰ পূৰ্বে এৰি থৈ যোৱা অৰণ্যাবৃত্ত বৰদোৱা, আহোম ৰাজবিষয়া টংচু ফুকন আৰু কাৰ্বি ৰজা চেতুৰাৰ সহায়ত পুনৰ উদ্ধাৰ কৰে। কনকলতা আই নাৰী হৈও শংকৰদেৱৰ ধৰ্ম প্ৰচাৰৰ ভাৰ গ্ৰহণ কৰি সুকলমে পালন কৰিছিল, সত্ৰ চলাইছিল আৰু অনেকক সন্ত, ভকত আদি পাতিছিল। আই কনকলতা আছিল ফুলবাৰীৰ কানু ভূঞাৰ কন্যা আৰু শঙ্কৰদেৱৰ নাতি হৰিচৰণ ঠাকুৰৰ পুত্ৰ চতুৰ্ভূজ ঠাকুৰৰ পত্নী। চতুৰ্ভূজ ঠাকুৰ আতাৰ মৃত্যুৰ সময়ত তেওঁয়েই পত্নীক এই দায়ত্ব অৰ্পণ কৰে।

"একদিন ঠাকুৰে বোলে শুনা বচন আমাৰ।
আমি অল্পতে যাইবো কৈলো কৰি সাৰ।।

মোৰ নিজ পত্নী সেই লক্ষ্মী নামে সতী।
শংকৰৰ ধৰ্মতেসে ৰাখিব সম্প্ৰতি।।
তোমাসবে মোৰ ইটো বচন নেৰিবা।
মোৰ সমান কৰি লক্ষ্মীক জানিবা।।
(আই কনকলতা চৰিত)

এই লক্ষ্মী দেৱীয়েই আই কনকলতা। আই কনকলতাই ধৰ্ম প্ৰচাৰ কৰোতে ভক্তসকলৰ মাজত সঘনে তেওঁৰ জ্ঞানৰ পৰীক্ষা দিবলগীয়া হৈছিল। কিন্তু সকলোবোৰতে আই গৰাকীয়ে নিজৰ অগাধ পাণ্ডিত্য আৰু বুদ্ধিমত্তাৰ পৰিচয় দিছিল।

মোগল সেনাপতি মিৰ্জুমলাই অসম আক্ৰমণ কৰোতে আই কনকলতা কিছুদিন নামনিৰ গোৱালপাৰাৰ বিষ্ণুপুৰত আছিল। তাত থকা বিষ্ণুপুৰ সত্ৰখন শত্ৰুয়ে ধ্বংস কৰাত আৰু প্ৰাণৰো সংশয় বুলি ভাবি ব্ৰহ্মপুত্ৰ উত্তৰ কুলৰ পৰা দক্ষিণ কুললৈ যাবলৈ ঠিৰাং কৰে। দক্ষিণ কুলত গৈ কমললোচন চৌধুৰীৰ সহযোগত পাচঁ-ছয় বছৰ তাতে কটায়। ইয়াৰ পৰাই বৰদোৱা ক্ষেত্ৰ উদ্ধাৰৰ বাবে ভকত বৈষ্ণৱক লগত লৈ তালৈ যাত্ৰা আৰম্ভ কৰে। এইদৰে লুইতৰে উজাই আহি বৰদোৱাৰ ওচৰৰ এখন ঠাইত ৰ'লহি। ইয়াৰ পিছত মহাপুৰুষ শঙ্কৰদেৱে ৬৭ বছৰ বয়সতে এৰি থৈ যোৱা বৰদোৱা পুনৰ উদ্ধাৰ কৰে। আই কনকলতা আহি প্ৰথমতে যি ঠাইত ৰৈছিলহি সেই ঠাইখন বৰ্তমান 'আইভেটি' নামে খ্যাত। কোনোৱে ইয়াৰ 'আই লক্ষ্মীৰ থান' বুলিও কয়।

বৰদোৱা উদ্ধাৰ হোৱাৰ পিছৰ পৰা ঐতিহ্যমণ্ডিত ঠাইখনৰ দ্বিতীয় পৰ্যায়ৰ ইতিহাস আৰম্ভ হয়। অৰ্থাৎ আই কনকলতাৰ নেতৃত্বতে বৰদোৱাত সত্ৰীয়া সমাজ ব্যৱস্থা প্ৰতিষ্ঠা হয়। ইতিমধ্যে সত্ৰীয়া সমাজ ব্যৱস্থাটো উজনি আৰু নামনি অসমত গঢ় লৈ উঠিছিল যদিও বৰদোৱাত এই ব্যৱস্থা আই কনকলতাৰ যত্নতে সম্ভৱপৰ হয়। কীৰ্ত্তন ঘৰ তিনিহাটী নিৰ্মাণেৰে নিত্য সেৱা-প্ৰসঙ্গ প্ৰবৰ্তন কৰাই সত্ৰীয়া পদ্ধতিৰ শুভাৰম্ভ হয় যদিও বৰদোৱা থান কিন্তু সত্ৰ নহ'ল। কনকলতা আইয়ে ১৪ জন আতাক 'মহন্ত' ৰাখি সত্ৰাধিকাৰ পদত অধিষ্ঠিত হৈ যি ধৰ্মৰ ধ্বজা উৰুৱালে ই এক তুলনাবিহীন দৃষ্টান্ত। সেই সময়ত ৰক্ষণশীল সমাজৰ ৰীতি-নীতি দুৰ্গম পথ অতিক্ৰমী গুৰুজনাৰ সুযোগ্যা পত্নী কালিন্দী আইৰ উদ্‌গনীত বৰদোৱা থান উদ্ধাৰ নকৰা হ'লে ভক্তপ্ৰাণ ৰাইজে আজিৰ ৰূপত এই থান নাপালেহেঁতেন। গুৰুজনাৰ মৃত্যুৰ পিছত তেখেতৰ ৰচিত গীত নাট আদি আপুৰুগীয়া সম্পদসমূহ সংৰক্ষণত এই গৰাকী আইৰ অৱদান অতুলনীয়। আই গৰাকীয়ে আকাশী গঙ্গা, শিলিক্ষা বৃক্ষ, যাত্ৰাৰ দৌল, টেম্বুৱানী, শান্তিজান আৰু পদশিলা উদ্ধাৰ কৰি বৰদোৱাক মহাপুৰুষ স্মৃতি বিজৰিত থান হিচাপেই প্ৰতিষ্ঠা কৰিলে। ভকতিসূৰ্য উদয়ৰ স্থান বৰদোৱা থানখনক দেশ আৰু জাতিৰ আগত তুলি ধৰি দেশ বিদেশতো ইয়াৰ খ্যাতি যুগমীয়া কৰাৰ কাৰণে আই কনকলতা অসমীয়া জাতিৰ কাৰণে সদায় পূজনীয়া হৈ থাকিব।

কিছুদিন পিছত আই কনকলতাই সেই ঠাই এৰি উজনিৰ চিলাতলী সত্ৰলৈ আহে। ইয়াতো আই গৰাকী ধৰ্ম প্ৰচাৰত মনোনিৱেশ কৰে। এইগৰাকী আধ্যাত্মিক জ্ঞান পুষ্ট, সাহসী, আদৰ্শনীয় নাৰী জীৱনৰ ভাটি বেলাত বসন্ত ৰোগত আক্ৰান্ত হৈ ১৫৯০ শকৰ পুহ মাহৰ কৃষ্ণ চতুৰ্থী তিথিত ইহলীলা সম্বৰণ কৰে। এই গৰাকী নাৰীৰ কৰ্ম প্ৰেৰণাৰ মূলতে আছিল কালিন্দী আই। বৰপেতা সত্ৰৰ কীৰ্তন ঘৰত নাৰীৰ প্ৰৱেশ নিষিদ্ধ হৈছিল পাছৰ যুগতহে। কিন্তু কেনেকৈ কীৰ্ত্তন ঘৰৰ ভিতৰত নাৰীৰ প্ৰৱেশ নিষিদ্ধ হ'ল সেই কথা জ্ঞাত নহয়।

ভাৰতীয় সভ্যতাত নাৰীৰ স্থান আৰু মৰ্যদাৰ মূল্যায়ন কৰিবলৈ গৈ প্ৰাচ্যতত্ববিদ আলটেকাৰে এষাৰ মূল্যবান কথা কৈছে যে কোনো এটা সভ্যতাৰ আত্মা, মহত্ব আৰু সীমাবদ্ধতাৰ বিষয়ে জনাৰ আটাইতকৈ উৎকৃষ্ট পন্থা হৈছে সভ্যতাৰ নাৰীৰ স্থান আৰু মহত্বৰ ইতিহাস অধ্যয়ন কৰাটো। সাহিত্য হৈছে সমাজ জীৱনৰ দাপোন। যুগে যুগে নাৰী সকলে আৰু সভ্যতাৰ বিকাশত প্ৰচুৰ অৰিহণা আগবঢ়াই আহিছে। সাহিত্য যিহেতু মানুহৰ লৈয়ে ৰচিত হয় আৰু ইয়াত নাৰী-পুৰুষৰ জীৱন, জীৱনৰ সুখ-দুখ, আনন্দ, বেদনা আকাঙ্খা, অনুভূতি আবেগ আদিৰ প্ৰতিফলন ঘটে, সেয়ে অসমীয়া সমাজত নাৰীৰ গুৰুত্বৰ বিষয়ে আলোচনা কৰিবলৈ যাওঁতে অসমীয়া সাহিত্যও মূল্যবান সমল হ'ব। অসমীয়া সাহিত্যৰ এছোৱা গুৰুত্বপূৰ্ণ সময় শঙ্কৰদেৱৰ ৰচনাই ধৰি ৰাখিছে। পত্নী প্ৰসাদ, হৰিশ্চন্দ্ৰৰ উপাখ্যান ৰচনাৰ পৰা ৰাম-বিজয় নাট ৰচনালৈকে মহাপুৰুষ শঙ্কৰদেৱে প্ৰায় এশবছৰীয়া সাহিত্যিক জীৱন যাপন কৰিছে। ইমান দীঘলীয়া সাহিত্যিক জীৱন যাপন কৰা পুৰুষৰ সংখ্যা পৃথিৱীত বিৰল। ৰাজ-সন্মান বা সামাজিক মৰ্যদা লাভ কৰিবলৈ এইজনা মহাপুৰুষে সাহিত্য সৃষ্টি কৰাৰ কোনো প্ৰমাণ পোৱা নাযায়। মূলতঃ ভক্তিৰস প্ৰচাৰেই শঙ্কৰদেৱৰ সাহিত্যৰ মূল প্ৰেৰণা আছিল। গতিকে দুৰ্ব্বলভাৱেই হওঁক বা সবলভাবেই হওঁক, তেওঁৰ ৰচনাৰ মাজেদি ভক্তিৰসৰ স্ৰোত প্ৰৱাহমান।

সমাজত অৱহেলিত আৰু অৱদমিত হৈ থকা নাৰী সকলক কৰ্মৰে আৰু সৃষ্টিৰে মহাপুৰুষজনাই বিশেষ মৰ্যদা প্ৰদান কৰিছে। 'পত্নী প্ৰসাদ' নাটত বেদত পাৰ্গত কৰ্মগৰ্বী ব্ৰাহ্মণ সকলৰ ভগৱন্তৰ প্ৰতি ভক্তিজ্ঞানৰ চকু মুকলি কৰাইছিল ব্ৰাহ্মণ পত্নীসকলৰ দ্বাৰাহে। সূত্ৰধাৰৰ মাজেদি ব্ৰাহ্মণ পত্নীসকলৰ চাৰিত্ৰিক বৈশিষ্ট্যৰ প্ৰকাশ ঘটাইছে। বিশেষকৈ ভক্তি বিৰোধী ব্ৰাহ্মণসকলৰ দম্ভ অহংকাৰৰ বিপৰীতে কৃষ্ণ ভক্তিপৰায়ণা ব্ৰাহ্মণ পত্নীসকলৰ চৰিত্ৰ চিত্ৰণে ভক্তিৰ শ্ৰেষ্ঠত্ব প্ৰকাশ কৰাটো নাটকখনৰ অন্যতম বৈশিষ্ট্য। ভগৱন্তক পাৱৰ বাবে সকলো ত্যাগ কৰিব পৰাজনহে একনিষ্ঠ ভকত। নাৰীজাতীয়ে এনে ভকতৰ শাৰীত স্থান পোৱাটো সম্ভৱ হৈছিল একমাত্ৰ মহাপুৰুষজনাৰ ৰচনাত আৰু আদৰ্শত। সূক্ষ্মভাবে পৰ্যবেক্ষণ কৰিলে ব্ৰাহ্মণ পত্নীসকলৰ মাজেৰে নাৰীৰ দায়িত্ববোধ, কৰ্ত্তব্যবোধ, সততা, একাগ্ৰতা দেখা যায়। সমাজ বিবৰ্তনত নাৰীয়েও যে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে তাকো পত্নী প্ৰসাদ নাটকখনত গুৰুজনাই দেখুৱাই থৈ গৈছে।

ৰুক্মিণী হৰণ আৰু পাৰিজাত হৰণ শঙ্কৰদেৱৰ মৌলিকতাৰ সৃষ্টি। এই নাট দুখনতো নাৰীক মৰ্যদা দিয়া দেখা গৈছে। ৰুক্মিণী হৰণ নাটত ৰুক্মিণীয়ে নিজকে উদ্যোগী হৈ বেদনিধিৰ হতুৱাই শ্ৰীকৃষ্ণলৈ গোপনে পত্ৰ প্ৰেৰণ কৰিছে। ৰুক্মিণীক ধৈৰ্য্যশীলা, উপস্থিত বুদ্ধিসম্পনা এগৰাকী নাৰীৰ ৰূপত প্ৰতিষ্ঠা কৰিছে। পাৰিজাত হৰণত সত্যভামাৰ মনোতুষ্টিৰ কাৰণে স্বৰ্গৰ পৰা পাৰিজাত আনি দিবলৈ কেৱল মান্তিয়েই হোৱা নাই, পত্নীক আনকি লগত লৈ যাবলৈও ৰাজী হৈছে শ্ৰীকৃষ্ণ। নাৰীসকল যিদৰে বুদ্ধিমতী, ধৈৰ্যশীলা, প্ৰত্যুৎপন্নমতী, কৰ্ম নিপুণা ঠিক সেইদৰে অংগৰাগৰ প্ৰতি দুৰ্ব্বল। এই দুৰ্ব্বলতাৰ বাবেই শ্ৰীকৃষ্ণ আৰু ইন্দ্ৰৰ মাজত তয়াময়া ৰণ চলিল। ইয়াত সত্যভামাৰ চৰিত্ৰৰ মাজেৰে নাৰীৰ সহজাত ঈৰ্ষা প্ৰকৃতি ফুটি উঠিছে।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ আন এক কালজয়ী নাটক 'কালীয় দমন'। এই নাটকত নাগ পত্নীসকলে তেওঁলোকৰ স্বামীসকলৰ জীৱন দান বিচাৰি যি স্তুতি

কৰিছে, সেয়া মন কৰিবলগীয়া। ইয়াৰ মাজেদি নাৰীসকলৰ স্বামী ভক্তি, পৰিয়ালৰ সদস্যসকলৰ প্ৰতি মৰম স্নেহ আৰু কল্যাণৰ মনোভাব ফুটি উঠিছে। আৰু সন্তানৰ প্ৰতি মাতৃৰ যি মায়া মোহ তাক 'যশোদা' চৰিত্ৰৰ মাজেৰে সুন্দৰভাবে প্ৰকাশ পাইছে।

'কেলিগোপাল' নাটকত নৃত্য-গীতৰ মাজেদি গোপবালাসকলৰ কৃষ্ণৰ প্ৰতি প্ৰেমৰ ব্যাকুলতা, অস্থিৰতা, গভীৰতাক প্ৰকাশ কৰিছে। মূল ভাগৱতত এগৰাকী নাৰীৰূপ দেখা দিয়া নাৰীক ৰাধা ৰূপ দি কৃষ্ণৰ প্ৰধান প্ৰেমিকাৰূপে চিহ্নিত কৰিছে। শংকৰদেৱৰ কালজয়ী গ্ৰন্থ কীৰ্ত্তন-ঘোষাৰ ৰাসলীলাতো গোপী-কৃষ্ণৰ মাজত প্ৰেম আত্মা-পৰমাত্মাৰ মিলন বুলিয়েই কৈছে।

মহাপুৰুষ শংকৰদেৱৰ 'ৰাম বিজয়' নাট আৰু 'উত্তৰাকাণ্ড ৰামায়ণ' বাল্মিকীৰ মূল ৰামায়ণ আধাৰত ৰচিত উল্লেখযোগ্য কৰ্ম। শ্ৰীমন্ত শঙ্কৰদেৱৰ ৰচনা সম্ভাৰত বৰ্ণিত নাৰী চৰিত্ৰসমূহৰ ভিতৰত আটাইতকৈ উজ্জ্বল আৰু তেজস্বী নাৰী চৰিত্ৰ হৈছে উত্তৰাখণ্ড ৰামায়ণৰ সীতা। মূল বাল্মিকীৰ ৰামায়ণ সীতা বিনয়ী, অপ্ৰগলভা, সংকুচিতা আৰু সংযতা। কিন্তু শঙ্কৰদেৱৰ ৰচনাত সীতা প্ৰগলভা, অভিমানী আৰু প্ৰতিবাদী।

শঙ্কৰদেৱৰ সীতা আত্মামৰ্যদা সম্পন্ন। অযোধ্যাৰ ৰাজসভালৈ পুনৰ নিবলৈ প্ৰেৰণ কৰা চাৰিজন মহন্তৰ কাতৰ অনুৰোধক উপেক্ষা কৰি ৰামৰ ওচৰলৈ যাবলৈ অস্বীকাৰ কৰিছে সীতাই। ছলবাদে নিৰ্বাসন আৰু দ্বিতীয়বাৰৰ বাবে সতীত্বৰ পৰীক্ষা, ৰামৰ এই অবিচাৰ মূলক কাৰ্যত শঙ্কৰদেৱৰ সীতাত ক্ষুদ্ধ। এই নিষ্ঠুৰতাক সীতাই পাহৰিব পৰা নাই। ৰামৰ ওচৰলৈ গৈ পুনৰ মৰ্যদা হেৰুৱাব খোজা নাই। সেয়ে সীতাই কৈছে.....

"আৰো অযোধ্যাত ভুঞ্জিবাহো ৰাজ সুখ।
দেখিবু দুনাই আৰু ৰাঘৱৰ মুখ।।
বোলাইব ঘৰনী আৰু ৰাঘৱৰ ঘৰে।
নাই তেৰে নাৰী নিলাজনী মোত পৰে।।"

ৰামৰ নিষ্ঠুৰতাৰ কথা সোৱৰাই অযোধ্যালৈ যাবলৈ অস্বীকাৰ কৰা সীতাই কিন্তু পিতৃ স্বৰূপ বাল্মিকীৰ অনুৰোধ উপেক্ষা কৰিব নোৱাৰিলে। পতিব্ৰতা ভাৰতীয় নাৰীৰ আদৰ্শৰে স্বামীকেই পৰম দেৱতা বুলি জ্ঞান কৰা শংকৰদেৱৰ সীতাই কিন্তু স্বামীৰ নিষ্ঠুৰ ব্যৱহাৰৰ বিপক্ষে মাত নমতাকৈ থকা নাছিল। শঙ্কৰদেৱৰ সীতা যথেষ্ট দায়িত্ব জ্ঞান সম্পনা স্নেহময়ী মাতৃ। বাল্মিকী ৰামায়ণৰ সীতাই কাৰো পৰা বিদায় নোলোৱাকৈ আনকি নিজৰ নাবালক পুত্ৰদ্বয়ক কোনো ধৰণৰ সান্ত্বনা বাণী নুশুনুৱাকৈ পাতালত প্ৰৱেশ কৰে। কিন্তু শংকৰদেৱৰ সীতাই পুত্ৰদ্বয়ৰ দায়িত্ব শাহুআই কৌশল্যাৰ হাতত অৰ্পণ কৰি পুত্ৰৰ প্ৰতি থকা মাতৃৰ দায়িত্ব পালন কৰি গৈছে। পাতাল প্ৰৱেশৰ প্ৰাকমূহুৰ্তত দুই পুত্ৰক ডিঙিত সাৱটি ধৰি কন্দা দৃশ্যটোৰ মাজেৰে নিৰুপায় মাতৃৰ মাতৃস্নেহ আৰু অভাগী মাতৃৰ বেদনা সুন্দৰ ৰূপত ফুটাই তুলিছে শংকৰদেৱে। শংকৰদেৱৰ সীতাই নিজৰ কাৰুণ্য সমাজৰ আগত প্ৰকাশ কৰি শাহু, দেৱৰ, আত্মীয়-স্বজন আৰু অনুচৰ-বৰ্গৰ পৰা বিদায় লৈ স্বামী ৰামচন্দ্ৰৰ চৰণৰ ধূলি শিৰত লৈ পাতালত প্ৰৱেশ কৰে। শংকৰদেৱৰ সীতা পুৰুষে কৰা নাৰী নিৰ্যাতনৰ বিৰুদ্ধে প্ৰথম প্ৰতিবাদী চৰিত্ৰ আৰু এই নাৰীবাদী চৰিত্ৰৰ স্ৰষ্টা হিচাপে শংকৰদেৱ নাৰী মুক্তিৰ প্ৰথম প্ৰৱক্তা।

মহাপুৰুষ শঙ্কৰদেৱে ৰচনা কৰা কাব্য নাটবোৰৰ বিষয় বস্তু সংস্কৃত শাস্ত্ৰৰ পৰা হ'লেও নাটবোৰৰ কাহিনীভাগ নিজৰমতে সজাই-পৰাই তুলিছে। ইয়াৰ ফলত গুৰুজনাৰ সৃষ্টি প্ৰতিভাৰ মৌলিকতা প্ৰকাশ পাইছে।

গ্ৰন্থবোৰত নাৰী চৰিত্ৰবোৰ স্ব-মহিমাৰে মহিমামণ্ডিত। তেওঁৰ ৰচনাত প্ৰকাশ পাইছে দৃঢ়মনা, ভক্তিপ্ৰাণা নাৰী চৰিত্ৰ। বিভিন্ন শাস্ত্ৰৰ পৰা তুলি আনি ভক্তিপ্ৰাণা নাৰী চৰিত্ৰবোৰ নিজস্ব ধ্যান-ধাৰণাৰে সজাইছে। শঙ্কৰদেৰৰ অংকীয়া নাট, বৰগীত আৰু উপাখ্যানৰ মাজত লুকাই থকা ৰুক্মিণী, সুমালিনী চণ্ডালিনী, ৰাণী শৈব্যা আদিৰ চৰিত্ৰৰ মাজেৰে অসমীয়া নাৰীৰ মাহাত্ম্য প্ৰকাশ কৰাৰ উপৰিও সমগ্ৰ বিশ্বৰ নাৰী সমাজৰ এক উজ্জ্বল প্ৰতিচ্ছবি দাঙি ধৰিছে। প্ৰায় প্ৰতিটো চৰিত্ৰৰ মাজেৰে শঙ্কৰদেৱে নাৰীৰ কমনিয়তা, সৌন্দৰ্য, ভক্তিভাৰ, সততা আৰু পৱিত্ৰ চিত্ৰ আঁকিছে। শঙ্কৰদেৱে ভক্তি প্ৰদীপ, ভাগৱত, কীৰ্ত্তন আদি পুথিৰ পাতত নাৰী-মৰ্যদা আৰু অধিকাৰক কিদৰে তুলি ধৰিছে তাৰ দুটামান উদাহৰণ দিয়া হ'ল.....

"ধন্য ধন্য চাণ্ডালিনী বুদ্ধিত উত্তম।
নেদেখিলো পৰম ভকত তোৰ সম।।
নিশ্চয়ে জানিলি তত্ব কৃষ্ণ দেৱতাৰ।
তোৰ দৰশনে ভৈলো আমিও উদ্ধাৰ।।
চাৰিও বেদৰ তত্ব তই আছা জানি।
তইসি উত্তম জাতি তই মহাজ্ঞানী"।।
(ভক্তি প্ৰদীপ)

"স্ত্ৰী বাল্য বৃদ্ধি সমস্তৰে অধিকাৰ।
চণ্ডালকো কৰে নামে তেখনে উদ্ধাৰ"।।
(ভাগৱত)

"কাক বুলি হৰি কথা হৰিৰ কীৰ্ত্তন কিবা
যিটো সবে একোৱে নজানে।
স্ত্ৰী শূদ্ৰ অন্ত্যজাতি তাকো শিক্ষা দিবা মাতি
ধৰিবে সিসবে অহো প্ৰাণে"।
(ভাগৱত)

"নাৰীয়ে পুৰুষে হৈবা একমতি।
তেৱেসে সিজিব হৰিত ভকতি"।। (কীৰ্ত্তন)

যি সময়ত একাংশ সত্ৰ মছজিদ আৰু গীৰ্জাত নাৰীৰ প্ৰৱেশ নিষিদ্ধ, তাৰো প্ৰায় পাঁচশ বছৰ আগতে শঙ্কৰদেৱে ধৰ্ম চৰ্চাৰ ক্ষেত্ৰত নাৰী-পুৰুষৰ 'একমতি'ৰ কথা কৈ নাৰীৰ এক উচ্চ আসনত প্ৰতিষ্ঠা কৰি গৈছে।

**প্ৰসঙ্গ পুথিঃ**


১। শঙ্কৰদেৱ বিশ্বশ্ৰেষ্ঠ নহ'ব কিয় ?-ইছমাইল হোছেইন

২। শ্ৰীমন্ত শংঙ্কৰদেৱ কৃতি আৰু কৃতিত্ব.....শিৱনাথ বৰ্মন

৩। নামঘোষা ........শ্ৰীশ্ৰীমাধৱদেৱ

৪। কীৰ্ত্তন ..........শ্ৰীশ্ৰীশঙ্কৰদেৱ

৫। ভক্তি-প্ৰদীপ .......শ্ৰীশ্ৰীমন্ত শঙ্কৰদেৱ

৬। প্ৰান্তিক, ৩৪ শ বছৰ ৫ম সংখ্যা। ১-১৫ ফেব্ৰুৱাৰী ২০১৫

৭। আকাশী গঙ্গা, স্মৃতিগ্ৰন্থ, শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ মহাৰজক জয়ন্তী অধিবেশন, নগাওঁ, ২০০৬

৮। ভকতি আছেং আৰচিম্, স্মৃতিগ্ৰন্থ, শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ অশীতিতম বাৰ্ষিক অধিবেশন, কাৰবি আলং, ২০১১

৯। পাঞ্চজন্য, স্মৃতিগ্ৰন্থ, ৰূপালী জয়ন্তী সমাৰোহ, শ্ৰীমন্ত শঙ্কৰদেৱ নামধৰ্ম সমাজ, জামুগুৰিহাট, ২০১২

১০। বৈকুণ্ঠ দুতয়, স্মৃতিগ্ৰন্থ, শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ ৮৫ সংখ্যৰ বাৰ্ষিক অধিবেশন, শিৱসাগৰ, ২০১৬

# ৰাসলীলা- ভগৱান শ্ৰীকৃষ্ণৰ শ্ৰেষ্ঠ লীলা

শ্ৰীঅনিল চন্দ্ৰ শৰ্মা
বৰগাইগাঁও

বসুদেৱসুতং দেৱং কংস চাণুৰমৰ্দনম্।
দেৱকী হৃদয়ানন্দং কৃষ্ণং বন্দে জগদ্গুৰুম্।।

ভগবান শ্ৰীকৃষ্ণই বাল্যকালত ব্ৰজধামৰ গোপবালক সকলৰ লগত অসংখ্য লীলা কৰিছিল যদিও ভক্তি পৰায়ণা গোপীসকলৰ লগত বৃন্দাবনত কৰা ৰাসলীলাই তেৰাৰ সৰ্ব্বশ্ৰেষ্ঠ লীলা আছিল বুলি তত্বজ্ঞসকলে কয়। এই ৰাসলীলাৰ মাধ্যমেৰে ভগৱন্ত কৃষ্ণই তেওঁৰ একান্ত ভক্ত গোপীসকলৰ অন্তৰৰ পৰা মায়া আৰু অবিদ্যা ("দেৱী ভাগৱতৰ মতে প্ৰকৃতিৰ যিটো বিশুদ্ধ সত্বগুণ যুক্ত প্ৰকাৰ সেয়ে মায়া আৰু যিটো প্ৰকৃতিৰ বেয়াগুণ যুক্ত প্ৰকাৰ সেয়ে অবিদ্যা) আঁতৰাই মোক্ষৰ সন্ধান দিছে।

শ্ৰীবিষ্ণু পুৰাণ, 'দেৱীভাগৱত আদি অন্যান্য ধৰ্ম গ্ৰন্থতো ৰাসলীলাৰ বৰ্ণনা আছে যদিও বেদব্যাসকৃত শ্ৰীমদ্ভাগৱতৰ দশম স্কন্ধৰ একোনত্ৰিংশতিতম (২৯তম) ৰ পৰা ত্ৰয়ত্ৰিংশতিতম (৩৩তম) অধ্যায়লৈ ৰাসলীলাৰেই বৰ্ণনা পোৱা যায় বাবে এই পাঁচটা অধ্যায়ক 'ৰাসপঞ্চাধ্যায়ী' বোলা হয়। এই "ৰাস পঞ্চাধ্যায়ী"ৰ প্ৰথমটো অধ্যায়ত বৰ্ণনা কৰা হৈছে কৃষ্ণৰ সুললিত বাঁহীৰ সুৰত পুলকিত হোৱা গোপীসকলৰ কৃষ্ণৰ সৈতে কথোপকথন, ৰাসলীলাৰ আৰম্ভণিৰ প্ৰক্ৰিয়া আৰু গোপী সকলৰ অভিমান খণ্ডনৰ বাবে কৃষ্ণৰ সাময়িক অন্তৰ্দ্ধান। দ্বিতীয়টোত গোপীসকলৰ দ্বাৰা কৃষ্ণৰ অন্বেষণ, কৃষ্ণক বিচাৰি নেপাই তেওঁক সন্তুষ্ট কৰাৰ মানসেৰে কৃষ্ণ চৰিত অনুকৰণ অৰ্থাৎ কৃষ্ণৰ লীলা সমূহৰ অভিনয় আৰু যমুনা তীৰৰ বালিত কৃষ্ণৰ বাবে অপেক্ষা আদি বৰ্ণনা কৰা হৈছে। তৃতীয়টোত বৰ্ণনা কৰা হৈছে গোপীসকলৰ গীত, বিৰহকাতৰ গোপীসকলৰ দ্বাৰা দৰ্শন দিয়াৰ বাবে কৃষ্ণক প্ৰাৰ্থনা আদি। চতুৰ্থ অধ্যায়টিত কৃষ্ণৰ আৱিৰ্ভাৱ, গোপীসকলক সান্ত্বনা প্ৰদান আৰু পঞ্চম অৰ্থাৎ শেষ অধ্যায়টোত মহাৰাসৰ বৰ্ণনা, মহাৰাজ পৰীক্ষিতৰ মনৰ আশংকা আৰু শুকদেৱৰ দ্বাৰা সেই আশংকাৰ নিৰসন আদিৰ বৰ্ণনা আছে।

ৰাসলীলাক ৰাসক্ৰীড়া হিচাপে অভিহিত কৰি প্ৰখ্যাত টীকাকাৰ শ্ৰীধৰ স্বামীয়ে ৰাসক্ৰীড়াক— "ৰাসো নাম বহু নৰ্তকী যুক্ত নৃত্যবিশেষ" বুলি ব্যাখ্যা আগবঢ়াইছে। ভগৱানে কামজয় কৰিবলৈকে ৰাসলীলা নামৰ নৃত্যৰ অনুকৰণ কৰিছিল বুলি 'ৰাস পঞ্চাধ্যায়ীৰ প্ৰথম অধ্যায়ৰ প্ৰথম শ্লোকৰ টীকাত লিখিছে--- "তস্মাদ্ৰাসক্ৰীড়া ৰিড়ম্বনং কামজয়াখ্যাপনায়েতি তত্বম্"-

অৰ্থাৎ ৰাসক্ৰীড়া বিৰম্বনা(চলনা) মাথোন, ৰাসক্ৰীড়াৰ অনুকৰণত কামজয় প্ৰদৰ্শন কৰাটোৱেই ৰাসলীলাৰ প্ৰকৃত তত্ব।

ভগবান শ্ৰীকৃষ্ণই গোপীসকলৰ লগত ৰাসক্ৰীড়া বা ৰাসলীলা কৰাৰ কাৰণ হিচাপে কিছু পূৰ্ব্বৰ ঘটনাৰ সংযোগ আছে। বাল্যকালত বকাসুৰ, অঘাসুৰ, তৃণাৱৰ্ত্ত আদি অসুৰক বধ কৰি তথা কালীয় নাগক দমন কৰি যি অসাধাৰণ বীৰত্ব দেখুৱাইছিল তাৰ পৰা ব্ৰজবাসীসকলে বুজিছিল যে কৃষ্ণ সাধাৰণ মানুহ নহয়, তেওঁ ভগবানহে। এই ভাৱনাই সৰলচিতীয়া গোপীসকলৰ অন্তৰত শ্ৰীকৃষ্ণৰ প্ৰতি গভীৰ অনুৰাগৰ সৃষ্টি কৰিছিল আৰু সেই অনুৰাগৰ বশৱৰ্তী হৈয়েই গোপীসকলে কৃষ্ণক পতী হিচাপে পাবলৈ যমুনাৰ বালিত এমাহৰ বাবে ব্ৰত পালন কৰি প্ৰতিদিনহৈ ভগৱতী কাত্যায়নী (দুৰ্গা) ক পূজা কৰি শ্ৰীকৃষ্ণক স্বামীৰূপে পোৱাৰ প্ৰাৰ্থনা জনাইছিল। কিন্তু এইখিনিতে গোপীসকলে এটি দোষ কৰিছিল। এমাহৰ মূৰত কাত্যায়নীব্ৰত ভঙ্গৰ বাবে তেওঁলোকে পূজাৰ সামগ্ৰী লৈ যমুনাৰ বালিত সেইবোৰ যথাস্থানত সজাই থৈ পুৰুষ মানুহ সততে নোযোৱা ঘাটলৈ গৈ বস্ত্ৰ পাৰত থৈ বিবস্ত্ৰ হৈ যমুনাৰ জলত নামি ডুব মাৰি পানীৰ তলতেই কৃষ্ণক পতিৰূপে পাবলৈ কামনা কৰিব ধৰিলে। অন্তৰ্যামী কৃষ্ণই সকলোবোৰ জানি গৰখীয়াসকলক লগত লৈ পূজাস্থানত উপস্থিত হৈ পূজাৰ কিছু বস্তু ভগাই খাই লগৰীয়া সকলক ঘূৰি যাবলৈ দি অকলে গোপীসকলে গা ধোৱা ঘাটলৈ গৈ তেওঁলোকে খুলি থৈ যোৱা বস্ত্ৰসমূহ বান্ধি লৈ কদম গছত উঠি বহি থাকিল। এয়াই বস্ত্ৰহৰণ লীলা। নিজে আহি বস্ত্ৰ নললে বস্ত্ৰ নিদিব বুলি কৃষ্ণই যি জেদ ধৰিছিল সেয়া আছিল গোপীসকলে তেওঁৰ ওচৰত সম্পূৰ্ণ সমৰ্পণ কৰিব পাৰে নে নাই তাৰ পৰীক্ষা। মূল লক্ষ্য যদিও এইটোৱেই আছিল তথাপি বিৱস্ত্ৰা হৈ জলত নামি জলৰূপী ভগবান (জলস্বৰূপ কেশৱ)ৰ দোষ লগোৱা বুলি অভিযোগ কৰি কৃষ্ণই সেই দোষৰ বাবে ভগবান নাৰায়ণক ক্ষমা খুজিবলৈ গোপীসকলক নিৰ্দেশ দিলে। 'দেৱী ভাগৱত'ৰ মতে ৰাধাৰ বাহিৰে অন্য গোপীসকলে লজ্জা ত্যাগ কৰি কৃষ্ণৰ পৰা নিজ নিজ বস্ত্ৰ গ্ৰহণ কৰিলে। কিন্তু ৰাধা পাৰলৈ নুথি পানীত থাকিয়েই স্তুতি কৰিবলৈ ধৰিলে তেওঁলোকৰ দোষ মৰিষণ কৰিবলৈ। ৰাধাৰ স্তুতিত সন্তুষ্ট হৈহে কৃষ্ণই মায়া ত্যাগ কৰি সেই ঠাইৰ পৰা অন্তৰ্দ্ধান হ'ল আৰু ৰাধাৰে সৈতে অন্য গোপীসকলে দেৱী কাত্যায়নীৰ পূজা সম্পূৰ্ণ কৰি তেওঁলোকৰ মনোবাঞ্চা পূৰণৰ বাবে আশীৰ্বাদ লাভ কৰিলে। দেৱীয়ে হেনো আশীৰ্বাদ দিছিল যে গোপীসকলে কৃষ্ণক যি ৰূপতেই পাবলৈ একান্তভাৱে ধ্যান কৰে সেইৰূপতেই পাব। এই প্ৰসঙ্গতে আমি শ্ৰীমদ্ভগৱদ্ গীতা'ৰ চতুৰ্থ অধ্যায়ৰ ১১নং শ্লোকটি উনুকিয়াব পাৰো। এই শ্লোকটিত ভগবান শ্ৰীকৃষ্ণই স্বমুখে ব্যক্ত কৰিছে—

"যে যথা মাং প্ৰপদ্যন্তে তাংস্তথৈৱ ভজাম্যহম্।"
মম বৰ্ত্মানুৱৰ্তন্তে মনুষ্যাঃ পাৰ্থ সৰ্ব্বশঃ।।১১।।

অৰ্থাৎ হে অৰ্জুন! যি ভক্তই যি ৰূপত মোৰ ভজনা কৰে মই সেই ৰূপতেই তেওঁক কৃপা কৰো; কাৰণ, সকলো মানুহে সকলো প্ৰকাৰে মোৰেই পথ অনুসৰণ কৰে। এই শ্লোকৰ আধাৰত ধৰি লব পাৰি যে ব্ৰজৰ গোপীসকলে মাধুৰ্য ভাৱেৰে তেওঁৰ সংগ লাভৰ প্ৰাৰ্থনা জনাইছিল বাবে স্বয়ং পূৰ্ণকাম হৈও ভগৱান কৃষ্ণই গোপীসকলৰ মনোবাঞ্চা পূৰণৰ বাবে শৰৎকালৰ ত্ৰয়োদশী তিথিৰ পৰা পূৰ্ণিমালৈ জ্যোৎস্নাবিধোত যমুনাৰ পাৰত ৰাসলীলা কৰি তেওঁলোকক অনিৰ্বচনীয় আনন্দ প্ৰদান কৰিছিল। যোগমায়াৰ আশ্ৰয় লৈ কৰি প্ৰতিগৰাকী

গোপীৰ লগতে প্ৰিয়তম ৰূপে নৃত্য কৰিছিল।

ৰাসলীলাক গভীৰ ভাবে উপলব্ধি কৰাবলৈ ইয়াৰ নৃত্যাংশত শৃঙ্গাৰ ৰসৰ প্ৰাধান্য দেখুৱা হয় বুলি ধৰি লব পাৰি। যদিও প্ৰকৃততে ই পৰমাত্মাৰ সৈতে আত্মাৰ লীলা তথাপি সেই লীলা বুজাটো সাধাৰণ মানুহৰ বাবে সম্ভৱ নহয় বাবেই শৃঙ্গাৰ ৰসৰ উদাহৰণৰ সহায় ল'বলগীয়া হৈছে। সৃষ্টিৰ মূলতেই হেনো আনন্দ আৰু সেই আনন্দকে বহুতে ব্ৰহ্ম বুলি অভিহিত কৰে। ষোড়শ ঐশ্বৰ্যেৰে সমৃদ্ধ ভগবান শ্ৰীকৃষ্ণ আছিল এই আনন্দৰ ঘনীভূত মূৰ্তি- সচ্চিদানন্দ বিগ্ৰহ আৰু গোপীসকলে তেওঁক আলিঙ্গন কৰিয়েই পৰম মুক্তিৰ কামনা কৰিছিল। সাধাৰণ দৃষ্টিত ব্যাভিচাৰিণী যেন লগা গোপীসকলৰ কৃষ্ণক পাবলৈ যি উৎকণ্ঠা দেখুওৱা হৈছে সেয়া ভগৱানক পাবলৈ ভক্তই দেখুওৱা উৎকণ্ঠাহে, যাৰ বাবে ভক্তই ভগৱানৰ সান্নিধ্য পায়। সেৱন কৰিবলৈ ভাল নোপোৱা ঔষধত যিদৰে মিঠা অনুপান মিহলি কৰি সোৱাদযুক্ত কৰা হয় তেনেদৰে আত্মা-পৰমাত্মাৰ সম্পৰ্কৰ গূঢ় তত্ত্ব বুজাবলৈহে ৰাসলীলাত আকৰ্ষণীয় শৃঙ্গাৰ ৰসৰ বাহ্যিক প্ৰলেপটো লগাই দিয়া হৈছে বুলি বেজবৰুৱাদেৱে তেখেতৰ "তত্বকথাত" উল্লেখ কৰিছে। ৰচয়িতা (বেদব্যাস), বক্তা (শুকদেৱ), শ্ৰোতা (পৰীক্ষিত)ৰ কথা ভাবিলেও ৰাসলীলাত যে কোনো অশ্লীলতা থাকিব নোবাৰে সেয়া আমাৰ বোধগম্য হয়। ভগৱানৰ এই লীলাত ইন্দ্ৰিয় তৃপ্তিৰ ইচ্ছা বা ইন্দ্ৰিয়ৰ সম্বন্ধ নাই বাবে ই অশ্লীল হ'বই নোৱাৰে। এই ৰাসলীলাৰ বিশেষত্ব হ'ল ইয়াত ক্ৰিয়া অবিহনেই ফল, কামনা অবিহনেই তৃপ্তি সম্ভোগ অবিহনে আনন্দ পোৱা যায়।

ৰাসলীলা যে প্ৰকৃত মানৱী লীলা নহয়, জীৱাত্মাৰ সৈতে পৰমাত্মা কৃষ্ণৰ হে লীলা সেইটো বুজা যায় আন কিছু ঘটনাৰ পৰা। বৃন্দাবনলৈ গোপীসকলৰ সূক্ষ্ম শৰীৰবোৰহে গৈছিল স্থুল শৰীৰ স্বামীসকলৰ কাষতে আছিল তন্দ্ৰাচ্ছন্ন হৈ। এইখিনি তলৰ বৰ্ণনাৰ পৰা বুজা যায়—

মোহিলা গোপক কৃষ্ণৰ মায়া
কাষতে আছে দেখে নিজ জায়া

থিক তেনেদৰে,

যশোদায়ো তৈত পুত্ৰৰ দেখন্ত
শয্যাত আছয় শুতি।- দশম

অৰ্থাৎ বৃন্দাবনত ৰাসলীলা মানৱী কৃষ্ণৰ ঐশীৰূপ আৰু গোপীসকলৰ সুক্ষ্মদেহৰ দ্বাৰাহে পৰিবেশিত হৈছিল বুলি ধাৰণা কৰিব পাৰি, থিক সপোনত আমি সুক্ষ্মদেহ ধাৰণ কৰি সংঘটিত কৰা, কাৰ্যবোৰৰ দৰে। সপোনত আমাৰ সুক্ষ্ম দেহৰ দ্বাৰা সংঘটিত কাৰ্যৰ কিছু প্ৰভাৱ আমাৰ স্থুল শৰীৰতো পৰে বুলি আমি সকলোৱে জানো। সপোনৰ এই কাৰ্যবোৰত আমি কিন্তু বাধ্য বাধকতা মানি নচলো। তিব্বতীয় লেখক লবচেং ৰাম্পা (Lobsang Rampa)ৰ দ্বাৰা ৰচিত "You Forever" নামৰ বিখ্যাত গ্ৰন্থখনত সূক্ষ্মদেহী জীৱাত্মাৰ বিচৰণক Astrel Travelling বুলি কোৱা হৈছে। এই সূক্ষ্মদেহ স্থুলদেহক আশ্ৰয় কৰি থাকে আৰু স্থুলদেহ নিদ্ৰামগ্ন হ'লে সূক্ষ্মদেহ শৰীৰৰ পৰা ওলাই নিজ ইচ্ছাৰে য'লৈ ত'লৈ গতি কৰি কিছু কাৰ্য কৰাৰ আভাস দিয়ে। সম্ভৱত এই গ্ৰন্থখন ভালদৰে হৃদয়ঙ্গম কৰা জনে ৰাসলীলা তত্ব সহজে বুজি পাব। ৰাস নৃত্যৰ সময়ত ধোঁৱাৰ আৱৰণ দি সপোন ৰাজ্যৰ পৰিবেশ সৃষ্টিৰ মূলতো বোধয় এই চকুৰে নেদেখা সূক্ষ্মদেহৰ সৈতে ঐশী শক্তিৰে মিলনৰ কথা নিহিত আছে।

ৰাসলীলাৰ তত্ব যিয়ে যিভাবেই ব্যাখ্যা নকৰক কিয় ই যে ভগৱানৰ মহিমা প্ৰকাশৰে এটি ব্যৱস্থা- যাৰ

দ্বাৰা মানুহক ঈশ্বৰমুখী কৰিব পাৰি, সেই কথা বুজিব পাৰি। ৰাসলীলা বৰ্তমান ভাৰতীয় সংস্কৃতিৰ এক মহৎ সাংস্কৃতিক উপাদান।

নৱ বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱ পৰা অসম, বঙ্গ, মণিপুৰ আদি ৰাজ্যৰ বিভিন্ন স্থানত প্ৰাচীনকালৰে পৰা ৰাসলীলা ৰাস উৎসৱ হিচাপে বছৰি অনুষ্ঠিত হৈ আহিছে। মণিপুৰী ৰাসনৃত্য জগত বিখ্যাত। অষ্টাদশ শতিকাৰ মণিপুৰৰ মেইতেইয়ী সম্ৰাট (Meitei Monark) নিংথৌ চিং-থাং খাম্বা (Ningthau Ching-Thang Khumba) বা ৰাজৰ্ষি ভাগ্যচন্দ্ৰৰ পৃষ্ঠপোষকতাত মণিপুৰী ৰাস নৃত্য বিকাশ আৰম্ভ হয়। বৰ্তমান মণিপুৰী ৰাসনৃত্য ভাৰতৰ এটি শাস্ত্ৰীয় নৃত্যৰূপে স্বীকৃত। অসমৰ সত্ৰনগৰী মাজুলীৰ ৰাসনৃত্য চাবলৈ দেশ-বিদেশৰ হেজাৰ হেজাৰ মানুহ বৰ্তমানো মাজুলীলৈ আহে। এই ৰাসনৃত্যত মাজুলী আৰু ওচৰ-পাজৰৰ চেমনীয়া আৰু ডেকা গাভৰু সকলে গভীৰ অনুৰাগেৰে ৰাসনৃত্যত ভাগ লয়।

অসমৰ অন্যান্য ঠাইৰ দৰে মা বাঘেশ্বৰীৰ কৃপাধন্য বঙাইগাঁও বাসী ৰাইজেও বহুবছৰ আগৰে পৰা ৰাস উৎসৱ পালন কৰি আহিছে আৰু এইবেলিও এই ৰাস উৎসৱৰ আয়োজন দ্ৰুত গতিত চলিছে। ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ যাতে এই উৎসৱভাগ নিৰ্বিঘ্নে সম্পন্ন হয় আৰু ৰাইজক বিমল আনন্দ উপভোগৰ এটি সুযোগ দিয়ে।

ওম্ শান্তি:

❐❐

# অসমীয়া জনমানসত লক্ষ্মী-অলক্ষ্মী

ড° উপেন ৰাভা হাকাচাম

হিন্দু ধৰ্মত লক্ষ্মী আৰু নাৰায়ণ অকল ইষ্ট দেৱ-দেৱীয়ে নহয় ই সুগৃহিণী (সুতিৰী) আৰু সুপুৰুষৰো আদৰ্শ প্ৰতীক (idol man/woman) স্বভাৱে-চৰিত্ৰই, বচনে-ভূষণে প্ৰত্যেক মাতৃ-পিতৃয়ে নিজৰ ছোৱালীজনী বা বোৱাৰীজনী এইগৰাকী লক্ষ্মী দেৱীৰ আশীষধন্যা হোৱাটো বা দেৱীগৰাকীৰ চাল-চলন বা পৰিমাৰ্জিত চৰিত্ৰ অনুকৰণ কৰাটো কামনা কৰে আৰু শৈশৱৰে পৰা তেনে স্বভাৱ-চৰিত্ৰৰে গঢ় ল'বলৈ নীতিশিক্ষাৰ দ্বাৰা (ইটো কৰিব পায়; সিটো কৰিব নাপায় এই ধৰণৰ হাক-বচন দিয়া বা সমাজে বিচৰা ধৰণে শিকাই-বুজাই লোৱা) ব্যতিব্যস্ত কৰি ৰাখে। মাক-বাপেকে শিকাই-বুজাই পঠাব নোৱাৰা গুৰু-গোসাঁই নমনা ডাংকাটী এজনীয়েও ভাল ঘৰত পৰিলে বা চোকা শাহুৰেকৰ হাতত পৰিলে ভিজা মেকুৰীৰ দৰে ঘৰ ধৰা বোৱাৰী একোজনী হৈ পৰে। কথাতে আছে—

"মাছে গৰকা পাচলি খাবা।
শাহুৰে গৰকা বোৱাৰী বাবা।।"

ইয়াতকৈ কিছু সুন্দৰ আৰু বাস্তৱ চিত্ৰ পোৱা যাব তলৰ বাংলা প্ৰবচনত—

"হলুদ জব্দ শিলে মাগ জব্দ কিলে
দাঁগ্যাল্যা মেয়্যা জব্দ হয় শ্বশুৰবাড়ি গেলে।"

অৰ্থাৎ টান হালধিকো পটাগুটিত পিহা যায় তিৰোতাক কিল সোধালে নিয়ন্ত্ৰনলৈ আহে, দন্দুৰী আৰু মুখচোকা ছোৱালী বিয়াৰ পিছত শান্ত-শিষ্ট হৈ পৰে শাহুৰেকৰ। শিকালেও শিক্ষা নোলোৱা অধচাৰিণী বা ব্যভিচাৰিণী নাৰীৰ পৰিণাম অতি শোকাবহ হয় বুলি সমাজে মানি আহিছে। তেওঁলোকৰ দুবেলা-দুমুঠি খাবলৈ ভাতৰ কাৰণেতো হাহাকাৰ হ'বই, তাতোকৈ ডাঙৰ কথা ডাঙৰৰ হাক-বচন নমনাৰ দোষত (শাও-শপনি খাই) তেওঁলোক আঠুকৰি (বাঁজী), অকাল বৈধব্য (মাহ-হালধিৰ গোন্ধ নাযাওঁকেই স্বামীহাৰা হোৱা আদি), গজমূৰী (স্বামী-পুত্ৰ বা পিতৃ-মাতৃৰ মৃত্যুৰ কাৰণ হোৱা), খাইমূৰী আদিৰে দৰে দুৰ্কপলীয়া হ'ব লাগিব নহ'লেবা বাৰেবনৰী (বাৰভাতাৰী), ঘৰভাঙতী, হস্তনী (হসডাকনী), লক্ষ্মীছাৰা (কুলক্ষণীয়া), অমঙ্গলীয়া, শাঁখিনী, হাবাতীয়া (ভাতৰ কঙাল), পোকালাগী (দুৰাৰোগ্য ৰোগত। আদিত বদনামেৰে লোকৰ ঘৰ ঘৰে কটনা কাটি, লেদেনা উকটি কালাতিপাত কৰিব লাগিব।

মুঠতে সংসাৰৰ সমস্ত বেয়া কাম, দুৰ্যোগ-দুৰ্গতি, অপঘাত-অশান্তিৰ কাৰক যেনিবা তাইৰ কৰ্মফলহে; শিশুকালত ঠিকমতে 'ভাল সংস্কাৰ' শিকাই-মেলি দিব নোৱৰাৰ বাবে কম-বেছি পৰিমানে মাককো জগৰীয়া কৰা হয় -- "মাক-বাপেকে এই সোপাহে শিকাই পঠিয়াইছিল নে?" এইবুলি। স্বামীগৃহত শাহু-ননন্দৰ পৰা তাই চিৰদিন পিতৃনিন্দা, মাতৃনিন্দা, বংশনিন্দাৰে তিৰস্কৃতা হৈ থাকিব লাগিব। মুখ খুলি একো এটা প্ৰতিবাদ কৰিব নোৱাৰিব। কথাই প্ৰতি কিল-ভুকু-চৰ আদি খাব লাগিব-

"কাক ক'ম কোনে পতিয়াব,
যিয়ে শুনে সিয়ে লঠিয়াব।"

এয়াই হ'ল লক্ষ্মীৰ কোপদৃষ্টিত পৰা নাৰী এগৰাকীৰ সীমাহীন দুৰ্গতিৰ কাহিনী (ভাগ্যলক্ষ্মীয়ে এৰা দিয়া আৰু শনিয়ে লম্ভা)। ইয়াৰ বিপৰীতে লক্ষ্মীৰ কৃপাদৃষ্টি পোৱা নাৰীৰ চাৰিওফালে জয়জয়-ময়ময় ধনে-ধানে, মানে-মৰ্যাদাই, লগুৱা-লিগিৰীৰে গিজগিজাই থকা এখন ভৰা সংসাৰ। মাক-দেউতাকৰ ঘৰতো তাই আছিল সাদৰৰ সাদৰী আৰু আজি স্বামীগৃহতো তায়েই চেনেহৰ পুতলী-

"মাটিত থ'লে পৰুৱাই খায়;
মূৰত থ'লে ওকনিয়ে খায়।"

সাধাৰণ জ্বৰ এটাত তাই কাহ বা হাচি এটা মাৰিলেই আটায়ে উবুৰি খাই পৰে— "বোৱাৰী ! তুমি ঠাণ্ডা পানী নাখাবা", "নবৌ! মই গা ধুবলৈ গৰম পানী কৰি দিওঁনে", "হেৰা! তুমি আজি বাবাহঁতক আনিব যাব নালাগে" ইত্যাদি ইত্যাদি। সেই মান্ধাতাযুগীয়া বাল্যবিবাহ বৰ্তমানে উঠি গৈছে, বিধবা-বিবাহৰ পুনৰ প্ৰচলন হৈছে, সন্তানহীনৰ বাবে পত্নীৰ গাত কোনো দোষ নাই বুলি বিজ্ঞানে আজি প্ৰমাণ কৰি দেখুৱাইছে, কোষ্ঠী বা যোটক চাই বিয়া কৰাৰ পৰিবৰ্তে ব্লাড গ্ৰুপ চাইহে বিয়া কৰাৰ নিয়ম সমাজত প্ৰৱৰ্তিত হ'ব ধৰিছে অথচ সৰ্বসাধাৰণ লোকৰ নিচিনাকৈ সৌভাগ্য-দুৰ্ভাগ্যৰ অন্যতম কাৰক যে লক্ষ্মীৰ কৃপাদৃষ্টি বা কোপদৃষ্টি সেই কথা এতিয়াও নমনাকৈ চলিবলৈ আমি সাহস গোটাব পৰা নাই।

লক্ষ্মীকেন্দ্ৰিক লোকবিশ্বাসৰ মাজত এফালে শাস্ত্ৰাচাৰ আৰু আনফালে লোকাচাৰ এই দুটাৰ সুন্দৰ সমাহাৰ ঘটা পৰিলক্ষিত হয়। বেদ, সংহিতা, পুৰাণ, উপ-পুৰাণৰ কাহিনী; অতীতৰ কৃষক সমাজৰ অভিজ্ঞতাপুষ্ট ধ্যান-ধাৰণাত সৃষ্টি হোৱা লক্ষ্মীদেৱী সংক্ৰান্তীয় বহুবিলাক লোকবিশ্বাসে অসমীয়া সমাজত আসন পাৰি বহি আছে বুলিলেও অত্যুক্তি কৰা নহ'ব। অৱশ্যে এনে সৰহভাগ লোকবিশ্বাসৰ মূলতে আছে বাঙালী সমাজত অতিশয় জনপ্ৰিয় কিন্তু অসমীয়া সমাজত ৰাম সৰস্বতীৰ ভণিতাযুক্ত সেই অখ্যাত কবিৰ বিখ্যাত ৰচনা "শ্ৰীশ্ৰী লক্ষ্মী চৰিত্ৰ'ৰ নীতি-নিৰ্দেশনাৱাজি।

(দ্ৰষ্টব্যঃ গ্ৰন্থখনত সন্নিবিষ্ট 'শ্ৰীশ্ৰী লক্ষ্মী চৰিত্ৰ' খণ্ড)

লক্ষ্মী চৰিত্ৰত জলধি-তনয়া নাৰায়ণীয়ে নাৰায়ণৰ আগত তাহানিতে বৰ্ণোৱা নৰ- নাৰীৰ ( গৃহস্থ- গৃহস্থনীৰ) প্ৰিয়-অপ্ৰিয় ( কৃত্যাকৃত্য) কাৰ্যৰ কিছু সংখ্যক নিসন্দেহে যুগসাপেক্ষ, কিন্তু তাৰ মাজতো স্থান- কাল- পাত্ৰভেদৰ ঊৰ্দ্ধত থকা কিছুমান শিষ্টাচাৰ এতিয়াও সবাৰে অনুকৰণীয় হৈয়েই আছে বুলিবই লাগিব।

অসমীয়া বৰ্ণ হিন্দু সমাজত আৰু পৰম্পৰাগত কৌলিক ধৰ্মমতে চলা জনজাতীয় সমাজত লক্ষ্মী-অলক্ষ্মীৰ ধ্যান-ধাৰণাই কিমানখিনি স্থান অধিকাৰ কৰি আছে তাক তলত চমুৱাই আলোচনা কৰা হ'ল।

**(ক) জন্মসূত্ৰে ঃ**

কিছুমান পুৰুষ বা নাৰীৰ জন্ম কুণ্ডলীতে দুৰ্ভাগ্য যোগ (ভাগ্যহীন/ভাগ্যহীনা/ দুৰ্ভগীয়া) থকাৰ দৰে

কিছুমানে অশুভ লক্ষণ লৈ জন্মগ্ৰহণ কৰে বাবে - তেওঁলোকৰ য'তে হাত দিয়ে তাতে বিফলতা, তাতে দুৰ্যোগ নামি আহে আৰু নানা লোকচানৰ সন্মুখীন হ'বলগীয়া হয়। জ্যোতিষ শাস্ত্ৰৰ সৈতে পৰিচিত নোহোৱা সাধাৰণ লোকেও জন্মৰ গতি-প্ৰকৃতি নিৰীক্ষণ কৰি বা জাতকৰ লক্ষণ চাই শুভাশুভ বিচাৰ কৰিব জানে। তেনে কিছুমান জাতকৰ লক্ষণ হ'ল—

মাকে সন্তান গৰ্ভত থাকোতে যদি হাতী, ক'লা গৰু; সাধু-সন্যাসী, দেৱ-দেৱী, মঠ-মন্দিৰ আদি সপোনত দেখে তেন্তে তেনে সন্তান (পুত্ৰ) সৌভাগ্যশালী হয়। ইয়াৰ বিপৰীতে ৰাক্ষস-ৰাক্ষসী, দৈত্য-দানৱ, কিম্ভূত কদাকাৰ আৰু ক'লা মানুহ বা কুকুৰ, সাপ, জোক, শিয়াল আদি সপোনত দেখাটো অমংগল আৰু দুৰ্ভাগ্যৰ কাৰক। জন্মৰ সময়ত প্ৰাকৃতিক দুৰ্যোগ (সূৰ্যগ্ৰহণ-চন্দ্ৰগ্ৰহণ, ধূমকেতু, ধূলিৰ ধুমুহা, কাউৰী-শগুণৰ কোৰ্হাল, শিয়াল-কুকুৰৰ আৰাৱ ইত্যাদি) হ'লে তেনে সন্তানে পৰিয়াল তথা সমাজৰ দুৰ্যোগ মাতি আনে।[১] সেইদৰে সন্তানৰ ভূমিস্থ হওঁতে অস্বাভাৱিকতাই দেখা দিলে (মাকৰ মৃত্যু হ'লে, ওভোটা জনম অৰ্থাৎ মূৰৰ পৰিৱৰ্তে ভৰি আগ কৰি জন্ম হ'লে, মগৰীয়া অৰ্থাৎ ৰজস্বলা নোহোৱা অৱস্থাতো সন্তান গৰ্ভধাৰণ কৰিলে) তেনে সন্তানে নিজৰ লগতে পৰিয়াললৈ বিপদ মাতি আনে বুলি সমাজৰ লোকে বিশ্বাস কৰি আহিছে। ইয়াৰ বিপৰীতে সন্তানে জন্মতে নাড়ী-ভুৰুৰে মেৰ খাই লগুণ ধাৱণ কৰাৰ দৰে জন্মিলে (বামুণীয়া) এনে সন্তান অতি ধাৰ্মিক বা সুপুৰুষ হয়।[২] সন্তানৰ হাতৰ ৰেখা, আঙুলিৰ টিপত থকা কুলা বা দোণৰ চিন, শৰীৰত থকা মাহ-তিলৰ দাগ, মূৰৰ চকৰ, হাতৰ আঙুলিৰ মাজত থকা ফাক, ভৰিৰ পতাৰ চাপ, দাঁত-ওঁঠৰ আকৃতি-প্ৰকৃতি, বুকু-নাভি-পেটৰ গঢ়-গঠন, চকুৰ বৰণ, শৰীৰত গজা নোম আৰু চুলিৰ চুটি-দীঘল-কুটকুৰা আদিৰ প্ৰতি লক্ষ্য কৰি ভৱিষ্যত গণনা কৰা হয়।[৩] সেইদৰে অন্নপ্ৰসন্নৰ সময়ত সন্তানৰ ভূত-ভৱিষ্যত চাবলৈ আগবঢ়োৱা ধান-কলম-পইচা-ফুল আদিৰ প্ৰতি থকা আকৰ্ষণ-বিকৰ্ষণ চাই যথাক্ৰমে কৃষি-অধ্যয়ন-বাণিজ্য-ধৰ্মৰ প্ৰতি মনোনিৱেশ-অমনোনিৱেশ নিৰীক্ষণ কৰা হয়। কোনো কোনো সমাজত সন্তানৰ প্ৰথমে ওপৰ পাৰিৰ দাঁত গজিলে (আগদান্তীয়া) সি বা তাই যি কয় সিয়ে ফলিয়ায় বুলিও বিশ্বাস কৰা হয়। অসমীয়া সমাজত, বিশেষকৈ নাৰীৰ লগত ভালেমান বিশ্বাস জড়িত আছে। উদাহৰণ—

**(ক) ডাকৰ বচনৰ পৰা—**

যাৰ পেট পিঠি উচলা দান্ত।  
তাইক দেখিলে লক্ষ্মীৰ অন্ত।।  
.....................................  
উচলা চাল দাঁতিনী তিৰী।  
সিটো গৃহস্তৰ নাহিকে চিৰি।।  
উঠঙ্গা ঘৰ বকতা স্ত্ৰী।  
গিৰিহঁতৰ হবয় শ্ৰী।।  
..........................................  
কুৰকুতা মুৰি হেঙ্গেৰা দাঁতী।  
পিঙ্গলা বৰ্ণ পাতল ওঠ।  
পন্থত চলন্তে ভৰি থুনুকা বাজে।  
....................................  
মূৰ পিঠি থেপেকা ভিসন।  
সিতো তিৰী বৰ কুলক্ষণ।।  
ভাঙ্গে বেৰা ধোহে চাল।  
ভাতে নাটে সৰ্বৃতি কাল।।[৪]

গোৱালপৰীয়া সমাজতো নাৰীৰ অনুৰূপ ছবি পোৱা

যায়। উদাহৰণ—

টেৰা চকু অশ্ব গতি
আড়াই দিনে মৰে পতি।।

..............................

চিৰল দাঁতী মটুক চুল
নিশ্চয় মজায় জাতি কুল।।

....................................

উপৰ দাঁতে কালা দাগ
জাত মজাইবে দেয় আভাস।।

....................................

মুক্তা দাঁতী দীঘল কেশী মুখখান হৈল পূর্ণ শশী।
হৰিণ চকু হংস গতি যুগে যুগে জীয়ে পতি।।[৫]

**(খ) স্ত্ৰীৰ সামুদ্রিক লক্ষণৰপৰা—**

যি নাৰীৰ বামে তিল থাকয়।
বহুত দাসীয়ে তাইক সেৱয়।।
ওষ্ঠে নাভি হাতে তিল থাকয়।
ধন ধান্য ভোগ সুখ ভুঞ্জয়।।

..............................

পদতলৈ তিল ৰেখা দেখব।
দোষী কন্যা ভলে তভো আনিব।।
কৰ পৃষ্ঠে আৰক্ত দেখি।
তাৰ মধ্যে একো ছিদ্ৰ লেখি।।
জন্মিবেক তাইৰ এক তনয়।
সিটো পুত্ৰ ৰাজা হইবে নিশ্চয়।।[৬]

পুৰুষৰ লগতো জন্মগত লক্ষণ অনুযায়ী নানাধৰণৰ বিশ্বাস জৰিত হৈ আছে। ডাকৰ বচনৰ পুৰুষৰ সামদ্রিক লক্ষণৰ পৰা আৰু অন্যান্য প্ৰবাদ-পটন্তৰৰ পৰা এইবোৰ জানিব পাৰি। যেনে—

*　　দশ আঙুলিৰ আগত দোণ।
তাহাৰ হোৱে অসংখ্য ধন।।

পাঠান্তৰ ঃ

এখন কুলা নটা দোণ।
তাৰ ঘৰত নবয় কোন।।[৭]
সৰ্বকোষ্ঠে আঙুলি দেখায় ৰেখা।
ৰাজ সিংহাসনে তাহাক দেখা।।
যদিবা নোহয় সিটো নৃপতি।
লক্ষ্মী হোৱে আহি তাহাতে স্থিতি।।

..............................

দীৰ্ঘ লিংগ হোৱে দৰিদ্ৰৰ চিন।
উচ্চ লিংগ পাৰে বহুত ধন।।[৮]

সেইদৰে—

চকু লাল হিয়া খাল।
সেই পুৰুষৰ লক্ষণ ভাল।

যি পুৰুষৰ ভ্ৰূযুগল লগ লগা (যোৰা ভ্ৰূ) তেওঁ অতি ভাগ্যৱান হয়।সেইদৰে যি পুৰুষৰ আগকপালত চুলি নাইকীয়া (আগ চাইন্দা) হয় তেওঁ অতি ভাগ্যৱান আৰু ধনৱান হয়।

সেইদৰে ছোৱালী এজনী পুষ্পিতা হওঁতে পৰা যোগ অনুযায়ী (পতিব্ৰতা, সুভগা, দুৰ্ভগা, সুশীলা, দুশীলা, কান্তা আদি) বা কোকশাস্ত্ৰৰ দ্বাৰা নিৰ্ধাৰিত চাৰি জাতিৰ নাৰী (পদ্মিনী, চিত্ৰিনী, হস্তিনী, শংখিনী) অনুযায়ী চিহ্নিত হৈ সেই অনুযায়ী স্বভাৱ-চৰিত্ৰ (সুগৃহিণী-অধচাৰিণী) হয় বুলি মানি অহা হয়।[৯] প্ৰাচীন কালত নাৰী এগৰাকী সতী নে অসতী (লক্ষ্মী-অলক্ষ্মী) তাক বিচাৰ কৰিবলৈ বহু পন্থা অৱলম্বন কৰাৰ বিষয়ে বেউলা চৰিত, সাবিত্ৰী-সত্যবান আদিৰ আখ্যানৰ পৰা গম পোৱা যায়। এইক্ষেত্ৰত গুৰু চৰিত বৰ্ণিত ৰাধিকা শান্তীৰ কথাও আমাৰ মনলৈ

আহে।[১০] অসমৰ ৰাভা, বড়ো আদি জনগোষ্ঠীৰ মাজত বিয়াৰ দিনা ৰাইজক দিবলগীয়া ভোজত কইনাই নিজ হাতে এহেতা (হাতা/হাথা) ভাত লৈ তাৰে পৰা প্ৰত্যেকৰে ভাতৰ পাতত অলপ অলপকৈ দিয়াৰ পিছত ৰাহি কৰিব পাৰিব লাগে। তেতিয়া লক্ষ্মী (সুগৃহিণী) ৰূপে বিবেচিত হয় আৰু ৰাহি কৰিব নোৱাৰিলে অলক্ষ্মী (লক্ষ্মীছাৰা) বুলি সমাজৰ আগত নিন্দিত হ'বলগীয়া হয়।[১১]

বংশগত বা জাতিগতভাৱেও পুৰুষ বা নাৰী এগৰাকী বিশেষ কিছুমান গুণ বা দোষৰ উত্তৰাধিকাৰী হোৱা বুলি বিবেচনা কৰা হয়। গালি-শপনিৰে এনে চৰিত্ৰ উদঙাই দিয়া হয়। অসমীয়া লোকজীৱনত প্ৰচলিত -- খাব নাপুৱাৰ জাত (এসাঁজ ভাতৰ বাবে হাহাকাৰ কৰিবলগা পৰিয়াল), ভিকহুৰ জাত, অষ্টম দৰিদ্ৰ, ডাল দৰিদ্ৰৰ বংশ, কাঠিৰ কুকুৰ, বাটৰ ভিকহু, দুখীয়া নিচলা, জনম দুখুনী, কাঠি চেলেকাৰ সঁচ/জাত, চুৰাপাত চেলেকা ইত্যাদি এনে ভাৱ প্ৰকাশক কেতবোৰ নাৰীৰ গালি-শপনি।

নাৰীৰ ক্ষেত্ৰত "মাক ভালেহে জীয়েক জাতি" তু. "মাটি গুণে ভেটি/মাও গুণে বেটী (গোৱালপৰীয়া প্ৰবচন) বুলি কইনাৰ মাকৰ লক্ষণ চাই যেনেদৰে বিয়া কৰাবলৈ কৈছে; তেনেদৰে "ঘনপোৱাতীৰ নহ'বা জোঁৱাই" বুলি ঘনপোৱাতীৰ বংশৰ পৰা কইনা আনিবলৈ মানাও কৰিছে।[১২]

**(আ) পৰিবেশসূত্ৰে (সৌভাগ্য/দুৰ্ভাগ্যক্ৰমে) ঃ**

"চৰণেহে জানে মৰণৰ ঠাই" বা "জন্ম-মৃত্যু-বিবাহত মানুহৰ হাত নাই" বোলাৰ দৰে এই সংসাৰত কেতিয়া কাৰ তালৈ সৌভাগ্য নতুবা দুৰ্ভাগ্য নামি আহে তাক কোনেও ক'ব নোৱাৰে। হিন্দুসকলৰ মাজত স্বপ্নফল বিচাৰ, যাত্ৰা প্ৰকৰণ বা কাক চৰিত্ৰ অনুযায়ী ইবিলাকৰ শুভাশুভ বিচাৰ কৰাৰ বিধান আছে। তাৰে কিছুমান হ'ল—

■ ঘৰৰ চৌহদত বা চোতালত শগুণে বটিয়ালে বা লাদিলে গৃহস্থৰ বাবে মঙ্গল।

■ বাৰীত শিয়ালে হোৱা দিলে গৃহস্থৰ মঙ্গল।

■ বাৰীত মৌ বাহ ল'লে গৃহস্থৰ বাবে মঙ্গল।

■ আনৰ ঘৰৰ পৰা আহি ৰাতি ঘৰ লোৱা বগা পাৰ গৃহস্থৰ সৌভাগ্যৰ কাৰক।

■ হাতৰ তলুৱা খজুৱালে বা মুখ মণ্ডলত বিশেষকৈ নাকত বিহ-ফোঁহোৰা উঠিলে ভুক্তভোগীজনৰ ধনপ্ৰাপ্তিৰ যোগ থকা সূচায়।

■ সৰ্পমণি (স্যমন্তক মণি) বা মাণিক (মুকুতা) হস্তগত হ'লে তেওঁৰ জয় জয়-ময় ময় অৱস্থা হয়।

■ যাত্ৰাকালত ভৰা কলহ, হাতী, দামুৰীৰ সৈতে গাই, ব্ৰাহ্মণ, ৰজা,বেশ্যা, পুত্ৰৱতী নাৰী, শৱযাত্ৰা বা মৃত-দেহ দেখিলে যাত্ৰা সিদ্ধি হয়। গাখীৰৰ ভাৰ দেখা মংগল।

■ যোৰ পাতি থকা অৱস্থাত শালিকা, সাপ দেখা আৰু গাত পখিলা পৰাটোও অবিবাহিত পুৰুষ-নাৰীৰ বাবে ভাল।

■ কইনা চাবলৈ যাওঁতে সদ্যস্নাতা অৱস্থাত কইনাক দেখা নতুবা কইনাই ভৰা কলহত পানী অনা বা ৰ'দত ধান মেলি থকা অৱস্থাত দেখাটো শুভ লক্ষণ।[১৩]

■আকৌ যাত্ৰাপথত যদি দা-কটাৰী, কুঠাৰ আদি লৈ কোনোবা সমুখত থিয় হয়হি বা কটা-চিঙা বা ৰক্তপাত দেখা পায়, তেনেহ'লে যাত্ৰানাস্তি হয়া বুলি বিশ্বাস আছে। এইক্ষেত্ৰত 'সতিনীৰ নাক কাটি যাত্ৰা ভঙ্গ কৰা' বুলি এফাকি ফঁকৰাও অসমীয়া মানুহৰ মুখে মুখে শুনা যায়। অৰ্থাৎ সতিনীয়ে নিজৰ নাক কাটি হ'লেও তেজ দেখুৱাই সতিনীৰ যাত্ৰা ভঙ্গ কৰিবলৈ যত্ন কৰে বুলি এটি বদনাম

আছে।[১৪]

সেইদৰে সপোনত হাতী, হাতীদাঁত, তিয়ঁহ আদি লাগনী গছ, কেচুৰা, সৎ লোক, খেতি পথাৰ, ধান-চাউল, কল-কপাহ, সোণ বা অলংকাৰ-পাতি, টকাৰ কলহ (মাটিৰ তলত পুতি থোৱা তাহানিৰ চিকাৰ্দপৰ পাত্ৰ), পকীঘৰ, মঠ-মন্দিৰ, দেৱ-দেৱী, বগা মাছ, মাছ মাৰিবলৈ পালে অথবা পকীঘৰ সজোৱা, তাঁত বোৱা, গছত বগোৱা দেখিলে, অচিৰেই বহু ধন হাতত পৰে বুলি বিশ্বাস কৰা হয়।

আকৌ সপোনত সাঁতুৰি নদী পাৰ হোৱা, নাদৰ পৰা পানী তুলি খোৱা, পদুমপাতত আহাৰ খোৱা, অজাতিৰ হাতে খোৱা, গুৰুক সেৱা কৰা, বৰযুণত অট্টালিকাত খপা আদি দেখাটো দেখোঁতাৰ বাবে মংগল, সৌভাগ্যৰ লক্ষণ। সপোনত ঘৰ সজা দেখিলে লাভ কিন্তু ঘৰ ভঙা দেখিলে লোকচান। জুইত ৰন্ধা দেখিলে অৰ্থলাভ অথচ জুইত কাপোৰ আদি পোৰা দেখিলে অৰ্থহানি হোৱাৰ সম্ভাৱনা।[১৫]

ইয়াৰ বিপৰীতে কিছুমান পৰিদৃশ্যমান ঘটনা বা হঠাতে সন্মুখীন হোৱা অৱস্থাৰ বাবেও কিছুমান কুফল ভোগা বা দুভাৰ্গ্যৰ যোগ থকা বুলি ভবা হয়। যেনে—

■ ঘৰত চালত বিশেষকৈ দুপৰীয়া শগুণ পৰিলে গৃহস্থৰ বাবে অমঙ্গল।

■ পোহনীয়া মৌ ঘৰ এৰি গুছি গ'লে গৃহস্থৰ বাবে অশুভকাৰক।

■ হঠাতে হু মাৰি পাৰ ঘৰ এৰি গুছি গলেও গৃহস্থৰ অমঙ্গল হয় বুলি বিশ্বাস কৰা হয়।

■ ঘৰত ফেঁচা সোমালেও গৃহস্থৰ বাবে হানিকাৰক।

■ ভাললৈ কাতিমাহত ক'লী গাই নজগে। জগালে দুৰ্যোগ হয়।

■ কাঁহী-বাটি পৰি বিশেষকৈ ৰাতি শব্দ হ'লে দুভাৰ্গ্যৰ আগজাননী।

■ বাঁহ গছ ফুলিলে, কলগছৰ পেটেদি কলডিল ওলালে (ঠোক পেলালে) গৃহস্থৰ লগতে দেশৰ বাবেও অমংগল।

■ মৰচৰাই/যমডাকিনী মাতিলে· দুৰ্ভিক্ষৰ যোগ।

■ তেল বেচিবলৈ অহা , তেলীক দেখা, খালী পাত্ৰ দেখা বেয়া, যাত্ৰানাস্তি।

■ পিছ ফালৰ পৰা যাত্ৰাকালত মাতিব নাপায়। কলৈ বুলি প্ৰশ্ন সুধিব নাপায়।

■ যাত্ৰাকালত খালী পাত্ৰ[১৬], গাইমুৰা পুৰুষ, নাপিত, বঁজা-বাঁজী, বিধবা নাৰী দেখিলে বা কল বা তামোলৰ ঠোক আপোনা-আপুনি সৰিলে সমুখেদি মেকুৰী দৌৰি পাৰ হৈ গলে অমঙ্গল।

■ কইনা চাবলৈ যাওঁতে যাত্ৰাকালত খৰিকটীয়া, কোৰ লৈ যোৱা খেতিয়ক, মাছলৈ যোৱা আদি দেখাটো অশুভ। কইনাই ৰ'দত চুলি মেলি থকা অৱস্থাত দেখাটোও আন এটা অমংগলীয়া ঘটনা।

■ সপোনত ক'লা মেকুৰী, কালনাগ, জুই কাপোৰ পোৰা, ভিখাৰীক চাউল দিয়া আদি দেখাটো বেয়া। বিশেষকৈ সপোনত ক'লা বাস্তৱত ডাঙৰ অসুখ বা নৰিয়াত পৰাৰ আগজাননী বুলি মানি আহিছে। সপোনত চাউল দিয়াটো আয়ুস ক্ষয়ৰ আগজাননী ইত্যাদি।[১৭]

ইয়াৰোপৰি কিছুমান কাৰ্য বা ঘটনাৰ (বাস্তৱত বা সপোনত দেখা) সামান্য ইফাল-সিফালে হ'লে শুভ বা অশুভৰ কাৰক বুলি ভৰা হয়। যেনে—

সোঁ চকু নাচিলে মঙ্গল কিন্তু বাঁও চকু নাচিলে অমঙ্গল। যাত্ৰাকালত ঘৈণীয়েকে বা অনুজসকলে পিছফালৰ পৰা মাত দিলে যাত্ৰা নাস্তি হয় বুলি বিশ্বাস আৰু ইয়াৰ বিপৰীতে পৰিয়ালৰ পিতা-মাতা বা তেনে

অগ্ৰজসকলে পিছফালৰ পৰা মাত দিলেও যাত্ৰা বেয়া নহয়. অৰ্থাৎ যাত্ৰা সিদ্ধি হয় বুলি অসমীয়া সমাজৰ বিশ্বাস। যাত্ৰাৰ আগমুহূৰ্তত পদূলিলৈ ওলায়ে পদূলিৰ ধূলিৰে কঁপালত ফোঁট ল'লে আৰু শিশুসকলক মজিয়া বা পদূলিৰ ধূলিত মাকে মুখৰ পিক্ অলপ পেলাই দি সেই পিক্ পৰা ভিজা ধূলিৰে শিশুৰ কঁপালত ফোঁট দিলে হেনো বিপদ-বিঘিনি নাশ হয়।

সেইদৰে বহু ক্ষেত্ৰতে দেখা যায় যে— পুৰুষৰ ক্ষেত্ৰত যিবোৰ লক্ষণ মঙ্গলদায়ক সেইবোৰ লক্ষণে নাৰীৰ ক্ষেত্ৰত অমঙ্গলদায়ক। এইবোৰ দিশ বিবেচনা কৰিয়ে হয়তো অসমীয়া মানুহে "আজি পুৱা কাৰ মুখ দেখিছিলোঁ" বুলি দিনটোৰ কামত সফলতা - বিফলতাৰ লেখ-জোখ লয়।

**(ই) আচৰণ-বিধি (লোকাচাৰ) অনুসাৰে ঃ**

ব্যক্তিবিশেষৰ স্বভাৱ-চৰিত্ৰ বা আচৰণ বিধি অনুসাৰে কিছুমান শুভ আৰু কিছুমান অশুভ জ্ঞান কৰা হয়। তদুপৰি বিহুৰে, সংক্ৰান্তিয়ে তিথিয়ে, পাৰ্বনে পালন কৰা কিছুমান লোকাচাৰ গৃহস্থৰ বাবে অমঙ্গল বিনাশক (যদিহে ঠিকমতে পালন কৰে; নহ'লে বিপৰীত ফল সূচায়)। গৃহিণীৰ বাবে ৰন্ধনশাল, ঢেঁকীশাল, ভঁৰাল ঘৰৰত মানিবলগা বিশেষ কিছুমান নিয়ম আছে। সেইদৰে প্ৰত্যেকৰ বাবেই বিশেষকৈ নাৰীসকলৰ বাবে দৈনন্দিন পালন কৰিব ল'গা কিছুমান বাধ্যবাধকতাত থাকে। সেইবোৰ মানি চলিব পাৰিলে গৃহস্থালিৰ বাবে মঙ্গল নহ'লে অমঙ্গল সূচায়। অমঙ্গলে গৃহস্থৰ প্ৰাণহানি বা ধনহানি সূচায়। তেনে কেতবোৰ আচৰণ বিধি আৰু লোকাচাৰৰ উল্লেখ কৰা হ'ল।[১৮]

**(ক) মঙ্গলদায়ক (শুভ ফলদায়ক) ঃ**

■ দুপৰীয়াৰ অতিথি সাক্ষাৎ দামোদৰ জ্ঞান কৰি গৃহস্থই তেনে অতিথিক ভুৰি ভোজন কৰি আপ্যায়ন কৰিব লাগে। ঘৰৰ আটায়েকে খুৱাই-বুৱাই যিখিনি ৰৈ যায় তাকে তৃপ্তিৰে খাব লাগে। এইখিনিতে হিন্দু নাৰীয়ে দুৰ্বাশাৰ অভিশাপ আৰু শ্ৰীকৃষ্ণৰ অৱশিষ্ট ভোজন সম্পৰ্কীয় পুৰাণ-মহাভাৰতৰ কথা অতি শ্ৰদ্ধাৰে স্মৰণ কৰে।[১৯]

■ সেইদৰে উপজি পুৱাতে বাহী ঘৰ-চোতাল সাৰি, ৰান্ধনীশালৰ মজিয়া লিপা-মোচা কৰি, মূৰ তিয়াই গা ধুই তিতা তিয়নিৰে আহি আগদিনাই পাগঘৰত পিন্ধিবলগীয়া কাপোৰ যথাস্থানত তিয়াই বুৱাই থোৱাখিনিকে পিন্ধি ঘৰৰ গৃহিণীয়ে অন্নপূৰ্ণা হৈ পাগঘৰত সোমাব লাগে। কিয়নো বাহী চোতালখন হেনো ঘৰৰ মতা মানুহে গচকিব নাপায়। সেইদৰে বাহীবন নকৰাকৈ বাহী পাকঘৰত ভাত ৰন্ধা, বাহী গায়ে পাকঘৰত সোমোৱা আৰু চাহ ভাত ৰন্ধা আদি স্বভাৱবোৰো লক্ষীচাৰা স্বভাৱ বুলি অতীতৰ পৰাই গণ্য কৰি আহিছে।

প্ৰবাদ আছে যে যিখন ঘৰত ৰাতি শোৱাৰ আগতে ঘৰ-দুৱাৰ, মজিয়া আদি মচি-সাৰি পানী ছটিয়াই থৈ গৃহস্থই ৰাতি শুই থাকে সেইখন ঘৰত হেনো ৰাতি লক্ষ্মী দেৱী আহে আৰু সেই লক্ষ্মী দেৱীৰ পদৰেণু প্ৰথমে হেনো ঘৰৰ গৃহিণীজনীয়ে শিৰত ল'লে সেই গৃহত স্বয়ং লক্ষ্মী দেৱীয়ে বাস কৰে। আকৌ যদি ইয়াৰ বিপৰীতে ঘৰৰ মতা মানুহে প্ৰথমে বাহীচোতাল গচকে তেতিয়া হ'লে হেনো সেই মতা মানুহৰ আয়ুস টুটে।........অসমীয়া মানুহে পুৱা আৰু গধূলি চোতাল-ঘৰ সাৰি-পুঁচি পানী আদি ছটিয়াই চাকি-বন্তি জ্বলোৱা নিয়ম পালন কৰি আহিছে। পুৱা আৰু গধুলি চোতাল-ঘৰ নাসাৰি, ভঁৰাল ঘৰ বা গোসাঁই থাপনাত চাকি-বন্তি নজ্বলালে সেইখন ঘৰ লক্ষ্মীচাৰা হয় বুলি গণ্য কৰে আৰু সেই ঘৰখন অভাৱ-অনাটনত পৰে বুলি বিশ্বাস কৰি আহিছে।[২০]

■ ৰাতিপুৱা চোতাল সাৰোঁতে ঘৰৰ ফালৰ পৰা বাটমুখীয়াকৈ আৰু আবেলি বাটৰ ফালৰ পৰা ঘৰমুখীয়াকৈ সাৰিব লাগে। কিয়নো তেওঁলোকে বিশ্বাস কৰে যে পুৱা লক্ষ্মী দেৱী ঘৰৰ পৰা ওলাই যায় আৰু সন্ধিয়া পুনৰ ঘৰলৈ উভতি আহে। সেয়েহে এনে কৰাৰ দ্বাৰা লখিমীক আদৰাৰ দৰে হয়।

■ ব'হাগ বিহুৰ দিনা বা লক্ষ্মী পূজাৰ দিনা ৰাতি গৃহস্থই কড়ি খেলিলে লক্ষ্মী ঘৰলৈ আহে বুলি বিশ্বাস কৰে। সেইদৰে কাতিবিহুত ধাননি পথাৰ, তুলসীতল, চোতাল আৰু গৃহস্থৰ সকলোবিলাক কোঠাত সন্ধিয়া চাকি জ্বলাই লখিমী আদৰা হয়।

■ বিহুৰে সংক্ৰান্তিয়ে, লক্ষ্মীপূজা-দীপান্বিতা আদিত ভঁৰালঘৰ মচি-কাচি চাকি-নৈবেদ্য আগবঢ়োৱা হয়। ভঁৰালঘৰত থকা সাপক ঘৰ দেউতি বা লক্ষ্মী বুলি মানি তেনে সাপক ভুলতেও মৰা নহয়।

■ বছৰৰ বিহুত হুচৰি গোৱা ৰাইজক (নামনি অসমত বাম্বোলপিটা, ভালুক নচুৱা বা মহোহৌ, হানাঘোঁৰা, বাঁহগোসাই আদি) তামোল-পাণ এযুৰিৰে হ'লেও মান ধৰি আশীৰ্বাদ ল'ব লাগে। তেতিয়া গৃহস্থৰ ধন-ধান, গো-গাই, পুত্ৰ-পৰিয়াল বছৰটিৰ বাবে মংগলে থাকে।

■ গৃহিণীয়ে ভিখাৰীক ভিক্ষা দিবলৈ অনা চাউল মুঠিৰ পৰা কিছু অংশ ৰাখিহে দিব লাগে। নহলে লক্ষ্মী গুছি যায় বুলি বিশ্বাস।

■ পূৰ্ণিমা, অমাৱশ্যা নতুবা একাদশী তিথিত বহুতে ব্ৰত ৰাখে বা নিৰামিষ খায়।সেইদৰে বৃহস্পতিবাৰে নতুবা সোমবাৰে বহুতে মুখত একো এটা নিদিয়ে। সিদিনা বহুতে ঘৰৰ চাউল, টকা-পইচা আদি কাকো নিদিয়ে। এনে কৰিলে গৃহস্থৰ ঘৰত লখিমী চাপে, অন্যথা লক্ষ্মীয়ে লগ এৰা দিয়ে বুলি বিশ্বাস।

■ ঘৰৰ ডাঙৰ ছোৱালী বা বিয়া দিয়া ছোৱালী অসন্তুষ্ট মনে গ'লে মাক-বাপেকৰ লক্ষ্মীও পিছে পিছে ওলাই যায় বুলি ভাবি দৰাঘৰলৈ যোৱাৰ মুহূৰ্তত পিছফালে উভতি চাই ধান-চাউল ছটিয়াই মাকৰ ঘৰত লখিমী থৈ যোৱা নিয়ম।[২১]

**যাত্ৰাৰ সময়ৰ লগত জড়িত লোকবিশ্বাস ঃ**

কোনোবা এঠাইলৈ যাত্ৰা কৰাৰ সময়ত শুভাশুভৰ লগতো লোকবিশ্বাস জড়িত হৈ আছে। ক'ৰবালৈ যাবলৈ ওলোৱাৰ আগতে, কোনো এটা নতুন কাম কৰিবলৈ ওলোৱাৰ আগতে দিন, বাৰ, মাহ, ক্ষণ, যোগিনী, নক্ষত্ৰ আদি ভালদৰে চাই-চিন্তি লৈহে যাত্ৰা আৰম্ভ কৰিব লাগে বুলি অসমীয়া মানুহৰ বিশ্বাস।

"সাধাৰণতে যাত্ৰাকালত মুক্তকেশ, নাককাটী, অমংগলীয়া নাৰীৰ অট্টাহাস্য, বাঁওহাতে সাপ আৰু সোঁহাতে শিয়াল আৰু মেকুৰী পাৰ হোৱা, তেলীক দেখা, বিকৃত যোগিনীয়ে থাল পাতি ভিক্ষা মাগিবলৈ অহা, অনাবাৰে গছ ভাঙি পৰা, আকাশত শগুণ জাকে জাকে উৰি ফুৰা, মুখলৈ চাই চাই ঢোৱা কাউৰীয়ে মতা, জেঠীয়ে টিক্‌টিকোৱা, বাওঁহাত নাচি উঠা আদি অমংগলৰ চিন স্বৰূপে সমাজত লোকবিশ্বাস বিদ্যমান।"[২২]

"যাত্ৰাৰ সময়ত যুৱীয়া শালিকা দেখিলে, হাতী দৰ্শন হ'লে, ভৰা জলপাত্ৰ দেখিলে আৰু কুকুৰ আগে আগে গ'লে সেই যাত্ৰাৰ ফল শুভ হয় বুলি লোকবিশ্বাস আছে। যাত্ৰাকালত পাচফালৰ পৰা মাত লগালে সেই যাত্ৰাৰ ফল অশুভ হয় বুলি লোকবিশ্বাস বিদ্যমান অৱশ্যে এই ক্ষেত্ৰত মাক ব্যতিক্ৰম।[২৩]

যদি কিবা কাৰণত দিন, বাৰ আদিত কোনো পধ্যেই যাত্ৰা মিলাব নোৱাৰে তেনেহ'লে "কিহৰ তিথি, কিহৰ বাৰ, জন্ম নক্ষত্ৰ কৰিবা সাৰ" বুলি অসমীয়া মানুহে মনত বল

বান্ধিও যাত্ৰা আৰম্ভ কৰে। আনহাতে "মঙ্গলে যাত্ৰা বুধে পাৰ, যাহা শুচি তাহা যাওঁ।" বুলি এইফাকি ফকৰা মানি চলি মঙ্গল বা বুধবাৰে যাত্ৰা আৰম্ভ কৰে। দাড়ি, চুলি, নখ কটাৰ ক্ষেত্ৰত খনাৰ বচনৰ মঙ্গল চাওঁতে "মঙ্গল আগে পাছে" বুলি কোৱা কথাষাৰ মনত পেলাই সেইমতে নখ, দাড়ি, চুলি কাটিছিল আৰু এতিয়াও এই বিশ্বাস বহুতেই মানি আহিছে।[২৪]

উৎসৱ-পাৰ্বণত পদুলিমুখত কলপুলি পুতি শুভযাত্ৰা কামনা কৰা, বিবাহ আদি উৎসৱত পদুলিমুখত কলপুলি পুতি বাটমালা দিয়া, দৰা-কইনাৰ গা ধোৱা ঠাইত কলপুলি পুতি কলগছৰ চাং পাতি বেই সজা ইত্যাদিৰে মংগলময় পৰিবেশ সৃষ্টি কৰা বৈদিক প্ৰথা অতীতৰ পৰাই অসমীয়া মানুহে পালন কৰি আহিছে।[২৫]

**(খ) অমঙ্গলদায়ক (অশুভ ফলদায়ক) ঃ**

■ ৰান্ধনী বা গৃহিণীয়ে ৰাতি ঘৰ সাৰি জাবৰ পেলালে, খিৰিকি সৰকাই আন কাৰোবাক বস্তু দিলে, ন-গছা দিয়া বা প্ৰথম কঠিয়া পৰা আদি পৰ্বৰ দিনাখন জুইকে ধৰি কিবা বস্তু আনক দিলে লখিমী গুছি যায় বুলি অসমৰ সৰ্বত্ৰতে মানি চলা দেখা যায়।

■ ব'হাগ বিহুৰ দিনা বা লক্ষ্মী পূজাৰ দিনা ৰাতি পইচা লৈ হেতালি খেলিলে লক্ষ্মী আঁতৰি যায় বুলি বিশ্বাস কৰা হয়।

■ আলহীক ভাত খুৱাই মুহুদি নকৰাকৈ পঠিয়ালে লখিমী যায়গৈ।

■ শনিবাৰে, বৃহস্পতিবাৰে নতুবা মঙ্গলবাৰে আৰু তিনিসন্ধিয়া বা ৰাতি বাঁহগছ কাটিব নাপায়। অন্যথা ঘৰলৈ অমঙ্গল মাতি অনা হয়।

■ ভৰ-দুপৰীয়া, কাল সন্ধিয়া ঢেঁকী দিয়া অমঙ্গলীয়া কাম। মঙ্গল বা শনিবাৰে বা বুধ, বৃহস্পতিবাৰে চিৰা-সান্দহ আখৈৰ খোলা বহুতে নাপাতে। পাতিলে গৃহস্থৰ অমঙ্গল হয় বুলি মানে।

■ ৰন্ধা-বঢ়া কৰা বা খোৱা পাত্ৰ ভগা-ছিগা হ'ব নাপায়। সেইদৰে ভগা পীৰাত বহিব নাপায়। ৰান্ধোতে-বাঢ়োঁতে কাঁহী-বাটি, চৰু-হেতা থেকেচ-নেকেচ হোৱা কুলক্ষণীয়াৰ চিন। চৰুত ভাত খোৱা (হাড়ীত খাঁইতী), মুখেৰে সাৰৌপ সাৰৌপ কৰি বা টকালি পাৰি খোৱা, থিয়ৈ থিয়ৈ খোৱা আদি অমংগলীয়া। ভাত খাওঁতে আমন-জিমনকৈ খোৱা বা অতি হুলস্থূল কৰি খোৱা দুয়োটাই বেয়া।

■ কাঁহীত ভাত খাওঁতে আঙুলি ঘঁহাই শব্দ উলিয়া বা ভাতৰ কাঁহীত হাতেৰে হেঁচা দি ভাত খোৱা দৰিদ্ৰতাৰ লক্ষণ। সেইদৰে কাঁহীৰ দাঁতিত কেঁচা নিমখ লৈ খোৱাও বেয়া লক্ষণ।

■ ঘৰৰ ভিতৰত সুহুৰি বজোৱা, দুৱাৰ-দলিত বহা বা ভৰি থোৱা, দুৱাৰমুখত আঁউজি থকা, উৱাল বা ঢেঁকীত বহা, চাউল থোৱা পাত্ৰ যেনে— মাটিৰ হাড়ী, ডলা-কুলা-চালনী, বাঢ়নী, ভাত ৰন্ধা জুহাল বা আখা, সাজি থোৱা ভাত আদি লঠিয়াই পোৱা বা লঠিয়া আদিও বিশেষকৈ জীয়ৰী-বোৱাৰীৰ বাবে বেয়া। এনে কৰিলে ঘৰৰ পৰা লখিমী গুচি যায় বুলি ভাৱে।

■ গা নোধোৱাকৈ পাগঘৰ, ভঁৰালঘৰ আৰু গোসাঁইঘৰত আন কোনেও সোমাব নোৱাৰে। বিধুতি অৱস্থাত তিৰোতাসকলে চাৰি-পাঁচ দিনলৈ এইবোৰৰ উপৰিও গোহালি ঘৰতো নোসোমায় আৰু তুলসী বা পাণ নিচিঙে। মান্যৰৰ লোকক চুৱা-গজা কৰাৰ পৰা বিৰত থাকে।[২৬]

■ বিধুতি অৱস্থাততো নাপায়েই এনেয়েও বৰজনাক শহুৰেক আদিৰ সৈতে আনদিনাখনো বোৱাৰীয়েকসকলে পোনপটীয়াকৈ কোনো বস্তু দিয়া-থোৱা নকৰে আৰু ওৰণি-বাৰণি নোলোৱাকৈ মাত-বোল

নকৰে। পূৰ্বতে গিৰিয়েক বা স্বামীগৃহৰ জ্যেষ্ঠজনৰ নাম ভুলতেও উচ্চাৰণ কৰা নহৈছিল।

এই সম্পৰ্কীয় বিধি-নিষেধ অসমীয়া সমাজত অতি পূৰ্বৰে পৰা প্ৰচলিত আছিল আৰু ডাক নামৰ জ্যোতিৰ্বিদে সেইবোৰ তেওঁৰ বচনত লিপিৰদ্ধ কৰি ৰাখিছিল। ডাকৰ বচনৰ অথ নীতি প্ৰকৰণ, অথ গৃহিণী লক্ষণ, কুপুৰুষ লক্ষণ, সুপুৰুষ লক্ষণ, নাৰী লক্ষণ আদি খণ্ডত লিপিৰদ্ধ লক্ষ্মী-অলক্ষ্মীৰ ধাৰণাকে বৰ্তমানেও অসমীয়া গৃহস্থই মানি চলা দেখা যায়।[২৭] তাৰ পৰা তেনে কিছুমান বিৱৰণ দাঙি ধৰা হ'ল--

**(ক) অথ গৃহিণী লক্ষণৰ পৰা ঃ**

গাইৰ বৰ্জিত ওলোৱা ৰাহি।
স্ত্ৰীৰ বৰ্জিত ঘনে তোলে হাঁহি।।
...............................
নষ্ট হল কৃষি মাকো হ'ল বাট।
নষ্ট হ'ল স্ত্ৰী নিতে বেহাই হাট।
...............................
শাক শুকেতি দিনত বাচে।
সেহিতো ঘৰত লক্ষ্মী আছে।।
যি ঘৰত অতিথি শুশ্ৰূষা নকৰে।
লক্ষ্মী নাথাকে তাহাৰ ঘৰে।।
............................
ৰন্ধন কৰে বচন মিষ্ট।
সেহি গৃহিণী বুলিবা ইষ্ট।।
শাসুৰিত পুচি কৰে আয় ব্যয়।
সি নাৰীক সদা লক্ষ্মী নাচাৰয়।।
.......................
স্বামী সেৱা গধূলি ৰাতি।
সেহিসে নাৰী লক্ষ্মী জাতি।।
কাখত কলচি জলক যায়।
তলমুৰ মুণ্ড কৰি কাকো নাচায়।।
যেই পথে যায় সেই পথে আসে।
ডাকে বোলে ভাল মনত ভাসে।।
.............................
যিয়ো প্ৰভাতে নিদ্ৰা যায়।
বাহী সজ্যাত শয্যাত সুৰ্য্যে পায়।।
উদয় কালত নিলিপে ঘৰ।
ডাকে বোলে তাইক *কৰ অন্তৰ/ছাৰিয়ো নৰ।।
...........................
ৰান্ধন শালে যি জনী যায়।
কৰে *চলফল /চটফট দন্দ সদায়।।
খঙ্গে বোলে *কটুৰ/কঠোৰ বাণী।
কান্দিয়া চক্ষুৰ মলচে পানী।।
থেকেচা মাৰে যি দ্ৰব্য পায়।
মুখ ওলোমায়া থাকে *চাই/সদায়।।
সেহি কুলক্ষণী মনে নুৰুচে।
তাইক দেখিলে লক্ষ্মী গুচে।।

**(খ) কুপুৰুষৰ লক্ষণৰ পৰা ঃ**

অল্প-আৰ্জন বিস্তৰ ভোজন।
সেই পুৰুষৰ দৰিদ্ৰ লক্ষণ।।
নিদ্ৰা কৰে সন্ধ্যা বেলা।
আপুন কাৰ্য্যক যি কৰে হেলা।।
..................................................
* জুই, যুৱতী, জুৱা খেলা।/দিনে যাই যুৱতীৰ শালা।
বৰশী বাৰে *তিনি সাঁজ/ দিপৰ বেলা।।
বাৰে *টোকৰী/তোকেৰি বাৰে তাল।
ভাতে নাটে সৰ্বতি কাল।।
পাৰে পাৰে ঘঁহি ভৰি ধোৱয়।
অকুমাৰী সঙ্গে ৰতি কৰয়।।

*সন্ধ্যাত বহি অশুচি দ্ৰব্যক চোৰে।/স্ত্ৰীক সঙ্গতে লৈয়া দিনতে শোৰে।।

ৰজস্বলা সমে শৃঙ্গাৰ কৰয়।
* দুখী/দুখীয়া হৈয়া সিটো নৰকে পৰয়।।
ইতো নিষেধক যিজনে কৰে।
লক্ষ্মী নাথাকয় তাহাৰ ঘৰে।।

**(গ) সুপুৰুষৰ লক্ষণৰ পৰা ঃ**

কপাল *ওখ/উঠা বুকু খাল।/চকু লাল হিয়া খাল।
সেই পুৰুষৰ লক্ষণ ভাল।।
*পানী পান্তাই ভক্ষণ/ শাকে শোকোতাই ভক্ষণ।
সেইহে পুৰুষৰ লক্ষণ।।
জঙ্গে খঙ্গে সদা হাসি নেৰয়।
তাৰ গৃহে লক্ষ্মী থাকয়।।
ক্ৰোধ ভেলৈ যি মাতো বাপা বুলি।
শত্ৰুকো যিজনে ধৰে আকোৱালি।।

..................................

অল্প আহাৰ যাৰ নিদ্ৰা খীণ।
সিতো পুৰুষৰ লক্ষণৰ চিন।।
বহি থাকাতে নানান মন।
সিতো পুৰুষৰ নেৰিবেক ধন।।
গজ কপাল চক্ষু ধেলা।
সুখে যাই তাৰ সৰ্ব্ব কালা।।
খখদখ নকৰে ভোজনৰ বেলা।
আপোনাৰ কাৰ্য্যত নকৰয় হেলা।।
হাত পায় পখালে চিকণ কৰি।
অচলা লক্ষ্মী থাকে আৱৰি।।
বোলন্ত ডাকে জানিবা ভাল।
সুখে তাৰ সৰ্ব্বকাল।।

**(ঘ) নাৰী-লক্ষণৰ পৰা ঃ**

স্বামীত ভকতি গম্ভীৰ নাসা।
বোলন্ত ডাকে লক্ষ্মীৰ বাসা।।
সমান গম্ভীৰ গতি মনে মাত।
ক্ষুধা বুজিয়া স্বামীক যোগাই ভাত।।
বামহাতে পৰসে লোণ।
লক্ষ্মী নাচাৰে ঘৰৰ কোন।।
যাকে তাকে কৰে পৰিহাস।
বোলন্ত ডাকে লক্ষ্মীৰ বাস।।
বস্ত্ৰ কেস পায় চিকন দেখি।
মাথাত ওৰনি লজ্জা অতি আখি।।
আপোনাৰ কথাক নকৰৈ পৰত।
ডাকে বোলে লক্ষ্মী থাকিবে ঘৰত।।

......................................

* খণ্ডা জিভা ডিম্ব গ্ৰাস। /ডিম্ব বান্ধি মাৰে ভাতৰ গ্ৰাস।
* তাইক দেখি লক্ষ্মীৰ ত্ৰাস।। /তাই দেখিলে লক্ষ্মীৰ ত্ৰাস।।

বোলন্ত ডাকে অতি দুষ্ট তিৰী।
সিতো গৃহস্থৰ নাহিকে চিৰি।।
কাখত কলচি কহন্ত কথা।
তাই পাইবে নাহিকে বেথা।।
পানীৰ ঘাটক একলে যায়।
চলে চণ্ডে পুৰুষৰ মুখ চাই।।

.............................................

স্বামী থাকন্তে তাই বোলন্ত তই।
লক্ষ্মী বোলে তাৰ ঘৰে নাথাকো মই।।
উচল চাল দাতিনি তিৰী।
সিটো গৃহস্থৰ নাহিকে চিৰি।।
দুষ্ট তিৰী দমৰাৰ হাল।

সিটো গৃহস্থৰ নাহিকে ভাল।।
কুৰ্‌কুতা মুৰি হেঙ্গেৰা দাঁতী।
যৈতে তৈতে ফুৰে মিছা মাতি।।
পিঙ্গলা বৰ্ন পাতল ওঠ।
কোনে সহিবো তাইৰ মাতৰ চোট।।
পন্থত চলন্তে ভৰি থুনুকা বাজে।
হাদিৰ মেলত তাই নামাতে লাজে।।
স্বামী মাতিলে তাইৰ পেটত খঙ্গ।
ডাকে বোলে তাই বড় কুলক্ষণ।।[২৮]

সেইদৰে মৰাণ সমাজত ৰান্ধনী হ'ল মূল গৃহিণী যি লক্ষ্মীস্বৰূপা। ৰান্ধনীৰ আচৰণ সম্পৰ্কে মৰাণসকলৰ 'লখিমী খেৰি'ত আছে এইদৰে—

আই মহামতী দেৱী পাৰ্বতী
আছিলা সংসাৰত পৰি,
বৰঘৰৰ ভিতৰ আছে ঐ দেওশাল
আছে দেৱ-দেৱতা বহি,
লাহেকৈ সোমোৱা লাহেকৈ ওলাবা
লাহেকৈ জপাবা দুৱাৰ,
সোণৰ অলংকাৰ ভালকৈ পিন্ধিবা
মূৰতো ওৰণি ল'বা,
ৰান্ধিবা বাঢ়িবা আচৰণ কৰিবা
হাত মেলি ঈশ্বৰক পাবা।[২৯]

**(ছ) ৰন্ধা- বঢ়া আৰু ৰান্ধনীৰ লগত জড়িত অন্যান্য লোকাচাৰ-লোকবিশ্বাস ঃ**

আগৰ দিনত গৃহিনী সকলে ৰন্ধা-বঢ়া কৰাৰ ক্ষেত্ৰত বহুতো নিয়ম-নীতি পালন কৰিব লাগিছিল।তাৰে কিছুমানৰ অঞ্চলগত আৰু সম্প্ৰদায়গত পাৰ্থক্য থকিলেও তলত উল্লেখ কৰা হ'ল।

"আনকি গা-পা ধুই ৰঙীন 'ৰান্ধনী কাপোৰ' সাজ পিন্ধিহে ৰান্ধনী ঘৰত প্ৰৱেশ কৰিছিল। সেই সময়ত পাদুকাৰে ৰান্ধনী ঘৰত প্ৰৱেশ নকৰিছিল। ৰান্ধনী ঘৰত ৰান্ধনীজনীৰ বাদে অইনৰ প্ৰৱেশ নিষেধ আছিল। কেৱল ঘৰৰ নাবালক-নাবালিকা সকলৰ ক্ষেত্ৰতহে উক্ত নিয়মটো প্ৰয়োগ হোৱা নাছিল। একে ধৰ্ম্মৰ মানুহৰ বাদে অইন ধৰ্ম্মৰ মানুহক ৰান্ধনী ঘৰত ভাত দিয়াতো নিষেধ আছিল। উচ্চ ধৰ্ম্মাৱলম্বী 'গোসাঁই' আহিলে অন্য ঘৰত বা চোতালত টৌখুটি মাৰি নিজে ৰন্ধা বঢ়া কৰি খাব দিছিল।"[৩০]

আগৰ দিনত ভাত ৰান্ধিবলৈ ৰান্ধনী ঘৰত সোমাই প্ৰথমে ভাতহে ৰন্ধাৰ নিয়ম আছিল। ধান-চাউলক যিহেতু লক্ষ্মী জ্ঞান কৰে সেয়েহে ভাত প্ৰথমে নাৰান্ধিলে লক্ষ্মীক অবমাননা কৰা হয় বুলি গণ্য কৰা হৈছিল আৰু আজিও বহুতেই এই বিশ্বাস মানি আহিছে।[৩১]

আকৌ ভাত চৰুত বহুৱাবৰ সময়ত প্ৰথমে জুইত তিনি চিকুট চাউল দি তাৰ পাছত বাওঁহাতেৰে তিনি চিকুট চাউল চৰুত বহুৱাৰ নিয়ম। চৰুত চাউল বহুৱাৰ পাছত যদি খৰাহি বা চাউল ধোৱা পাত্ৰটোত চাউল লাগি থাকে তেনেহ'লে এই কাৰ্য লক্ষ্মীচাৰা বুলি ভৱা হয়। চাউল বহুৱাওঁতে যদি চৰুৰ কানত চাউল বজি থাকে, মাটিত পৰে তেন্তে তেনে ৰান্ধনী লক্ষ্মীচাৰা বা অধাচাৰী বুলি জনমানসত চিহ্নিত হোৱা দেখা যায়।কাঁহীত ভাত বাঢ়োঁতে ভাতৰ চৰুটোৰ একাষৰ পৰা ওপৰৰ পৰা চৰুৰ তলিলৈ একাদিক্ৰমে ভাত বাঢ়িব লাগে। তাকে নকৰি চৰুৰ বুকুৰ পৰা ওপৰে ওপৰে ভাত বঢ়াতো লক্ষ্মীচাৰা স্বভাৱ বুলি অসমীয়া মানুহে গণ্য কৰে।[৩২]

ৰন্ধা-বঢ়া হোৱাৰ পিচতেই ৰান্ধনীয়ে জুই-চাই ভালদৰে সামৰি ৰান্ধনী ঘৰটো চাফ-চিকুণ কৰি থৈছিল আৰু পুৰুষ ব্যক্তি এজনক প্ৰথমতে ভাত নিদিয়াকৈ কোনো স্ত্ৰীকে ভাত নিদিছিল।

প্ৰতিবাৰ খোৱা-বোৱাৰ পিছতেই ৰান্ধনী ঘৰটো সাৰি লৈ বগা মাটিৰ দমৰ পৰা এখামোচ মাটি আনি ৰন্ধন শালাটো পৰিস্কাৰকৈ মচি থৈছিল। ৰাতি বিচনালৈ যোৱাৰ আগেয়ে ৰান্ধনীয়ে পাগঘৰৰ আৱশ্যকীয় সকলো কাম শেষ কৰি ৰান্ধনী সাজ সলাইছিল। কাৰণ বিচনাত উঠাৰ পিচত পাগঘৰত প্ৰৱেশ কৰা মানা আছিল।"[৩৩]

সেয়ে ডাকে শাহুৱতী ৰান্ধনীসকলৰ বিষয়ে কথা কোৱা আটায়ে আখৰে আখৰে পালন কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰে। ডাকৰ মতে—

"ৰন্ধন কৰে বচন মিষ্ট।
সেই গৃহিনী বুলিবা ইষ্ট।
সাসুৰিত পুচি কৰে আয় ব্যয়।
সি নাৰিক সদা লক্ষ্মী নাচাৰয়।।"[৩৪]

অসমীয়া সমাজত খোৱা-বোৱা আৰু আহাৰ খোৱাপাত্ৰৰ ক্ষেত্ৰতো লোকবিশ্বাস বিদ্যমান। খোৱা পাত্ৰ বা বহা আসন ভগা-চিগা হ'ব নাপায়। ৰাঙ্গোতে বা বাঢ়োতে কাঁহী-বাতি, চৰু-হেতাৰ থেকেচ- নেকেচ হোৱা, চৰু চাই চাই ভাত খোৱা, ভাত খাওঁতে আমন জিমনকৈ গালে মুখে হাত দি থকা, টকালি পাৰি বা মুখেৰে সাৰৌপ সাৰৌপকৈ শব্দ কৰি খোৱা, চিঞৰ-বাখৰ কৰি বা থিয়ৈ খোৱা, কাঁহীৰ দাঁতিত কেঁচা নিমখ লৈ খোৱা আদি স্বভাৱবোৰ কুলক্ষণীয়াৰ চিন আৰু তেনেকৈ খাওঁতাজনৰ দুৰ্কপাল ঘটে বুলি বিশ্বাস কৰা হয়।[৩৫]

আগৰ দিনত ভাত খোৱাৰ আগমুহূৰ্তত কাঁহীৰ আগত সামান্যভাৱে পানী ছটিয়াই তাতে অলপ ভাত দিহে প্ৰথম গৰাহ ভাত মুখত দিছিল। তাকে নকৰিলে হেনো খাওঁতাৰ ভৱিষ্যতে দুখত পৰি খাব নোপোৱা অৱস্থা হয়। আকৌ লগে- ভাগে ভাত খালে সকলোৱে ভাত খোৱা হ'লেহে ভাতৰ পাতৰ পৰা উঠিব পাৰিছিল। কোনোবা যদি কিবা কাৰণত আগতীয়াকৈ উঠিব খোজে তেনেহ'লে তেওঁ তেওঁৰ কাঁহী বা পাতৰ আগত মাটিত এটা আঁক দি ৰাইজৰ সন্মতিলৈহে উঠিব পাৰিছিল। এই নিয়ম অতীতৰ পৰা পুৰুষানুক্ৰমে চলি আহিছে। এই নিয়ম নমনাসকলক ব্যভিচাৰী আখ্যা দিয়া হয়।[৩৬]

**(জ) ঢেঁকী আৰু ঢেঁকীশালৰ লগত জড়িত লোকাচাৰ-লোকবিশ্বাস ঃ**

অসমীয়া সমাজত ঢেঁকী আৰু ঢেঁকীশালৰ সৈতেও নানা ধৰণৰ লোকবিশ্বাস আৰু আচাৰ-অনুষ্ঠান প্ৰচলিত আছে। অসমীয়া মানুহৰ মনত ঢেঁকীশালখন লক্ষ্মীশাল। "ভৰদুপৰীয়া, মুনিচুনি বেলিকা ঢেঁকী কোবোৱা কুলক্ষণীয়া কাম। কুলাৰ বুকুত চালনী, খুবলিৰ বুকুত থোৱা, ঢেঁকীৰ লগত বাঢ়নী মাৰি নথলে মাকৰ বুকুত সন্তান নাথাকে বুলি ধাৰণা প্ৰচলিত। সোমবাৰ, বৃহস্পতিবাৰ, শনিবাৰে সান্দহ আখৈৰ খোলা ঢেঁকীশালত পাতিব নাপায়। সেইদৰে বিহু সংক্ৰান্তিত, লক্ষ্মীপূজাত ঢেঁকীশাল মচা-কচা নিয়ম।"[৩৭]

ঢেঁকীশাল অসমীয়া জীয়াৰী-বোৱাৰীৰ বাবে অতি পবিত্ৰ। বিহুৰে-সংক্ৰান্তিয়ে, লক্ষ্মী পূজাত ঢেঁকীশাল মচা-কচা কৰিব লাগে। সোম-বুধবাৰে নতুবা শনি-বৃহস্পতিবাৰে বহুতে ঢেঁকীশালত চিৰা-সান্দহৰ খোলা নাপাতে। পুৰুষে ভাইবোৱাৰী জ্ঞান কৰি ঢেঁকীশালত প্ৰবেশ নকৰে বা ঢেঁকী নোচোৱে। অৱশ্যে অনাবৃষ্টি হ'লে ঢেঁকী চুৰ কৰি ৰাতি চোতালত পুৰুষে চোঁচৰায়। বিয়াৰ দিনা নাৰদৰ বাহন জ্ঞান কৰি খোবা-খুবীয়ে নাপাবলৈ ঢেঁকী বন্ধা প্ৰথা বহু সমাজতে প্ৰচলিত।

**(ঝ) কৃষিৰ লগত জড়িত অন্যান্য লোকাচাৰ-লোকবিশ্বাস ঃ**

সেইদৰে খেতিয়কৰ প্ৰাণস্বৰূপ খেতিপথাৰৰ লগত

বিশেষকৈ কৃষিৰ লগত জৰিত বিশ্বাস আৰু লোকাচাৰত গৃহস্থ-গৃহস্থনী আৰু পা-পৰিয়ালে মানি চলিব লগীয়া বহু দিশ মৌখিক ৰূপত হ'লেও পোৱা যায়।[৩৮] অৱশ্যে সম্প্ৰদায় আৰু অঞ্চল সাপেক্ষে ইবোৰৰ কিছু পাৰ্থক্য পোৱা যায়।

কৃষিজীৱি অসমীয়া আৰু অসমৰ সৰহসংখ্যক ভৈয়ামৰ জনগোষ্ঠীয় লোকসকলৰ বাবে কৃষিভূমি (পথাৰ), কৃষি-সঁজুলি আৰু সহায়ক জীৱ-জন্তু (নাঙল-কোৰ, গৰু-ম'হ), কৃষিৰ শস্য-ভৰাৰ (ভঁৰাল), ৰন্ধন শাল-ঢেকীশাল আদিক অতি পবিত্ৰ আৰু লক্ষ্মীৰ নিবাস বুলি ভাৱে। গৃহস্থ-গৃহিণীয়ে ৰাইজৰ লগত একেলগে বা গাই-গুটীয়াভাৱে কৃষিৰ উৰ্বৰা বৃদ্ধিৰ বাবে বছৰেকত এটিবাৰলৈ হ'লেও লখিমী দেৱীক পোনপটীয়াকৈ পূজা কৰাৰ উপৰিও বিহুৱে-সংক্ৰান্তিয়ে সকামে-নিকাম (মাঘ বিহু, কাতি বিহু আদিত) আৰু ঘৰুৱা অনুষ্ঠানত (ন খোৱা, লখিমীৰ আগ অনা, ন গছা লোৱা) ধান-চাউলকে লক্ষ্মীৰ প্ৰতীক হিচাপে লৈ শ্ৰদ্ধা ভক্তি প্ৰদৰ্শন কৰে। [৩৯]

অসমীয়া জনজীৱনত ধাননি পথাৰ আৰু ভঁৰাল ঘৰক লৈ নানা বিশ্বাস জড়িত হৈ আছে। পথাৰ বা ভঁৰাল ঘৰত বাস লোৱা সাপক ঘৰ-জেউতি বুলি মনা হয় আৰু তাক কেতিয়াও মৰা নহয়।[৪০]

ৰজস্বলা অৱস্থাত নতুবা অশৌচ খটা অৱস্থাত জীয়ৰী-বোৱাৰীক ভঁৰাল ঘৰৰ ছাটোকো চুবলৈ দিয়া নহয়। এনে অৱস্থাত পথাৰলৈও যাব দিয়া নহয়। এনে অৱস্থাত ধাননি পথাৰলৈ গ'লে ধান ক'লা পৰি নষ্ট হৈ যায় বুলি বিশ্বাস কৰা হয়।[৪১] এনেয়েও শইচ বাঢ়ি অহা সময়ত বহু অঞ্চলত তিৰোতাসকলক খেতিপথাৰ দৰ্শন কৰাৰ পৰা বিৰত ৰখা হয়; নহ'লে অজানিতভাৱে হোৱা তিৰোতাৰ ঈৰ্ষাত খেতি নষ্ট হয়।[৪২] কিন্তু তিৰা গৃহিণীসকলে কাতিবিহুত ন-শস্য চাবলৈ যাব পাৰে; যাওঁতে পথাৰৰ ৰবাব টেঙা লৈ যায়। পথাৰতে ৰবাব টেঙা কাটি খায় যাতে ৰবাব টেঙাৰ কোঁহৰ দৰে ধানৰ শীহ হয়। সেইদৰে পোক-পৰুৱা ধ্বংস হওক বুলি খোৱা বাকলিবোৰ খেতি পথাৰলৈ চৌপাশে ছটিয়াই থৈ আহে।[৪৩] উজনি অসমৰ মটক সম্প্ৰদায়ৰ জীয়ৰী-বোৱাৰীয়েও কাতিবিহুৰ দিনা পথাৰলৈ সমূহীয়া দৰ্শন দিবলৈ আমন্ত্ৰিত হৈ যায়। তেওঁলোকৰ ভৰিৰ পৰশ পৰিলে পথাৰৰ ধানে লহ্পহ্কৈ বাঢ়ে বুলি লোকবিশ্বাস আছে।[৪৪]

পথাৰৰ আৰু ভঁৰাল ঘৰৰ ধানক লক্ষ্মী বুলি বিবেচনা কৰাৰ দৰে গৃহস্থই ঘৰৰ ধান বা চাউলকো লক্ষ্মী জ্ঞান কৰে। সেয়েহে এইবিলাক দিয়া-থোৱাৰো অতবোৰ নিয়ম-নীতি গৃহস্থ ভেদে, অঞ্চল ভেদে কিছু বেলেগ বেলেগ ৰূপত গঢ়ি উঠিছে। বাৰ-তিথি-মাহ চাই, ৰাতি বিয়লি সময় চাই গৃহস্থই ধান আদি ভঁৰালৰ পৰা উলিয়ায়, থোৱা-মেলা (লাৰা-চাৰা) কৰে আৰু প্ৰয়োজনবোধে অইন কাৰোবাক দিয়ে। সেয়েহে বহুতে মগনীয়াক ধান দিওঁতে কেইটামান ধান পাচি-খৰাহিত লখিমী ৰাখিহে দিয়ে। বহুতে একেজন মানুহক একে সময়তে ধানৰ সৈতে পাণ বা খেৰ নিদিয়ে। ধান খেৰৰ লগত কিছুমানে মাহো নিদিয়ে। কেতিয়াবা এইবিলাক গৃহস্থৰ ঘৰৰ পৰা নিব লগা হ'লে আগতীয়াকৈ পদূলিৰ আগত থৈহে বাকী বস্তুটো নিবলৈ দিয়া হয়।[৪৫]

আহোমসকলে লখিমীৰ লগত দিয়া দুণৰিৰ ধান ঘৰে ঘৰে এমুঠি বিলাই দি ভঁৰালত সিঁচি দিয়ে। এই মুঠি ধান লখিমী বুলি গণ্য কৰে। কোনো কোনো ঠাইত এই ধান এটা চুঙাত ভৰাই ভঁৰালৰ দুৱাৰমুখত আঁৰি থোৱাৰ নিয়ম।[৪৬]

টাই আহোমসকলৰ লখিমী বাৰ হ'ল সোমবাৰ আৰু এই লখিমী বাৰত তেওঁলোকে দান-দক্ষিণা নিদিয়ে।[৪৭] তেওঁলোকৰ বিশ্বাস এনে কৰিলে লক্ষীছাড়া হয়। সেয়ে তেওঁলোকে জেঠ-আহৰ মাহৰ শুক্ল পক্ষৰ কোনোবা সোমবাৰ এটাত নামঘৰত লখিমী সবাহৰ আয়োজন কৰে। টাই আহোমসকলে লখিমী তুলিবলৈ ঘাটলৈ যাওঁতে যদি জাকৈৰ প্ৰথম চাবতে মাছ আহে তেতিয়া লখিমী তুষ্ট বুলি ভাবে লগতে সেই বছৰ কৃষি সুগম হ'ব বুলি বিশ্বাস কৰে। সেইদৰে পানী তুলিবলৈ যাত্ৰা কৰাৰ আগত যদি বাটত পী থকা দামুৰি, গাই দলটিয়ে দেখে তেন্তে কৃষিকাৰ্যৰ বাবে মংগল বুলি ভাবে।[৪৮]

এনেধৰণৰ বিভিন্ন বিশ্বাস দেউৰীসকলৰ মাজতো দেখা যায়। "দেউৰীসকলৰ শুভবাৰ হ'ল বুধবাৰ, সামুহিক পূজাৰ কাৰণে বুধবাৰটো দেউৰীসকলৰ শুভদিন।[৪৯]অৱশ্যে বিশেষ অসুবিধা হ'লে দেওবাৰেও পূজা দিব পাৰে। দেউৰীসকলৰ বাবে পুহ আৰু চ'ত এই মাহ দুটা অমংগলীয়া। কোনো শুভকাম এই দুটা মাহত নকৰে।

উধানৰ পৰা ভাতৰ চৰু বাগৰি পৰাটো দেউৰী সমাজৰ বাবে কুমংগলৰ চিন। ইয়াৰ বাবে তেওঁলোকে লখিমী সবাহ পাতে। একেদৰে ধান পুৰিলে বা ধানৰ ভঁৰালত জুই লাগিলে বা কিবা অনিষ্ট হ'লে তাৰবাবেও লখিমী আই বিতুষ্ট হৈছে বুলি ভাবি লখিমী আইক পূজা দিয়ে। একেলেথাৰিয়ে কেইবাছৰলৈও ভালদৰে খেতি-বাতি নহ'লে লখিমী হেৰাইছে বুলি ভাবে আৰু লখিমী সবাহ পাতে।"[৫০]

মৰাণসকলৰ মাজতো লক্ষ্মী-অলক্ষ্মী ধাৰণাৰ বিশেষ পোষকতা আছে। সেয়েহে নানা ধৰণৰ ৰীতি-নীতি, বিশ্বাস- অবিশ্বাসৰ মাজেদি মৰাণ মহিলাসকলে গৃহস্থী এখন চলায়। লখিমীকেন্দ্ৰিক বিভিন্ন ধাৰণাৰ বশৱৰ্তী হৈ শুচি-অশুচিৰ বিষয়ত বিশেষ সজাগতা অৱলম্বন কৰে। ভঁৰাল আৰু ৰান্ধনিঘৰত প্ৰবেশ কৰোঁতে সদায় শুচি বস্ত্ৰ পৰিধান কৰিহে প্ৰৱেশ কৰে। নতুন বোৱাৰীয়ে ধানৰ ভঁৰালত প্ৰথমবাৰ উঠিবৰ বাবে শহুৰেক-শাহুৰেকক তামোল-পাণ দি সেৱা কৰি তেওঁলোকৰ অনুমতি লোৱাৰ নিয়ম।[৫১] মৰাণসকলে বছৰটোৰ বাবে পৰিয়ালৰ ৰাশি চোৱায়। যিজন জেষ্ঠৰ বছৰটো বাবে ৰাশি ভাল তেওঁৰ হতুৱাই প্ৰথম গোছ লোৱায়।[৫২] লখিমী সবাহ নকৰাকৈ শস্যৰ পথাৰত দৰব-জাতি ছটিয়ালে লখিমীয়ে দুখ পাই বুলি তেওঁলোকে বিশ্বাস কৰে।[৫৩]

মিছিংসকলে লখিমী আইক স্মৰণ কৰি 'লৃগগদ' অনুষ্ঠান পাতে। ই প্ৰত্যক্ষভাৱে লখিমী সবাহ নহ'লেও লখিমীৰ ধাৰণা সোমাই আছে। তেওঁলোকে বিশ্বাস কৰে যে লৃগগদ কাৰ্যৰ পৰা পাঁচ দিন পৰ্যন্ত মাছ-মাংস, পথাৰত জুই জ্বলোৱা, গছ কটা, মাছ মৰা আদি কাম কৰিব নাপায়। তেনে কৰিলে শস্য নগজে।[৫৪]উল্লেখনীয় যে মাছ-মাংসক মিছিংসকলে লখিমীৰ প্ৰতীক বুলি গণ্য কৰে। সেয়ে তেওঁলোকৰ কৃষিকেন্দ্ৰিক আচাৰ-অনুষ্ঠানত মাছ-মাংসৰ প্ৰাচৰ্য দেখা যায়। মিছিংসকলে দবুৰ পূজা পাতে। দবুৰ পূজাৰ সময়ত গাঁৱলৈ অতিথি আহিলে তেওঁলোকক ঘূৰি যাবলৈ তেওঁলোকে নিদিয়ে। তেনে কৰিলে গাঁৱৰ লখিমী অতিথিৰ লগত গুচি যায় বুলি বিশ্বাস কৰে।[৫৫]

**(ঞ) কৃষিৰ লগত জড়িত বিভিন্ন যাদুধৰ্মীয় লোকবিশ্বাস ঃ**

ধানখেতিৰ লগত বহুতো যাদুধৰ্মীয় বিশ্বাস জড়িত হৈ আছে। জন্মগতভাৱে কিছুমান মানুহ ভাগ্যৱান বা ভাগ্যৱতী (লক্ষ্মী) আৰু কিছুমান ভাগ্যহীন বা ভাগ্যহীনা (লক্ষ্মীছাৰা)।[৫৬] বিভিন্ন লক্ষণৰ পৰা এইবোৰ চিনাক্ত

কৰিব পৰা যায় বুলি হিন্দুৰ কাকচৰিত্ৰ কিম্বা জ্যোতিষ শাস্ত্ৰৰ ভিত্তিত নানা লোক-পটন্তৰ লোকবিশ্বাসে গঢ় হৈছে।[৫৭] সেইদৰে নিজৰ কৰ্মদোষ বা আচৰণৰ দ্বাৰাই লক্ষ্মীছাৰা হয় বা লক্ষ্মীৰ বৰপুত্ৰ হ'ব পাৰি বুলি বিশ্বাস কৰা হয়।[৫৮] ঘৰৰ মূল গৃহস্থৰ পৰলোকগামী হ'লে আৰু বিয়াৰ দিনা উলিয়াই দিয়া ঘৰৰ জীয়ৰী ৰুষ্ট হ'লে ঘৰৰ শ্ৰীবৃদ্ধি নাশ হয় বুলি এটা বিশ্বাস প্ৰায়বোৰ সমাজতে প্ৰচলিত আছে।[৫৯] পূজা-বিধি, তিথি-পৰ্বত ৰাইজৰ পদধূলি লৈ ধনে-ধানে ধন্য হোৱা যায় বুলিও বিশ্বাস একোটা গঢ়ি উঠিছে।[৬০] তলত ধানৰ লগত জড়িত বিশ্বাস কিছুমানৰ উল্লেখ কৰা হ'ল।

(অ) ধানে গেঁৰ মেলিবৰ সময়ত শোকোতা আৰু চাউলৰ গুড়িৰ আঞ্জা খাই ধাননিলৈ যোৱা নিষেধ; তেনে কৰিলে ধানে পতান হয়।

(আ) ঢেঁকী বা উৰালত বহিব নাপায়, বহিলে হেনো এন্দুৰে পথাৰৰ ধান খায়।

(ই) ভাত খাই উঠিয়েই বিচনাত বাগৰি পৰিব নাপায়, তেনে কৰিলে পথাৰৰ শস্য বাগৰি পৰে ইত্যাদি

সেইদৰে ঘৰৰ ভিতৰত বা ধাননি পথাৰত বা ৰাতি-বিয়লিত ব্যক্তিগত চৰিত্ৰ-দোষ থকা যেনে— সুহুৰি মৰা, যেতিয়াই-তেতিয়াই টকালি পৰা, চেলেকি চেলেকি বা চুহি চুহি ভাত-আঞ্জা খোৱা, আঞ্জা ৰান্ধোতে জিভাৰে চাকি সোৱাদ লোৱা, মানুহৰ সন্মুখত পাদ মৰা স্বভাৱৰ লোকক লক্ষ্মীয়ে এৰা দিয়ে বুলি লোকবিশ্বাস আছে।[৬১] কোনো কোনো সমাজত কৃত্যাকৃত্য বা উচিত-অনুচিত কাৰ্যবিধিতো কৃষিয়ে মুখ্য স্থান অধিকাৰ কৰি আছে।[৬২]

সেইদৰে গোধন কেন্দ্ৰিকগোহালি ঘৰ, গোবৰ আদিক লৈও নানাধৰণৰ বিশ্বাস, শ্ৰদ্ধা-ভক্তি (পূজা) জৰিত হৈ আছে। তলত তাৰে কিছুমানৰ উদাহৰণ দাঙি ধৰা হ'ল—

অসমীয়া হিন্দু সমাজত গোহালিক লক্ষ্মীৰ নিবাস জ্ঞান কৰে আৰু গো মাতা সাক্ষাৎ দেৱতা (ব্ৰাহ্মণে গৰু জন্ম লোৱা বাবেই গৰুবিহুৰ দিনাখন লগুণৰ প্ৰতীক হিচাপে তৰ গেছৰ পঘা-বটা গৰুক পিন্ধায়)। সেই বাবেই ন খোৱাৰ দিনাখন আৰু ব'হাগৰ গৰু বিহুত (নামনি অসমত মাঘৰ দোমাহীতো) গৰুক গা ধুৱাই, তেল-সেন্দুৰৰ ফোট পিন্ধাই পিঠা-পনা খুৱাই পূজা কৰে। নতুন গৰু আনিলে প্ৰথমে গৰুৰ ভৰি ধুওৱা প্ৰথাটোও মন কৰিবলগীয়া। বাহী আৰু অশুচি গাৰে তিৰোতাসকলে গোহালিত প্ৰবেশ নকৰে।

অসমীয়া মানুহে গৰুৰ গোবৰ বৰ পবিত্ৰ বস্তু বুলি মানি আহিছে। কোনো পূজা-পাতল নতুবা মাংগলিক অনুষ্ঠান পাতিলে পূজা পতা ঠাইখন শুচি কৰি ল'বলৈ আৰম্ভনিতে গোবৰ মাটিৰে মচি লোৱা হয়। সেইদৰে এনেকুৱা পবিত্ৰ দিনত গৃহস্থয়েও ৰাতিপুৱাতেই ঘৰৰ মজিয়া,চোতাল আদি গোবৰ মাটিৰে মচি শুচি কৰি লয়। সেইদৰে ভাত খোৱা ঠাইখন, মজিয়াখন গোবৰ মাটিৰে মচিলেহে শুচি হয় বুলি মানে। একাদশী , পুৰ্ণিমা, মৰ-আঁউসী ( মৰাআহু) আদি তিথিবোৰতো অসমীয়া মানুহে চোতাল-ঘৰ সকলো গোবৰ মাটিৰে মুচি লৈহে মনত সান্ত্বনা লভে। পিতৃ-মাতৃ কিম্বা উপৰি পুৰুষৰ শ্ৰাদ্ধ, বিবাহ আদিতো গোবৰ এবিধ অপৰিহাৰ্য দ্ৰব্য হিচাপে ব্যৱহাৰ হৈ আহিছে।[৬৩]

"সাধাৰণতে অসমীয়া মানুহে গৰুৰে মৰণা মাৰে। মৰণা মৰা হ'লে ধান খেৰেৰে গৰুৰ পিঠি মোহাৰি দিব লাগে। অন্যথা গুটি ধান গৰুৱে লৈ যায় বুলি আৰু গৰুৰ মূৰ ঘূৰণি হয় বুলি সমাজত বিশ্বাস প্ৰচলিত হৈ আহিছে।"[৬৪]

## পাদটীকা আৰু প্ৰসঙ্গসূচী

১। বিভিন্ন পুৰাণ, মহাপুৰাণ, উপাখ্যান আৰু মালিতাসমূহত বিভিন্ন পৌৰাণিক চৰিত্ৰসমূহৰ জন্ম খণ্ডত এনে বিৰৰণ পোৱা যায়। 'যাৱৎ কঠীয়া তাৱৎ চন্দ্ৰাৱলী' শীৰ্ষক আখ্যানত ৰাজকন্যা চন্দ্ৰাৱলীৰ সাধাৰণ গৰখীয়া ল'ৰা কঠীয়াৰ লগত হোৱা বিবাহৰ ঘটনা অসমীয়া সমাজত অতি শ্ৰদ্ধাসহকাৰে বিবাহ-পৰ্বত পাঠ কৰা হয়।

২। ৰাভা হাকাচাম, উপেন ঃ 'ৰাভাসকলৰ জন্ম-মৃত্যুৰ লোকাচাৰ', ৰাভা সমাজ আৰু সংস্কৃতি, ২০১০, পৃ. ২২২-২২৭

৩। ক) অসমীয়া সমাজত যিসকল পুৰুষৰ মূৰত দুটা বা ততোধিক চকৰ থাকে তেওঁলোক স্বভাৱত খঙাল (ফেটী সাপৰ দৰে) হয় নতুবা চাবিত্ৰিক ভাৱে বহুগামী (দুইতিৰীয়া, তিনিতিৰীয়া) হয় বুলি লোকবিশ্বাস আছে। সেইদৰে হাতৰ আঙুলিৰ টিপত দোণ (চক্ৰ) থাকিলে ধন/পুত্ৰ লাভৰ আৰু কুলা/ডলা থাকিলে পতান/কন্যালাভৰ যোগ থকা বুলি ভৰা হয়। (উৎস ঃ Benudhar Rajkhowa : Assamese Popular Superstations and Assamese Demonology' (ed. Dr. P. Goswami), 1973.)

খ) বড়ো কছাৰী সমাজত জন্মগতভাৱে কিছুমান মানুহৰ অঙ্গ-প্ৰত্যঙ্গৰেই হওক বা নানা ৰেখা-চিনৰ দ্বাৰাই হওক মঙ্গলসূচক বা অমঙ্গলসূচক জ্ঞান কৰা হয়। উদাহৰণ স্বৰূপে যিসকল ল'ৰা-ছোৱালীৰ আঙুলিৰ মূৰত ঘূৰণীয়া দোণ সদৃশ চিন বেছিকৈ থাকে, আঙুলিবোৰৰ মাজত ফাক নাথাকে (পানী সৰকি নপৰে), খোজ কাঢ়োঁতে ভৰিৰ তলুৱা মাটিত সমানে পৰে, মূৰৰ পিছফালে তলৰ চুলি মাছৰ ফিছাৰ দৰে আগফালৰ চুলি সন্মুখৰ কপালৰ পৰা মূৰৰ ওপৰলৈ উঠি যোৱা (মৌছৌ ছৌলানায়) তেনে লৰা-ছোৱালীৰ গাত সততে লক্ষ্মী বাস কৰে বুলি ভাবি ধানৰ ন-গোছা দিয়া আদি কামত প্ৰথমে ভাগ ল'বলৈ দিয়া হয়। আনহাতে ইয়াৰ বিপৰীতে আঙুলিৰ মূৰত কুলা সদৃশ চিন বেছিকৈ থকা, আঙুলিবোৰৰ মাজত বেছিকৈ ফাক থকা, খোজ কাঢ়োঁতে ভৰিৰ তলুৱা মাটিত সমানে নপৰা আদি হ'ল ভাগ্যহীন বা ভাগ্যহীনাৰ লক্ষণ। সেইদৰে যি তিৰোতাৰ কেঁচুৱা হোৱাৰ পিছত চুলি নসৰি ক্ৰমাৎ বাঢ়িহে যায় তাই খুংখিনী অৰ্থাৎ লক্ষ্মীছাড়া হয়, তাই বা তাইৰ গিৰিয়েকৰ হাতত ধন-ধান মুঠেই নাথাকে আৰু য'তে হাত দিয়ে ত'তে অসফল হয়। প্ৰথম সন্তান ছোৱালী হ'লে তেনে ঘৰৰ লক্ষ্মীয়ে থিতি লয় অন্যথা মৈদেৎ (হস্তিনী) বুলি নিন্দিতা হয়। দ্ৰষ্টব্য ঃ

(অ) বিষ্ণু প্ৰসাদ ৰাভা ৰচনা সমগ্ৰ, দ্বিতীয় খণ্ড, ১৯৯৭, পৃ. ১৪৮৮-১৪৯২

(আ) নাৰ্জী, ভবেন ঃ বড়ো কছাৰীৰ সমাজ আৰু সংস্কৃতি, ১৯৮৫, পৃঃ ৫৬

গ) আদিম কালৰ পৰাই জনগোষ্ঠীসমূহৰ মাজত লক্ষ্মী দেৱীৰ পৰম দৃষ্টি লাভ কৰি ধনবান হোৱা আৰু লক্ষ্মী দেৱী ৰুষ্ট হ'লে দুখীয়া বা দৰিদ্ৰ হয় বুলিও এটি বিশ্বাস প্ৰচলিত হৈ আছে। এই বিশ্বাসৰ আধাৰত দেউৰী জনগোষ্ঠীৰ মাজত এটি লোক-কথাও প্ৰচলিত হৈ আছে। কাহিনী অনুসৰি পৃথিৱীত লক্ষ্মী দেৱীৰ পূজা আৰম্ভ হৈছিল। দুখীয়া-ধনী সকলোৱেই লক্ষ্মী পূজা ঘৰে ঘৰে আয়োজন কৰিছিল। কিন্তু লক্ষ্মীদেৱীয়ে কাৰ পূজা গ্ৰহণ কৰিব এই লৈ শিৱই লক্ষ্মী দেৱীৰ মনৰ ভাৱ বুজিবলৈ লক্ষ্মী স্বৰ্গৰ পৰা মৰ্ত্যলৈ নামি অহা পথত ৰৈ আছিল। যথা সময়ত লক্ষ্মী আহি শিৱৰ মুখামুখি হ'ল আৰু শিৱই পাৰ্বতীৰ মনৰ কথা বুজিব বিচাৰি সুধিলে— পৃথিৱীত তোমাৰ আগমনক লৈ সকলো লোকেই পূজা

আয়োজন কৰিছে। কিন্তু তুমি কাৰ পূজা গ্ৰহণ কৰিবা? তেতিয়া লক্ষ্মী বিপাঙত পৰিল আৰু ক'লে--প্ৰভু আপুনি অন্তৰ্যামী! আপোনাক মিছা মাতিব নোৱাৰি। সঁচা ক'বলৈ হ'লে মই যি গৰাকী নাৰীৰ চুলি দীঘল ভৰিৰ পতা সমান তেওঁৰ ঘৰতেই বাস কৰিম। তেওঁতে পৰম সন্তুষ্টি লাভ কৰিম। তেতিয়া মহাদেৱে মিচিকিয়াই হাঁহিলে। এইদৰেই দেউৰী জনগোষ্ঠীৰ লোকসকলে আজিও চুলি দীঘল আৰু ভৰি পতা সমান তিৰোতাৰ ঘৰত লক্ষ্মীয়ে বসবাস কৰে বুলি বিশ্বাস কৰে।( সংবাদদাত্ৰী ঃ *কপিলী দেউৰী* (57), গৃহিণী, শ্ৰী পানী দেউৰী গাঁও, ধেমাজি, ১১/০৩/২০১২। উৎস ঃ গোঁহাই, পুণ্যলতা ঃ পৃ. ৩২-৩৩)

৪। উৎস ঃ

(ক) ৰাজগুৰু, সৰ্বেশ্বৰ ঃ অসমীয়া প্ৰবাদ, ২০০৩

(খ) শৰ্মা, নবীন চন্দ্ৰ ঃ ডাক-প্ৰবচন আৰু ডাক পৰম্পৰা, ২০০৫(বৰ্ণাশুদ্ধি আৰু তৰা চিহ্ন সূচিত পাঠান্তৰ দুয়োখন পুথিৰ আধাৰত পুনৰলিখিত কৰা হৈছে।)

৫। উৎস ঃ ৰায়, প্ৰভাত ঃ গোৱালপৰীয়া সমাজ, সভ্যতা আৰু সংস্কৃতি, ১৯৯১, পৃ. ৬১-৬৩।

৬। ৪ নং পাদটীকাৰ সৈতে একে।

৭। বেণুধৰ ৰাজখোৱাই উল্লেখ কৰা— যাৰ হাতৰ আঙুলিত দোণৰ চিন বেছি তেওঁ সৌভাগ্যৱান বা সৌভাগ্যৱতী আৰু যাৰ হাতৰ আঙুলিত কুলাৰ চিন বেছি তেওঁ দুৰ্কপলীয়া বোলা বিশ্বাসৰ সপক্ষে দিয়া ড° প্ৰফুল্লদত্ত গোস্বামীৰ অসমীয়া পটন্তৰত ইয়াৰ পাঠান্তৰ ঘটিছে। যেনে—

"নখন কুলা এটা দোণ
তাৰ ঘৰত নবয় কোন।"

(দ্ৰষ্টব্য ঃ Rajkhowa, Benudhar : Assamese Papular superstitions and Assamese Demonology, 1973, p. 62)

৮। উৎস ঃ ৰাজগুৰু, সৰ্বেশ্বৰ ঃ প্ৰাগুক্ত, পৃ. ২৯৪-২৯৫

৯। কন্যাৰ প্ৰথম ঋতু হোৱাৰ (পুষ্পিতা প্ৰাপ্ত) সময় বাৰ আৰু ঋতু কাল অনুযায়ী মঙ্গল-অমঙ্গল (লক্ষ্মী-অলক্ষ্মী) গণ্য কৰা হয়। যেনে—

(ক) কাল সন্ধ্যা, ৰাতি সংক্ৰান্তিত, দুয়োটা গ্ৰহণত, কৃষ্ণপক্ষত নিজৰ ঘৰত বা আনৰ ঘৰত কন্যাৰ প্ৰথম ঋতু হ'লে অশুভ; অন্য ক্ষেত্ৰত অৰ্থাৎ দিনৰ পোহৰত, শুক্লপক্ষত হ'লে শুভ।

(খ) পুষ্পিতা ব'হাগ মাহত হ'লে প্ৰিয়বাদিনী, জেঠ মাহত হ'লে দুৰ্ভাগিনী, আহাৰ মাহত হ'লে ধনৱতী আৰু পুত্ৰিণী, শাওন মাহত হ'লে মৃত্যুবৎসলা, কাতি মাহত হ'লে ধৰ্মশীলা, ভাদ মাহত হ'লে ৰুগীয়া, আঘোন মাহত হ'লে ৰুগীয়া আৰু বিহ্বলা হয় বুলি ভাবে।

(গ) সেইদৰেপুষ্পিতা হোৱাৰ বাৰ অনুযায়ী-- বিধৱা (ৰবিবাৰে), পতিব্ৰতা (সোমবাৰে), বেশ্যা (মঙলবাৰে), ভাগ্যৱতী (বুধবাৰে), শ্ৰীমান স্বামী লাভ (বৃহস্পতিবাৰে), পুত্ৰৱতী (শুক্ৰবাৰে), বন্ধ্যা (শনিবাৰে) হয় বুলি বিশ্বাস কৰি তেনেবোৰ বেয়া দোষ খণ্ডণ কৰাৰ বিধান দিয়া হয়।

(ঘ) প্ৰভাত কালে কন্যা পুষ্পিতা হ'লে পদ্মিনী হয় বুলি ভাৱে।

(উৎস ঃ গগৈ লোকেশ্বৰ ঃ অসমৰ লোকসংস্কৃতি, ১ম খণ্ড, ২০০৭, পৃ. ৩৩৫)

১০। দ্ৰষ্টব্য ঃ ৰাভা হাকাচাম, উপেন ঃ 'অসমীয়া লোকমানসত ধুতি-বিধুতি' , সাতসৰী, অষ্টম বছৰ, দ্বাদশ সংখ্যা, জুলাই, ২০১৩

১১। ৰাভা হাকাচাম, উপেন ঃ ‘বড়োৰ হাথাচুনি আৰু ৰাভাৰ হাতাচুৰানি ঃ উমৈহতীয়া বিবাহ পৰ্ব’, অসমৰ জনজাতীয় সংস্কৃতি, ২০১০, পৃঃ ১৮৮, ১৯৪

১২। অকল বংশই নহয় কন্যা চোৰাৰ ক্ষেত্ৰত জাতিকাৰ কোষ্ঠী বিচাৰ কৰাৰ উপৰিও জন্মগত আৰু স্বভাৱগত লক্ষণ কিছুমানো চোৰা হয়। যেনে—

(ক) কন্যা খৰমযুৰীয়া হ’লে বিবাহৰ অনুপযুক্তা।

(খ) কন্যাৰ সাপনেজীয়া চুলি হ’লে বিবাহৰ অনুপযুক্তা।

(গ) কন্যাৰ কপাল ওখ (উঠঙা কপাল) হ’লে বিবাহৰ অনুপযুক্তা।

(ঘ) কন্যাৰ তল ওঁঠ সৰু হ’লে বিবাহৰ অনুপযুক্তা।

(ঙ) কন্যাৰ ভৰি ডিমা (কলাফুল) চিচা (চিয়াঁ) হ’লে বিবাহৰ অনুপযুক্তা।

(উৎস ঃ গগৈ, লোকেশ্বৰ ঃ প্ৰাগুক্ত, পৃ. ৩৩৫)

১৩। উৎস ঃ

ক। গগৈ, লোকেশ্বৰ ঃ প্ৰাগুক্ত, পৃ. ৩৩১-৩৩৫

খ। Benudhar Rajkhowa : Assamese Popular Superstations and Assamese Demonology’ (ed. Dr. P. Goswami), 1973.

১৪। দ্ৰষ্টব্য ঃ ডেকা, শচীন ঃ‘অসমীয়া সমাজত লোক-বিশ্বাস’, কামৰূপা,কামৰূপ জিলা সাহিত্য সভাৰ মুখপত্ৰ, দ্বাত্ৰিংশ সংখ্যা, ২০০৭, পৃ. ৬৩

১৫। আনহাতে অঞ্চল বা সম্প্ৰদায় (জনজাতি-অজনজাতি) ভেদেও এনে লক্ষণৰ তাৰতম্য থকা দেখা যায়। (দ্ৰষ্টব্য ঃ গগৈ, লোকেশ্বৰ ঃ ‘লোকবিশ্বাস আৰু লোক-সংস্কাৰ’, ‘স্বপ্নফল’, ‘লোকশ্ৰুতি’, অসমীয়া লোকসংস্কৃতি,প্ৰথম খণ্ড, ২০০৭, পৃ. ২৯৩-৩১২, ৩২৭-৩৩০, ৩৩১-৩৩৬)

১৬। “প্ৰত্যেক ঘৰৰ লখিমী মনা গৃহিণীসকলে পিছদিনা টোপনিৰ পৰা ৰাতিপুৱা উঠিয়ে সুদা পানীৰ পাত্ৰ দেখিলে দিনটোৰ যাত্ৰা বেয়া হোৱাৰ ভয়ত ৰাতি শুবৰ সময়ত ৰাতিপুৱাৰ আৱশ্যকীয় পানীৰ পাত্ৰসমূহ খালিকৈ নাৰাখে। ঘৰৰ প্ৰধান দুৱাৰ মুখতে ঠাইখন সামান্যভাৱে সাৰি-পুঁচি হ’লেও পানী ছটিয়াই ঘটি বা গিলাচত পানী ভৰাই থয়। এনেকৈ থ’লে হেনো দিনটোৰ যাত্ৰা ভাল হয়।” (দ্ৰষ্টব্যঃ ডেকা,শচীন ঃ প্ৰাগুক্ত, পৃ. ৬২)

১৭। দ্ৰষ্টব্য ঃ১৩। নং পাদটীকা

১৮। অসমৰ সৰ্বত্ৰে কিছু ভিন্ন ৰূপত ইবোৰৰ প্ৰচলন আছে। কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাই বড়ো কছাৰী সমাজৰ এনে বিশ্বাস-লোকাচাৰ অতি সুন্দৰভাৱে বিশ্লেষণ কৰিছে। তাৰে মূলখিনি এনে—

কিছুমান স্বভাৱ-চৰিত্ৰৰ বাবেও নাৰী বা পুৰুষ এগৰাকী লক্ষ্মী ছাড়া হয়। ভাত ৰন্ধা-বঢ়া কৰোঁতে গা নুধুই বা অশুচি গাৰে ৰন্ধনশালত সোমালে, ঢেঁকী শাল বা গোহালি ঘৰত ৰন্ধা-বঢ়া কৰি খালে, ভঁৰাল ঘৰত যেতিয়াই-তেতিয়াই সোমালে বা তাৰ পৰা ধান উলিয়ালে, ঘৰত সুহুৰিয়ালে, দুৱাৰমুখত গা হেলাই থিয় হৈ থাকিলে, কঁকালত বান্ধি ভাত খালে, ভাত খাওঁতে মুখত শব্দ কৰি বা হাতৰ আঙুলি চেলেকি চেলেকি খালে, কাঁহীত ভেজা দি খোৱা, খোৱাপাতৰ পৰা উঠিলে বা কাঁহী-বাটি বজালে তেনে গৃহস্থ বা গৃহস্থনীৰ ঘৰত লক্ষ্মীয়ে বাস নকৰে।

সেইদৰে বড়োসকলে বিশ্বাস কৰে যে --ক’ৰবাৰ পৰা আহি নিজ ঘৰত নোসোমোৱাকৈ বাহিৰে বাহিৰে অত্যন্ত এৰাব নোৱৰাত কামতো যাব নাপায়। ভাত খাই উঠাৰ লগে লগে নিজ ঘৰত কিছু পৰ নিজিৰোৱাকৈ আনৰ ঘৰত কেতিয়াও যাব নাপায়। এনে কৰিলে কুলক্ষ্মীয়া আৰু ডাল দৰিদ্ৰ (হাৰা কাটা কমবক্তা) হয়

বুলি মানি আহিছে। কোনো ঠাইৰ পৰা বস্তু আনিলে বাটে-বাটে বিলাই আহিব নাপায়, ঘৰলৈ অনাৰ পিছতহে বিতৰণ কৰিব লাগে। সেইদৰে ধুবলগীয়া কাপোৰ য'তে-ত'তে মুঠনি মাৰি থৈ দিলে সেই ছোৱালী বা তিৰোতা খুংখিনী বা লক্ষ্মীছাড়া হয়।

(দ্রষ্টব্য ঃ বিষ্ণুপ্ৰসাদ ৰাভা ৰচনা সমগ্ৰ, ১৯৯৭, পৃ. ১৪৮৮-১৪৯২)

১৯। "চৰুত দুটামান ভাত ৰাহি হোৱা সুগৃহিণীৰ লক্ষণ। চাউল লওঁতেই ক'ৰবাত আলহী অতিথি, মগনীয়া-খোজনীয়া ওলাবহি পাৰে বুলি চাউল এমুঠি সৰহকৈ লোৱা হয়। কাউৰীয়ে কেলেকেলালেতো কথাই নাই। খাবৰ পৰত আচম্বিতে আহি ওলোৱা অথিতি গৃহস্থৰ সৌভাগ্যৰহে চিন। ("ভাঙি আন, মুচৰি খাওঁ, পুৰা হ'লে নাও মেলি যাওঁ" স্বভাৱ খাইমুৰীয়া স্বভাৱ। আনকি গৃহিণীজনীয়ে খোৱা বস্তু নাই বুলি ক'ব লগাটো মৰি যোৱাৰ সমান লাজ লগা কথা। হঠাৎ লাগিব পাৰে বুলি সুগৃহিণীয়ে প্ৰতিবস্তুকে চান কাঢ়ি আছুতীয়াকৈ আলহী-অতিথিৰ কাৰণে থৈহে বাকী বস্তু ঘৰত ভাগ বটাই খুৱায়।" (বৰদলৈ, নিৰ্মলপ্ৰভা ঃ 'লোকসংস্কৃতিত ৰান্ধনী শাল', অসমৰ লোকসংস্কৃতি, ২০০৪, পৃঃ ৪১

২০। দ্রষ্টব্য ঃ ডেকা, শচীন ঃ প্ৰাগুক্ত, পৃ. ৬২)

২১। ক) মৰাণ আদি জনগোষ্ঠীসকলৰ মাজত এনে বিশ্বাস অতি প্ৰবল। "সেই একেদৰে উলিয়াই দিয়া ছোৱালীৰ ঘৰলৈ যিকোনো শস্যৰ সঁচ আৰু পোহনীয়া জীৱ-জন্তু দি পঠালেও বাপেকৰ ঘৰৰ লক্ষ্মী তাইৰ ঘৰলৈ যায় বুলি বিশ্বাস কৰে। সেয়ে ছোৱালীৰ ঘৰলৈ কিবা টোপোলা বান্ধিলে তাৰে অলপ উলিয়াই থৈ যায়। জীৱ-জন্তু নিলে তাৰ নোমকেইডালমান বা চৰাই-চিৰিকতি নিলে তাৰ পাখি দুডালমান ঘৰত উভালি থৈ যায়। মৰাণ মহিলাসকলে ধানৰ ভঁৰাল আৰু ৰন্ধনশালত প্ৰবেশ কৰোঁতে সদায় শুচি বস্ত্ৰ পৰিধান কৰিহে প্ৰৱেশ কৰে। ধানৰ ভঁৰালত প্ৰথমবাৰ উঠিবৰ বাবে শহুৰেক-শহুৰেকক তামোল-পাণ দি সেৱা কৰি তেওঁলোকৰ অনুমতি লোৱাৰ নিয়ম।" ( খাৰঘৰীয়া,গায়ত্ৰী ঃউজনি অসমৰ লখিমী সবাহৰ পৰম্পৰা আৰু লখিমী সবাহৰ নাম- টাই আহোম, মিছিং, মৰাণ, দেউৰী আৰু সোণোৱাল কছাৰী জনগোষ্ঠীৰ বিশেষ উল্লিখনেৰে, অপ্ৰকাশিত এম. ফিল-ৰ ক্ষুদ্ৰ গৱেষণা গ্ৰন্থ, গুৱাহাটী বিশ্ববিদ্যালয়, ২০১৫-১৬, পৃ. ১১১-১১২)

খ) লক্ষ্মীনাথ বেজবৰুৱাই তুলা আৰু তেজা নামৰ বুঢ়ী আইৰ সাধুত অন্তৰ্ভুক্ত সাধুকথাত তেজাৰ বিয়াত মাহীমাকে বিতুষ্ট কৰি কইনাক বিদায় দিয়াত এনে ঘটনা ঘটিছিল বুলি উল্লেখ কৰি টীকা-টিপ্পনি আগবঢ়াইছে, এইবুলি—

"তেজাই বাপেকৰ ঘৰৰ পৰা ওলাই আহিবৰ সময়ত বাপেকক বিনাই বিনাই এইদৰে বস্তু খুজিলে— "আইৰে দিনৰে ছকুৰি জপা/তাৰে তিনিকুৰি মইয়ে পাওঁ।" ........ তেজাই এইদৰে বিনাই থাকোঁতে মাহীয়েকে তেজাক ভেকাহি মাৰি ক'লে,— "মই কুটা এগছকে তোক নিদিওঁ।" ..... আহিবৰ সময়ত মনত বেজাৰ লাগি তেজাই কাকো নামাতি মাথোন ভায়েকক এইদৰে মাতি লগত লৈ আহিল। ...... তেজাই পিছলৈ নোচোৱাকৈ আহিবলৈ ধৰিলে। যেতিয়াই তেজাই পিচলৈ নোচোৱাকৈ গুচি আহিল, তেতিয়াই তেজাৰ বাপেকৰ ঘৰৰ সকলোবোৰ বস্তু তেজাৰ পিছে পিছে আহিবলৈ ধৰিলে। ......

এইদেখি আজিও জীয়ৰী ছোৱালী উলিয়াই দিওঁতে তাই বাপেক-মাকৰ ফালে উভতি চাই যায়। নাচালে বাপেকৰ ঘৰৰ সকলোবোৰ বস্তু হেনো তাইৰ লগতে যায়।"

২২। এনে অশুভ যাত্ৰাৰ অশুভ ফল সম্পৰ্কে মহাপুৰুষ শংকৰদেৱৰ 'ৰুক্মিণী হৰণ কাব্য'-ত পোৱা যায় এনেদৰে ঃ

জাত্ৰা লৈয়া ৰুক্মবিৰে কৰিলে গমন।
আগত দেখয় নানা বিমংগল।। ৪৭০
কেস মেলি নাক কাতি অমংগলীয় নাৰি।
কুমৰৰ আগে নাচে হাসে ৰিংগ পাৰি।।
বাক্তে সৰ্প গৈলা ডাহিনত মৃগালিনি।
কোনে তৈল লৈবে বুলি ডাকিলা তেলিনি।।৪৭১
থাল পাতি বিকৃত যুগুনি ফুৰে মাগি।
অনাবাবে আগত পৰষু-বৃক্ষ ভাগি।।
আকাশত সগুন বিনাৰৈ জাকে জাকে।
মুখ চাই চাই তাক ৰটে ঢোণ্ডা কাকে।।৪৭২
বাম হাঞ্চি জেঠি ফণ্ডে উৰু বাম কৰ।
আনো বিমংগল বেঢ়ি দেখিলা বিস্তৰ।।

(নাৰায়ণ দাস সম্পাদিত 'ৰুক্মিণী হৰণ' কাব্য,১৯৮৮,পৃ.৭২ —উৎস ঃ ভদ্ৰকান্ত বৰা ঃ 'অসমীয়া সমাজৰ লোকবিশ্বাস আৰু বৈচিত্ৰ্যতা',অসমীয়া সমাজৰ লোকাচাৰ আৰু লোকবিশ্বাস, ২০১৪, পৃ. ১৩১-১৩২)

২৩। উৎস ঃ ভদ্ৰকান্ত বৰা ঃ সদ্যোক্ত

২৪। দ্ৰষ্টব্য ঃ ডেকা, শচীন ঃ প্ৰাগুক্ত,পৃ. ৬৬

২৫। দ্ৰষ্টব্য ঃ ডেকা, শচীন ঃ সদ্যোক্ত,পৃ. ৬৭

২৬। "পৰিচ্ছন্নতাৰ প্ৰতি দৃষ্টি থকা অসমীয়া সমাজত মাহিলি ঋতুৰ পাঁচদিন নোযোৱা পৰ্যন্ত আৰু অশৌচীয়া মাতৃয়ে প্ৰায়শ্চিত্ত হৈ শুদ্ধ নোহোৱালৈকে ভাতৰ চৰু চোৱাৰ নিয়ম নাই।" (বৰদলৈ, নিৰ্মলপ্ৰভা ঃ প্ৰাগুক্ত, পৃঃ ৪২)

২৭। পদ্মপুৰাণ, স্কন্ধ পুৰাণ, মাৰ্কণ্ডেয়া পুৰাণ, গৰুড় পুৰাণ (১১৪ অধ্যায়), ব্ৰহ্মবৈৱৰ্ত পুৰাণ (গণেশ খণ্ড, ২১, ২২ অধ্যায়) প্ৰকৃতি পুৰাণত লক্ষ্মী চৰিত্ৰ বিশেষভাৱে বৰ্ণিত হৈ আছে। তাৰ ভিত্তিত বঙালীসকলৰ দৰে অসমীয়া জনমানসতো লক্ষ্মী-অলক্ষ্মীৰ ধাৰণা ৰোপিত হৈ আছে। তাৰে অনুৰণন ঘটিছে ডাকৰ নামত প্ৰচলিত অসমীয়া প্ৰবাদ-পটন্তৰসমূহতো।

২৮। ইয়াত ডাকৰ বচনৰ সংশোধিত পাঠহে পাঠান্তৰ সহ দিয়া হৈছে --ড° নবীন চন্দ্ৰ শৰ্মা আৰু ড° সৰ্বেশ্বৰ ৰাজগুৰুৰ মূল পাঠ দুটাৰ আধাৰত।

২৯। মৰাণ, হেমপ্ৰভা ঃ মৈলানত সমাজ-সংস্কৃতি বিষয়ক কিছু কথা, ২০১৫, পৃ. ৫২

৩০। উৎস ঃ দাস, ধৰণীধৰ ঃ'বৰপেটা জিলাৰ পুৰণি কালৰ ৰান্ধনীসকলৰ নিয়ম-নীতি আৰু বৰ্তমান ইয়াৰ অৱনতিৰ কাৰণ', লোক- কৃষ্টি আৰু নাৰী, ১৯৯৩, পৃ. ৩৫-৩৬

৩১।"লোক সমাজত 'হীৰা- মাণিক থাকে অপাৰ। খুদগাল নহ'লে মৰণেই সাৰ।'— বুলি বিশ্বাস কৰা চাউল-খুদৰ অনাদৰ অৱহেলাত লক্ষ্মী আই অসন্তুষ্টা হয়। ভাত ৰান্ধিবলৈ বা ভিক্ষাৰীক চাউল দিবলৈ হ'লে চাউল থোৱা 'লক্ষ্মীপাত্ৰ'-ত তিনি চিকুট চাউল এৰি অহা, ভাত ৰান্ধোতে— 'লক্ষ্মী আইৰ হাত, এটি চাউলৰ দুটি ভাত' বুলি চৰুত সেৰা জনাই চাউল বহাই দিয়া, চাউল জোখা কঠাৰে ভিক্ষাৰীক চাউল নিদিয়া, চাউল ভাজি নোখোৱা, অপৱিত্ৰ ঠাই পবিত্ৰ কৰিবলৈ শালি ধানৰ আৰৈ চাউল ছটিয়াই দিয়া ইত্যাদি এশ এটা লক্ষ্মীকেন্দ্ৰিক লোকবিশ্বাস, কেৱল ধান-চাউলৰ লগতে নহয়, লোক সমাজে 'ভাতেই ভগৱান' বুলি বিশ্বাস কৰা ভাতমুঠিৰ লগতো লক্ষ্মী আইৰ সম্পৰ্ক আছে। (কলিতা,ফুলকুমাৰী ঃ'শ্ৰীশ্ৰী লক্ষ্মীদেৱীৰ পৰিচয় আৰু লোকবিশ্বাসত লক্ষ্মীদেৱীৰ স্থান', লোকসংস্কৃতিৰ সুবাস, ২০১৩, পৃ. ৬৮)

৩২। তাৰ উপৰিও --"ভাতৰ পাতত পানী ঢালি দিলে,

বাঢ়নীৰে ভাত সাৰিলে, চকুপানী টুকি ভাত খালে, খঙৰ কোবত ভাতৰ কাঁহী দলিয়ালে, ভাত খাই থকা সময়ত ভিক্ষাৰীক ভিক্ষা দিলে, লাডু বান্ধি ভাত খালে, ভাত খোৱা কাঁহী-বাতি চুচি চেলেকি খালে, ভাত খাওঁতে উগাৰ চাৰিলে, ভাত খোৱা হাতৰ আঙুলি চুহি খালে, ৰন্ধা পাত্ৰত ভাত খালে, অতিথিক এৰি খালে, পোহনীয়া জীৱ-জন্তুক এমুঠি ভাত নিদিলে, মাটিত ভৰ দি উঠিব লগাকৈ ভাত খালে, ৰান্ধনীয়ে গুৰুজনক নিদিয়াকৈ বা লুকাই চুৰকৈ হাড়িত খালে গৃহস্থী 'লক্ষ্মীচাৰা' হৈ অনাচাৰে অধোগতি যায়।"( কলিতা, ফুলকুমাৰী ঃসাদ্যাক্ত, পৃ. ৬৮)

৩৩। দ্রষ্টব্য ঃ ডেকা, শচীন ঃ প্ৰাগুক্ত, পৃ. ৬৪

৩৪। "মিঠামুৱা ৰান্ধনীজনীকহে প্ৰকৃত গৃহিণী বুলিব পাৰি। যি শাহুৰতী বোৱাৰীয়েকে শাহুয়েকৰ উপদেশ মতে চলে সেই গৃহস্থত লক্ষ্মী বাস কৰে।............অন্নসাজ তৃপ্তিদায়ক নোহোৱাৰ ফলত খাওঁতাজনে আধাপেটী উঠি যাব লগা হয় তেনেহ'লে ৰান্ধনীৰ মহাপাপ হয় বুলি কৈছিল। আঞ্জা- ভাত পেলাই দিব লগা ৰান্ধনীক 'অধাচাৰিণী' বুলিও আখ্যা দিছিল। ...........জুইৰ লগত ৰান্ধনীৰ নেৰা নেপেৰা সম্পৰ্ক। সেয়ে অগ্নিসেৱা কৰিহে ৰান্ধনীসকলে চৰুত চাউল দিছিল।" ( উৎস ঃ দাস, ধৰণীধৰঃ'বৰপেটা জিলাৰ পুৰণি কালৰ ৰান্ধনীসকলৰ নিয়ম-নীতি আৰু বৰ্তমান ইয়াৰ অৱনতিৰ কাৰণ', লোক-কৃষ্টি আৰু নাৰী, ১৯৯৩, পৃ. ৩৫-৩৬)

৩৫। উৎস ঃ বৰা, ভদ্ৰকান্ত ঃ অসমীয়া সমাজৰ লোকাচাৰ আৰু লোকবিশ্বাস, ২০১৪, পৃ. ১২৪

৩৬। দ্রষ্টব্য ঃ ডেকা, শচীন ঃ প্ৰাগুক্ত, পৃ. ৬৩

৩৭। উৎস ঃ বৰদলৈ, নিৰ্মলপ্ৰভাঃপ্ৰাগুক্ত, পৃ. ৩৫

৩৮। ৰাভা হাকাচাম, উপেন ঃ 'বৰ অসমৰ কৃষিকেন্দ্ৰিক লোকাচাৰ আৰু উৎসৱ অনুষ্ঠান', বৰ অসমৰ বৰ্ণিল সংস্কৃতি, ২০১৪, পৃঃ ২২৫-২৫৭।

৩৯।"বেদত শস্য বুলি ক'লে যৱ, গম, ধান, মাহ ইত্যাদি 'পঞ্চশস্য'কে বুজালেও কৃষকৰ প্ৰাণ ধান-চাউলৰ লগতহে লক্ষ্মীদেৱীৰ তিলৰ মাজত তেলৰ সম্পৰ্ক। অসমৰ কৃষক সমাজত— "ধানেই ধন, ধান নহ'লে নিষ্ফল জীৱন" অৰ্থাৎ ধানেই লক্ষ্মী। উজনি অসমত আহাৰ-শাওন মাহতে 'লখিমী সবাহ' পাতি লখিমী দেৱীক খেতি পথাৰলৈ আদৰি আনে। নামনি অসমতো আহাৰ-শাওন মাহত শালিধানৰ গোছ লোৱাৰ পৰা আৰম্ভ কৰি কাতি বিহুত 'গাখীৰ ওলোৱা' ধানৰ পোক-পৰুৱা নিবাৰণাৰ্থে পথাৰৰ মাজত পবিত্ৰভাৱে ঔ-টেঙাৰ খলপাত চাকি জ্বলাই নৈবদ্য আগবঢ়োৱা, আঘোণ মাহত ধান চপোৱাৰ সময়ত বিভিন্ন নীতি-নিয়নেৰে ধানৰ আগ অনা, ভঁৰালত ধান ভৰোৱা, পুহ মাহত ভঁৰাল ঘৰ স্পৰ্শ নকৰা, ধানে পানে একেলগে নৰখা, ধান-চাউল নগচকা, পুৰ্ণিমা-অমৱস্যা, একাদশী, দোমাহী ইত্যাদি তিথি পাৰ্বনৰ লগতে বৃহস্পতিবাৰে, স্বামী আৰু পুত্ৰ সন্তানৰ জনম বাৰে, ঘৰত বসন্ত ওলালে, বাহী আৰু অপবিত্ৰ শৰীৰেৰে স্পৰ্শ কৰি অইনক ধান-চাউল নিদিয়া ইত্যাদি ধান সংক্ৰান্ত লোকবিশ্বাসৰ আঁৰত আছে ধান্যপ্ৰাণা লক্ষ্মীদেৱীৰ প্ৰতি শ্ৰদ্ধা-ভক্তি নিবেদনৰ প্ৰক্ৰিয়া। লক্ষ্মীদেৱী আৰু ধানৰ অভিন্নতা 'শ্ৰীশ্ৰী লক্ষ্মী চৰিত্ৰ'তেই প্ৰতিপন্ন হৈছে এনেদৰে—

পুত্ৰ পৌত্ৰ ধন ধান্য অখণ্ড সম্পদ।
লভিবে পৰম সুখ, অন্তে মুক্তি পদ।। ৫২"

( কলিতা, ফুলকুমাৰী ঃ'শ্ৰীশ্ৰী লক্ষ্মীদেৱীৰ পৰিচয় আৰু লোকবিশ্বাসত লক্ষ্মীদেৱীৰ স্থান', লোকসংস্কৃতিৰ সুবাস, ২০১৩, পৃ. ৬৭-৬৮)

৪০।"অসমীয়া মানুহৰ ভঁৰাল ঘৰ গোঁসাইঘৰৰ দৰে শ্ৰদ্ধাৰ

থল আৰু পবিত্ৰতাৰ প্ৰতীক। অসমীয়া মানুহে বাহি গাৰে ভঁৰালত কেতিয়াও উঠিব নাপায় বুলি বিশ্বাস কৰে। ভঁৰালত উঠোঁতে নামোঁতে সদায় গাধৈত সেৰা কৰি লোৱা আৰু ভঁৰালৰ পৰা ধান উলিওৱাৰ পিছত তাৰে কেইটামান ধান থৈ অহাৰ নিয়ম সমাজত প্ৰচলিত। সোমবাৰ, বৃহস্পতিবাৰ, শনিবাৰ, আঁউসী, পূৰ্ণিমা আদিত ভঁৰালৰ পৰা ধান উলিওৱাৰ পৰা বিৰত থাকে আৰু বিহু, সংক্ৰান্তি, লক্ষ্মীপূজা আদিত ভঁৰাল মচি-কাচি পৰিষ্কাৰ কৰি বহুতে চাকি-বন্তি-নৈবেদ্য আগবঢ়ায়। অসমীয়া মানুহে ভঁৰালত থকা সাপক ঘৰ দেউতি বা লক্ষ্মী বুলি বিশ্বাস কৰে আৰু সেই সাপ মৰাতো দোষণীয় বুলি ভাৱে। সেইদৰে ভঁৰালত উঠি খং-ৰাগ কৰিলেও লখিমীয়ে খং কৰি গুচি যায় বুলি মানুহে বিশ্বাস কৰে।" (উৎস ঃ ভদ্ৰকান্ত বৰা ঃ 'অসমীয়া সমাজৰ লোকাবিশ্বাস আৰু বৈচিত্ৰ্যতা',অসমীয়া সমাজৰ লোকাচাৰ আৰু লোকবিশ্বাস, ২০১৪, পৃ. ১০৪-১০৫)

৪১। ক) আনহাতে ৰাভাসকলে বিশ্বাস কৰে যে বাজংবা নামৰ মানুহে হোৱা দৈত্যই (উল্কাপিণ্ড বা পপীয়াতৰা) পথাৰত পৰি ধান চুৰি কৰি নিয়াৰ ফলতহে এনে হয়। (দ্ৰষ্টব্য ঃ ৰাভা হাকাচাম, উপেন ঃ 'ৰাভা লোকবিশ্বাসত তন্ত্ৰ-মন্ত্ৰ আৰু ভেল্কি-বাজি', ৰাভা লোকসংস্কৃতি, ২০০৬, পৃ. ১২১)

খ) আহোমসকলেও ধাননিৰ ওপৰত পপীয়া তৰা পৰিলে শস্য ভাল নহয় আৰু গৃহস্থৰ অমংগলৰ ঘটনা সূচায় বুলি মানে। (দ্ৰষ্টব্য ঃ বুঢ়াগোহাঞি, হেম ঃ প্ৰাগুক্ত, পৃ. ৪৪)

৪২। ক) বড়োসকলৰ ধাননি পথাৰৰ লগত জৰিত পালিব লগা কিছুমান নিয়ম আছে। সেইবোৰ নিয়ম ভংগ কৰিলেও গৃহস্থ লক্ষ্মীছাড়া হয়। ধানে যেতিয়া পথাৰত লহপহকৈ বাঢ়িবলৈ ধৰে তেতিয়াৰ পৰা ধান নপকালৈকে তিৰোতাসকল ধান চাবলৈ বুলি পথাৰলৈ যাব নাপায়— গ'লে ধানৰ শ্ৰী নাস হয় (পাৰ্বতীয়ে মহাদেৱৰ খেতি চাবলৈ গৈ ঈৰ্যাতে লুবৈ-লুবৈনী বা খুবা-খুবীৰ সৃষ্টি হৈ পথাৰৰ ধান পুৰি পেলোৱাৰ জনশ্ৰুতিৰ ভিত্তিত।) সেইদৰে ধান গেঁৰ মেলা বতৰত অৰ্থাৎ আহিন-কাতিত গৃহস্থই ভজা সান্দহ কৰাই, পিঠা, পিঠাগুৰিৰে ৰন্ধা আঞ্জা খাব নাপায়। বিশ্বাস চাউল ভজাৰ গন্ধ পালে ধানৰ শীহ শুকাই যায়, উৰালত পিঠা গুৰি খুন্দাৰ শব্দ শুনিলে লক্ষিমীয়ে অসন্তুষ্ট হৈ ধানক বগলীৰ দৰে বগা ঘুগুলা পতানত পৰিণত কৰে। এই কেইদিন শোকোতা (নাৰ্জী) খোৱাও নিষেধ। খালে গছৰ ধান তিতা লাগি আধাতে পলাই যায়।

(দ্ৰষ্টব্য ঃ বিষ্ণুপ্ৰসাদ ৰাভা ৰচনা সমগ্ৰ, ১৯৯৭, পৃ. ১৪৮৮-১৪৯২)

খ) "এই লোকবিশ্বাস মহাদেৱে মানুহক অমৰ প্ৰাণ দিব খোজাত পাৰ্বতীয়ে মানুহক কচুৰ পাতেৰে পানী খুৱাই প্ৰাণ দিয়াত আৰু মহাদেৱৰ ধানখেতিৰ শ্ৰী দেখি পাৰ্বতীয়ে লোভ দৃষ্টি কৰাত মহাদেৱৰ ধানৰ খেতি শ্ৰীহীন হৈ লেউ-সেউ হৈছিল। তেতিয়াই মহাদেৱে কোনো তিৰোতাক শস্যৰ শ্ৰীদৰ্শন নকৰিবলৈ অভিশাপ দিছিল। এই কিম্বদন্তীমতে আজিও বড়ো-কছাৰীৰ কোনো তিৰোতাক শস্যৰ শ্ৰীদৰ্শন কৰিব দিয়া নহয়।" (দ্ৰষ্টব্য ঃ নাৰ্জী, ভবেন ঃ বড়ো-কছাৰীৰ সমাজ আৰু সংস্কৃতি, ১৯৮৫, পৃ. ৫৭)

৪৩। সংবাদ ঃ মৃণালী বৰদলৈ (গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰী), ধৰমতুল-জাগীৰোড, ২০০৭

৪৪। উৎস ঃ গগৈ, সুশীল কুমাৰ ঃ 'মটক সম্প্ৰদায়ৰ মাজত কাতিবিহু', কাতিবিহুৰ ৰূপৰেখা, ২০০৩, পৃ. ৫৯

৪৫। "ভাখেৰি বা ভঁৰাল ঘৰত ধান সুমুওৱা আৰু

উলিওৱাৰো কিছুমান নিয়ম- নীতি মানি চলা দেখা যায়। গা নোধোৱাকৈ ভঁৰাল ঘৰত সোমাব নাপায় বুলি আগৰ দিনত এটা কঢ়া নিয়ম আছিল। গা ধুই উঠি ৰাতি-পুৱা চাকি-বন্তি দি সেৱা-সৎকাৰ কৰিহে ভাখেৰি ঘৰত সোমাব লাগে। বাহী গাৰে ভাখেৰি ঘৰৰ পৰা ধান উলিয়াব নাপায়। ধান উলিয়াই আনোতে শেষবাৰ দুকুলা ধানৰ পৰা তিনি মুঠি ধান পুনৰ ভাখেৰিত থব লাগে। এইদৰে তিনি মুঠি ধান কুলাৰ পৰা ভাখেৰিত থোৱা কাৰ্যক 'চান কাঢ়া' বুলি কয়। এই চান নাকাঢ়িলে হেনো ভাখেৰিৰ ধান বছৰেকলৈ খাবলৈ নোজোৰা হয়। আকৌ ধান উলিওৱা হ'লে ভাখেৰিৰ পৰা নামি অহাৰ আগে আগে ভাখেৰিৰ ধানখিনি সমানকৈ মেলি থৈ আহিব লাগে। ভৰিৰ খোজ ভাখেৰিৰ ধানৰ ওপৰত পৰি থাকিব নাপায় বুলি ভৱা হয়। এনে নকৰিলে আগৰ দিনৰ মানুহে এই কাৰ্যক লক্ষ্মীচাৰা কাৰ্য বুলি আখ্যা দিছিল আৰু আজিও এই বিশ্বাস কিছুমান মানুহৰ মাজত চলি আহিছে।

ভাখেৰিৰ ধান মৰ-আঁউসী ( মৰাআহু), একাদশী, পুৰ্ণিমা তিথি আৰু লক্ষ্মীপূজাকে ধৰি যিকোনো পূজা-পাতলত উলিওৱা নিষেধ। এই নিষিদ্ধ তিথিত ধান উলিয়ালে হেনো দুৰ্ভিক্ষ হয়, বিশেষকৈ গৃহস্থৰ বাবে বছৰেকলৈ ধানে নোজোৰা হয় বুলি লোকবিশ্বাস আছে। সেয়েহে খেতিয়কে এই সমূহ নিষিদ্ধ বাৰ-তিথি, পূজা-পাতল আদিত ভাখেৰি ঘৰৰ পৰা কেতিয়াও ধান নুলিয়ায়; বৰঞ্চ পূজা-পাতলহে কৰে। ভাখেৰি ঘৰত ৰাতি ধান থওঁতে কেৰাচিন তেলৰ চাকি নিব নাপায়, মিঠা তেলৰ চাকিহে ভাখেৰি ঘৰৰ ভিতৰত নিব লাগে। ৰাতি ধান ভাখেৰিত থ'ব পাৰে কিন্তু ৰাতি ধান উলিয়াব নাপায়। পুহ মাহত ভাখেৰিৰ পৰা ধান উলিওৱাটো একেবাৰেই নিষেধ বুলি অসমীয়া মানুহে বিশেষকৈ খেতয়কসকলে মানি আহিছে।" ( দ্ৰষ্টব্য ঃ ডেকা, শচীন ঃ প্ৰাগুক্ত, পৃ. ৬৩-৬৪)

৪৬। উৎস ঃ বুঢ়াগোহাঞি, হেম ঃ প্ৰাগুক্ত, পৃ. ৪৬

৪৭। বুঢ়াগোহাঞি, হেম ঃজনসংস্কৃতিৰ ৰূপৰেখা, ১৯৭৯, পৃ. ১৪

৪৮। সংবাদদাত্ৰীঃ কৃষ্ণা ফুকন, বয়স-৫৫ পাটসাকো

৪৯। গোস্বামী, উপেন্দ্ৰ নাথঃ 'দেউৰী চুতীয়া', অসমৰ জনজাতি, ২০০৮, পৃ. ৭৪

৫০। উৎস ঃ খাৰঘৰীয়া, গায়ত্ৰী ঃপ্ৰাগুক্ত, পৃ. ১১২

৫১। গোঁহাই, ৰূপেশ্বৰী (সম্পা.) ঃ মৰাণ মটক মোৱামৰীয়া, ২০১৩, পৃ. ৭৩

৫২। মৰাণ, মোহণ ঃ 'মৰাণ লোকসংস্কৃতিত লোকবিশ্বাসৰ স্থান', মৰাণ মটক মোৱামৰীয়া, ২০১৩, পৃ. ৫৬

৫৩। মৰাণ, মোহণঃ সদ্যোক্ত, পৃ. ৫৬

৫৪। ৰাজখোৱা, অজন্তা ঃ মিছিং সংস্কৃতিৰ সুবাস, ২০১৫, পৃ. ৫৩

৫৫ ৰাজখোৱা, অজন্তা ঃসদ্যোক্ত, পৃ. ৫৩

৫৬। "বড়ো-কছাৰীসকলে মানুহৰ অঙ্গ-প্ৰত্যঙ্গবোৰৰ স্বাভাৱিক জন্মগত চিন, ৰেখাৰ ওপৰত নিৰ্ণয় কৰি, যাৰ গাত সেই মঙ্গলসূচক চিহ্ন থাকে সেই মানুহজনৰ দ্বাৰাই ধান খেতি ৰোৱা কাম আৰম্ভ কৰে। যেনে— যি মানুহজনৰ দুখন হাতৰ আঙুলিবোৰৰ মূৰত বেছিকৈ ঘূৰণীয়া চিনৰ দোণ আছেনাইবা আঙুলিবোৰ পোন কৰিলে চাৰিটা আঙুলিৰ মাজত ফাঁক নেথাকে নাইবা খোজ দিওঁতে ভৰিৰ তলুৱা সমানে মাটিত বহে নাইবা মূৰৰ পিছফালে তলৰ চুলি মাছৰ ফিচাৰ দৰে চিহ্নিত শেষ হৈছেনাইবা যি মানুহৰ আগফালৰ চুলিবোৰ সমুখৰ কপালৰ পৰা উভতি মূৰৰ ওপৰলৈ উঠিছে (মৌচৌ ছীলানায়) তেনে লক্ষণ থকা মানুহৰ দ্বাৰা পৰিয়ালে ধান খেতি ৰোৱা আৰম্ভ কৰি ধানৰ গুছি অটায়।" (দ্ৰষ্টব্য ঃ নাৰ্জী,

ভৱেন ঃ প্ৰাগুক্ত, পৃ ৫৬)

৫৭। হিন্দু শাস্ত্ৰ মতে নাৰীৰ যি চাৰি শ্ৰেণী আছে— তাতো ধনৱতী আৰু ধনহীনাৰ লক্ষণ আছে। পুষ্পিতা হোৱা দিনৰ লগ্ন বা যোগ অনুসাৰেও নাৰী এগৰাকী ভাগ্যৱতী নে ভাগ্যহীনা হ'ব তাক নিৰূপন কৰাৰ বিধান আছে। গৃহলক্ষ্মী ব্ৰত অৱলম্বন কৰি এনে দুৰ্ভাগ্য যোগ খণ্ডন কৰিব পৰা যায় বুলিও বিশ্বাস আছে। (দ্ৰষ্টব্য ঃ গ্ৰন্থখনত সন্নিবিষ্ট 'জনমানসত লক্ষ্মী-অলক্ষ্মীত ধাৰণা, 'শীতক নিবন্ধ।)

৫৮। গাঁৱত কথাই প্ৰতি ব্যক্তিবিশেষক লক্ষ্মীছাৰা বা অমঙ্গলীয়া আৰু হতভগীয়া বুলি গালি-শপনি পৰা বা নিজেও তেনেকুৱা বুলি ভাবি শোক কৰা বহুতকে দেখা যায়। যিজন পুৰুষ বা নাৰীয়ে তিনিবেলা গা ধুই, আহাৰ কৰে, শৌচ প্ৰস্ৰাৱ কৰি উঠি মাটি-পানী লোৱাই নহয় হাত-মুখ ধোৱে, গুৰু-গোসাঁইক মানে (তু. গুৰু গোঁসাই নমনা), বিহুৱে তিথিয়ে ডাঙৰক শ্ৰদ্ধা-ভক্তি কৰে, সুচৰিত্ৰবান বা গুণৱতী আৰু পিতৃ-মাতৃ স্বামী-শশুৰ-শাহুক দেৱতা বা দেৱী জ্ঞান কৰে তেঁৱেই এই গুণৰ অধিকাৰী হয় বুলি ভবা হয়। লক্ষ্মী চৰিত, ডাকৰ বচন আদিত এই বিষয়ে প্ৰভূত উদাহৰণ আছে।

পাতি ৰাভাসকলৰ মাজত সুগৃহিণীৰ লক্ষণ সংক্ৰান্তীয় এষাৰ আপ্তবাক্য আছে —

"অ আপী জানিবি অ আপী শুনিবি
পহিল চৰে ডাকতে উঠি ঘৰ-দুৱাৰ সাৰিবি।"

অৰ্থাৎ কুকুৰাই প্ৰথম ডাক দিওঁতে শুই উঠি যিগৰাকী জীয়ৰী বা গৃহিণীয়ে গৃহকৰ্ম সম্পাদন কৰে তেঁৱেই ৰাইজৰ মানত সুগৃহিণী। তেনে জীয়ৰীক বোৱাৰী হিচাপে পাবলৈ আটায়ে কামনা কৰে।

৫৯। এই বিশ্বাসৰ বশৱতী হৈ ৰভাত কইনাৰ কোঁচত থোৱা চাউল বিদায় পৰত আতৌ-পিতৌকৈ আঁজলি পাতি ভঁৰালত থোৱা, স্বামীগৃহত যাওঁতে এবাৰলৈ হ'লেও পিতৃগৃহৰ ফালে উভতি চোৱা আদি লোকাচাৰ গঢ়ি উঠিছে। "এই দেখি আজিও জীয়ৰী ছোৱালী উলিয়াই দিয়াতে তাই বাপেক-মাকৰ ফালে উভতি চাই যায়; নাচালে বাপেকৰ ঘৰৰ সকলোবোৰ বস্তু হেনো তাইৰ লগতে যায়।" (লক্ষ্মীনাথ বেজবৰুৱা; তুলা আৰু তেজা', বুঢ়ী আইৰ সাধু, ১৯১১, পৃ. ৯১)

সেইদৰে কিছুমান অঞ্চলত— "ঘৰৰ পৰা উলিয়াই দিয়া ছোৱালীক ধানৰ সঁচ দিয়া নহয়; ভঁৰালো চাবলৈ দিয়া নহয়। ঘৰৰ মুৰব্বীলোক লোকান্তৰ হ'লে ডলা এখনত বান্ধি ৰখা হয়। এই ধান তিনিদিনৰ দিনা লেখি চোৱা হয়; যদি হিচাপত মিলে তেন্তে সেই ধানৰ সঁচ নিয়া নাই বুলি ভবা হয়। উল্লেখযোগ্য যে যিবিধ ধান মৃতকৰ লগত হিচাপ কৰি ৰখা হয় সেই ধান এবছৰ বা তিনিবছৰলৈকে সঁচ লোৱা নহয়।" (উৎস ঃ বুঢ়াগোহাঞি, হেম ঃ প্ৰাগুক্ত, পৃ ৫৬)

কোনো কোনা অঞ্চলত গৃহস্থৰ মৃত্যু হ'লে শৱযাত্ৰাৰ আগে আগে তেওঁৰ ভৰিৰ বুঢ়া আঙুলি জুবুৰিয়াই ৰখা লোটাপানীৰে বাৰীৰ চৌপাশ, ঘৰৰ বাহিৰ-ভিতৰ বিশেষকৈ ভঁৰাল ঘৰ, গোহালি ঘৰ ছটিয়াই গৃহ-লক্ষ্মী বন্ধন কৰি ৰাখে।

৬০। বিহু-হুঁচৰিতে হওক বা মহোহৌ খেদা, বাম্বল পিটা, এউৰি মাগাতে হওক ৰাইজে গৃহস্থক ভৰাঁলত ধান আৰু গোহালীত গৰু হ'বলৈ আশীৰ্বাদ দিয়ে।

৬১। উৎস ঃ ক) বুঢ়াগোহাঞি, হেম ঃ প্ৰাগুক্ত, পৃ. ৪৩
খ) ৰাভা, ৰাজেন ঃ ৰাভা জনজাতি, ২০০২, পৃ. ১১৯

৬২। গাৰো সমাজত 'আছি মালজা' বা 'আছি নামজা'

(বেয়া বা পাপ) আৰু 'ডাক মালজা' বা 'ডাক নামজা' (অনুচিত কাৰ্য) হ'ল পৰম্পৰাগতভাৱে প্ৰবৰ্তিত হৈ অহা সামাজিক অনুশাসনমূলক ৰীতি-নীতিসমূহৰ মূল উৎস। কি কি কৰিলে 'আছি নামজা' পাপ হয় তাৰ ভিতৰত— খেতিপথাৰৰ শস্যৰোপন কৰাৰ দিনৰ পৰা শস্যৰ মুখত ফল পৰিদৃশ্যমান নোহোৱালৈকে খেতিপথাৰেদি যাওঁতে সুহুৰিয়াব নাপায় অৰ্থাৎ আছি নামজা। তেনে কৰিলে শস্য দেৱতাৰ ৰোষত পৰিব লাগে বুলি বিশ্বাস। ..... গাৰোসকলে উৎপাদিত প্ৰথম শস্য, ফলাদি শস্য দেৱতাৰ (মিছি ছালজং) নামত উছৰ্গা নকৰাকৈ অৰ্থাৎ ওৱানগালা উৎসৱ অনুষ্ঠিত নোহোৱালৈকে খোৱাটো আছি নামজা। ফলাদি উছৰ্গাৰ আগত খালে বা খাওঁতাক সাপে খুটে, বাঘে খায় বা দুৰ্ভিক্ষই দেখা দিয়ে বুলি গাৰোসকলৰ আদিম বিশ্বাস।'' (মাৰাক, মনোৰঞ্জন ঃ প্ৰাগুক্ত, পৃ. ৫,৭)

৬৩। ''হিন্দু সমাজত 'গোধন মহাধন'। কৃষকৰ পৰম বন্ধু গৰু 'গো লক্ষ্মী'ৰূপে পূজিত। মানুহে গৰু কিনি আনিলে গৰুক পানীৰে ভৰি ধুৱাই, শিঙত তেল ঘঁহি, ঘাঁহ-পানী খুৱাই আদৰি অনাৰ নিচিনা, বিক্ৰী কৰিব লগাত পৰিলেও অনুৰূপ নীতি নিয়মেৰে গো-লক্ষ্মীক সেৱা শুশ্ৰূষা কৰি শ্ৰদ্ধা জনায়। গো নিগ্ৰহ লক্ষ্মী নিগ্ৰহৰ সমতুল্য, গো নিগ্ৰহকাৰীৰ নৰকত বাস, এয়া লোকবিশ্বাস। গো লক্ষ্মীক আদৰ যত্ন কৰাৰ বাবে স্বয়ং লক্ষ্মীদেৱীয়ে 'শ্ৰীশ্ৰী লক্ষ্মীচৰিত্ৰ'ত মনুষ্য সমাজক আহ্বান জনাইছে এনেদৰে—

গো ধনক সদা যিটো কৰে উপকাৰ।
ধন ধান সম্পদক মিলাও আমি তাৰ।।

লক্ষ্মী সংক্ৰান্ত লোকবিশ্বাসৰ অন্য এটি তাৎপৰ্য হ'ল গোবৰত লক্ষ্মীৰ অধিষ্ঠান হেতু গোবৰ স্বৰ্ণতুল্য— 'খায় বন, দিয়ে সুবন''। মহাভাৰতত আছে গৰুৱে হেনো চঞ্চলা লক্ষ্মীদেৱীক গৰুৰ গোবৰ আৰু মূত্ৰৰ অধিষ্ঠান কৰিবলৈ প্ৰাৰ্থনা জনাইছিল। সেয়েহে, হিন্দু সমাজৰ প্ৰায় সকলো প্ৰকাৰৰ সেৱা, পূজা আৰু দৈনন্দিন জীৱনৰ বিভিন্ন কামত গৰুৰ গোবৰ আৰু খিচ্ অপৰিহাৰ্য। মুঠতে ধান, চাউল, ভাত, গৰু, গোবৰ ইত্যাদি লক্ষ্মীকেন্দ্ৰিক লোকবিশ্বাস লোকসমাজৰ আপুৰুগীয়া সম্পদ।'' (কলিতা, ফুলকুমাৰী ঃ'শ্ৰীশ্ৰী লক্ষ্মীদেৱীৰ পৰিচয় আৰু লোকবিশ্বাসত লক্ষ্মীদেৱীৰ স্থান', লোকসংস্কৃতিৰ সুবাস, ২০১৩, পৃ. ৬৬

৬৪। উৎস ঃ ভদ্ৰকান্ত বৰা ঃ 'অসমীয়া সমাজৰ লোকাবিশ্বাস আৰু বৈচিত্ৰ্যতা',অসমীয়া সমাজৰ লোকাচাৰ আৰু লোকবিশ্বাস, ২০১৪, পৃ. ১০৪

❒❒

# ৰাসলীলাঃ পুৰাতন ঐতিহ্য বিচাৰ (লোকায়তৰ পৰা আধ্যাত্মিকতা)

**কন্দৰ্প বৰপূজাৰী**
**চাপৰ, ধুবুৰী**

জয় জগন্নাথ জগতৰ আদিমূল
গোপৰূপ ধৰি হৰি তাৰিলা গোকুল।।
বৃন্দাবনে আনন্দে কৰিয়া ৰাসক্ৰীড়া
গুচাইলা গোবিন্দে গোপিকাৰ কামপীড়া।।

.....................

শৰত কালৰ ৰাত্ৰি আতি বিতোপন
বহুবিধ পুস্পে বিকশিত বৃন্দাবন।
দেখি যোগমায়া বলে হৰিষে তহিত
ৰাসক্ৰীড়া কৰিতে কৃষ্ণৰ ভৈল চিত।।

যমুনাৰ পাৰঃ বিবিধ ফুলেৰে জাতিস্কাৰ বৃন্দাবন; শৰতৰ শুভ্ৰ জোনাক বিকশিত ৰাতিৰ বৃন্দাবন; তাতেই জগতৰ গুৰু শ্ৰীকৃষ্ণই মোহন বাঁহী বজাই গোপীসকলৰ সহিতে আনন্দ নৃত্যঃগীতত আপ্লুত ৰাসক্ৰীড়া। ৰাস মানে হ'ল আনন্দ। মন প্ৰাণ ঢালি কৃষ্ণৰ সতে গোপীসবে আনন্দ ক্ৰীড়া। ৰাসক্ৰীড়াঃ আধ্যাত্মিক দৃষ্টিকোণৰ পৰা অথবা বেদান্ত দৰ্শনৰ শঙ্কৰাচাৰ্যৰ অদ্বৈতবাদৰ সৃষ্টভূমিত বিশ্লেষণ কৰিলে এই নৃত্য বা ক্ৰীড়া আত্মা পৰমাত্মাৰ মিলন। কৃষ্ণ পৰমাত্মাৰ প্ৰতীক আৰু গোপীসকল আত্মাৰ প্ৰতীক। আত্মাই অবিদ্যাৰ পৰা মুক্ত হৈ বিদ্যা (পৰমজ্ঞান) অৰ্জন কৰি পৰমাত্মাৰ লগত বিলীন হোৱাৰ প্ৰচেষ্টাই হ'ল ৰাসলীলাৰ ব্যঞ্জনাময় গূঢ়াৰ্থ। ভগৱত পুৰাণেওঁ উক্তৰ ৰাসলীলাৰ ৰাসকথাৰ মাজেৰে অদ্বৈতবাদৰ তত্বৰ বিচাৰ বিশ্লেষণ কৰিছে। এনে ৰূপকথা তাত্বিক দৰ্শনে ভাৰতীয় মহাজীৱনক যুগে যুগে বিশ্বাসেৰে আলোকিত কৰি আহিছে। এয়ে আমাৰ বিশ্বাস আৰু প্ৰত্যয়।

আনহাতে স্থুল দৃষ্টিৰে আমি ইয়াত নাৰী-পুৰুষৰ কামদীপ্ত যৌনগন্ধী নৃত্যগীত বুলি ক'ব পাৰো। নে আমাক অপৰাধবোধে স্পৰ্শ কৰিব? কিন্তু যুগে যুগে মানুহক জ্ঞান অন্বেষণ সত্যৰ সন্ধান দিছে। ভাৰতীয় জনজীৱনৰ বিশ্বাসত আঘাত নপৰাকৈ আমি ইয়াৰ উৎসকেন্দ্ৰিক তথ্যসমূহ জুকিয়াই চাব নোৱাৰো নে? ৰাসলীলায়ে অতি পুৰাতন

কালৰ মৌন প্ৰধান সামাজিক অনুষ্ঠানৰ ৰূপান্তৰ এই ধাৰণাই আমাক আশ্চৰ্য কৰে। অকল এয়ে নহয় পৃথিৱীত বহুতো ধৰ্ম ধাৰণাত যৌনতাই ক্ৰিয়া কৰিছিল বুলি বহুতো গৱেষক পণ্ডিতে প্ৰকাশ কৰিছে অতি প্ৰাচীন কালৰে পৰা কামৰূপ কামাখ্যা মন্দিৰত যোনি পূজা আৰু উপাসনা, শিৱলিঙ্গৰ উপাসনা মন কৰিবলগীয়া। আদিম মানুহে যৌনাঙ্গক বিস্ময়কৰ বুলি ধাৰণা কৰিছিল; আৰু এনে ধাৰণাসমূহে মানুহক যৌনাঙ্গৰ উপাসনা অনুপ্ৰাণিত কৰিছিল। বিস্ময় আৰু বিশ্বাস ইয়ে কিছুমান আচাৰ অনুষ্ঠানৰ জন্ম দি ধৰ্মীয় ধাৰণাৰে ঈশ্বৰ দেৱ-দেৱীক প্ৰতীকি ৰূপত স্থাপন কৰিছিল। ভাৰতবৰ্ষত আজিও কিছুমান মঠ মন্দিৰত যৌন উদ্দীপক চিত্ৰ, ভাস্কৰ্য খোদিত আছে। উদাহৰণ হিচাপে খেজুৰাহো ভাস্কৰ্য চিত্ৰ, কোণাৰ সূৰ্য মন্দিৰত খোদিত শৈল চিত্ৰ, আৰু আমাৰ অসমৰ মদন-কামদেৱ দেৱালয়ৰ কথা কব পাৰি। এনে যৌনগন্ধী চিত্ৰ ভাস্কৰ্যৰ প্ৰকৃতি পুৰুষৰ মিলনে সৃষ্টিৰ ৰহস্যৰ বিস্ময় বিশ্বাস প্ৰতিস্থা কৰিছিল; আন এটা দিশে বেদান্ত ভিত্তিক পৰমাৰ্থৰ বাবে আত্মাৰ সংযমৰ পৰীক্ষা লৈছিল।

সমাজ বিজ্ঞানীৰ মতে-আদিম মানুহৰ বুদ্ধিমত্তাই প্ৰাণীজগত বা জীৱজগতৰ উৎপত্তিৰ বিজ্ঞানসন্মত জ্ঞানৰ অভাৱৰ ৰহস্যৰ মাজত সোমাই পৰিছিল; আৰু তাৰ মাজতে মনৰ মাজত দৈব শক্তিৰ বা নতুন দেৱতাৰ অস্তিত্ব বিচাৰি পাইছিল। এনেবোৰ কথাৰ পৰা সময়ত ধৰ্ম ধাৰণাই স্থিতি লৈছিল। দেৱ-দেৱী অথবা ঈশ্বৰৰ সৃষ্টি মানুহৰ বিশ্বাসৰ ওপৰত প্ৰতিষ্ঠিত। প্ৰাচীন কালৰে পৰা ধৰ্মৰ সতে যৌনাচাৰৰ সম্পৰ্কৰ কথা ভাৰতৰ মূৰ্ত্তি ভাস্কৰ্যই আঙুলিয়াই দিয়ে। ৰাসলীলাত কৃষ্ণ-গোপিনীৰ নৃত্য বৰ্ণনাত পুৰাণসমূহৰ উল্লিখিত যৌনাচাৰৰ ঐতিহাসিক পৃষ্ঠভূমি বিচাৰ্য্যৰ বিষয়। যৌনমূলক নৃত্য উপাস্য দেৱতাৰ উপাসনাৰ প্ৰক্ৰিয়া খৃষ্টপূৰ্ব বহু হাজাৰ বছৰ আগৰ। সমাজ বিজ্ঞানী WOE Oesterly ৰ মতে পৃথিৱীৰ প্ৰতিটো প্ৰাচীন সভ্যতা আৰু ধৰ্মৰ ইতিহাসত যৌনগন্ধী নৃত্যৰে দেৱ-দেৱীক উপাসনাৰ তথ্যভিত্তিক প্ৰমাণ পোৱা যায় এজন পুৰুষক কেন্দ্ৰ কৰি বহু নাৰীয়ে নৃত্যগীত কৰাৰ প্ৰমাণ পৃথিৱীৰ বিভিন্ন সভ্যতা সংস্কৃতিত পোৱা যায়। স্পেইন দেশৰ এটা শৈল গুহাত খোদিত এনে নৃত্য চিত্ৰ ভাস্কৰ্য্য আবিস্কৃত হৈছে। অকল ইমানে নহয় প্ৰাচীন গ্ৰীক আৰু মেচোপটেমিয়া সভ্যতা এনে নিদৰ্শন পোৱা যায়।

এতিয়া আমি আহোঁ ৰাসক্ৰীড়াৰ প্ৰসঙ্গলৈ। কৃষ্ণকেন্দ্ৰীক এনে ৰাসলীলাৰ বৰ্ণনা কৰোতে পুৰাণ গ্ৰন্থ সমূহত এনে নৰ-নাৰীৰ নৃত্যৰ উৎস পোৱা যায়। মানৱ সভ্যতা সদায় গতিশীল আৰু ৰূপান্তৰেৰে আগবাঢ়ে। খৃষ্টীয় পূৰ্ব কালতে সভ্যতা বিকাশত পূৰ্বৰ যৌন প্ৰধান ক্ৰিয়াবোৰ পৰিশোধন পৰিবৰ্জন কৰি পৰৱৰ্ত্তী সময়ত নিজ নিজ দেৱ দেৱীৰ নৃত্যৰে উপাসনা প্ৰৱৰ্ত্তিত হ'ল। কৃষ্ণক কেন্দ্ৰ কৰি গোপী সকলৰ নৃত্য ৰাসলীলা বা ৰাসক্ৰীড়া বৰ্ণনা ভাগৱত পুৰাণ, হৰিবংশ, বিষ্ণুপুৰাণ, ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ আদিত পোৱা যায়। পুৰাণ সাহিত্যৰ আগত ভাৰতীয় প্ৰাচীন সাহিত্যত এজন পুৰুষ কেন্দ্ৰীক বহু নাৰীৰ নৃত্য, পোৱা নাযায়। প্ৰথম বেদ ঋকবেদত 'সমন' নামৰ এক নৃত্যানুষ্ঠানৰ উল্লেখ পোৱা যায়। দিনৰ ভাগত খেল-ধেমালি আৰু নিশালৈ স্ত্ৰী-পুৰুষ উভয়ৰে প্ৰাণ ঢালি কৰা নৃত্য। ঋকবেদৰ পৰাই ভাৰতত আৰ্য্য সভ্যতাৰ বিকাশৰ যুগ। এই ঋকবেদৰ উল্লিখিত 'সমন' উৎসৰে যে পুৰাণৰ কালৰ ৰাসক্ৰীড়া উৎস এই বিষয়ে বহুতো সমাজবিজ্ঞানীৰ লগতে সু সাহিত্যিক গৱেষক ড০ প্ৰহলাদ কুমাৰ বৰুৱাই আঙুলিয়াই দিছে। ঋকবেদ প্ৰাক খৃষ্টপূৰ্ব কালৰ ৰচনা গতিকে সমন উৎসৱ সেই সময়ৰ পৰা

প্ৰচলিত। পৰৱৰ্ত্তী কালত আৰ্য সকলে প্ৰাক বৈদিক কালৰ বহু অনুষ্ঠান সংস্কাৰ সাধন কৰে। উত্তৰ বৈদিক কাল পুৰাণ কালত পোণতে হৰিবংশ 'হল্লীশ ক্ৰীড়া' উল্লেখ আছে। হৰিবংশ মতে কৃষ্ণই গোৱৰ্দ্ধন ধাৰণ কৰি গোকুল বাসীক ৰক্ষা কৰাৰ পাছত গোকুলবাসীয়ে খেল-ধেমালি, নৃত্যগীত শৰত কালত আয়োজন কৰে। কৃষ্ণ আৰু গোকুলবাসীয়ে ষাড় গৰু দৌৰাই খেল প্ৰতিযোগিতা কৰিছিল। আৰু ৰাতি কৃষ্ণই গোকুল নাৰীৰ সতে নৃত্যানুষ্ঠান কৰিছিল। ঋকবেদৰ 'সমন' উৎসৱত হৰিবংশৰ হল্লীশ ষাড়গৰুৰ পৰিবৰ্ত্তে ঘোঁৰা দৌৰ খেলিছিল। আৰু ৰাতি স্ত্ৰী-পুৰুষ একেলগে নাচ গান কৰিছিল। অৱশ্যে হৰিবংশই ৰাসক্ৰীড়া শব্দ ব্যৱহাৰ নকৰি 'হল্লীশ' আৰু 'ছাল্লিক্য' শব্দ ব্যৱহাৰ কৰিছে। হল্লীশ মানে খেল ধেমালি; ছাল্লিক্য মানে নৃত্যগীত। 'ব্ৰহ্মবৈৱৰ্ত পুৰাণ'ৰ শ্ৰীকৃষ্ণ জন্মখণ্ডত ৰাসলীলাৰ বৰ্ণনা হৰিবংশতকৈ বেলেগ দিয়া হৈছে। গোপীসকলৰ সৈতে কৃষ্ণই নৃত্য কৰোতে কৃষ্ণই ৰাধাৰ সৈতে অষ্ট চুম্বন আৰু ষোড়শ প্ৰকাৰ শৃঙ্গাৰৰ বিৱৰণ আছে। আনকি কামকেলিত কৃষ্ণই ৰাধাৰ আৰু ৰাধাই কৃষ্ণৰ বস্ত্ৰ খুলি পেলাইছে। এই ৰাসলীলাৰ দৰ্শক আছিল অলেখ ঋষি মুণি, গোপ, দেৱগন আদি। ইয়াৰ ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণত এনে যৌনাচাৰ আছিল সমাজ সিদ্ধ। অৱশ্যে পুৰাণখনে কৃষ্ণ যে পৰম পৰমব্ৰহ্মা এই কথা কবলৈ পাহৰা নাই।

বিষ্ণু পুৰাণৰ মতে- শৰত কালত যমুনা নদীৰ পাৰত গোপ সমিন্নিতে কৃষ্ণ বলোৰামে গীত বাদ্যৰে নাচ গান কৰিছিল। গোপী সকলেও কৃষ্ণ প্ৰেমত আকুল হৈ কৃষ্ণক ওচৰত পাবলৈ বিচাৰিলে; আৰু কৃষ্ণক মাজত লৈ আটাইয়ে বৃত্তাকাৰে নৃত্যগীত কৰিলে লগতে জগতৰ গুৰু কৃষ্ণ কৃষ্ণ বুলি আবেগ বিহ্বল হৈ পৰিল। বিষ্ণুপুৰাণৰ ৰাসক্ৰীড়া বৰ্ণনাত কোনো অশ্লীলতা নাই। বৰং কৃষ্ণ সকলোতে ব্যাপ্তমান, প্ৰকাশমান বুলি কৈছে। উল্লেখযোগ্য যে হৰিবংশ আৰু ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণৰ ৰাসক্ৰীড়াক বিষ্ণুপুৰাণে পৰি সংস্কৃত কৰি বেদান্ত ব্ৰহ্মতত্ব ৰূপ দিলে। কৃষ্ণ পৰমব্ৰহ্ম। সকলোতে ব্ৰহ্ম বিদ্যমান। আনহাতে ভক্তিবাদকো ৰাসলীলাৰ সৈতে সিদ্ধ সমীকৰণ ঘটালে।

পুৰাণ সমূহৰ ভিতৰত ভাগৱত পুৰাণে ভাৰতীয় মহাজীৱনত মুখ্য ভূমিকা গ্ৰহণ কৰিছে। গীতা পিছতে ভাগৱত শাস্ত্ৰখনত মানুহে পৰম শ্ৰদ্ধা আৰু ভক্তি স্থাপন কৰি আহিছে। ভক্তি ধৰ্মৰ লগতে এই গ্ৰন্থক আদৰ্শ পথেয় বুলি ভাবে। ভাগৱত পুৰাণত ভক্তি ধাৰা সবল ৰূপ প্ৰবাহিত হৈছে। মহাপুৰুষ শঙ্কৰদেৱে ভাগৱত দশমত ৰাসলীলাৰ বৰ্ণনা আৰ্হিত ৰচনা কৰিছে আৰু ইওঁ শৃঙ্গাৰাত্মক। কিন্তু ভাৰতীয় বেদান্ত দৰ্শনৰ অদ্বৈতবাদ আৰু ভক্তিবাদৰ মাজেৰে ইয়াৰ শালীন ৰূপ দিছে।

কৰি হৰি হৰিসে সবাতো ৰাসক্ৰীড়া
গুচাইলা সমস্তে গোপিকাৰ কামপীড়া।।১৫২৬
যিটো কৃষ্ণে আছা ইটো জগতক ঘুৰি
ফুৰৈ কোটি ব্ৰহ্মাণ্ড নোমৰ গুৰি গুৰি।।১৫২৭

"ইটো কামজয় কৃষ্ণৰ কথা-শুনা নৰদেহ নকৰা বৃথা— আদি কথাৰে মহাপুৰুষজনাই লৌকিক শৃঙ্গাৰাত্মক কাৰ্য্যক আধ্যাত্মিক স্তৰলৈ নিস্পন্ন কৰিছে। এতিয়া দোষ দুষ্টত কোনোকে নাপায়। ৰাসলীলাৰ বাহ্যিক স্থুৰ ৰূপ ভাগৱত দশমতে পৰিহাৰ কৰি আধ্যাত্মিক ভাবেৰে স্বৰ্গানুভূতি দিছে। ইহলৌকিক অবিদ্যাৰ পৰা মুক্ত হৈ পাৰলৌকিক বা পাৰমাৰ্থিক জ্ঞানৰ সন্ধান দিছে।

এতিয়া আমি দেখিলো যে ৰাসলীলাৰ উৎপত্তি হৈ হৰিবংশ, ব্ৰহ্মবৈৱৰ্ত্ত, বিষ্ণুপুৰাণৰ পৰা ভাগৱত

পুৰাণলৈ ৰূপান্তৰ ঘটিছে। হৰিবংশৰ হল্লীশ আৰু ছাল্লিক্যই ৰাসলীলাৰ জন্মেয় উপাদান নহয়নে ? নে শতিকাপূৰ্ব ৰচিত ঋকবেদৰ 'সমন' উৎসৱ ৰাসক্ৰীড়াৰ বীজ ৰোপণ কৰিছে। প্ৰত্যেক দেশৰে লোক বিশ্বাসৰ ওপৰত নিৰ্ভৰ কৰি ধৰ্ম ৰীতি-নীতি আচাৰ অনুষ্ঠান গঢ় লৈ উঠে অৱশ্যে সময়ৰ বিৱৰ্ত্তণত ই ৰূপান্তৰ হয়। ৰাসলীলাত আদিম চিন্তাধাৰা আৰু জৈৱিক আচৰণৰ উপাদান থাকিলেও আজি পাৰমাৰ্থিক জ্ঞানৰে ভক্তিমাৰ্গত নিস্পন্ন হৈছে। লোকায়তৰ পৰা আধ্যাত্মিকতালৈ উত্তৰণ। আজিও ভাগৱত দশমে মানুহৰ মন প্ৰাণ আচ্ছন্ন কৰি ৰাখিছে; আৰু ভাগৱতত বৰ্ণিত ৰাসলীলাত অৱগাহণ কৰি পৰম প্ৰশান্তি লভিছে।❒❒

*সহায়ক গ্ৰন্থপঞ্জী*—

১। ভাগৱত (১০ম স্কন্ধ)ঃ শ্ৰীশ্ৰী শঙ্কৰদেৱ

২। ধৰ্ম সাহিত্য সংস্কৃতিঃ ড০ প্ৰহলাদ কুমাৰ বৰুৱা

৩। বেদৰ পৰিচয়ঃ ড০ যোগীৰাজ বসু

৪। শ্ৰীকৃষ্ণৰ তত্বকথাঃ লক্ষ্মীনাথ বেজবৰুৱা

# শৰতৰ ৰাসোৎসৱ

ভানু পাঠক
বঙাইগাঁও

কীৰ্তন ঘোষাত আছে--
"শৰৎ কালৰ ৰাত্ৰি অতি বিতোপন
ৰাস -ক্ৰীড়া কৰিতে কৃষ্ণৰ ভৈল মন।"

কঁহুৱাৰ আঁৰে আঁৰে বিৰিণাৰ কাষে কাষে
নীলাকাশৰ শুভ্ৰ তুষাৰৰ স'তে লুকা ভাকু খেলি নামি আহিছে শৰৎ ধৰালৈ।

ছয় ঋতুৰ ভিতৰত এক অনন্য আৰু অনুপম ঋতু হ'ল শৰৎ। বৰ্ষাৰ অন্তত শৰৎ আহে শাৰদী ৰাণী হৈ। বৰ্ষাৰ ৰিম্ ঝিম্ বৰষুণজাকে সেউজীয়া ধৰণীক ধুই নিকা কৰিলে।

শৰতৰ সুৱাসত সকলোৰে মন-প্ৰাণ পুলকিত হ'য়। প্ৰকৃতি অনবদ্য ৰূপত গঢ় লৈ উঠে। আকাশত শুকুলা ডাৱৰে লুকা - ভাকু খেলে। শেৱালিৰ আমোল মোল গোন্ধে দেহ-মন শিহঁৰিত কৰে। নানা তৰহৰ ফুল সুৱাসিত হৈ উঠে। ধৰালৈ শক্তি ৰূপিনী, দুৰ্গতি নাশিনী দেৱী দুৰ্গাৰ আগমণ ঘটে। শৰৎ কালতে বিশ্বকৰ্মা পূজা, লক্ষ্মী পূজা, কালি পূজা, গণেশ পূজা, বাসন্তী পূজা আদি অনুষ্ঠিত হ'য়। কালি পূজাৰ লগতে অনুষ্ঠিত হ'য় দীপাৱলী। দীপাৱলীয়ে সকলোৰে মন যেন পোহৰাই তোলে।

শৰৎ কালৰ পূৰ্ণিমা ৰাতি আৰম্ভ হ'য় ৰাস উৎসৱ। চৌ দিশ হৈ পৰে বৃন্দাবনময়। এই ৰাসোৎসৱত ল'ৰাৰ পৰা বুঢ়ালৈকে সকলোৱে আনন্দত মতলীয়া হৈ পৰে।

শৰৎ কালতে অনুষ্ঠিত আমাৰ অতিকৈ চেনেহৰ কাতি বিহু। কাতি বিহুত সন্ধিয়া সময়ত তুলসী তলত চাকি-বন্তি জ্বলোৱাৰ লগতে ধাননি পথাৰতো চাকি দিয়া হয়। সন্ধিয়া সময়ত সকলোৱে তুলসী তলত গায়-

" তুলসীৰ তলে তলে মৃগ পহু চ'ৰে।
তাকে দেখি ৰামচন্দ্ৰই হৰধনু ধৰে।।

সেয়ে ক'ব পাৰি শৰৎ ঋতুয়ে প্ৰকৃতি জগতক অনন্য মাত্ৰা প্ৰদান কৰাৰ লগতে মানুহৰ মনবোৰো ৰঙিন কৰি তোলে।

উৎসৱবোৰৰ মাজত লেখত ল'বলগীয়া উৎসৱ - "ৰাসোৎসৱ"। অসমৰ বৈষ্ণৱ ভক্ত সমাজত ৰাস উৎসৱক এক পবিত্ৰ উৎসৱ হিচাপে গণ্য কৰা হ'য়। সত্ৰ অনুষ্ঠান সমূহত সৰু সৰু লৰা- ছোৱালীক কৃষ্ণ-গোপী সজাই শ্ৰীকৃষ্ণৰ বৃন্দাবনী লীলাৰ নৃত্য-গীতৰ

আয়োজন কৰা হ'য়। উজনি অসমৰ সত্ৰ সমূহত "ৰাস উৎসৱ" মূলত নৃত্য-গীত তথা অভিনয় প্ৰধান। নামনি অসমৰ হেলনা শালকোচা পুখুৰী পাৰৰ ৰাস সবাতোকৈ পুৰণি, আৰু নলবাৰীৰ ৰাস সবাতোকৈ আড়ম্বৰ বুলি কোৱা হ'য়। নামনি অসমৰ বঙাইগাঁৱৰ ৰাস উৎসৱ মূলত পূজা প্ৰধান হৈ ৰাধা কৃষ্ণৰ যুগল মূৰ্তিৰ উপাসনা কৰা দেখা যায়। সাম্প্ৰতিক কালত বঙাইগাঁও ৰাস উৎসৱ ভাওনা আদি অনুষ্ঠান পৰিবেশনেৰে এক আড়ম্বৰপূৰ্ণ অনুষ্ঠানত পৰিণত হৈছে।

শৰৎ কালৰ অপূৰ্ব ৰূপত এদিন পৰম ব্ৰহ্ম ভগৱান শ্ৰীকৃষ্ণ মুগ্ধ হৈ যমুনাৰ বালিত গোপিনীসকলক লৈ ৰাস-মহোৎসৱ পাতিছিল।

শৰতৰ পূৰ্ণিমাত ভগৱান শ্ৰীকৃষ্ণৰ বাঁহীৰ সুৰে গোপীসকলক মতলীয়া কৰি তুলিছিল। ৰস আৰু আনন্দৰ এই পৰম প্ৰেমে আজিও মানুহৰ হৃদয়ত আলোড়নৰ সৃষ্টি কৰে। এই ৰাস- উৎসৱৰ মুখ্য ভূমিকা গ্ৰহণ কৰে গোপিনী সকলে। শ্ৰীকৃষ্ণৰ গুণানুকীৰ্তন কৰি গোপিনীসকলে পৰম ভক্তিৰে ভগৱানৰ লগত বিলীন হোৱা প্ৰক্ৰিয়াটোৱে ধৰি ৰাখিছে ৰাস-উৎসৱৰ গূঢ় দাৰ্শনিক তত্ত্ব। ৰাস-লীলা সেয়ে শ্ৰী কৃষ্ণৰ লগত গোপিনীসকলৰ আত্মিক সম্পৰ্ক প্ৰতিষ্ঠাৰ উৎসৱ। শ্ৰীকৃষ্ণৰ বিশ্ব বিমোহন বাঁহীৰ সুৰত পৰনাৰী গোপীসকল আকৰ্ষিত হৈ বাউলী হৈ পতি-পুত্ৰক এৰি লোক অপবাদক ভয় নকৰি সকলো বাধা নেওঁচি বৃন্দাবনলৈ ঢাপলি মেলে আৰু শ্ৰীকৃষ্ণৰ লগত ৰাসলীলাত প্ৰবৃত্ত হ'য়। ৰাসলীলাত পৰনাৰী গোপিনী সকলৰ মাজত জীৱাত্মাৰ লগত পৰমাত্মাৰ আলিংগনৰ অভিনয় স্বৰূপ। ইয়াত সম্ভোগ নাই, আনন্দ আছে। মোহনধাৰী যদুপতিৰ মাহাত্ম্যত প্ৰজ্বলিত হৈ আছে নাৰীৰ সত্বা উপলব্ধিৰ মহান তত্ত্ব। কৃষ্ণ প্ৰেমৰ ৰাগীত বিমুগ্ধ নাৰীসব কৃষ্ণৰ চৰণত ভক্তি ৰস বোৱাই দিয়ে। ভগৱান শ্ৰীকৃষ্ণ পত্নী প্ৰেমৰ অত্যন্ত প্ৰেমিক। আনফালে গোপীসকলৰ সৈতে অংগ কেলি। ৰাধা অবিহনে কৃষ্ণ প্ৰেম অসম্পূৰ্ণ। সেয়ে ৰাধাকৃষ্ণৰ অনন্ত স্বৰ্গীয় প্ৰেমৰ ধাৰাৰ সনাতন উপলব্ধিৰ সৃষ্টি। গোপীসকলৰ বিলাপ আত্মীয়তা, প্ৰেম-ভালপোৱা, মৰম, ভক্তি, বিশ্বাস আৰু আস্থাৰ সমাবেশত আত্মা-পৰমাত্মাৰ মিলনৰ এক আধ্যাত্মিক দিশ বাস্তৱ ৰূপত পৰিস্ফুট হৈছে। ভগবান শ্ৰীকৃষ্ণ সদায় ভক্তৰ অধীন। সকলো ভক্তি সকলো প্ৰকাৰে সুৰক্ষা প্ৰদানেই তেওঁৰ ধৰ্ম। ইয়াতে ভগবান শ্ৰীকৃষ্ণৰ ১০৮টা নাম উল্লেখ কৰা হ'ল --

ভগৱান শ্ৰীকৃষ্ণৰ ১০৮ টা নাম হৈছেঃ -

১। কৃষ্ণ।
২। কমলনাথ।
৩। বাসুদেৱ।
৪। সনাতন।
৫। বাসুদেৱাত্মজ।
৬। পুণ্য।
৭। লীলামানুষ বিগ্ৰহ।
৮। শ্ৰী বৎস্য কস্তো বাধাৰীয়।
৯। যসুদা বৎস্যলা।
১০। হৰি।
১১। চতুৰ্ভূৰ্জাত চক্ৰাসিংদা।
১২। চাখামবুজা যুদায়োজাই।
১৩। দেৱাকীনন্দ।
১৪। শ্ৰীসয়।
১৫। নন্দগোপা প্ৰিয়তমা।
১৬। যমোনাবেগা সংহাৰ।
১৭। বলভদ্ৰ প্ৰিয়নোজ।

১৮। পুতনাজীৱিত হৰ।
১৯। শক্তাসুৰ মঞ্জুলা।
২০। চচ্চিদানন্দ বিগ্ৰহ।
২১। নৱনীত ভিলিপতঙ্গা।
২২। নৱনীতা ভিলিপতঙ্গা।
২৩। নন্দব্ৰজ জনানন্দিত।
২৪। মচোকুণ্ড প্ৰসাদক।
২৫। সদাচাস্ত্ৰি সহশ্ৰে।
২৬। ত্ৰিভঙ্গী।
২৭। মধূৰাকৃৎ।
২৮। শূকোৰাগ মৃতাব্দিন্দৰে।
২৯। গোৱিন্দ।
৩০। য়োগীপতী।
৩১। বৎস্যৰতী চৰায়
৩২। অনন্ত।
৩৩। ধেনুকাচুৰা ভানজানয়া।
৩৪। তৃনীকৃত তৃণভাৰতা।
৩৫। যমলাৰ্জুন বন্দনা।
৩৬। উত্তলী তাল ভেত্ৰে।
৩৭। তমল শ্যামল কৃতা।
৩৮। গোপা গোপীচৰ।
৩৯। য়োগী।
৪০। ইলাপতী।
৪১। কোটী সূৰ্য সমপ্ৰভা।
৪২। প্ৰসময় জ্যোতিস।
৪৩। যাদৱবেন্দ্ৰ।
৪৪। যদূৰবাহায়া।
৪৫। বনমালিনী।
৪৬। পিতা বচচে।
৪৭। পাৰিজাতাপ হাৰকায়।
৪৮। গোবৰ্ধনচলী ধৰতেৰয়া।
৪৯। গোপাল।
৫০। সৰ্বপালকায়।
৫১। অজয়।
৫২। নিৰঞ্জন।
৫৩। কামজনক।
৫৪। কানজালোচনা।
৫৫। মধুঘ্নে।
৫৬। মথুৰানাথ।
৫৭। দোৱাৰকা নায়ক।
৫৮। বলি।
৫৯। বৃন্দাবনান্ত সঞ্চাৰীনি।
৬০। তুলসীদাস ভূশনায়।
৬১। শ্যামন্তক মনহেত্ৰে।
৬২। নৰনাৰায়ণ।
৬৩। কোজ্জা কৃষ্ণাৰৰ ধৰায়।
৬৪। মায়িনী।
৬৫। পৰমপুৰুষ।
৬৬। মুস্তিকাচূৰা চাণূৰ।
৬৭। চামচৰা ভৈৰৱী।
৬৮। কামচাৰীৰ।
৬৯। মূৰাৰী।
৭০। নাৰাকান্তক।
৭১। আনন্দী ব্ৰহ্মাচাৰী।
৭২। কৃষ্ণাব্যাসন কৰ্শৰ্ক।
৭৩। শিশুপাল শিৰচেত।
৭৪। দূৰ্যধন কূলাতকৃত।
৭৫। বিদুৰাক্ৰৰ বৰ্দ।

৭৬। বিশ্বৰূপ প্ৰদৰ্শক।
৭৭। সত্যবাছে।
৭৮। সত্য সঙ্কল্প।
৭৯। সত্যভামাৰতা।
৮০। জয়ী।
৮১। সুভদ্ৰা পূৰ্বজ।
৮২। বিষ্ণু।
৮৩। ভীষ্ম মুক্তি প্ৰদায়ক।
৮৪। জগতগুৰু।
৮৫। জগন্নাথ।
৮৬। বেণুনাথ বিশাৰদ।
৮৭। বৃসভাসুৰ বিধ্বংসী।
৮৮। বাণাসুৰ কৰান্তকৃত।
৮৯। যুধিষ্টিৰ প্ৰতিষ্ঠাত্ৰে।
৯০। বহিৰ্বিশ্বেৰ (বৰ্হি বহাৰন্তক)
৯১। পাৰ্থসাৰথি।
৯২। অব্যয়ক্ত।
৯৩। গীতামৃত মহোদধী।
৯৪ ।কালিয়ফণি মাণিক্য(ৰঞ্জিতা শ্ৰীপদ্মভূজা)।
৯৫। দামোদৰ।
৯৬। যজ্ঞভোক্ট।
৯৭। দানবেন্দ্ৰ বিনাশক।
৯৮। নাৰায়ণ।
৯৯। পৰব্ৰহ্মা।
১০০। পন্নগাশন বাহন।
১০১। জলক্ৰীদা হমাসক্ত গোপীবস্ত্ৰ প্ৰকাশক।
১০২। পুণ্য শ্লোক।
১০৩। তীৰ্থকৰ।
১০৪। বেদবৈদ্ব।
১০৫। দয়ানিধি।
১০৬। সৰ্বভূতাত্মকা।
১০৭। সৰ্বগ্ৰহৰূপী।
১০৮। পৰাতপুৰায়।

কাতি মাহৰ পূৰ্ণিমা তিথিত ৰাস-মহোৎসৱ বঙাইগাঁৱৰ লগতে অসমৰ চুকে-কোনে বিভিন্ন ঠাইত এই ৰাসোৎসৱ উলহ-মালহেৰে পালন কৰা হ'য়। আমাৰ বঙাইগাঁৱত এই ৰাসোৎসৱ প্ৰায় পোন্ধৰ দিনলৈকে ৰাইজৰ উচাহ-উদ্দিপনাৰে বিভিন্ন কাৰ্যসূচীৰে পালন কৰা হ'য়।

উজনি অসমৰ মাজুলীত উৎপত্তি হোৱা ৰাস-মহোৎসৱ বৰ্তমান অসমৰ বিভিন্ন ঠাইত পালন কৰা দেখা যায়। অসমত ৰাস-উৎসৱ সত্ৰ সমূহত পালন কৰাৰ উপৰিও বিভিন্ন ঠাইত কৃষ্ণ-লীলাৰ পুতলা-ৰাসৰ প্ৰদৰ্শনী হ'য়। বুৰঞ্জী প্ৰসিদ্ধ শিৱসাগৰ জিলাৰ বিভিন্ন ঠাইত ৰাস-উৎসৱ পালন কৰা হ'য়। তাৰ ভিতৰত চাৰিং হাফলুটিং, ফুলপানিছিগা, দিছিয়াল, কোঁৱৰপুৰ আদি উল্লেখযোগ্য। আনহাতে, শৰৎ কালৰ পূণিমা তিথিত পালন কৰা ৰাস-উৎসৱ মাজুলী বাসীৰ বাবে মুখ্য উৎসৱ। মাজুলীৰ সত্ৰ সমূহকে ধৰি প্ৰায় পঞ্চাশটি মান মঞ্চত পালন কৰা ৰাস-মহোৎসৱ দৰ্শকৰ বাবে আকৰ্ষণীয় কেন্দ্ৰ হিচাপে পৰিগণিত হৈছে। আটাইতকৈ আমোদজনক কথা যে, উজনিৰ ৰাস-মহোৎসৱত অভিনয় কেন্দ্ৰিক, অৰ্থাৎ ইয়াত মানুহে অভিনয় কৰে।

নামনি অসমৰ নলবাৰী, শুৱালকুচি, হাউলি, টিহু, পলাশবাৰী বঙাইগাঁও আদি বিভিন্ন ঠাইত ৰাস মহোৎসৱ পালন কৰা দেখা যায়। নামনিৰ ৰাস-মহোৎসৱ আচলতে মূৰ্তি কেন্দ্ৰিক। শ্ৰীকৃষ্ণৰ বিভিন্ন কাৰু-কাৰ্যবোৰ মূৰ্তিৰ দ্বাৰাই উপস্থাপন কৰা হ'য়। দৰাচলতে আজি-কালি

ৰাস- মহোৎসৱ ঠাই ভেদে কেইবাদিনীয়াকৈ পালন কৰা দেখা যায়।

ৰাস পূৰ্ণিমাৰ ৰাতি ফৰকাল আকাশ,

কোমল স্নিগ্ধ শীতল জোনাকত সভক্তিৰে কৃষ্ণক বিচাৰি হাঁহাকাৰ কৰা গোপিনীসকলে শ্ৰী শ্ৰী কৃষ্ণৰ গুণানুকীৰ্তন কৰি, তেওঁৰ লীলা সমূহ বৰ্ণনা কৰি প্ৰকৃতাথৰ্ত শ্ৰী শ্ৰী কৃষ্ণৰ মাহাত্ম্য জন-সমাজত প্ৰচাৰ কৰে। বৈষ্ণৱ ধৰ্মগুৰু সকলে প্ৰকৃততে শ্ৰী কৃষ্ণৰ মাহাত্ম্য বৰ্ণনাৰ বা লীলা বৰ্ণনাৰ এক মাধ্যম হিচাপে ৰাস-লীলা ব্যৱহাৰ কৰিছে। মূল নাটকীয় উপাদানখিনি আহিছে শ্ৰী শ্ৰী কৃষ্ণই মথুৰা এৰি সুৰক্ষিত দ্বাৰকা নগৰলৈ যাত্ৰা কৰাৰ পাছত। গোপিনীসকলে শ্ৰী শ্ৰী কৃষ্ণক শাৰীৰিক ভাৱে নেদেখি তেওঁৰ স্মৃতি বৰ্ণনা কৰি গভীৰ ব্যাকুলতা প্ৰকাশ কৰিছে। শ্ৰীকৃষ্ণৰ গুণ বৰ্ণনা কৰোঁতে গোপিনীসকলে বিপুল অভিনয় প্ৰতিভা প্ৰদৰ্শন কৰে। শ্ৰী শ্ৰী কৃষ্ণৰ জন্ম, গোপিনীসকলৰ দধি মন্থন, গোপিনীসকলৰ বস্ত্ৰ হৰণ, কালীয় দমন, বিভিন্ন অসুৰ বধৰ কাহিনীৰে ৰাস-লীলাৰ অভিনয়-অংশ সমৃদ্ধ। সাধাৰণ দৰ্শকৰ বাবে ৰাস- লীলা শ্ৰী শ্ৰী কৃষ্ণৰ জীৱন-লীলা। ভক্তিৰ অমিয়া পথেদি ভগৱানক পাবৰ বাবে মানুহৰ অন্তৰত গভীৰ প্ৰেমৰ ভাৱ জাগ্ৰত কৰাটোৱেই ৰাস-লীলাৰ মূল তাৎপৰ্য্য।

আমি মৰতত শৰত কালৰ কাতি বা আঘোণ মাহৰ পূৰ্ণিমা তিথিত ৰাসোৎসৱ পালন কৰি আহিছো। দৰাচলতে এই ৰাসোৎসৱৰ তাৎপৰ্য হ'ল শৰতৰ ৰাসোৎসৱ মুলত দ্বাপৰ যুগত ভগৱান শ্ৰীকৃষ্ণ গোপ আৰু গোপীসকলৰ লগত হোৱা কৰ্মৰাজিৰ ওপৰত। ভগৱান শ্ৰীকৃষ্ণই দ্বাপৰ যুগৰ অন্যায়, অনীতি, ব্যভিচাৰ, অত্যাচাৰ নিৰ্মূল কৰাৰ বাবে বাসুদেৱৰ ঔৰষত আৰু দৈৱকীৰ গৰ্ভত অষ্টম সন্তান ৰূপে জন্ম গ্ৰহণ কৰি নন্দ যশোদাৰ ঘৰত পালিত হৈ বৃন্দাবন আৰু মথুৰাত শিশু কৈশোৰ আৰু যৌৱন কাল কটায়। তাত কি কি ঘটনা হৈছিল তাৰ গুনানুকীৰ্তন কৰাটোৱেই হ'ল শৰতৰ ৰাসোৎসৱ।

ৰাস উৎসৱ আমাৰ ধৰ্মপ্ৰাণ লোকসকলৰ এটা গুৰুত্বপূৰ্ণ তথা জনপ্ৰিয় উৎসৱ। ১৭৬২ শকৰ পৰা প্ৰথম ৰাস মহোৎসৱ মাজুলী দক্ষিণ পাট সত্ৰত প্ৰথমে অনুষ্ঠিত হ'য় বুলি জনা যায়। শ্ৰী কৃষ্ণৰ মাহাত্ম্য আধাৰিত ৰাস উৎসৱ অসমৰ সাংস্কৃতিক জীৱনৰ অবিচ্ছেদ্য অংগ। অতীজৰে পৰা আঘোণ মাহৰ পূৰ্ণিমাত ৰাস উৎসৱ পালন কৰি আহিছে অসমৰ সকলো ধৰ্মপ্ৰাণ ৰাইজে। ৰাস মহোৎসৱত ভগৱান শ্ৰী কৃষ্ণই কেনেকৈ গোপীনী সকলৰ সৈতে বৃন্দাৱনত নাচি বাগি ফুৰিছিল। কৃষ্ণৰ বাঁহীৰ সুৰত শ্ৰী কৃষ্ণক পাবলৈ গোপীসকল কেনেকৈ ব্যাকুল হৈ পৰিছিল এই দৃশ্য সঁচাকৈয়ে বহুত আকৰ্ষণীয় আৰু অতি মনোৰম। ৰাস শব্দৰ মুল অৰ্থ হৈছে ৰস, নৱৰসৰ সমাৱেশেই হৈছে ৰাস। মাজুলীৰ সত্ৰসমূহত এই ৰাস মহোৎসৱ জাতি ধৰ্ম নিৰ্বিশেষে সকলো লোকে ৰং ধেমালিৰে একত্ৰিত হৈ এই ধৰ্মীয় উৎসৱত যোগদান কৰে। ইয়াত ভাওনাৰ ভাৱৰীয়া সকলে সঁচাকৈ একেবাৰে বৃন্দাবনৰ মাজে মাজে শ্ৰী কৃষ্ণৰ নৃত্য বাঁহীৰ সুৰত গোপীসকলে কৃষ্ণৰ সৈতে কৰা নৃত্য প্ৰদৰ্শনে সকলোকে এনেকৈ আকৰ্ষণ কৰে যেন আমি বৃন্দাৱনতহে আছোঁ। সঁচাকৈয়ে এই দৃশ্য অতিকৈ নান্দনিক। পুতনা ৰাক্ষসীৰ অভিনয়ে দৰ্শকক বহুত হাঁহিৰ খোৰাক যোগায়। এই ভাওনাত পুতনা ৰাক্ষসীয়ে শিশু কৃষ্ণক স্তন পান কৰোঁতে কেনেকৈ মৃত্যু হ'ল আদি দৃশ্য প্ৰদৰ্শন কৰি ভাৱৰীয়া সকলে দৰ্শকক বহুত আমোদ যোগায়। শৰৎ কালৰ ৰাতি দক্ষিণ পাট সত্ৰৰ পিছতে গড়মুখ, আউনীআটী, বেঙেনাআটী, কমলাবাৰী আদি সত্ৰত ৰাস মহোৎসৱৰ প্ৰসাৰ ঘটে। শৰৎ কালৰ পূৰ্ণিমা ৰাতি এই

ৰাস মহোৎসৱ সঁচাকৈয়ে দেখিবলৈ অতি বিতোপন হৈ উঠে। ভাগৱতত উল্লেখ আছে যে, শৰৎ কালৰ পূৰ্ণিমা নিশা শ্ৰী কৃষ্ণৰ বাঁহীৰ সুৰত গোপীসকল ব্যাকুল হৈ পৰিছিল আৰু নাচি-বাগি সকলো কাম বন ত্যাগ কৰি কৃষ্ণৰ লগত নৃত্য কৰিবলৈ আত্মহাৰা হৈ পৰিছিল।

"স্ত্ৰীষু সাং গায়ন্ত মণ্ডলীৰূপে ভ্ৰমতাং নৃত্য
বিনোদ ৰাসো নাম।"

কৃষণ্ড ভক্তি কাব্যত ৰাসৰ স্বীকৃতি অতি মহত্বপূৰ্ণ। ভাসদেৱ বাল চৰিত্ৰ, ব্ৰহ্মপুৰাণ, বিষ্ণুপুৰাণ, পদ্মপুৰাণ, ভাগৱত, ব্ৰহ্মবৈবৰ্ত পুৰাণ, জয়দেৱ ৰচিত গীত গোবিন্দ ইত্যাদি কাব্যবিলাকত ৰাসৰ বৰ্ণনা বিশেষ ৰূপত পোৱা যায়।

পাত্ৰৰ দৃষ্টিকোণৰ পৰা-

১। গোপী কৃষ্ণ ৰাস

২। গোপী ৰাধাকৃষ্ণ ৰাস

৩। ৰাধাকৃষ্ণ ৰাস

ঋতু দৃষ্টি কোণৰ পৰা -----

১। শাৰদী ৰাস

২। বাসন্তী ৰাস

স্থানৰ দৃষ্টিকোণৰ পৰা -----

১। বৃন্দাবন ৰাস

২। দ্বাৰকা ৰাস

মুৰুলী সন্মোহন- ৰাসৰ আৰম্ভ এইখিনিৰ পৰাই হ'য়।

ৰাস শব্দটোৰ আভিধানিক অৰ্থ হ'ল বৃন্দাবনত কৃষ্ণই গোপীগোপীসকলৰ সৈতে কৰা আদিৰসাত্বিক নৃত্যলীলা। এই নৃত্য লীলাৰ যোগেদিয়েই অন্য অৰ্থত ক'বলৈ গ'লে ভগৱৎ প্ৰেম। আধ্যাত্মিক প্ৰেম, ভগৱান শ্ৰীকৃষ্ণৰ প্ৰতি থকা বৃন্দাবনৰ গোপীসকলৰ অহেতুকী প্ৰেম বা ভালপোৱা।

সেয়েহে সকলো ভক্তই বিষ্ণুক স্মৰণ কৰোহঁক-

"দাস্য-ভাৱ ভক্তি আৰু বুলিয় নিশ্চয়।
কায় বাক্য মনে যত কৰ্ম সমপৰ্য়।।
লৌকিক বৈদিক ব্ৰাহ্মণাদিৰ স্বভাৱে।
সমস্তক অৰ্পিব কৃষ্ণৰ দুয়ো পাৱে।।

বাৰিষা পাৰ হৈ শৰৎ-হেমন্তৰ এই সংক্ৰান্তিৰ সময়ছোৱাৰ প্ৰাকৃতিক পৰিৱেশো বৰ সুন্দৰ হৈ উঠে। বিশেষকৈ ৰাস পূৰ্ণিমাৰ আগৰ-পাছৰ ৰাতিবোৰ। কুঁৱলীৰ মাজত জোনৰ পোহৰে এক মায়াময় পৰিৱেশৰ সৃষ্টি কৰে। ৰাস মহোৎসৱৰ দৰ্শকৰ পৰা জড়িত সকলোৰে চাৰিওফালে উৎসৱৰ নেপথ্যত কুঁৱলী, নিয়ৰ আৰু শীতলতাই অনন্য অনুভৱ দিয়ে—

"শৰৎ শশী নিশি ধৱলী অধিক, লহু লহু মলয়া পৱন তথি ঠিক"।

ৰাস উৎসৱ অসমৰ এটা অতি গুৰুত্বপূৰ্ণ তথা জনপ্ৰিয় উৎসৱ। ঈশ্বৰৰ ভক্তি ৰসৰ সৈতে জড়িত এই ৰাস উৎসৱ এক ধৰ্মীয় উৎসৱ। মাজুলীত উৎপত্তি হোৱা ৰাস উৎসৱ বৰ্তমান অসমৰ চুকে-কোণে উদযাপন কৰা হ'য়। ৰাস উৎসৱ হৈছে নৱ-বৈষ্ণৱ ধৰ্মৰ এটা অপৰিহাৰ্য অংগ। শৰত কালৰ পূৰ্ণিমাত উদযাপন কৰা এই ৰাস বিশ্বৰ বৃহত্তম নদীদ্বীপ মাজুলীৰ প্ৰধান।

"শুনিয়ো সৰ্বজনে ৰাসক্ৰীড়া
বঞ্চিত যেবে সংসাৰৰ পীড়া। "

"ইটো ৰাসক্ৰীড়া কথা কৃষ্ণৰ
একান্ত চিত্ৰে শুনৈ যিটো নৰ। ।"

"কৃষ্ণত ভকতি বাঢ়িবে তাৰ।
কাম সাগৰে সুখে হৈব পাৰ।"

মানৱ সমাজলৈ মহাপুৰুষ গুৰুজনাৰ উপদেশ - আছিল এনেধৰণৰ।

আমাৰ সাহিত্যত নৱৰসৰ উল্লেখ পোৱা যায়। কিন্তু শ্ৰীমন্ত শংকৰ গুৰুজনাৰ প্ৰপন্ন শিষ্য মহাপুৰুষ মাধৱদেৱে আৰু এক ৰসৰ সন্ধান দি গ'ল। সেইয়া হ'ল "সেৱা ৰস।" নৱৰসৰ ভিতৰত শান্তৰস সৰ্বশ্ৰেষ্ঠ বুলি জনাজাত হ'লেও মাধৱদেৱে সেৱা ৰসকহে সকলো ৰসৰ সাৰ বুলি ঘোষণা কৰিলে।

ৰস শব্দৰ পৰাই "ৰাসৰ" উৎপত্তি হৈছে। সেয়েহে আধ্যাত্মিক তত্ত্বদৰ্শী বিজ্ঞ পুৰুষে কৈছে যে- ৰসৰ সাগৰক যি আহ্বান কৰে, ৰসক যি ধৰি ৰাখে, তেৱেঁই ৰসা হ'য় আৰু ৰসাৰ সাৰ বা ৰসাৰ প্ৰাণ ৰস যি, সেইয়াই হ'ল ৰাস।

ৰাসক্ৰীয়া কেন্দ্ৰবিন্দু পূৰ্ণব্ৰহ্ম কৃষ্ণ আৰু গোপীসকল অঙ্গাতীত ভাৱে জড়িত। "গোপী "মানেনো কি? সাধুসকলে কয়, প্ৰেমক যি গোপন কৰে তেৱেঁই গোপী। আনহাতে যিসকলে ইন্দ্ৰিয়ৰ দ্বাৰাই প্ৰেম ৰসৰ অনুভৱ লয়, পান কৰে তেৱেঁই গোপী। আকৌ শুদ্ধ জীৱৰ প্ৰতীক হ'ব পৰা স্বীকৃতি যি প্ৰাপ্ত কৰিলে তেৱেঁই গোপী। মুঠতে বৃন্দাবনৰ যিসকল ব্ৰজবাসীয়ে ৰসনা নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হৈছিল, তেওঁলোকেই গোপী। প্ৰশ্ন হয়---গোপীসকলেনো কিয় শ্যামসুন্দৰ কৃষ্ণৰ প্ৰতি অতি চুম্বকীয় বেগেৰে আকৃষ্ট হৈছিল? ব্ৰজৰ সাধনাযুক্ত গোপীসকলে নিঃসন্দেহে হৃদয়ঙ্গম কৰিছিল যে পুৰুষ কৃষ্ণ হ'ল সকলো আনন্দ আৰু প্ৰেমৰ উৎস। অৰ্থাৎ তেওঁলোকে বুজিছিল যে পৰম পুৰুষৰ বাহিৰে প্ৰিয়তম কোনো নাই।

গোপীসকলে শুদ্ধ সাধনাৰে, জীৱনৰ মহান অভিজ্ঞতাৰে উপলব্ধি কৰিছিল যে ভগৱানেই গতিৰো গতি, পৰাৎপৰ পৰম পুৰুষ বা পৰম গতি। অবস্তুক ত্যাগী প্ৰকৃত বস্তুক বাচি গ্ৰহণ কৰি জীৱন ধন্য কৰাৰ ক্ষেত্ৰত সৰ্বশ্ৰেষ্ঠ ভক্ত গোপীসকল নিপুণ আছিল। একান্ত ভকত গোপীসকল যে কৃষ্ণৰ চিৰস্মৰণীয় আৰু যথাৰ্থ ভকত তাৰ জ্বলন্ত প্ৰমাণ এই পংক্তিৰ পৰা ঠাৱৰ কৰিব পাৰি --

"ব্ৰজৰ যতেক গোপী কৃষ্ণৰ ভকত।
ভালেতু সদায় কৃষ্ণে স্মৰন্ত মনত।"

শৰতৰ বিতোপন ৰাতি যি ৰাসলীলাৰ উদ্বোধন অনুষ্ঠিত হৈছিল তালৈ গোপীসকলৰ উপৰিও ভগৱৎ সান্নিধ্যৰ উদ্দেশ্যে কামনা বাসনাহীন, প্ৰেমভক্তি যুক্তা সত্যযুগৰ শ্ৰুতিৰূপা, উদগীতা, কলকণ্ঠিকা, বিণঞ্চি আদি ঋচাসকল ঋষিৰূপা, উগ্ৰতপা, সত্যতপা, ঋষিসকল, দেৱী পাৰ্বতী নিজে গোপী ৰূপত, পূৰ্ণ বৈৰাগী সিদ্ধমুনি যোগীভক্ত সকল মহাপ্ৰেমৰ মহাপ্ৰসাদৰ মহাভাগী হ'বলৈ শ্যামসুন্দৰৰ ওচৰত উপস্থিত হৈছিল। বিভিন্ন নদ-নদী, চৰাই-চিৰিকতি, গছ-বন, ঘাঁহ-পাত, আদি ৰাসলীলাৰ ৰসত যে তন্ময় হৈ পৰিছিল, তাৰো সাক্ষী ভাগৱতে দিয়ে--

"স্থাৱৰে জঙ্গম হয় জঙ্গমে স্থাৱৰ।
পৰম মোহন বাংশী ধ্বনি মাধৱৰ।"

ৰাসক্ৰীয়াৰ পৱিত্ৰধামত জাত-পাত, উচ্চ-নীচ, শিক্ষিত- অশিক্ষিতৰ প্ৰভাৱ সমুলি নাছিল। কেৱল প্ৰেমাস্পদৰ লগত উত্তম প্ৰেমৰ মাধ্যমেৰে মিলন ঘটোৱাই প্ৰধান লক্ষ্য আছিল।

ৰাস্তাত পৰি থকা ৰছীডালক ভ্ৰমবঃশত সাপ বুলি ভবাৰ দৰে ৰাসক্ৰীয়াৰ সূঢ়াৰ্থ হৃদয়ঙ্গম নকৰি ওপৰে ওপৰে শৃংগাৰ ৰসৰ আস্বাদন ল'বলৈ যোৱা ব্যক্তিৰ হ'য়তো অভাৱ নহ'য়। বৰ্তমান বিজ্ঞানৰ যুগতো এই মহালীলা "ৰাসৰ"প্ৰাসংঙ্গিকতা আছে। অকপট ভাৱে স্বীকাৰ কৰিব লাগিব যে বিশ্বব্ৰহ্মাণ্ডত জীৱ-জগতৰ অস্তিত্ব থকালৈকে ৰাসক্ৰীড়াৰ মহত্ত্ব অক্ষয়- অব্যয় হৈ থাকিব। আদি পুৰুষ ব্ৰহ্মায়ো ব্ৰজত জন্মলৈ, ব্ৰজৰ ধূলি শিৰতলৈ ধন্য হোৱাটো

কামনা কৰিছিল। যিহেতু ব্ৰজধাম নিষ্কামৰূপী পৰম প্ৰপন্ন ভক্তৰ কথাভূমি "ৰাসৰ" পৰানো আমাৰ জীৱনত কি লাভ হ'ব? তাৰ উত্তৰত গুৰুজনাই কৈছে--

"শুনিয়োক বুদ্ধজন জনম সাফলি

কামজয় নামে ইটো কেশৱৰ কেৰি।- এই কেশৱ কি? তাকো ঘোষা শাস্ত্ৰই কৈছে--

"ক ই শ ইটো পদে ব্ৰহ্মা বিষ্ণু মহেশ্বৰ

প্ৰতি প্ৰতি তিনিৰো অন্বয়।

ৱ পদে নাৰায়ণে তিনিকো আছয় ছান্দি

এহি হেতু কেশৱ কেশয়। ।"

ভক্তি ধৰ্মৰ ক্ষেত্ৰত ৰাসক্ৰীড়া অধ্যয়ন কৰিলে এই দিশকেইটা দেখা যায়।

১। "ৰামকৃষ্ণ বোল ভাই তেজি ভয় লাজ

হৈবন্ত বেকত হৰি হৃদয়ৰ মাজ।"

২। স্বধৰ্মৰ যোগেও কৃষ্ণক পাবলৈ কামনা কৰিলে কৃষ্ণ সন্মুখ হ'য়।

৩। মায়াৰ আৱৰণ ত্যাগ কৰিবলৈ প্ৰস্তুত হ'ব পাৰিলেহে কৃষ্ণক পাব পৰা যায়।

৪। কৃষ্ণক পাবলৈ হ'লে দৈহিক মমতা ত্যাগ কৰিব পাৰিব লাগিব।

৫। কৃষ্ণৰ কাৰণে লৌকিক অপবাদলৈকো ভয় থাকিব নালাগিব।

৬। অহং বোধত ভক্তৰো বিৰহ অৱস্থা আহিব পাৰে।

৭। বিৰহ বিচ্ছেদৰ জ্বালাও অস্থিৰ হ'লেহে একান্ত ভক্তি হয়।

৮। কৃষ্ণৰ লগত নিজে কৃষ্ণ হ'বলৈ চেষ্টা কৰাটো ভক্তি ধৰ্মৰ অন্তৰায়।

৯। সম্পূৰ্ণ দাস ভাৱাপন্ন হৈ শ্ৰৱণ-কীৰ্ত্তন কৰিলেহে ভক্তিৰ পৰিপূৰ্ণতা সম্ভৱ হ'য়।

১০। কৃষ্ণক ক্ষণিকৰ কাৰণে পাহৰিলেও মায়াই পুনৰ আৱৰি ধৰিব পাৰে।

সেয়েহে এইক্ষেত্ৰত আমি সজাগ -সচেতন হোৱাতো অতি প্ৰয়োজনীয়।

সেৱাৰে-

মই অজ্ঞানীৰ যতেক অজ্ঞান

হৰি হৰি হৰি হৰি এ

কথা কহি কোনে সীমা কৰিবেক তাক।

ইটো মোৰ ঘোৰ দোষ পৰিহৰি

হৰি হৰি হৰি হৰি এ

কৃপাময় কৃষ্ণ চৰণে ৰাখা আমাক। ।

কৃষ্ণৰ বাঁহীৰ সুৰ শুনাৰ লগে লগে গোপীসকলে কৃষ্ণক পাবলৈ ব্যাকুল হৈ কৃষ্ণক বিচাৰি গোটেই বৃন্দাবনৰ মাজে মাজে ঘূৰি ফুৰিছিল। ৰাস লীলা বা শ্ৰীকৃষ্ণ আৰু ষোল্ল শ গোপীসকলৰ লগত প্ৰেম সম্পৰ্ক বা প্ৰেম লীলা আছিল ভক্তিৰসৰ প্ৰেম। ভগৱান শ্ৰীকৃষ্ণ আৰু গোপীসকলৰ মাজৰ ভক্তিৰসৰ প্ৰেম মধুৰ গাঁঠা মানৱ সমাজৰ বাবে এক ইতি বাচক বাৰ্তা'। তেতিয়া গোপীসকলে জানিছিল যে শ্ৰীকৃষ্ণ ভগৱান বিষ্ণুৰ অৱতাৰ। গতিকে শ্ৰীকৃষ্ণৰ সান্নিধ্য লাভ কৰা মানে ভগৱান বিষ্ণুক লাভ কৰা। সেয়েহে এই প্ৰেম হঁল ভগৱান আৰু ভক্তৰ ভক্তিৰসৰ আধ্যাত্মিক সম্পৰ্ক। সেয়ে কোৱা হয়- "শ্ৰীকৃষ্ণই কৰিলে হ'ল লীলা আৰু মনুষ্যই কৰিলে হ'ল ধৰি বান্ধি কিলা।"

কিন্তু আধ্যাত্মিক অৰ্থত- প্ৰকৃততে কথাটো হ'ল ভগৱান শ্ৰীকৃষ্ণই, গোপীসকলক কৈছিল যে, তোমালোকে যদি মোৰ দৰ্শন লাভ কৰিব খোজা তেন্তে নিৰুত্তাপ চিত্ৰে মোক কামনা কৰা তেতিয়াহে মোক পাবা। নিৰুত্তাপ চিত্ৰে মানে হ'ল বস্ত্ৰ বিহীন ভাৱে। যদি দেহত

অকণমানো বস্ত্ৰ থাকে তেতিয়াহলে দেহত উত্তাপ থাকিব আৰু মোলৈ কামনা কৰিলে মনটো অন্যফালে ধাৱিত হ'ব। বস্ত্ৰ নাথাকিলে এক মনচিত্তে মোক পাব পাৰিবা।

এইখিনি কথাই হ'ল ভগৱান শ্ৰীকৃষ্ণ আৰু ভক্তৰ মাজৰ ভক্তিৰসৰ প্ৰেমৰ সম্পৰ্ক ৰ গুনানুকীৰ্তন। শৰতৰ ৰাসোৎসৱ। ।

সমগ্ৰ অসমৰ বৈষ্ণৱ সত্ৰবোৰত ৰাস-মহোৎসৱ অনুষ্ঠিত হোৱাৰ উপৰিও গাঁৱে-গাঁৱে থকা নামঘৰবোৰতো ৰাস-মহোৎসৱ আৰম্ভ হ'য়। ৰাস মহোৎসৱ গ্ৰাম্য অঞ্চলৰ লোকৰ জীৱনত, বিশেষকৈ নাৰী- পুৰুষৰ জীৱনত গভীৰ প্ৰভাৱ বিস্তাৰ কৰে। মুঠতে অসমৰ ৰাস-মহোৎসৱে অতি গুৰুত্বপূৰ্ণ এক ধাৰ্মিক অনুষ্ঠান হিচাপে বছৰ বছৰ ধৰি স্থান দখল কৰি আহিছে। বৰ্তমান ৰাস-মহোৎসৱৰ মাহাত্ম্যৰ কোনো গুণেই কম নহ'য় ।বৰঞ্চ মানুহে সময়ৰ লগত আগবাঢ়ি যাওঁতে আধুনিকতাৰ কিছু চাপ পৰাৰ পৰিলক্ষিত হৈছে। সি যি কি নহওক, পূৰ্ব পুৰুষৰ পৰম্পৰাগত ভাৱে চলি অহা ধাৰা ভৱিষ্যত নৱ-প্ৰজন্ম সকলে যাতে অব্যাহত ৰাখিব পাৰে তাৰ বাবে সকলোৱে সহযোগিতা আগবঢ়াই যোৱা অতি প্ৰয়োজন। ❑❑

# আধ্যাত্মিক দৃষ্টিত শ্ৰীকৃষ্ণৰ ৰাসলীলা

**শ্ৰী মংগল সিং ৰায়**
**পোপৰাগাঁও**

শৰৎ এক স্নিগ্ধ নিৰ্মল বিমল আনন্দৰ সমাহাৰ। শৰৎ মানে ফৰিং ফুটা জোনাক, শুভ্ৰ শেৱালীৰ আমোলমোল গোন্ধ, নীল আকাশৰ আলসুৱা মেঘ আৰু নৃত্যৰতা কঁহুৱা। এনে এক আনন্দমুখৰ পৰিবেশত ভগবান শ্ৰীকৃষ্ণই গোপীসকলৰ সৈতে নৃত্য কৰি চৌদিশ ৰজনজনাই তুলিছিল।

স্নিগ্ধ শৰতৰ শুকুলা মেঘৰ আঁৰে আঁৰে খেলা পূৰ্ণিমাৰ জোনাকৰ শুভ্ৰ পোহৰে মতলীয়া কৰা যমুনা নৈৰ পাৰত শুনা গৈছিল শ্ৰীকৃষ্ণৰ সুমধুৰ বাঁহীৰ গুঞ্জন। বাঁহীৰ সুৰত মতলীয়া হৈ গোপীসৰে পুত্ৰ-কন্যা, ঘৰ-সংসাৰৰ মায়া-মোহ ত্যাগ কৰি কৃষ্ণৰ ওচৰলৈ ঢাপলি মেলিছিল। শৰতৰ পূৰ্ণিমাৰ নিশা যমুনা নৈৰ পাৰত প্ৰকৃতিৰ অফুৰন্ত পৰিবেশৰ মাজত উদগ্ৰীব হৈ পৰা গোপী সকলৰ মনোবাঞ্ছা পূৰণৰ বাবে আৰম্ভ হৈছিল ৰাসক্ৰীড়া। ই আছিল জীৱাত্মা আৰু পৰমাত্মাৰ মিলনৰ এক নিদৰ্শন। কামনা-বাসনা, লোভ-মোহ অহংকাৰ সকলো ত্যাগ কৰি মনে-প্ৰাণে কৃষ্ণৰ ওচৰত উৎসৰ্গা কৰি পৰম সন্তুষ্টি লাভ কৰাটোৱে আছিল ৰাসলীলাৰ তাৎপৰ্য। তাকেই সাৰোগত কৰি আজিও কৃষ্ণভক্তিত নিমজ্জিত হোৱা ভক্তগণে পৰম্পৰাগত ভাবে পালন কৰি আহিছে 'ৰাস'।

শ্ৰীকৃষ্ণৰ ৰাসলীলাৰ মূল তত্ব হ'ল ভক্ত আৰু ভগৱানৰ একাকীকৰণ। শ্ৰীকৃষ্ণ আৰু গোপীসকলৰ মাজৰ নিৰ্মল প্ৰেমৰ লীলা ৰহস্যই ৰাসক্ৰীড়া। ভাগৱত, বিষ্ণুপুৰাণ গীত গোবিন্দ, হৰিবংশ, কেলিগোপাল আদি গ্ৰন্থত শ্ৰীকৃষ্ণ আৰু গোপীসকলৰ ৰাস নৃত্যক বিভিন্ন ভাবত দাঙি ধৰিছে। গুৰুজনাৰ কেলিগোপাল নাটকত শ্ৰীকৃষ্ণৰ প্ৰতি গোপীসকলৰ পবিত্ৰ ভক্তি প্ৰকাশ পাইছে। গোপী আৰু কৃষ্ণৰ মাজৰ প্ৰেম ভক্তি প্ৰেমলৈ ৰূপান্তৰিত হোৱা কাৰ্য পবিত্ৰ প্ৰেমৰ এক অমৃতময় ফলশ্ৰুতি।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ 'কীৰ্ত্তন' আৰু 'দশম'ত ৰাসলীলাক সম্পূৰ্ণ ভক্তিবাদী ৰূপত অংকণ কৰা হৈছে। কৃষ্ণৰূপী পৰমাত্মাৰ প্ৰতি জীৱাত্মা গোপীসকলৰ দুৰ্বাৰ আকৰ্ষণতেই ৰাসলীলাৰ তাৎপৰ্য নিহিত হৈ আছে। ইয়াতেই জীৱাত্মাৰ পৰমাত্মালৈ আৰু পাৰ্থিৱ সুখৰ আধ্যাত্মিকতালৈ উত্তৰণ ঘটিছে। কৃষ্ণৰ প্ৰতি গোপীসকলৰ যি আকৰ্ষণ, তাত আছে সকলো পাৰ্থিৱ ভোগ-বিলাস ত্যাগ কৰি সকলো বন্ধন ছিন্ন কৰি নিজৰ সত্তা আঁতৰাই শ্ৰীকৃষ্ণত সমৰ্পনৰ আকাংক্ষা। শ্ৰীকৃষ্ণ প্ৰাপ্তিয়েই ইয়াৰ প্ৰধান উদ্দেশ্য।

ভক্ত সকলৰ মাজত ৰাসলীলাৰ আধ্যাত্মিক দৰ্শন আৰু ভক্তিভাৰৰ নিগূঢ় তত্বৰ প্ৰাসংগিতকতা আজিও আছে। তেওঁলোকৰ হৃদয়ত শ্ৰীকৃষ্ণৰ নিস্পাপ লীলা শৰতৰ শুভ্ৰ জোনাকৰ দৰে আলোকিত হৈ আছে আৰু অদূৰ ভৱিষ্যতে থাকিব।

# শ্ৰীকৃষ্ণৰ ৰাসক্ৰীড়া

প্ৰমোদ শৰ্মা
পাঠশালা

শাৰদীয় উৎসৱ বিলাকৰ ভিতৰত বৃন্দাৱনত অনুষ্ঠিত হোৱা প্ৰধান অনুষ্ঠান শ্ৰীকৃষ্ণৰ ৰাসক্ৰীড়া। শ্ৰীকৃষ্ণৰ ৰাসক্ৰীড়া শৰৎ কালৰ শুভ্ৰ জোনাক নিশা যমুনাৰ বালিত অনুষ্ঠিত হৈছিল। নৰৰূপী নাৰায়ণ শ্ৰীকৃষ্ণই শৰৎ কালৰ পূৰ্ণিমাত চন্দ্ৰাৱলী ৰাতি আমোদ কৰিবলৈ ইচ্ছা কৰিছিল। তেতিয়া ব্ৰজধামৰ বাট-পথ শুকান গোৱৰেৰে ধূসৰিত হৈ থকা ঠাইবোৰ পৰিষ্কাৰ কৰালে আৰু গাভৰু গোপীসকলে ৰতি বিহাৰ আৰম্ভ কৰিলে। দেৱ-দেৱীৰ বিমানেৰে আকাশ বিমানচ্ছন্ন হ'ল। আকাশত দুন্দুভি বাজিল; দেৱতাসকলে পুষ্পবৃষ্টি কৰিলে। গন্ধৰ্বই সুমধুৰ গীত গালে। এইখিনিতে উল্লেখ কৰা ভাল হ'ব যে শ্ৰীদাম নামৰ গোপ এজনৰ দ্বাৰা অভিশপ্তা হৈ শ্ৰীকৃষ্ণই দানৱক হত্যা কৰাৰ পাছত ৰাধা শ্ৰীকৃষ্ণৰ পত্নী হৈ থাকিল।

মন্ত্ৰমুগ্ধাৰ দৰে হৈ গোপীসকলে গৃহৰ জ্যেষ্ঠ সকলৰ বাধা উপেক্ষা কৰি কৃষ্ণ প্ৰেমত আসক্ত হৈ ৰাস মণ্ডললৈ ওলাই আহিল। উইলচন চাহাবে ৰাসক্ৰীড়া বৰ্ণনা দিছে এইদৰে- স্ত্ৰী-পুৰুষে পৰস্পৰৰ হাতত ধৰি মণ্ডলাকাৰে ঘূৰি-ঘূৰি গীত গাই-গাই এই ৰাস নৃত্য কৰে। ভৰত মুনিৰ মতে- ৰাসক্ৰীড়াৰ তাল আৰু সুৰ আনেক বিধৰ থাকে আৰু ইয়াত অংশগ্ৰহণকাৰীৰ সংখ্যা তিনিকুৰি চাৰিজনৰ অধিক হ'ব নালাগে। যিমান সংখ্যাক স্ত্ৰীয়ে নৃত্যত অংশগ্ৰহণ কৰে সিমানসংখ্যক পুৰুষো থাকিব লাগে। কিন্তু হৰিবংশত এজন পুৰুষ দুজনী গোপীৰ মাজত থাকি ৰাসমণ্ডলত ক্ৰীড়া কৰা উল্লেখ কৰিছে। দুজনী গোপীৰ মাজত দৈৱকী পুত্ৰ কৃষ্ণই নিজকে স্থাপন কৰি বাঁহী বজাই নিজেও নাচিছিল আৰু গোপীসকলোকো নচুৱাইছিল।

"কাকো কৃষ্ণে নৃত্যৰ ভঙ্গীত চোৱা দেৱন্ত, কেয়ো গোপী কৃষ্ণৰ হস্তক, তনত আৰোপে। এমনে গোপীসবে লক্ষ্মীপতি ভগৱন্তক পতি পায়া তান বাহুৰে গৃহী কণ্ঠ হুৱা গীত নৃত্য বিহাৰ কৰিল। ভগবন্তৰ বিলাসে তাৰাসবো মহিত হৈল। এতেকে বস্তুসব, অলংকাৰ সম্বৰিতে নাপাৰিল। তাৰাৰ বিলাসে ভগৱন্তৰ কিছু নহৈল। যাতো তাৰাত আপুনাৰ কুশল অৰ্পিসে বিহাৰ কৰিলা। "(ভট্টদেৱ)

বৃন্দাবনত শ্ৰীকৃষ্ণৰ নৃত্য বুজাবলৈ 'হল্লীস' আৰু 'ৰাস' এই দুই শব্দ সমভাৱে ব্যৱহাৰ কৰা হৈছে। পণ্ডিত নীলকণ্ঠৰ মতে- কেইবাগৰাকীও তিৰোতাৰ সৈতে এজন পুৰুষে নৃত্য কৰাকে ৰাসক্ৰীড়া বোলে-

"একস্য পুংসে। বহুভিঃ স্ত্ৰীভিঃ
ক্ৰীড়নং সৈবঃ ৰাসক্ৰীড়া।"

প্ৰাচীন কালত ইউৰোপ মহাদেশৰ গ্ৰীচ দেশৰ গ্ৰীকসকলৰ মাজতো স্ত্ৰী-পুৰুষে একেলগে মণ্ডলাকাৰে

নৃত্য-গীত কৰা প্ৰমাণ আছে। বৈদিক যুগৰ প্ৰথম ভাগত বয়স নিৰ্বিশেষে সকলো পুৰুষ-মহিলাই সমানে যোগ দিব পৰা নৃত্য আছিল। তাৰ নাম আছিল 'সমন' নৃত্য। ''কৃষ্ণোপনিষদ'' মতে কৃষ্ণৰ বৃন্দাবন লীলা পূৰ্বজন্মকৃত প্ৰতিজ্ঞাৰ ফল। ত্ৰেতা যুগত শ্ৰীৰামচন্দ্ৰই বনবাসত থকা সময়ত ঋষিসকলে তেওঁক আলিঙ্গন কৰিবলৈ বিচৰাত প্ৰতিজ্ঞা কৰিছিল যে পুনৰজন্মত ঋষিসকলে গোপীৰূপে জন্ম পাব আৰু তেওঁক অৰ্থাৎ ভগৱানক আলিঙ্গন কৰিবলৈ সক্ষম হ'ব। সেয়েহে দ্বাপৰ যুগত গোপীসকলে ৰাসক্ৰীড়াত শ্ৰীকৃষ্ণক আলিঙ্গন কৰিবলৈ সক্ষম হৈছিল।

দ্বাপৰ যুগত হোৱা মহাপ্ৰভু শ্ৰীকৃষ্ণৰ ৰাসক্ৰীড়া বৰ্তমানেও প্ৰতিবছৰে শৰৎ কালৰ পূৰ্ণিমা তিথিত আমি ভক্তসকলে উলহ মালহেৰে পালন কৰি আছো। মহাপ্ৰভু শ্ৰীকৃষ্ণই সকলোৰে মঙ্গল কৰক তাৰেই কামনাৰে সামৰিছোঁ। ❐❐

সহায়ক গ্ৰন্থঃ শ্ৰীশ্ৰীবিষ্ণু পুৰাণ, শ্ৰীশ্ৰীব্ৰহ্মাবৈবৰ্ত পুৰাণ, কথা-ভাগৱত, বাণীকান্ত ৰচনাৱলী

# শ্ৰীকৃষ্ণৰ ৰাসলীলাত ভক্তিৰস বিৰহ আৰু প্ৰেমৰ সমাহাৰ

**দীনেশ চন্দ্ৰ দাস**
**বঙাইগাঁও**

জয় জগন্নাথ জগতৰ আদিমূল।
গোপৰূপ ধৰি হৰি তাৰিলা গোকুল।।
বৃন্দাবনে আনন্দে কৰিয়া ৰাসক্ৰীড়া।
গুচাইলা গোবিন্দে গোপিকাৰ কামপীড়া।।

শৰতকালৰ পূৰ্ণিমা ৰাতি, নিৰ্মল আকাশ, পূৰ্ণ চন্দ্ৰই ওপচাই দিছে ৰূপালী জোনাক। বৃন্দাবনৰ তৰুলতা-গছ-লতিকাই সৌন্দৰ্য্য বিলাইছে। যমুনাৰ ৰূপালী বালিয়ে মায়াবী দলিচা পাৰি দিছে। নানাবিধ ফুলেৰে জাতিস্কাৰ বৃন্দাবন। শীতল মলয়াই বিলাইছে নানা ৰঙি ফুলৰ সুবাস। ভ্ৰমৰ ভ্ৰমৰীৰ গুঞ্জণ, ফুলৰ ৰেণুত পৰি মৌমাখিৰ মধুপান। প্ৰকৃতিৰ নান্দনিক দৃশ্য উপভোগ কৰিবলৈ শ্ৰীকৃষ্ণ বৃন্দাবনৰ নিৰ্জন বনৰ মাজত গৈ পঞ্চমত ৰাগ তুলি আপোন মনে বাঁহী বজাবলৈ ধৰে। বংশীৰ ধ্বনি শুনাৰ লগে লগে গোপিসকল আতুৰ হৈ পৰে আৰু ভাবে এই বংশী ধ্বনি, অইন কাৰো নহয় স্বয়ং শ্ৰীকৃষ্ণৰ। বাঁহীৰ ধ্বনিত ইমানেই আতুৰ হৈ পৰে যে গোপিসকলে অতি আপোনজন নিজ পতি পুত্ৰ, শহুৰ শাহুৰৰ ডাক মাত নুশুনি, সকলো কামবন পেলাই থৈ বাঁহীৰ সুৰক লক্ষ্য কৰি উদ্বাউল হৈ প্ৰাণস্বামী শ্ৰীকৃষ্ণৰ ওচৰত উপস্থিত হয়। গোপীসকলৰ আগমনত শ্ৰীকৃষ্ণই আচৰিত হৈ সুধিছিল কি কাৰণত ইমান ৰাতি এই নিৰ্জ্জন বননিৰ মাজত অহাৰ কাৰণ কি; ব্ৰজত কিবা অমঙ্গল ঘটিছে নেকি, ভগনীয়া হৈ বনৰ মাজত গুচি আহিলা। তোমালোকৰ বাবে কিবা ভাল কাম কৰিব পৰাত আছো নেকি কোৱাত গোপীসকলে লাজত মূৰ দোৱায়। লগতে আৰু কয় দূৰ্ঘোৰ নিশা প্ৰেত পিশাচৰ ভয়েই নহয় বাঘ ভালুক ঘোংয়ে উকি মাৰি বিচৰণ কৰিছে। তোমালোকক নাপাই ঘৰৰ মানুহে চাৰিওফালে বিচাৰি হাহাকাৰ কৰি ফুৰিছে। এনে বাণী শুনাৰ পিছত গোপীসকলৰ কটাক্ষ চাওনিত চক্ৰপাণীয়ে হাঁহি হাঁহি আকৌ কৈছিল পূৰ্ণ চন্দ্ৰৰ চাৰু ৰশ্মিৰে বিকশিত বৃন্দাবন, শীতল বায়ু, বৃক্ষলতাৰে শোভিত, ৰাশি ৰাশি ফুলেৰে সুশোভিত, মৌমাখিৰ ফুলৰ ৰেণু পান ভোমোৰাৰ গুঞ্জন এনে মনোৰম দৃশ্য উপভোগ কৰাৰ পিছত তোমালোকে ব্ৰজলৈ উভতি গৈ নিজ নিজ কামত মনোনিবেশ কৰা। ইমান বিলাক

কথা শুনাৰ পিছতো গোপীসকলে সন্তুষ্ট নহৈ কৃষ্ণলৈ চকু পকাই চায়, কিন্তু কোনো সমিধান নিদিয়াকৈ থকাত শ্ৰীকৃষ্ণই কয়, মোক দেখি তোমালোকে শান্তি লাভ কৰা যেন অনুভৱ কৰিছো, কিন্তু শুনা তোমালোকৰ নিজ স্বামী আছে। স্বামী যিমানেই বেয়া নহওক কিয় তথাপিও স্বামী সঙ্গ কেতিয়াও নেৰিবা। এয়া শাস্ত্ৰ সন্মত কথা। শুনা উপ-পতিৰ লগত ক্ৰীড়া কৰ্মত লিপ্ত, ইয়াতকৈ গৰ্হিত পাপ কৰ্ম পৃথিৱীত নাই।

অৱশেষত সখী বুলি সম্বোধন কৰি কৈছিল তোমালোকে মোক যদি আৰাধনা কৰিব বিচাৰিছা তেন্তে শাস্ত্ৰ সন্মত কথা কওঁ, গৃহত থাকি মোৰ শ্ৰবণ কীৰ্ত্তন পূজা অৰ্চনা কৰা তাতেই মই সন্তুষ্ট। কৃষ্ণৰ উক্তিত গোপীসকলে দুখ প্ৰকাশ কৰে, অষ্ঠ কণ্ঠ শুকাই, বিষন্ন বদনা হোৱাই নহয়, মৰ্মান্তিক আঘাত পায়, ক্ৰন্দনৰ ৰোল উঠে আৰু চাৰিওফালে এন্ধাৰে আৱৰি ধৰে।

শ্ৰীকৃষ্ণৰ বাণীত গোপীসকলে ইমানেই দুখ পাইছিল যে শোকাতুৰ হৈ কান্দি কান্দি কৈছিল, ইমানেই কঠোৰ, নিষ্ঠুৰ তুমি; ভকতবৎসল বুলি জানি গৃহ সুখ ত্যাগ কৰি কায়মনবাক্যে সেৱা কৰিম বুলি তোমাৰ ওচৰলৈ আহিছো। ভোকাতুৰক এনে ধৰণে উপহাস কৰা উচিত নহয়। তথাপিও আকৌ কৈছো দাসী বুলি আমাক ধৰি লোৱা। কুল শ্ৰীৰ স্বামী শুশ্ৰূষাৰ কথা যি কৈছা তোমাতে থাকক। তুমি জগত আত্মা; তোমাৰ বাহিৰে বিশ্বব্ৰহ্মাণ্ডৰ সকলো বস্তুৱে মিছা, এই কথা শ্ৰীকৃষ্ণক জনাই দিয়ে। তোমাৰ দৰ্শন পোৱা মহা ধৰ্ম। পণ্ডিত সকলে তোমাৰ সান্নিধ্য লাভ কৰাৰ বাবে সকলো ত্যাগ কৰি তোমাৰ ধ্যান কৰো। গতিকে আমি চিৰকাল তোমাৰ চৰণ সেৱা কৰিম বুলি যি আশা মনতলৈ আহিছো তাক ভঙ্গ নকৰিবা গোপাল। তোমাৰ আনন্দ মুখৰ মুৰ্ত্তিয়ে আমাৰ মন প্ৰাণ হৰণ কৰিছে। আনকি তোমাক এৰি এক্ষন্তেক আমাৰ মন ঘৰত নাথাকে তোমাৰ দৰ্শন পোৱাৰ পিছত আনৰ পিনে চোৱাৰ দৃষ্টি হেৰুৱাইছো। কাণেৰে নুশুনা হৈছো, আনকি খোজ কৰাৰ শক্তিও হেৰুৱাই পেলাইছো। গতিকে ব্ৰজত গৈ আমি কি কৰিম প্ৰভু। তোমাৰ মোহন বাঁহীৰ ধ্বনিত আৰু কটাক্ষ হাঁহিত অন্তৰ দহিছে। হে হৰি, আশ্বাস দিয়া, অন্তৰত যি দাবানল জ্বলি আছে নিৰ্বাপিত কৰি অমৃতৰ বোৱতি ধাৰা বোৱাই দিয়া প্ৰভু। নিজ স্বামী পুত্ৰৰ মুখ নেদেখি মহান বেদনাত জৰ্জৰিত হৈ আছো, কাকুতি কৰিছো তোমাৰ সেৱা কৰি যাতে দুখ বেদনা লাঘৱ কৰিব পাৰো।

**গোপীসকলৰ সৈতে শ্ৰীকৃষ্ণৰ ৰাস লীলা**

গোপীসৰৰ কৃপাময় বাণী ইমানেই প্ৰাণস্পৰ্শী বেদনাদায়ক আছিল যে তেওঁলোকৰ চকুৰ লোতোকেদি অশ্ৰুজল নিগৰিত হৈ বিৰহ বেদনাৰ ছা বিয়পাইছিল, আনকি মুখৰ মাত কথা বন্ধ হৈছিল। ভক্তৰ দুখত দুঃখিত হৈ অৱশেষত মদনমোহনে গোপীসৰক মাতে, আনকি নিজৰ পীত বস্ত্ৰেৰে সকলোৰে চকু মুখ মুছি অতি মধুৰ বচনেৰে আশ্বাস বাণী শুনাই কয় তোমালোকৰ অন্তৰাত্মাৰ সৈতে মোৰ প্ৰতি প্ৰেম ভকতিত মই বশ মানিছো, আজি মনোৰথে তোমালোকৰ আশা পূৰণ কৰিম। গোপীসকল আছিল কৃষ্ণৰ পৰম ভক্তা। পূৰ্বতে ত্ৰেতা যুগত ৰামৰ অপূৰ্ব ৰূপ আৰু লীলা দেখি প্ৰেয়সী হ'বলৈ মনোবাঞ্চা কৰা দণ্ডকাৰণ্যৰ ঋষি সকলেই ৰামৰ বৰ প্ৰাপ্ত হোৱাত দ্বাপৰ যুগত গোকুলত গোপীৰূপে জন্ম লাভ কৰি তেওঁলোকে পৰমানন্দ লাভ কৰিছিল।

শ্ৰীকৃষ্ণ আছিল গোপীসকলৰ জন্মজন্মান্তৰৰ আৰাধনা/কলিজাৰ আকুল আহ্বান।

কৃষ্ণৰ বাণীত গোপীসকলৰ মনত অমৃত বৰশিছিল আৰু উৎফুল্লিত হৈ উঠে। তেওঁলোকে শোক তাপ পৰিহাৰ কৰি জগতপতি কৃষ্ণক বেঢ়ি ৰঙ্গ কৰিছিল। পূৰ্ণকাম হৰি জগতপতি হৈয়ো ভকতৰ মনোবাঞ্চা পূৰণ কৰাৰ বাবে গোপীসকলৰ সৈতে কেলি কৰিবলৈ ধৰে। শ্ৰীকৃষ্ণৰ সমুধুৰ চাওণিত গোপীসকলে আনন্দত বিভোৰ হৈ এনেকুৱা পৰিবেশৰ সৃষ্টি কৰিছিল যেন গোপীসকল একোটা নক্ষত্ৰ, স্বয়ং জগতপতি চন্দ্ৰমা হৈ নক্ষত্ৰ সকলক প্ৰকাশ কৰি কেলি কৰিছিল। ৰাস ক্ৰীড়াত শ্যাম কানুৱে হাতেৰে যেতিয়া গোপীসকলৰ বাহুত স্পৰ্শ কৰিছিল তেতিয়া গোপীৰ অন্তৰত বিদ্যুত প্ৰবাহ হৈ বৈজয়ন্তীৰ মালা জিলিকি উঠিছিল আৰু প্ৰাণ খুলি কামিনীমোহনৰ গীত গাই নৃত্য কৰিছিল। ৰাসক্ৰীড়া ইমানেই সুমধুৰ হৈছিল যে যমুনাৰ সুকোমল বলি জিলিকি উঠাই নহয় বৃন্দাবনত বসন্ত বিৰাজ কৰিছিল। কোকিলৰ কুহু কুহু ধ্বনি, বহুৰঙত পুস্পৰ সুৰভি, ভোমোৰাৰ গুঞ্জন, মৌমাখিৰ মধুপান, এনে বিতোপন দৃশ্যত মতলীয়া হৈ ভগৱন্ত গোপীসৰৰ সৈতে অপৰ্য্যাপ্ত ক্ৰীড়া কৰিছিল। ৰাস ক্ৰীড়াত কৌতুহল হৈ ভগৱন্ত বাহু মেলি আলিঙ্গি কাৰোবাৰ মুখত হাত বুলাই পৰিহাস কৰি কাৰোবাৰ মাতি, কাৰোবাৰ মুখলৈ চাই হাঁহি, কাৰোবাৰ বাহুত ধৰি আলিঙ্গন যাঁচি গোপীসৰৰ মনোবাঞ্চা পুৰণ কৰাত গোপীসৰে গৰ্বিত হৈছিল আৰু ভাবিছিল মানবি দেহধাৰি হৈ স্বয়ং ভগৱান কৃষ্ণৰ লগত কেলি কৰা, তেওঁলোকৰ দৰে ভাগ্যৱতী কোনো নাই। তেওঁলোকৰ দৰ্প অহংকাৰ ইমানেই বাঢ়িছিল যে দম্ভত মাটিত ভৰি দিয়া নাছিল, আনকি শ্ৰীকৃষ্ণই মাতিলেও ঠেহ ধৰিছিল। গোপীসকলৰ দৰ্প অভিমান চুৰ্ণ কৰাৰ বাবে তেওঁলোকৰ হিত কামনা কৰি হঠাৎ অন্তৰ্ধান হয়।

জগতপতিৰ অন্তৰ্ধানত ভয়ত কম্পমান হৈ বহুত বিচাৰি, প্ৰভু আমাক এৰি গুচি গ'লা বুলি নিজৰ গৰ্ব অহংকাৰক ধিক্কাৰ দি শোকত আতুৰ হয়। কৃষ্ণক নেদেখি তেওঁলোকৰ প্ৰাণ চটফট কৰিবলৈ ধৰে আৰু খেদ কৰি কয় আমাৰ দোষ নধৰিবা প্ৰভু। তোমাক নেদেখি প্ৰাণ ফাটি যাব খোজে, হে দীনদয়াল আমাক পৰিত্ৰাণ কৰা। সকলো পৰিহাৰ কৰি তোমাকেই সাৰ বুলি ধৰি লৈছো, বিমুখ নকৰিবা। কাকুতি মিনতি কৰি যমুনাৰ বালিত বাগৰি কান্দিবলৈ ধৰে। এনেদৰে বিলাপ কৰি কয়, হে কৃষ্ণনাথ নন্দৰ দুলাল তুমি ক'ত গ'লা দেখা দিয়া আমাৰ দুখ মোচন কৰা। ইমান গভীৰ ৰাতি, বনৰ মাজত আমি অকলশৰীয়া বুলি ক্ৰন্দৰ ৰোল তুলি হা কৃষ্ণ, হা কৃষ্ণ বুলি বিলাপ কৰি চেতনা শক্তি হেৰুৱায়।

কৃষ্ণক নেদেখি গোপীনাৰী সৰে নিজকে ধিক্কাৰ দি কয়-

"লক্ষীৰে বল্লভ যিটো ত্ৰিজগত পতি।
তাহাঙ্কো হেলিল কিনো অন্ধ ভৈল মাতি।।

বহুতো ধৰণে বিলাপ কৰি কয় দীনদয়াল প্ৰভু কৃষ্ণ আমাক পৰিত্ৰাণ কৰা। আমি স্ত্ৰী জাতি অতি চঞ্চলা দোষ নধৰিবা। তুমি অবিহনে আমাৰ হিয়া দহিছে, চকুৰ লোতক শাৰীৰ আচলেৰে মুচি বালিত বাগৰি থাকে যেন-

"যুথপক নাপাই যেন হস্তিনীসকলে।
কৰে আৰ্ত্তৰাৱ আতি স্বামীৰ বিকলে।।"

কৃষ্ণ অবিহনত বিলাপ কৰি ব্যৰ্থ হোৱাত অৱশেষত কেশৱৰ দৰে অঙ্গি ভঙ্গি কৰি কৈছিল-

"মই যে সুহৃদ কৃষ্ণ দেখ সখীগণ।
অন্যোআনে বোলে গোপী প্ৰেমত বচন।।"

এনেদৰে আহ্বান জনাই বাহু মেলি বাকি গোপীসৰক আলিঙ্গন কৰিবলৈ কয়। লগতে কৃষ্ণৰ দৰে কেলি কৰিবলৈ ধৰে। গোপীসৰৰ ক্ৰন্দনৰ ৰোলত

বৃন্দাবনৰ অপূৰ্ব ৰূপত মলিনতাৰ ছা পেলাই কৃষ্ণ কৃষ্ণ বুলি বিচাৰি ফুৰিবলৈ ধৰে।

বাহিৰ ভিতৰে যিটো কৃষ্ণ আছ ব্যাপি।
সুধি ফুৰে তাহাক বৃক্ষৰ পাশ চাপি।।

**বিৰহ দগ্ধা গোপীসৰৰ কাৰুণ্য**

বিৰহত তাপিত জৰ্জ্জৰিত গোপীসৰে কৃষ্ণৰ সন্ধান কতো নাপাই যি সকল বৃক্ষক অতি তুচ্ছ বুলি ভাবিছিল যেনে অশ্বথ্য, কপিথ্য, থৈকৰ কাঞ্চন, চম্পা পাকৰিকে আদি কৰি উদ্দেশ্যি কৈছিল নন্দকুমাৰ অকস্মাত অন্তৰ্ধান হয়, এই চুৰক দেখাই দিলে বৰ উপকাৰ হয়। আনকি ভগৱানৰ নামত উচৰ্গিত ফুল অশোক, নাহৰ, চম্পাক উদ্দেশ্যি জগত পতিক দান দিয়াৰ কথা কৈছিল। তুলসীক মহায়শী বুলি সম্বন্ধি কৈছিল যেহেতু তুমি মহায়শী, হৰিৰ প্ৰিয়া নন্দন কুমাৰৰ লগ পাই থাকা, দিবানে তেওঁৰ সন্ধান। কৃষ্ণৰ সন্ধান বিচাৰি কোনো তৰুলতা বৃক্ষ গোপীসকলৰ পৰা বাদ পৰা নাছিল। অৱশেষত হৰিণী দেখা পাই কৃষ্ণৰ সন্ধান বিচাৰিছিল। কিন্তু ব্যৰ্থ হৈ উপলব্ধি কৰিছিল-

দহৰে হৃদয় শৰীৰ নসয়
দাৰুণ বিৰহ তাপ।
কৃষ্ণগুণ গাই বৰ্ণাই বৰ্ণাই
কৰিল প্ৰেম বিলাপ।।

কৃষ্ণ বিৰহত ব্যাথিতা গোপীসৰে বিৰহ বেদনা লাঘব কৰাৰ বাবে শৈশৱৰ পৰা যৌৱন কাললৈকে শ্ৰীকৃষ্ণই যি লীলা কৰিছিল ক্ষন্তেকৰ বাবে যদুনন্দনক পাহৰিবলৈ চেষ্টা কৰি তেওঁৰ লীলা কৰিবলৈ ধৰে-

"কেহজনী বাহুথৈয়া গোপীৰ গালে।
কৃষ্ণময় হুয়া কতো আনন্দতে চলে।।
জান গোপীগন মই কৃষ্ণ যদুপতি।
দেখ দেখ ইটো মোৰ কেন লীলা গতি।।

কৃষ্ণক পোৱাৰ বাবে অসংখ্য চেষ্টা কৰে যদিও বিফল হৈ অন্তৰৰ সৈতে স্মৰণ কৰি হা কৃষ্ণ, হা কৃষ্ণ বুলি কান্দি কান্দি বৃন্দাৱনত বিচাৰি ফুৰে।

কোনো পন্ধে কৃষ্ণক বিচাৰি নাপাই পৰম বিস্মিত হৈ, পূৰ্ণ চন্দ্ৰৰ পোহৰৰ বিপৰীতে ঘোৰ এন্ধাৰে আৱৰি ধৰে, তথাপিতো নিজ গৃহ পতি সন্তানৰ কথা পাহৰি কালিন্দিৰ পাৰত গৈ বহন মণ্ডলাকাৰ হৈ "কৃষ্ণ কৃষ্ণ কৰি প্ৰাৰ্থিৰে লৈলা যত গোপনাৰী"।

কৃষ্ণ দৰশনৰ বাবে গোপীসকল ইমান উত্ৰাৱল হৈছিল যে কৃষ্ণ গীতৰ ধ্বনি দশোদিশ আচ্ছাদিত কৰিছিল।

**কালিন্দিৰ উপকুলত শ্ৰীকৃষ্ণ আৰু গোপীসৰৰ পুনৰ মিলন**

গোপীসৰৰ অচলা ভক্তি নিভাজ প্ৰেম অৰ্চনা দেখি গোপাল বিহ্বল হোৱাই নহয় ভক্তৰ দুঃখ দেখি নয়ন ছলছলিয়া হয় আৰু প্ৰেম মতলীয়া হৈ পীতবস্ত্ৰ ধাৰি ভূৱন মোহন ৰূপ ধাৰণ কৰে-

"হেন সুকুমাৰ মূৰ্ত্তি ভৈলন্ত বিদিত।
যেন একেবাৰে কোটি চন্দ্ৰমা উদিত।।
শৰীৰ কান্তি প্ৰকাশন্ত বৃন্দাবন।
দেখিতে মোহিত হৰে মদনৰো মন।।

মদন মোহন উপস্থিতিত গোপীসকলে সচকিত হয়, মদন ব্যাধি দূৰ হয়, অনুমন উল্লাসিত হয়। প্ৰাণ পালো, প্ৰাণ পালো বুলি মদনৰ চৰণত ধৰি বিনম্ৰ হৈ শুধে ক'তনো আছিলা নাথ ত্যাজিয়া আমাক দৰ্শন পাই একদৃষ্টিতে কৃষ্ণ মুখ দেখি পৰম তৃপ্তি লাভ কৰে। অদমনীয় কামনাবোৰ লোপ পায়, অন্তৰত জাগি উঠে নিষ্পাপ

ভক্তি। অকল সেয়ে নহয়, চকুৰ পলকতে যদি আকৌ অন্তৰ্ধান হয়,অন্তৰত জাগি উঠে নিষ্পাপ ভক্তি। দম্ভ ত্যাগ কৰি অৱশেষত-

"সকলো কৃপায় কৃষ্ণ বুলিলা বচন।
চাহিলা সদয় দৃষ্টি কৰি অল্পহাস।।
কৃষ্ণৰ কটাক্ষ যেন সিঞ্চিলা অমৃত।
গুচিল বিৰহ সৱে ভেল কৃতাকৃত্য।।

অৱশেষত বনমালীয়ে গোপীসৱক লৈ যমুনাৰ বালিত উপস্থিত হোৱাত বিষাদৰ ছা আঁতৰি বসন্তৰ আবিৰ্ভাৱ হয়।

**গোপীসৱৰ সৈতে কৃষ্ণৰ ৰাস**

গোপীসৱৰ পীড়া দূৰ কৰি গোবিন্দই ৰাসলীলা আৰম্ভ কৰে। ৰাসলীলাৰ বৰ্ণনা বৰ্ণনাতীত। লীলাৰ মাজতে শ্ৰীকৃষ্ণই কতজনৰ কান্ধত হাত বুলাই বুকুত সাৱতি, কাৰোবাক অপলোক চাওনিৰে, কিমান যে কেলি কৰিছিল তাৰ উপমা নাই, আনকি গোপীসকলে কৃষ্ণৰ বাঁহী কঙ্কণ, কুণ্ডল কাঢ়ি লোৱাত কোচমোচ খাই গোপীসকলৰ পিছে পিছে খুজি ফুৰাত বিনয়ত উৎফুল্লিত হৈ বনমালীক পিন্ধাই দিয়ে।

অৱশেষত যমুনাৰ সুকোমল বালিক বেঢ়ি মণ্ডলাকাৰ কৰি নিজ মায়াৰ বলত যিমান গোপী সিমান কৃষ্ণৰ সৃষ্টি কৰি স্নেহত বাহুমেলি ৰাসক্ৰীড়াত মত্ত হয়। ৰাসক্ৰীড়াত প্ৰতিজন গোপীয়ে উপলব্ধি কৰিছিল যেন তেওঁকে সাৱটি নৃত্য কৰিছে গোপস্বামীয়ে। ৰাসক্ৰীড়াত গোপীসকলৰ অসংখ অলংকাৰৰ ঝংকাৰ আৰু গীতৰ লহৰে মুখৰিত হোৱাত দেৱতা সকলে পুষ্প বৰিষণ কৰে আৰু আকাশৰ পৰা বিমানত বহি এক দৃষ্টিৰে চাই কৃষ্ণৰ গুণ গান গাবলৈ ধৰে।

অসংখ্য মূৰ্ত্তিৰ উজ্জ্বলতাই সজল মেঘৰ মাজত বিজুলীৰ প্ৰকাশ আৰু তাৰ মাজত গোপীকা সকলক বেঢ়ি নাৰায়ণে নৃত্য কৰি তেওঁলোকৰ মনোবাঞ্চা পূৰণ কৰি তৃপ্তি লাভ কৰিছিল। দেৱতাৰ ৰমণী সকলে কৃষ্ণ লীলাত কাম বাণত মূৰ্চ্ছাগৈ পিন্ধনৰ বস্ত্ৰ অসংলগ্ন আৰু খোপা খুলি চুলি আউল বাউল হোৱাত অৱশেষত নিজ স্বামীক চাই লজ্জা নিবাৰণ কৰিছিল। ৰাসক্ৰীড়া ইমানেই মনোগ্ৰাহি আছিল যে গন্ধৰ্ব, কিন্নৰ সকলোৰে মোহিত হৈছিল আৰু দেৱতা সকলে মূৰ দোৱাই গীত শুনিছিল।

দেখিবলৈ পোৱা যায় ৰাসলীলাত গোপীসৱে ভক্তিৰ বলতেই নিজৰ সৰ্বস্য মোহচ্ছন্ন ত্যাগ কৰিব পাৰিছিল বাবেই ভগৱানৰ সান্নিধ্য লাভ কৰিব পাৰিছিল। ৰাসলীলাত আছে ত্যাগৰ গৌৰৱ। ভগৱানক পোৱাৰ আনন্দ। দৰাচলতে ৰাসলীলা কামনা বাসনাৰ ছবি যেন লাগিলেও প্ৰকৃততে অশ্লীল নহয়। ৰাসলীলাৰ জৰিয়তে ভকতিৰ তাৰণাত জীৱাত্মাৰ লগত পৰমাত্মাৰ মিলন দেখুৱা হৈছে। মানৱীয় জীৱনৰ ভুল চিন্তা ধাৰাবোৰ আঁতৰাই উৎকৰ্ষত উপনীত হ'বলৈ ভগৱানৰ একান্ত কৃপা দৃষ্টি পাবলৈ ৰাসলীলাই হৈছে উত্তম সাধনা, উৎকৃষ্ট আদৰ্শ।❐❐

# বিষধৰ কালিয় নাগ

**শ্রীশৈলেন্দ্র নাৰায়ণ চৌধুৰী**
**টেঙাইগাঁও**

গোকুলৰ ব্ৰজবাসী সকলোৰ গোধন গৰু বিলাক চৰাবলৈ কৃষ্ণ, বলৰাম, শ্রীদাম, সুবল আদি গোপবালক সকল গৰু পাল লৈ সদায় বৃন্দাবনলৈ যায়। আজিও গ'ল। আজি কিন্তু বলৰাম নগ'ল। বৃন্দাবন গৈ পালে। আনদিনাৰ নিচিনা গৰু বিলাক চৰিবলৈ মেলি দিলে। ঘাঁহ খাই খাই গৰু বিলাক আগুৱাই গৈ থাকোতে যমুনা নৈৰ ওচৰ পালেগৈ। গৰমৰ বতৰ। বেলি লাহে লাহে মূৰৰ ওপৰ উঠিব ধৰিছে; সেই অনুপাতে বেলিৰ ৰ'দৰ তাপো বাঢ়িব ধৰিল। গৰুবিলাক আৰু গোপবালক সকল বেলিৰ ৰ'দৰ তাপত অতিমাত্রা গৰম অনুভৱ কৰিব ধৰিলে। সিহঁতক পানী পিয়াহ লাগিল। গৰুবিলাক আৰু গোপবালকসকল যমুনাৰ কাষত থকা কালিয় হ্ৰদত গৈ পানী খালে। পানী খোৱাৰ পিচত গৰু বিলাক আৰু গোপবালক সকল লাহে লাহে অবশ হৈ অচেতন ভাবে মাটিত বাগৰি পৰি মৰণ দশা পালে। কৃষ্ণ এই কাণ্ড দেখি অমৃত সিঞ্চন চাৱনিৰে সহজ ভাবেৰে সকলোকে পুনঃ চেতন কৰি জাগৰিত কৰি তুলিল। কৃষ্ণ গোপ লগৰীয়া সকলোক কলে—"এই হ্ৰদত কালিয় নামে নাগ মহা বিষধৰ সৰ্প এটা বাস কৰে, তাৰেই বিষতে হ্ৰদৰ পানী বিষাক্ত হৈছে। গৰু বিলাক আৰু তোমালোক আটায়ে সেই বিষাক্ত পানী খোৱাত মৰণৰ দশা পাইছা। ৰ' মই এই বিষয় অনুসন্ধান কৰোঁ। আৰু দেখিছা সেই কদমগছ হেনো অমৰ, কত অমৃত লাগিছে তাকো খজ কৰোঁ।" এই বুলি কৈ কৃষ্ণ তাৰ দেহত থকা চাদৰ কাপোৰ আদি ভালকৈ মেৰিয়াই টন্‌টনীয়া হ'ল। কৃষ্ণ কদমগছৰ ওচৰত গ'ল আৰু গছত চৰিল। কদমৰ ওখ ডাললৈকে উঠিল। লগৰীয়া সকলোক কলে— "ওই সখা, হ্ৰদৰ তলত কি আছে ৰ' মই চাই আহোঁ" কৈ কদমগছৰ ওখ ডালৰ পৰা হ্ৰদৰ পানীত জাঁপ দিলে। ইমানপৰে গোপ লগৰীয়া সকল কৃষ্ণক এনে দুঃসাহসিক কামৰ পৰা বিৰত কৰিবলৈ বাধা দিছিল যদিও কৃষ্ণ কাৰো কথাকেই মনকাণ কৰা নাছিল।

শ্রীকৃষ্ণৰ হ্ৰদৰ পানীত জাঁপ মাৰিলত পানীৰ মাজত প্ৰচণ্ড আলোড়নৰ সৃষ্টি হ'ল। এই আলোড়নৰ উদ্বেলিত পানী হ্ৰদৰ পাৰ প্লাৱিত কৰিল। এই আলোড়ন হ্ৰদৰ গভীৰ তল দেশত থকা কালিয় নাগৰ বাসস্থান পৰ্য্যন্ত কঁপাই তুলিলে। কালিয় ভাবিলে এয়া কোন মহাবল পৰাক্ৰান্ত প্ৰতাপী পানীৰ আস্ফালন, গৰুড়ৰ বাহিৰে এনে কাৰ্য্য কাৰ সম্ভৱ? কিন্তু গৰুড় শাপিত এই হ্ৰদত আহিব নোৱাৰে ইত্যাদি ভাবি কালিয় বাসস্থানৰ বাহিৰলৈ ওলাই আহিল, দেখিলে হাতত মুৰুলীধাৰী শ্যাম বৰণৰ সুকোমল

দেহৰ ভুবনমোহন সুন্দৰ ৰূপৰ বালক। কালিয় কলে— “হে বালক কোন তুমি ? কি নিমিত্তে এই বিষধৰৰ ঠাইত আহিলা ? কি মৃত্যুৰ ভয় নাই ?” কৃষ্ণই কলে “মৃত্যুৰ ভয় নাই বুলিয়েইতো ইয়ালৈ আহিলোঁ। তোমাৰ বিষে হ্রদৰ পানী, যমুনাৰ পানী বিষাক্ত কৰিছে। যমুনাৰ স্বাভাৱিক প্ৰাকৃতিক পৰিৱেশ বিনষ্ট হৈছে। মানুহ-দুনুহ, পশু-পক্ষী হ্রদৰ পানী খাই অকালতে কালৰ কবলত পৰিছে।” এনেকৈ দুজনৰ মাজত কথাৰে তৰ্কাতৰ্কি কৰি কালিয় তাৰ দীঘল শৰীৰৰ দ্বাৰা পাৰ পেচাই কৃষ্ণক মেৰিয়াই ধৰিলে আৰু ওপৰৰ পিনে উঠি আহিল। উদ্বিগ্নতাত থকা গোপবালক সকল কালিয়ৰ কুণ্ডলী পাকত কৃষ্ণক মেৰ খাই থকা দেখি স্তম্ভিত হ'ল, বাকৰুদ্ধ হ'ল, নিশ্চল হ'ল। কেৱল থৰ লাগি কৃষ্ণৰ পিনে চাই ৰ'ল। গৰু বিলাকো কৃষ্ণৰ পিনে ৰ'লাগি চাই থাকিল।

ইফালে গোকুলত কৃষ্ণগত প্ৰাণ শ্ৰী নন্দ আৰু যশোদা, গোকুলৰ ব্ৰজবাসী সকল নিজৰ নিজৰ দেহত অমঙ্গল সংকেত স্পন্দন অনুভৱ কৰিব ধৰিলে। বিশেষকৈ তেওঁলোক অধিক চিন্তিত হ'ল যে কৃষ্ণৰ দেহ ৰক্ষক হিচাপে বলৰাম আজি গৰু চৰাবলৈ কৃষ্ণৰ লগত যোৱা নাই। সেয়ে নিশ্চয় কৃষ্ণ কিবা বিপদত পৰিছে। ব্ৰজবাসী সকল গোপ আৰু গৰুপালৰ খোজৰ মাজে মাজে কৃষ্ণৰ ভৰিৰ তলুৱাৰ চিহ্ন ধ্বজা, গদা, পদ্ম, শঙ্খ, অংকুশ অনুসৰণ কৰি গোপ আৰু গৰুসকল অৱস্থান কৰা কালিয় হ্রদৰ পাৰলৈ আহি ওলাল। গোপ সকলোক নিশ্চল আৰু কৃষ্ণৰ কালিয়ৰ পাশবদ্ধ দেখি আৰ্ত্তনাদ কৰি হাহাকাৰ কৰি উঠিল। শ্ৰীনন্দ আৰু যশোদাৰ হ্রদৰ ফালে যাব খোজা দেখি বলৰামে বাধা দিলে আৰু নিৰ্ভয়সূচক হাঁহি মাৰিলে। অপৰাধীক সৰ্বসাধাৰণ ৰাইজৰ সন্মুখত দণ্ড বিহিব লাগে নীতি শাস্ত্ৰৰ কথা। ব্ৰজবাসী সকল উপস্থিত হৈছে দেখি কৃষ্ণ ইচ্ছাশক্তিৰে কালিয় বন্ধনৰ পৰা নিজকে মুক্ত কৰিলে। হাতেৰে কালিয়ৰ ফণা নতকৰি ফণাৰ ওপৰত কৃষ্ণ উঠিল আৰু শত ফণাৰ তাণ্ডৱ নৃত্য কৰিব ধৰিলে। বিশ্ব ব্ৰহ্মাণ্ডৰ ভাৰ ফণাৰ ওপৰত দাবোৱাত কালিয়ৰ ফণা জীৰ্ণ-শীৰ্ণ হব ধৰিলে। নাকে-মুখে কালিয় ৰক্তবমি কৰিব ধৰিলে। কালিয় ক্লিষ্ট, মৃতপ্ৰায় অৱস্থা দেখি কালিয়ৰ পতিপৰায়ণা পত্নীসকল সন্তান সকলোক শ্ৰীকৃষ্ণৰ সন্মুখত নতশিৰে — প্ৰণাম কৰিবলৈ কলে আৰু তেওঁলোক শ্ৰীকৃষ্ণ ভগৱানক স্তুতি কৰিব ধৰিলে। পত্নীসকলে স্তুতি কৰিলে— “হে ভগৱান ত্ৰিজগত পালন হাৰ আৰু তাৰণ হাৰ। দুষ্টক দমন কৰি উদ্ধাৰ কৰিবলৈকে তুমি জগতত আবিৰ্ভাব হোৱা। অন্যায়কাৰীসকলোক নিগ্ৰহ কৰি অনুগ্ৰহই কৰা হয়। আমাৰ পতিদেৱৰ প্ৰতি তোমাৰ নিগ্ৰহ আমাক অনুগ্ৰহ কৰাই হৈছে। পতিদেৱ পূৰ্ব্বজন্মত কি পুণ্যই বা অৰ্জন কৰিছিল, আজি স্বয়ং লক্ষ্মীদেৱীয়ে বাঞ্ছা কৰা তোমাৰ চৰণ-চিহ্ন মূৰত ধাৰণ কৰিব পৰা সৌভাগ্য লাভ কৰিল। হে পৰম দয়ালু ! আমি সৰ্পকুলত জন্ম লাভ কৰিছোঁ তদুপৰি স্ত্ৰীজাতি সাধন ভজন অনভিজ্ঞ আমাৰ পতিৰ প্ৰাণ ভিক্ষা মাগিছোঁ। আমাৰ পতিৰ অপৰাধ ক্ষমা কৰা।”

এনেকৈ কালিয় পত্নীসকল স্তুতি কৰিলে। স্তুতিত সন্তুষ্ট কৃষ্ণ কালিয়ৰ ক্লিষ্ট দেহক অমৃত চাৱনিৰে সুস্থ কৰি তুলিল। কালিয় সুস্থ হল আৰু মনতে শ্ৰীকৃষ্ণক স্তুতি কৰিব ধৰিলে। শ্ৰীকৃষ্ণ ফণাৰ পৰা নামিল আৰু কালিয়ৰ সন্মুখত থিয় হল। কালিয় স্তুতি কৰিল—“হে নাথ ! আমি সৰ্পজাতি স্বভাৱতই খল আৰু ক্ৰুৰ তোমাৰেই সৃষ্ঠ জীৱ। তোমাৰ মায়া প্ৰভাৱ অতিক্ৰম কৰা কাৰ সাধ্য। তুমিয়েই সকলোৰে নিয়ন্তা। গতিকে মোৰ কি কৰ্ত্তব্য আজ্ঞা কৰা। নিগ্ৰহ কৰা বা অনুমতি কৰা সকলো তোমাৰেই ইচ্ছা।”

কালিয়ৰ সৰল স্তুতিত শ্ৰীকৃষ্ণ সন্তুষ্ট হ'ল আৰু কলে— “হে কালিয় ! বৃন্দাবন, যমুনা মোৰ লীলাখেলা কৰা ঠাই, তোমাৰ থকা উচিত নহয়। তুমি তোমাৰ পূৰ্বৰ

বাসস্থান ৰমনক দ্বীপলৈকে সপৰিয়ালে যোৱা আৰু নিৰ্বিঘ্নে সুখত বাস কৰা। যাৰ ভয়ত এই সৰোবৰত আশ্ৰয় লৈ আছিলা সেই গৰুড় মোৰ চৰণ চিহ্ন তোমাৰ ফণাত দেখিলে তোমাক শ্ৰদ্ধা কৰিব। সৰোবৰৰ পানী শুদ্ধ নিৰ্মল হ'লে এই অঞ্চলৰ মানুহ, পশু, পখি সকলোৱে পান কৰি পৰিতৃপ্ত হব।"

কালিয়ৰ প্ৰতি শ্ৰীকৃষ্ণৰ আদেশবাণী— "নাত্ৰ স্থেয়ং ত্বয়া সৰ্প সমুদ্ৰং যাহি মা চিৰম্।" শ্ৰীমদ্ভাগবতম্- ১০-১১-৬০

সকলোৱে জানে বা দেখিছে কালিয় আশ্ৰয় লোৱা সৰোবৰৰ চৌপাশে বিষবাস্পৰ কণিকাৰ সংস্পৰ্শত তৰু-লতা, তৃণ-বন, পশু-পখি কোনো একোৱে জীৱিত বাচি নাথাকে। তত্ৰাচ শ্ৰীকৃষ্ণ যি ডাল কদম গছত চৰি সৰোবৰৰ মাজলৈ জাঁপ মাৰিল সেই কদম ডাল মৰা কদম নাছিল বা জীবিত অৱস্থাত কেনেকৈ টিকি থাকিল। এই প্ৰসংগৰ কাহিনী এনেকুৱা—

জগত সৃষ্টিৰ আদি কালৰ কথা। প্ৰজাপিতা ব্ৰহ্মা মানস পুত্ৰ সপ্তঋষিক সৃজন কৰিল। ঋষি মৰীচিৰ পুত্ৰ হল কশ্যপ। প্ৰজাপতি দক্ষৰ তেৰোজনী কন্যা সন্তানক কশ্যপে বিয়া কৰায়। কশ্যপৰ ঔৰসত স্ত্ৰী বিনতাৰ গৰ্ভত অৰুণ আৰু গৰুড় দুজন মহাপ্ৰতাপী বলবান পক্ষীৰাজ পুত্ৰসন্তানৰ জনম দিয়ে আৰু স্ত্ৰী কদ্ৰুৰ গৰ্ভত শতসৰ্প পুত্ৰ সন্তানৰ জনম হয়। এসময়ত বিনতা আৰু কদ্ৰু পণ ধৰি বাজি মাৰে যে ইন্দ্ৰৰ উচ্চৈঃশ্ৰবা ঘোঁৰাৰ নেজডাল বগা নে কলা। পণ বাজিত যিয়ে হাৰিব বিজেতাৰ দাসী হব আৰু গোলামী খাটিব লাগিব। কদ্ৰুৰ কূটিল চক্ৰান্তত বিনতা বাজিত হাৰিল আৰু কদ্ৰুৰ অধীনত গোলামী খাটিব ধৰিল। মাক বিনতাৰ গোলামী জীৱন পুত্ৰ গৰুড়ৰ সহ্য নহল। গোলামী জীৱনৰ পৰা মুক্তি বিচাৰি কদ্ৰুৰ ওচৰত উপায় বিচাৰিলে। কদ্ৰু কলে—"যদিহে ইন্দ্ৰপুৰীৰ পৰা অমৃত পাত্ৰ আনি দিব পাৰা চিৰদিনৰ বাবে গোলামী জীৱনৰ পৰা মুক্ত হব পাৰিবা।" কদ্ৰুৰ বাক্য শুনি গৰুড় বীৰদৰ্পে ইন্দ্ৰপুৰীলৈ উৰা মাৰিল। গৰুড়ৰ বীৰত্বৰ সন্তুষ্ট ইন্দ্ৰ গৰুড়ৰ লগত মিত্ৰতা কৰে। গৰুড় অমৃত পাত্ৰ ইন্দ্ৰৰ পৰা লাভ কৰে আৰু গৰুড়ৰ প্ৰাৰ্থনা অনুসৰি "সৰ্প সকল গৰুড়ৰ ভোক্ষ্য হক" বুলি ইন্দ্ৰই বৰ প্ৰদান কৰে। গৰুড়ে অমৃত পাত্ৰ নাগ লোকলৈ লই যাওতে এই কদম গছ ডালত ক্ষন্তেক জিৰণি লয়। অমৃতৰ পৰশ পাই কদমগছ অমৰ হয়। গৰুড়ে অমৃত পাত্ৰ নাগলোকলৈ লই গল আৰু সৰ্পসকলোৰ সন্মুখত পবিত্ৰ কুশকেহুঁৱা বনৰ ওপৰত ৰাখিল। অমৃত পাত্ৰ পাই কদ্ৰু বিনতা আৰু গৰুড়ক গোলামী জীৱনৰ পৰা মুক্ত কৰি দিলে। চেক বুজি ইন্দ্ৰ ছলনা কৰি অমৃত পাত্ৰ হৰণ কৰিল। সৰ্পসকল অমৃত পাত্ৰ নেদেখি কুশ বনকে চেলেকিব ধৰিলত সিহঁতৰ জিভা দুফলীয়া হ'ল।

কোনো এসময় যেতিয়া সৰোবৰ চৌপাশ প্ৰাকৃতিক শোভাৰে পূৰ্ণ পয়োভৰে ভৰি আছিল; সৌভৰি নামৰ এজন তপাচৰণ তপস্বীয়ে এনে মনোৰম পৰিবেশত মুগ্ধ হৈ সৰোবৰৰ ওচৰতে তপাচৰণত ব্ৰতী হল। হেনো কালে পক্ষীৰাজ গৰুড় ভোকত কাতৰ হৈ খাদ্য অন্বেষণ কৰি যদৃচ্ছা ভাবে সৰোবৰত আহি ওলাল। সৰোবৰত মাছ, কাচ, আন আন জলচৰ খেচৰ, উভচৰ দেখা পালে। গৰুড়ে তাৰ দুৰ্ব্বাৰ ক্ষুধাজ্বালা নিবৃত্তি কৰিবলৈ ঠেঙৰ তীক্ষ্ণ নখৰ দ্বাৰা মৎসৰাজৰ পিঠিত খামুচি ধৰি ওপৰলৈ উৰা মাৰিল। আন আন মাছ বিলাক কোলাহল, আৰ্তনাদ, হাহাকাৰ কৰিব ধৰিলে। তপস্বী সৌভৰিৰ তপাচৰণত বিঘ্ন ঘটিল। কাৰণ জানিব পাৰি সৌভৰিয়ে গৰুড়ৰ প্ৰতি অভিশাপ দিলে—"গৰুড় যদি আকৌ ইয়ালৈ আহে মই শাপ দিলো তাৰ বিনাশ ঘটিব।" তপস্বীৰ অভিশাপ কালিয়ৰ ৰক্ষাকৱচ স্বৰূপ সৰোবৰত বহুকালৰ পৰাই নিৰ্বিঘ্নে মহাসুখত বাস কৰি আছিল।

ইন্দ্ৰৰ বৰত গৰুড় যথেচ্ছাভাবে সাপ ভক্ষণ কৰি ফুৰিব ধৰিল। এই পৰিস্থিতিত সৰ্পকুল দিনদিন হ্ৰাস হৈ আহিব ধৰিল। সাপ বিলাকৰ বুদ্ধিজীৱি সকলে গৰুড়ৰ ওচৰত নিবেদন কৰিলে, কলে— "হে মহাপ্ৰতাপী পক্ষীৰাজ আপোনাৰ বলবিক্ৰম অনন্ত অসীম, সমাগৰা পৃথিৱী ধাৰণ ক্ষমতা আছে। আমি অতিহীন দুৰ্বল, আমাসকলোক কৃপা কৰক যথেচ্ছাভাবে সাপ বিলাকক খালে আমি অতি সোনকালে এই পৃথিৱীৰ পৰা নিঃচিহ্নিত হৈ যাম। আমালোকক ৰক্ষা কৰক। আমালোকে প্ৰতি অমাবস্যা দিন অন্যান্য ভোজন সামগ্ৰীৰ লগত এডাল সাপ নিবেদন কৰিম।" গৰুড় সাপ বিলাকৰ প্ৰাৰ্থনা স্বীকাৰ কৰিল। বহুকাল এই চুক্তিমতে চলিল। সময়ত সাপ বিলাকৰ মাজৰ পৰা এক দুৰ্ধৰ্ষ মহাবিষধৰ উদণ্ড সৰ্প গৰুড়ৰ লগত হোৱা চুক্তিৰ বিৰোধিতা কৰিল আৰু গৰুড়ৰ ভোজন সামগ্ৰী যোগান বন্ধ কৰি দিল। এই কাৰ্যত গৰুড় ক্ৰুদ্ধ হ'ল আৰু উদণ্ড সৰ্পক তাৰ ধৃষ্টতাৰ বাবে সমুচিত দণ্ড বিহিবৰ বাবে আক্ৰমণ কৰিল। মহাবলশালী প্ৰতাপী গৰুড়ৰ প্ৰতাপত তিস্থিব নোৱাৰি আত্মৰক্ষাৰ খাতিৰত যমুনাৰ সেই সৰোবৰত সপৰিয়ালে আশ্ৰয় লয়। এই দুৰ্ধৰ্ষ উদণ্ড সৰ্পই সেই মহাবিষধৰ কালিয় নাগ যাক শ্ৰীকৃষ্ণই দমন কৰি মহাসমুদ্ৰৰ মাজৰ পূৰ্বৰ বাসস্থান ৰমণক দ্বীপলৈ পুনঃ যাবলৈ নিৰ্দেশ দিয়ে।

কালিয়ৰ পতিপৰায়ণা পত্নীসকলৰ আকুতি পতিদেৱ পূৰ্বজনমত কি পুণ্যই বা অৰ্জন কৰিছিল যে ভগবান শ্ৰীকৃষ্ণৰ চৰণ চিহ্ন মূৰত ধাৰণ কৰিবলৈ সৌভাগ্য লাভ কৰিল এই কথাৰ পম খেদি কালিয়ৰ পূৰ্ব জনমৰ সুকীৰ্তিৰ কথা জনা আবশ্যক আছে।

পূৰ্বকালত স্বয়ম্ভু মন্বন্তৰদিনত ভৃগুবংশত জন্মগ্ৰহণ কৰা বেদশিৰা নামৰ এজন ঋষি বিন্ধ্যাচলত কঠোৰ তপস্যা কৰিছিল। বেদশিৰা তপস্যা কৰা আশ্ৰম ঠাইখিনিত আন এজন অশ্বশিৰা নামেৰে মুনি তপস্যা কৰিবলৈ আহিছিল। এই পৰিস্থিতিত দুয়ো তপস্বীৰ মাজত তপস্যাৰ স্থান লই কাজিয়াৰ সূত্ৰপাত হয়, বিৰোধ বাধে। তৰ্কাতৰ্কিক মাজত অশ্বশিৰা বেদশিৰাক কলে— "এই ভূমি তোমাৰো নহয় মোৰো নহয় একমাত্ৰ মহাবিষ্ণুই এই স্থানৰ অধীশ্বৰ। তুমি মোক দেখি সাপৰ দৰে ফোঁচ ফোঁচ কৰিছা। মোক অনৰ্থক খং দেখুৱাইছা। গতিকে তুমি সাপ হই জন্মগ্ৰহণ কৰা আৰু গৰুড়ৰ পৰা সকলো সময়তে আতংকিত ভাবে জীৱন অতিবাহিত কৰিবা।"

বেদশিৰা কলে—"তোমাৰ অভিপ্ৰায় অতি অসৎ, তুমি লঘু অপৰাধত গুৰুদণ্ড বিহিলা আৰু কাউৰীৰ দৰে নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে সকলো সময়তে তৎপৰ। গতিকে তুমি কাউৰী হই ভুতল পৃথিৱীত জন্মগ্ৰহণ কৰা।"

বেদশিৰা আৰু অশ্বশিৰা পৰস্পৰ অভিশাপ কৰিলত ভগৱান শ্ৰীনাৰায়ণ তাত আবিৰ্ভূত হল। শ্ৰীনাৰায়ণ দুয়োকো সান্ত্বনা বানীৰে শান্ত কৰিল। শ্ৰীনাৰায়ণ কলে—"হে বেদশিৰা, তুমি সৰ্প হই জন্মগ্ৰহণ কৰা তোমাৰ মূৰৰ ফণাচ মোৰ চৰণ চিহ্ন অঙ্কিত হব আৰু সেইবাবে গৰুড়ৰ পৰা কোনো ভয় তোমাৰ নাথাকিব। আৰু হে অশ্বশিৰা, তুমি কাউৰী হই জন্মগ্ৰহণ কৰা তোমাৰ কাউৰী দেহত যোগসিদ্ধি সমন্বিত ত্ৰৈকালিক জ্ঞান লাভ হব। তুমি নীলগিৰি পাহাৰত যোগী শ্ৰেষ্ঠ ভুচুন্দী কাক নামে সৰ্ব্বশ্ৰেষ্ঠ জ্ঞান সম্পন্ন মহাতেজস্বী হবা। তুমি ৰামভক্ত চুড়ামণি হবা আৰু পক্ষীৰাজ গৰুড়ক ৰামায়ণ কথা বৰ্ণনা কৰি শুনাবা।" পৰবৰ্তী কালত এওলোক এনেকৈয়ে পৃথিৱীত জন্মগ্ৰহণ কৰি সত্য পালন কৰে।❐❐

(বিঃদ্ৰঃ- 'বিষধৰ কালিয় নাগ' লেখোতে শ্ৰীমদ্ভাগৱতম্ গ্ৰন্থৰ সহায় লোৱা হৈছে— লেখক)

# কৃষ্ণ সংস্কৃতি, ৰাধা আৰু ভাৰতীয় দৰ্শন

**অজিত কুমাৰ দাস**
**বঙাইগাঁও**

ভাৰতৰ ইতিহাস, সংস্কৃতি, বিচাৰ বিশেষকৈ ধৰ্মীয় বিশ্বাসত কৃষ্ণ সংস্কৃতিৰ পয়োভৰ দেখিবলৈ পোৱা যায়। বিশ্বৰ ইতিহাসত ভাৰতবৰ্ষই এনে এখন দেশ য'ত স্বয়ং ভগৱানে মানৱ অৱতাৰ ধাৰণ কৰি সমগ্ৰ দেশকে ধন্য কৰিছে। শ্ৰীমৎ ভাগৱতৰ পৰা আৰম্ভ কৰি সকলো পুৰাণ, বেদত শ্ৰীকৃষ্ণৰ অপাৰ মহিমাৰ কথা ঘোষণা কৰা হৈছে। কৃষ্ণ প্ৰভুই যুগে যুগে মনুষ্য জনম কিমান সমস্যাৰে ভাৰাক্ৰান্ত সেয়া দেখুৱাই থৈ গৈছে। ভক্তৰ অধীন ভগৱান। বহু অৱতাৰত বহু ভক্তক ভগৱানে প্ৰতিশ্ৰুতি দিছে সাক্ষাৎ দিয়াৰ। সেয়ে ঈশ্বৰে মৰতত মানৱী জনম ধৰিছে। সাধাৰণ মানুহৰ দৰে দুখ, শোক, সমস্যাৰ মুখামুখি হৈছে। ভগৱৎ মহিমাৰ বাণী প্ৰচাৰ কৰিছে - 'নিজৰ কৰ্মফল ভোগ কৰিবই লাগিব।' বুলি বাৰে বাৰে সোঁৱৰাই দিছে। সাধাৰণ মানুহৰ দৰেই লাঞ্চিত হৈছে। ভাৰতীয় ধৰ্মৰ আধাৰ ত্যাগৰ মহিমাৰে উজ্জ্বল - সমুজ্জ্বল। জন্ম কালতে নিজ মাতৃৰ পৰা পৃথক হৈছে। সমগ্ৰ বাল্যকাল ঘাত - প্ৰতিঘাতৰ মাজেৰে অতিবাহিত কৰিছে। যুৱা অৱস্থা প্ৰাপ্ত হোৱাৈলে বহু অসুৰৰ লগত যুদ্ধত লিপ্ত হৈছে। সকলোতে সংযম ৰক্ষা কৰিছে। সকলোতে যেন মানৱী জনম সফল হোৱাৰ বাৰ্তা কঢ়িয়াই লৈ ফুৰিছে। মহাভাৰতৰ কুৰুক্ষেত্ৰত হাতত অস্ত্ৰ নোলোৱাৰ শপত লৈছে। শেষত সাধাৰণ ব্যাধৰ হাতত মৃত্যু বৰণ কৰিছে। ডাঙৰ লোক যে সৰু মানুহৰ হাততেই লাঞ্চিত হয় তাৰ নিজেই চানেকি হৈ দেখুৱাই থৈ গ'ল। সেয়ে ভাৰতীয় দৰ্শনৰ অপ্ৰতিদণ্ডী পণ্ডিত ড০ সৰ্বপল্লী ৰাধাকৃষ্ণনে কৈছে - 'পৃথিৱীত যদি ধৰ্মৰ প্ৰকৃত দৰ্শন ৰোপিত হয়, তেনেহ'লে সমাজত বেয়া মানুহৰ সৃষ্টিয়েই নহ'ব।'

ভগৱানৰ অপাৰ মহিমা। বহু যুগ ধ্যানত মগ্ন হৈ কৃষ্ণৰ সান্নিধ্য লাভ কৰা গোপীসকল পৰম কৃষ্ণ ভক্ত। সেয়ে বাঁহীৰ সুললিত মাতত গোপীসকলে পাগলী হৈ ঘৰৰ যি বস্তু য'তে আছে তাতে থৈ যমুনাৰ তীৰলৈ ঢাপলি মেলিছে কৃষ্ণৰ সংগসুখ বিচাৰি। ভগৱানে চক্ৰাকাৰে ঘূৰি গোপীসকলৰ লগত নৃত্য কৰিছে। সেয়াই হেনো ৰাস। ৰাসপূজা সমগ্ৰ ভাৰতৰে প্ৰায়বোৰ স্থানতে পালন হোৱা এটি উৎসৱ। শ্ৰীকৃষ্ণৰ অপাৰ মহিমা প্ৰকাশ পোৱা এই পূজা সময়ৰ লগে লগে মেলালৈ ৰূপান্তৰিত হ'ল। হিন্দু ধৰ্ম নিজে নিজে সৃষ্টি হোৱা ধৰ্ম। কোনো স্থানৰ ভৌগোলিক প্ৰেক্ষাপট, ৰীতি-নীতি, আচাৰ - বিচাৰ, প্ৰাকৃতিক সমল তথা সেই অঞ্চলৰ পৰম্পৰা লগ লাগি জনগণে নিজে নিজে এক বিশ্বাস তথা আচাৰ সৃষ্টি কৰি লৈছিল। পৰৱৰ্তী সময়ত সেয়াই ধৰ্ম হ'ল। হিন্দু ধৰ্মক সনাতন ধৰ্ম বুলি কোৱাৰ কাৰণ এয়াই হ'ব লাগে।

'হৰে কৃষ্ণ কৃষ্ণ কৃষ্ণ হৰে হৰে' এই সংকীৰ্তন আমাৰ দেশৰ প্ৰায় সকলো ঠাইতে গোৱা হয়। ৰাধে ৰাধে

বুলি ভক্তসকলে কৃষ্ণৰ নামৰ লগতে ৰাধাকো সাঙুৰি ভাল পায়। ৰাধা- কৃষ্ণৰ নাম আমাৰ দেশত সদায় গুঞ্জৰিত হোৱা নাম। এবাৰ ৰাধাই কৃষ্ণক সুধিলে - 'তুমি মোক কিমান ভালপোৱা ? ' উত্তৰত একো নকৈ কৃষ্ণই মাথোঁ তেওঁৰ ফালে চাবলৈ ক'লে। কৃষ্ণলৈ চাই ৰাধা আচৰিত হ'ল কৃষ্ণক চাওঁতে ৰাধাই কৃষ্ণক নিজৰ ৰূপতেই দেখা পালে। কিন্তু কৰ্তব্যৰ খাতিৰত সেই ৰাধাক এৰি গকুললৈ যাবলগীয়া হ'ল। ইয়াতো কৃষ্ণই কৰ্মৰ দায়িত্ব সকলোৰে ওপৰত বুলি বাণী প্ৰকাশ কৰিছে। কিন্তু ৰাধা পৰনাৰী। ৰাধা - কৃষ্ণৰ মিলনত পদে পদে বাধা। লোকচক্ষুত ৰাধা আনৰ ঘৰৰ বোৱাৰী, অন্য এজনৰ পত্নী। সেইবাবে পৰকীয়া প্ৰেমেৰে অভিযুক্ত এই পৱিত্ৰ প্ৰেম। আচলতে সংসাৰ অনিত্য। অসত্যক সত্য ৰূপে প্ৰতিষ্ঠা কৰাই ৰাধাৰ জীৱনৰ উদ্দেশ্য। "ৰাসলীলাত সেই বাণীকে প্ৰচাৰ কৰিছে চাগেঙ্গ অজস্ৰ গোপীসকলেৰে পৰিবেষ্টিত প্ৰাণনাথ কৃষ্ণ হঠাতে নোহোৱা হ'ল। হাহাকাৰ লাগিল। গোপীসকলে যমুনাৰ তীৰত প্ৰাণকৃষ্ণক বিচাৰি চলাথ কৰিলে। বৃন্দাবনৰ প্ৰতিজোপা গছ - লতিকাক কানাইৰ বতৰা সুধিলে। বহুদূৰ বাট চলাথ কৰি তেওঁলোকে কৃষ্ণৰ পদচিহ্নহে পালে। লগতে সেই পদচিহ্নৰ কাষত এগৰাকী নাৰীৰো পদচিহ্ন প্ৰত্যক্ষ কৰিলে। সেই পদচিহ্ন নিশ্চয়কৈ ৰাধাৰ। কিন্তু এই ৰাধা কোন ৰাধাৰ লগত কৃষ্ণৰ কোনো বৈধ সম্পৰ্ক নাই। কিয়নো তেওঁলোকে হোম-যজ্ঞৰে অগ্নিক সাক্ষী কৰি বৈধ সম্পৰ্ক গঢ়া নাই। তথাপিও ভাৰতীয় সংস্কৃতিৰ সবাতোকৈ পূজনীয় এই দুই নৰ - নাৰীৰ যি সম্পৰ্ক সেই সম্পৰ্ক সকলোতকৈ পৱিত্ৰ। কিয়নো ৰাধাৰ প্ৰেম আধ্যাত্মিক পৰ্যায়লৈ ধাৱিত হোৱা শ্বাশ্বত প্ৰেম।

মথুৰাৰ ওচৰৰে বৃন্দাবনত দুখনি গাওঁ। ইয়াৰে নন্দগাঁৱৰে মুৰব্বী নন্দৰজাৰ পালিত পুত্ৰ কৃষ্ণ আৰু বৰ্ষনাগাঁৱৰ মুখিয়াল বৃষভানুৰ কন্যা ৰাধা। বৰ্ষনাৰ পৰা অহা পথত প্ৰেম সৰোবৰ। এই সৰোবৰৰ পাৰতে আছে এজোপা প্ৰকাণ্ড বটগছ। এই বটগছৰ তলতে কৃষ্ণই ৰাধাক প্ৰথমবাৰৰ বাবে দেখা পাইছিল। তাৰ পাছৰে পৰা ৰাধা - কৃষ্ণৰ প্ৰেমত উত্তাল হৈছিল মথুৰাৰ আকাশ - বতাহ। মৌমাখিৰ দৰে মধুপান কৰা কৃষ্ণৰ বাঁহীৰ সুৰত উন্মনা হৈ গোপবালাসকল যৰে বস্তু ত'তে পেলাই, লাজ - ভয় সকলো পুৰি খাই দোভাগ নিশাও শ্ৰীকৃষ্ণক পাবলৈ দৌৰি যায়। কিন্তু সেই ভিৰৰ মাজতো কৃষ্ণই বিচাৰে কেৱলমাত্ৰ ৰাধাক। কিন্তু ৰাধাই কৃষ্ণক লগ দিয়া সিমান সহজ কথা নহয়। স্বামী অভিমন্যু, শাহু জটিলা আৰু ননদ কুটিলাৰে ভৰা সংসাৰ ৰাধাৰ। সংসাৰৰ সকলো ভেজাল মাৰি স্বামী, শাহু, ননদ সকলো শোৱাপাটিত পৰাৰ পাছতহে নিঃশব্দে বাহিৰ হৈ ওলাই আহে ৰাধা।

কেতিয়াবা যশোদা, কেতিয়াবা সখী ললিতা - বিপাশা আনকি কেতিয়াবা নিজে নজনাকৈ শাহুৱেক জটিলাও হয় ৰাধা - কৃষ্ণৰ মিলন সেতু। জটিলাই জানে যে ব্ৰজৰ প্ৰায় সকলো গোপীয়েই কৃষ্ণৰ প্ৰেমত ব্যাকুল কিন্তু সেই মহাদুষ্টই বিচাৰি ফুৰে তেওঁৰ ঘৰৰ বোৱাৰীজনী। কাজেই জটিলাই অনবৰতে পহৰা দি থাকে ৰাধাক। কিন্তু দুৰন্ত প্ৰেমিক ৰাধাক কেনেদৰে শৃংখলেৰে বান্ধি ৰাখিব পাৰে জটিলাই সূৰ্য পূজা কৰিবলৈ গৈছে, পুৰোহিতৰ বেশ লৈ উপস্থিত হৈছে স্বয়ং কৃষ্ণ। মন্ত্ৰ মাতিছে জটিলাই বুজি নোপোৱাকৈ ৰাধাক শুনাই প্ৰেমৰ মন্ত্ৰ। অভিমন্যু বাহিৰলৈ ওলাই যোৱাৰ পিছ মুহূৰ্ততে অভিমন্যুৰ দৰে পোছাক পিন্ধি ঘৰৰ পিছ দুৱাৰেদি সোমাই আহে কৃষ্ণ।

ৰাধাৰ নিচিনা পৰকীয়া বাধাৰ সৃষ্টি হয় কৃষ্ণ প্ৰেমত নিমজ্জিত ভক্তসকলোৰো। আকাংক্ষা যেতিয়া তীব্ৰ হ'ব, ৰীতি-নীতি, সংস্কাৰ, লাজ, ভয় সকলো বাষ্প হৈ যেতিয়া উৰি যাব আৰু হৃদয় যেতিয়া ভৰি পৰিব কৃষ্ণপ্ৰেমেৰে; তেতিয়াহে চিৰ আৰাধ্যজনৰ স'তে মিলনৰ পথ প্ৰশস্ত হয়। ❐❐

# ৰাসলীলাৰ কিছু ৰস, কিছু পুৰণি স্মৃতি আৰু পূৰ্বপুৰুষৰ কৰ্ম্মৰাজী

**উদয় কুমাৰ মজুমদাৰ**
**বঙাইগাঁও**

"মুৰুলী" মোৰ সম্পাদনাত ২০০১ চনত শ্ৰীসুভাষ নাথক সহকাৰী হিচাপে লই ৪৮ পৃষ্ঠাৰ এখন স্মৃতিগ্ৰন্থ উলিয়াইছিলো। ইয়াৰ আগতে ১৯৮৪ চনত ৺জ্যোতিষ মজুমদাৰ আৰু ৺ লক্ষ্মীকান্ত ৰায়ৰ সম্পাদনাত প্ৰথমখন স্মৃতি গ্ৰন্থ উলিওৱা হইছিল। তেতিয়া বেতুপাত (প্ৰচ্ছদপত) টো ময়েই অঙ্কন কৰি গুৱাহাটীত থকা ব্ৰহ্মপুত্ৰ প্ৰিন্টাৰ্চত বনাই আনিছিলো। প্ৰায় ৪০ টা বছৰ উকলিল। ২০০১ চনত মূৰুলী নামাকৰণ হ'ল। নামটোৰ নামাকৰণ ময়েই কৰিলো। পিছৰ প্ৰচ্চদপত বোৰত এদাল বাঁহীৰ ওপৰত মুৰুলী লিখি চপাই উলিয়াই কিছু প্ৰশংসা বুটলিবলৈ সক্ষম হলো। জন্ম লগ্নৰ জন্ম যন্ত্ৰণাও কিছু পালো। মাজে সময়ে যন্ত্ৰণাটো পাই থাকো যদিও— আনন্দও নথকা নহয়।

"ৰাস" নামটো হেনো ৰসৰ পৰা উৎপত্তি হৈছে (কিছু বিজ্ঞলোকৰ কথা)। ইয়াৰ অৰ্থ হৈছে- আনন্দ বা পৰমানন্দ প্ৰাপ্তি তৈত্তিৰীয় উপনিষদত এই বিষয়ে কোৱা হৈছে "ৰসো বৈ সঃ। ৰসং হোৱাযং লৱ ধবা নন্দী ভৱতি...।" অৰ্থাৎ ব্ৰহ্মাই ৰস। এই ৰস আস্বাদন কৰি জীৱই আনন্দ বা পৰমানন্দ লাভ কৰে। এই আনন্দৰ তুলনা নাই।

আহক আমি এতিয়া কিছু পুৰণি কথালৈ যাওঁ- দেউতাৰ গল্পত শুনিছিলো প্ৰথম ৰাসপূজা হেনো বাঘেশ্বৰী মন্দিৰত আৰম্ভ হইছিল পিচলৈ বৰবজাৰৰ ডাঙৰ পাখিৰি গছজোপাৰ তলত তাৰ পিচত বৰ্ত্তমান D.C.office চৌহদৰ তেতিয়া কাচাৰি বুলি কইছিল তাৰ পিছত পথাৰ খনৰ উত্তৰ পাৰত আজিৰ ঠাইডোখৰত স্থানান্তৰিত হইছিল। ৰাসপূৰ্ণিমাৰ জোনাক ৰাতিৰ স্নিগ্ধ জোনাকৰ পোহৰত আমি চাৰি ভাই ককাই দুই বাই ভনী আৰু লগত মা- যেতিয়া চোতালত বহি এই উপকথাবোৰ শুনিছিলো তেতিয়া হয়তো আজিৰ এই ৰাস মেলাৰ ঘুৰণি চকৰি, যাদু প্ৰদৰ্শনী, নৃত্য, ভাওনা আদিৰ কথা ভাবিব নোৱাৰা আছিল — এয়াই পৰিবৰ্ত্তন। আমি দেখিছিলো পথাৰ খনৰ পূৱ দিশত ওচৰ পাজৰৰ গাঁওৰ পৰা অহা ডাঙৰ এজোপা কলগছত লাগি এথোক কল তলত লেবেল মৰা আছে- অমুক চন্দ্ৰ ৰায়ৰ ঘৰত হোৱা এই জোপা কলগছ। কাৰোবাৰ ঘৰত হোৱা বিষাল মিঠালাউটো, কাৰোবাৰ ঘৰত হোৱা এজোপা বিষাল কুহিয়াৰ গছ— এমাহ থাকিব পৰাকৈ মাটিৰ তলত বান্ধি ৰাখে। আৰু দেখিছিলো এমাহজোৱা চাইকেলৰ ওপৰত উঠিয়েই দিনে

ৰাতি ঘুৰি থকা সেই Cyclist বোৰ। চাইকেলৰ ওপৰতে স্নান কৰা, কাপোৰ সলোৱা, ভাত খোৱা, শৌচ কৰা, দিনে নিশাই চাইকেল চলায় হে চলায় ঘুৰিয়েই থাকে ঘুৰিয়েই থাকে— সময় বুজি আমি নাটক কৰিছিলো। আমাৰ মন্দিৰ ঘৰৰ পশ্চিম দিশত থকা আজিৰ কাৰ্য্যালয়টোত আমি ষ্টেজ বনাইছিলো আৰু পুৰা, পশ্চিম মুৰাকৈ দৰ্শক সকলক বহা আসনৰ ব্যৱস্থা কৰি দিয়া হইছিল। পশ্চিম দক্ষিণ চোক টোত আমাৰ পুতনা ৰাক্ষসিনী আছিল আৰু ওচৰত আমাৰ সাজ সজ্জাকৰা (Green Room)। ৰাসমেলাখনৰ সম্পাদক আছিল প্ৰয়াত অক্ষয় চৌধুৰী তেখেতৰ ভাতৃ প্ৰয়াত ভবানী প্ৰসাদ চৌধুৰীদেৱৰ পৰিচালনাত ৺নৃপেন মহন্তৰ নাটক "ঈশ্বৰ পুলিচ আদালত" নাট মঞ্চস্থ কৰিছিলো। ঈশ্বৰৰ ভাওত আছিল আজিৰ সভাপতি মাননীয় ভূমিধৰ চৌধুৰী পুলিচৰ ভাওত আছিল প্ৰয়াত হিতেশ দাস, আদালতৰ ভাওত আছিল ৺ নৃপেন মহন্ত আৰু বাকী অভিনয়ত মই আছিলো বাঙলো এটাৰ নেপালী চকিদাৰ ৺বীৰেণ গোস্বামী কমেডিয়ান, ৺অনিমেশ বিহাৰী দাস আছিল Agent L.I.C. ৺মানবেন্দ্ৰ পাঠক আছিল পুলিচ ইন্সপেক্টৰ লগত পুলিচ শ্ৰী মানস শৰ্ম্মা, প্ৰমটাৰ (Prompter) আছিল আমাৰ দুৰ্গাপূজাৰ পুৰোহিত মাননীয় শ্ৰীযুত যতীন শৰ্ম্মা। আৰু কিছু নাম মনলৈ অহা নাই....

"ৰাসলীলা" প্ৰকৃত তাৎপৰ্য্য হৈছে ভক্তৰ লগত ভগবানৰ মিলন বা পৰমানন্দৰ তৃপ্তি। ভগবানৰ লগত যোগাত্মযুক্ত ভক্তসকলৰ যি আলিংগন সেই আলিংগনেই হৈছে কৃষ্ণৰ লগত গোপিনী সকলৰ একাত্মতা। ভক্ত সকল হল মায়াৰ অধীন। ৰাসলীলাৰ সম্পৰ্কত বহুতো কথা উপকথাৰ সমাহাৰ আমি লক্ষ্য কৰোঁ। সেইবোৰ যুগে যুগে পৰিবেশ আৰু সময়ৰ শৰে আৰু ৰমনীয় ৰূপদি ঐশ্বৰীয় ভাৱৰ প্ৰকাশ ঘটাই নানা প্ৰকাৰে পালনৰ দিহা দি আহিছে।

স্থান, কাল, পাত্ৰ ভেদে বিভিন্ন ৰূপ ল'লেও মুখ্য পুৰুষ প্ৰকৃতিৰ যি আকুল মিলনৰ আহ্বান আৰু পৰস্পৰে পৰস্পৰৰ মাজত বিলীন হোৱাৰ যি ঐহিক আৰু ঐকান্তিক কামনা তাৰ গৌৰৱ আজিও সমভাৱেই অম্লান। নৃত্য আৰু গীতৰ সমাহাৰ আজিও প্ৰায় যুগ যুগ ধৰি আমাৰ সেয়াই কামনা সেয়াই বাসনা।

এইবোৰেই আমাৰ স্মৃতি ৰোমন্থন— লিখিলে লিখি থাকিব মন যায়— কিন্তু হাত ভৰিবোৰ আমাৰো নিথৰ হ'ল........দেউতা, দাদাহঁতৰ পথত, আমিও আগুৱাই আছো তথাপিও লাগি আছো জীয়াই থকা দিনটোলৈ.............।

❐❐

# ৰাস পঞ্চাধ্যায়

শ্ৰী বিচিত্ৰ শৰ্মা
ৰঙাইগাঁও

"আ নো ভদ্ৰাঃ ক্ৰতবো
যজ্ঞ বিশ্বতঃ"

Let noble thoughts come from all good sides
সকলো ফালৰ পৰা মহান সত্য আৰু আদৰ্শ সমূহ
আমাৰ মনলৈ আহক।

ৰাস হৈছে, আত্মা পৰমাত্মাৰ মিলন; সেয়ে ৰাস মহাৰাস; ভগবানৰ আদি অন্ত নাই, শৰৎ কালত ভগবান কৃষ্ণ দেৱে যমুনাৰ বালিত, গোপী সৱৰ সৈতে নাচ-গান কৰিছিল। জীৱই পৰমাত্মাৰ লগত যাতে মিলি যাব পাৰে এইটোৱেই হৈছে আচল মূল তাৎপৰ্য্য।

প্ৰকৃততে ৰাসক্ৰীড়া আচল সময় হৈছে শুক্লা ত্ৰয়োদশীৰ পৰা পূৰ্ণিমা পৰ্য্যন্ত। এই খিনিয়েই মহাৰাসৰ পূৰ্ণ পয়োভৰ; "কাম জয় নামে ইটো কেশৱৰ কেলি।" গোপী সৱৰ সৈতে কেশৱৰ এনে কেলিত কোনো কাম গোন্ধ নাই।

বিশাল ভাগৱত শাস্ত্ৰ খনিত সৰ্বমুঠ ১২(বাৰটা) স্কন্ধ বা অধ্যায় আছে; তাৰে ভিতৰত দশম স্কন্ধৰ ২৯ অৰ পৰা ৩৩(উনত্ৰিশৰ পৰা তেত্ৰিশ)ৰ শ্লোক খিনিক সামগ্ৰীক ভাবে ৰাস পঞ্চাধ্যায় বুলি নিসন্দেহে কোৱা হৈছে। এয়ে হৈছে ৰাস পঞ্চাধ্যায়; ইয়াৰ উপৰিও শ্ৰীশ্ৰী কীৰ্ত্তনতো আৰু কেলিগোপাল নাটতো ৰাসক্ৰীড়াৰ কিছু বৰ্ণনাৰ কথা পোৱা যায়। ৰসো বৈস; ৰসেই আনন্দ, আনন্দং ব্ৰহ্মোতি; এই আনন্দই হৈছে প্ৰকৃততে স্বৰ্গীয় আনন্দ যাক কোনো কালে পোৱা সম্ভৱ নহয়। এয়া মহাৰাস আনন্দ ঘন বিষয়। ৰাসৰ আনন্দই সকলোকে মুগ্ধ কৰিব পাৰে।

ৰাস হৈছে, অধিক নৰ্ত্তকীৰ দ্বাৰা চক্ৰাকাৰে পৰিবেশন কৰা এবিধ অলৌকিক আনন্দ জনিত বিষয়; ইয়াত মুখ্য ভাবে পুৰুষ চৰিত্ৰ সাধাৰণতে একেটাহে থাকে। স্ত্ৰী সকলৰ সৰ্বত্ৰতে সৰ্বদিশত আনন্দইহে বিৰাজ মান হৈ থাকে। কৃষ্ণ চৰিত্ৰই গোটেই খিনি বিষয় তদাৰক কৰে। এটা কথা মন কৰিব পাৰি কৃষ্ণদেৱে যমুনাৰ বালিত কদমৰ তলিত নাচ-গান পৰিৱেশন কৰিছিল; সুন্দৰ স্নিগ্ধ শৰতৰ গধূলিৰ সময়ত তেনে সময়ত ভগবান শ্ৰী কৃষ্ণৰ বয়স মাত্ৰ ৭-৮ বছৰহে মাত্ৰ। এই খিনি বছৰক "পৌগণ্ড" কাল বুলি নিসন্দেহে কোৱা যায়। ভগৱান কৃষ্ণই গোপীসৱৰ ওচৰ-চুবুৰীয়া মিটিৰ-কুটুম্বৰ সৈতে জেঠী-খুৰী, মামী-পেহী, বাইদেউ আদি সম্বন্ধৰ ব্যক্তি

সত্ৰৰ সৈতে নাচগান পৰিবেশন কৰিছিল; ইয়াত আছে কেৱল ভক্তি ৰসৰ আনন্দৰ সৌহাৰ্দ্যপূৰ্ণ অলৌকিক স্নেহ-মৰম, শ্ৰদ্ধা। ভক্তিত সৰু-বৰ নাই;

"হৰেৰ্ণাম 'হৰেৰ্ণাম হৰেণামৈৱ কেৱলম্।
কলৌ নাস্তেব নাস্তেব গতিৰন্যথা।।"

ভক্তিয়ে সুন্দৰৰ পূজা আৰাধনা সমাপন কৰে—ভগৱান সচ্চিদানন্দ-সৎ-চিৎ আনন্দ; সত্য শিৱ সুন্দৰৰ এটা নিৰ্মল প্ৰৱাহ। সত্যই ভগৱান, এয়া আপ্তকাম; নদী-সাগৰৰ দৰে সুমহান গতিত প্ৰেম স্নিগ্ধ, পবিত্ৰ আৰু শাশ্বতঃ। এই বিশ্ব সৃষ্টিত দেৱ গোবিন্দহে আচল, "কৃষ্ণ এক দেৱ দুখহাৰী, কালমায়া আদিৰো অধিকাৰী; কৃষ্ণ বিনে নাই কেওঁ।"

"দেৱৰো দুৰ্লভ মনুষ্য জীৱন নকৰা বিফল।" পৃথিৱীৰ সকলো ব্যক্তিয়ে মনুষ্য জীৱনক লৈ হাঁহি তামচা আৰু সত্যত থাকিবলৈ বিচাৰে; কোনোৱে কাৰো অন্যায় হিংসা ক্লেশ আদি তৎ মুহূৰ্তে ইচ্ছা প্ৰকাশ নকৰে; এইটোৱে বিচাৰে পৰৰ সুখ শান্তিহে আচল বিষয়। "য়া বিদ্যা— য়া বিমুক্তয়ে।" সকলোৱে শিক্ষাৰ জৰিয়তে মুক্তি — কল্যাণ পাব বিচাৰে।

বহুতে ৰাসক্ৰীড়াক অশ্লিল দৃষ্টিত চাব বিচাৰে, কিন্তু সেয়া ভ্ৰমাত্মক; ভাল-বেয়া মানুহৰে সৃষ্টি। ভালটো ৰাখি বেয়াটো মুহূৰ্তে ত্যাগ কৰা উচিত। ৰাসৰ বিষয়ত বহুতৰে মনত কম বেছি পৰিমাণে চিন্তা ভাবনাৰ ক্ষণিক আনন্দৰ উদ্ৰেক হয়। যি সকলে পৰৰ বাবে চিন্তা কৰে, সেইজনেহে সংসাৰ খনক সদায় দিনৰ পোহৰৰ দৰে সুখময় হবলৈ বাঞ্ছা কৰে। ধন্য মানৱ জীৱন, ধন্য-ধন্য কলিকাল, কলিকালত নাম ধৰ্মই মূল বিষয়। ধন্য ভাৰতবৰ্ষ। পিতৃদেবভৱ, মাতৃদেৱো ভব, আচাৰ্য্য দেৱো ভব। পিতৃ-মাতৃ আৰু আচাৰ্য্য সকলক দেৱ জ্ঞান কৰিব লাগে।

মহাৰাসৰ সময়খিনিত প্ৰতিদিনে পুৱা-গধূলি পূজা-অৰ্চনা নিবেদন কৰা হয়। গধূলিৰ ভাগত আৰতি প্ৰদান আৰু শাস্ত্ৰ অধ্যয়ন ৰুচি সন্মত ভাবে দেৱ-দেৱী সকলৰ সন্তুষ্টিৰ বাবে ভক্তি আৰাধনা কৰা হয়। কীৰ্ত্তন-দশম, নামঘোষা-ৰামায়ণ মহাভাৰত, বেদ, পুৰাণ আদিত বিষয়ৰ পাঠোদ্ধাৰো কৰা হয়। ইয়াৰ উপৰিও আই আৰু বাপু সকলৰ নাম-কীৰ্ত্তন বিধি সন্মত ভাবে ৰাইজৰ ওচৰত নিৱেদন কৰা হয়; ৰাইজেই ৰজা- ৰাইজেই নাঁও বামেৰেও চলে। মুঠতে আনন্দ দানেই মুল ভক্তি বিষয়ক স্তুতি বন্দনাৰ আহিলা। ইয়াৰ লগতে ওজাপালি অনুষ্ঠান, ৰঙিলা গান আদিৰো বিধি ব্যৱস্থা কৰা হয়। সৰু-সৰু কিছুমান ব্যক্তিয়ে খুঁহুতীয়া ভাবে নাটকৰ আৰ্হিতে নাট্যৰসৰো আলোচনা কৰা হয়। উজনি অসমত অঞ্চল ভেদে নামনিতকৈ ৰাসৰ পয়োভৰ অতি বেছি, নামনি অসমত মৃণ্ময় মূৰ্ত্তিৰ প্ৰাধান্য সবাতোকৈ বেছি; বিশেষকৈ নলবাৰী, হাউলী, পাঠশালা, পাটাছাৰকুছি, ছয়গাঁও, বকো, বিলাসীপাৰা, ৰামদিয়া হেলনা, কুৱাৰা, পলাশবাৰী, টিহু আজি ঠাইত অধিক মাত্ৰাতেই সীমাহীন ৰাসৰ পূৰ্ণ পয়োভৰ দেখিবলৈ পোৱা যায়। অৱশ্যে মন কৰিব পাৰি উজনি অসমত মহিলা আৰু কন্যা-যুৱতী সকলে ঠায়ে ঠায়ে অধিক মাত্ৰাত ৰাসক্ৰীড়া অনুষ্ঠান নিৱেদন কৰি অতিকৈ আনন্দ পায়।

এয়া বঙাইগাঁওৰ গান্ধী ময়দানত অনুষ্ঠিত মহাৰাসৰ পূৰ্ণ শ্ৰদ্ধা ভক্তিৰ অনুষ্ঠান। ইয়াত ৰাইজে আনন্দেৰে প্ৰতিদিনে ভাগ লয়। জিলা প্ৰশাসন আৰু স্বেচ্ছাসেৱী অনুষ্ঠানে ইয়াত প্ৰতিদিনে শান্তি ৰক্ষাত নিজৰ নিজৰ দায়িত্ব পালনত সহায় কৰে। ব্যৱসায় প্ৰতিষ্ঠান গোষ্ঠীয়ে ব্যৱসায়ৰ জৰিয়তে কিছু ব্যৱসায়ৰো সুব্যৱস্থা কৰে।

ও সহনাৱ ৱতু। ওঁ শান্তিঃ ওঁ শান্তিঃ ওঁ শান্তিঃ।।

❐❐

# ৰাসলীলাৰ বৰ্ণনা

**নীৰেন চন্দ্ৰ দাস**
**বঙাইগাঁও**

বৈদিক শাস্ত্ৰত উল্লেখ আছে যে এজন নৰ্তকে বহু নতৰ্কীৰ সৈতে নৃত্য কৰিলে, সেই যৌথ নৃত্যক ৰাসনৃত্য বোলা হয়। শৰৎ কালৰ পূৰ্ণিমা ৰাতি শ্ৰীকৃষ্ণই মল্লিকা আদি নানা ধৰণৰ সুগোন্ধ যুক্ত ফুলেৰে সজ্জিত হ'ল। তেওঁক পতিৰূপে লাভ কৰিবলৈ কাত্যায়নী দেৱীৰ ওচৰত গোপীসকলে কৰা প্ৰাৰ্থনাৰ কথা তেওঁৰ মনত পৰিল। তেওঁ ভাবিলে যে, শৰৎকালৰ পূৰ্ণিমা নিশাই হৈছে তেওঁলোকৰ সৈতে নৃত্যানুষ্ঠানৰ উপযুক্ত সময়। কৃষ্ণই তেনে সময়ত তেওঁলোকৰ বাসনা পূৰ্ণ কৰিবলৈ ঠিৰাং কৰিলে। শ্ৰীমদ্ভাগৱতত এই কথাও কোৱা হৈছে — যোগমায়াক আশ্ৰয় কৰি শ্ৰীকৃষ্ণই গোপীসকলৰ সৈতে তেওঁৰ নৃত্যলীলা মহামায়াৰ কবলিত হৈ কৰা নাছিল। এই জড় জগতত যুৱক-যুৱতীৰ নৃত্য ভগৱানৰ বহিৰঙ্গা শক্তি মহামায়াৰ কৰ্তৃত্বাধীন। কিন্তু গোপীসকলৰ সৈতে কৃষ্ণৰ ৰাসলীলা যোগমায়াৰ স্তৰত অনুষ্ঠিত হৈছিল। চৈতন্য চৰিতামৃতৰ বৰ্ণনা অনুসাৰে যোগমায়া আৰু মহামায়াৰ পাৰ্থক্য সোণ আৰু লোৰ পাৰ্থক্যৰ দৰে। সোণ আৰু লো উভয়ে ধাতু, কিন্তু গুণগতভাৱে সম্পূৰ্ণ ভিন্ন। তেনেদৰে আপাত দৃষ্টিত যদিও ব্ৰজগোপীসকলৰ সৈতে শ্ৰীকৃষ্ণৰ ৰাসলীলা সাধাৰণ যুৱক-যুৱতীৰ মিলনৰ দৰে ধাৰণা হয়, কিন্তু গুণগতভাৱে সম্পূৰ্ণ ভিন্ন। এই পাৰ্থক্য মহান বৈষ্ণৱ আচাৰ্য সকলে নিৰূপন কৰি গৈছে। মহামায়াৰ ৰাজ্য জড় জগতত যুৱক-যুৱতীৰ নৃত্য ইন্দ্ৰিয় সুখ ভোগৰ কামনাৰ দ্বাৰা অনুপ্ৰাণিত হয়। কিন্তু কৃষ্ণই বংশী বজাই গোপীসকলক আহ্বান কৰিছিল, কৃষ্ণৰ অপ্ৰাকৃত বাসনাৰ তৃপ্তি সাধনৰ বাবে তেওঁলোকে নিজকে কৃষ্ণৰ ওচৰত সমৰ্পণ কৰিছিল। আমাৰ ইন্দ্ৰিয় তৃপ্তিৰ বাসনাই হৈছে কাম, কিন্তু কৃষ্ণৰ ইন্দ্ৰিয় তৃপ্তি সাধনক প্ৰেম বুলি কোৱা হয়। অন্য ভাষাত কবলৈ গলে আমাৰ নিজৰ ইন্দ্ৰিয় তৃপ্তিৰ বাবে কৰা যিকোনো কৰ্মই হৈছে জড় কৰ্ম, কিন্তু কৃষ্ণৰ তৃপ্তি সাধনৰ বাবে যেতিয়া কোনো কামকে কৰা হয় সেই কৰ্ম চিন্ময় ভগৱদ ভক্তি। সমস্ত জড় কৰ্মৰ উদ্দেশ্য হৈছে ইন্দ্ৰিয় তৃপ্তিৰ বাসনা। কিন্তু চিন্ময় স্তৰত মাথোন পৰমেশ্বৰ ভগৱান শ্ৰীকৃষ্ণৰ ইন্দ্ৰিয় তৃপ্তিৰ উদ্দেশ্যে কৰ্মসাধিত হয়। শ্ৰীকৃষ্ণই গোপীসকলৰ সৈতে ৰাসলীলা কৰিবৰ সময়ত তেওঁৰ বয়স আছিল মাত্ৰ 8 বছৰ। সেই সময়ত কৃষ্ণৰ সমবয়সীয়া বহুতো গোপীয়ে বিবাহিত আছিল। কিয়নো সেইখিনি সময়ত ভাৰতীয় ৰীতি অনুসাৰে ছোৱালী বিলাক 12 বছৰ বয়সতে বালিকাসকল মাক হোৱাৰ বহু দৃষ্টান্ত আছে। সেই সময়ত গোপীসকল যদিও বিবাহিতা আছিল তথাপি কৃষ্ণক তেওঁলোকৰ পতিৰূপে পোৱাৰ আশা পোষণ কৰিছিল। শ্ৰীকৃষ্ণৰ প্ৰতি

তেওঁলোকৰ মনোভাৱ প্ৰণয়িনীৰ দৰে আছিল। সেয়েহে গোপীসকলৰ সৈতে কৃষ্ণৰ এই প্ৰেমক পৰকীয়া প্ৰেম বোলা হয়। প্ৰকৃততে কৃষ্ণই হৈছে সকলোৰ পতি, কিয়নো তেৱেঁই হৈছে পৰমভোক্তা। সমস্ত গোপীয়ে কৃষ্ণক তেওঁলোকৰ পতিৰূপে কামনা কৰিছিল। কিন্তু কৃষ্ণৰ পক্ষে তেওঁলোক সকলোকে বিবাহ কৰাটো সম্ভৱ নাছিল। কিন্তু কৃষ্ণক তেওঁলোকৰ পতিৰূপে স্বাভাৱিক বাসনা তেওঁলোকৰ মাজত আছিল। সেয়ে গোপীসকলৰ সৈতে কৃষ্ণৰ সেই সম্পৰ্কক পৰকীয়া প্ৰেম বোলা হয়। এই পৰকীয়া ৰস অপ্ৰাকৃত জগত গোলক-বৃন্দাবনত নিত্য বিৰাজমান। জড়-জাগতিক পৰকীয়া ৰসত সমস্ত বিকৃতি দেখা যায়। অপ্ৰাকৃত জগত গোলক বৃন্দাবনত তেনে বিকৃতিৰ কোনো সম্ভাৱনা নাই। অপ্ৰাকৃত জগতত এই ৰসত কৃষ্ণৰ সৈতে গোপীসকলৰ যি সম্পৰ্ক, সেয়া সৰ্বোচ্চ মহিমামণ্ডিত। কৃষ্ণৰ সৈতে ভক্তৰ সম্পৰ্ক নানাৰকমৰ হ'ব পাৰে। যেনে — দাস্য, সখ্য, বাৎসল্য আৰু মাধুৰ্য্য ইত্যাদি। এই সমস্ত সম্পৰ্কৰ ভিতৰত পৰকীয়া ৰসৰ যি সম্পৰ্ক, সেয়া হৈছে সৰ্বোত্তম।

শ্ৰীকৃষ্ণই যেতিয়া শৰৎকালৰ পূৰ্ণিমা নিশা ব্ৰজসকলৰ সঙ্গ সুখ ভোগ কৰাৰ বাসনা কৰিলে, ঠিক সেই সময়ত চন্দ্ৰৰ সমস্ত সৌন্দৰ্য্যৰে আকাশত উদিত হ'ল। শৰৎ কালৰ পূৰ্ণিমা ৰাতিয়ে হৈছে বছৰৰ আটাইবোৰ নিশাৰ ভিতৰত সুন্দৰতম নিশা। পূৰ্বদিগন্তত পূৰ্ণিমাৰ চন্দ্ৰৰ উদয় হোৱাৰ লগে লগে সমস্ত অঞ্চল ৰক্তি আভাৰে ৰঞ্জিত। চন্দ্ৰ উদয়ৰ ফলত গোপীসকলৰ সৈতে শ্ৰীকৃষ্ণৰ নৃত্য কৰাৰ বাসনা বৰ্ধিত হ'ল। বন-উপবন সুবাসিত ফুলেৰে ভৰি পৰিছিল। দশোদিশ স্নিগ্ধ আৰু উৎসৱমুখৰ হৈ উঠিছিল। কৃষ্ণই বাঁহী বজাব ধৰাত, বৃন্দাবনৰ সমস্ত গোপীসকল মুগ্ধ হৈছিল। পূৰ্ণ চন্দ্ৰৰ উদয়, ৰক্তিম দিগন্ত, স্নিগ্ধ আৰু মনোৰম, পৰিৱেশ আৰু পূৰ্ণ বিকশিত পুষ্পৰ সৌৰভে সেই বাঁহীৰ সুৰৰ প্ৰতি তেওঁলোকৰ আকৰ্ষণ সহস্ৰ গুণে বৰ্ধিত কৰিছিল। এই সমস্ত গোপীবৃন্দই স্বাভাৱিকভাৱে কৃষ্ণৰ সৌন্দৰ্য্যৰ প্ৰতি অতিশয় আকৃষ্ট আছিল আৰু তেওঁলোকে কৃষ্ণৰ বাঁহীধ্বনি শুনা মাত্ৰকে তেওঁলোকৰ ইন্দ্ৰিয়ৰ তৃপ্তি সাধন কৰিবৰ বাবে আকুল হৈ উঠিছিল। সেই বাঁহীধ্বনি শুনামাত্ৰকে তেওঁলোকে সমস্ত কাম বন এৰি কৃষ্ণৰ সান্নিধ্য লাভৰ বাবে ঢাপলি মেলিলে আৰু ৰাসস্থলী পালেহি। গোপীসকল যেতিয়া তেওঁলোকৰ ঘৰৰ পৰা ওলাই আহিছিল, তেতিয়া তেওঁলোকৰ স্বামী, পিতা আৰু ভ্ৰাতৃসকলে আচৰিত হৈ ভাবিব ধৰিলে, তেওঁলোকে কলৈ যাব ধৰিছে? যুৱতী স্ত্ৰী হিচাপে তেওঁলোকে তেওঁলোকৰ স্বামী, জ্যেষ্ঠ ভ্ৰাতৃ অথবা পিতাকৰ তত্ত্বাৱধানত আছিল। অভিভাৱকসকলে তেওঁলোকক কৃষ্ণৰ ওচৰলৈ যাবলৈ নিষেধ কৰা স্বত্বেও সেই নিষেধ তেওঁলোকে নামানিলে। কোনোলোকে পূৰ্ণ কৃষ্ণভাৱনাত আকৃষ্ট হৈ পৰাৰ পিছত আৰু কোনো প্ৰকাৰ জাগতিক কৰ্ত্তব্যৰ প্ৰতি কেৰেপ নকৰে। কৃষ্ণভাৱনাৰ ইমানেই মধুৰ যে, এই অমৃতে সকলো প্ৰকাৰ জড় বন্ধনৰ পৰা স্বস্তি দান কৰে। এজনী গোপীয়ে আন এজনী গোপীক উপদেশ দি কৈছে, "হে সখী, তুমি যদি সমাজ, আত্মীয় স্বজনৰ স্নেহ আৰু বন্ধুৰ ভালপোৱা উপভোগ কৰিব বিচৰা, তেন্তে দয়া কৰি কৃষ্ণৰ কাষলৈ যোৱা। শ্ৰীকৃষ্ণই যমুনাৰ পাৰত থিয় হৈ তেওঁৰ বাঁহী বজাইছে। পূৰ্ণ চন্দ্ৰৰ কিৰণত তেওঁৰ অধৰ-ওঠ উজ্বল হৈ উঠিছে।" সমস্ত গোপীবৃন্দই তেওঁলোকৰ চিত্তত পৰকীয়া প্ৰেমৰ দ্বাৰা কৃষ্ণৰ চিন্তাত মগ্ন হৈছিল বাবে তেওঁলোকে জড় জগতত সৰ্বপ্ৰকাৰ কৰ্মবন্ধনৰ কলুষৰ পৰা মুক্ত হৈছিল আৰু তেওঁলোকৰ বহুতে তৎক্ষণাত জড় প্ৰকৃতিৰ তিনিগুণৰ অধীন জড় দেহ

পৰিত্যাগ কৰি অপ্ৰাকৃত দেহপ্ৰাপ্তি হৈছিল।

ব্ৰহ্ম সংহিতাৰ বৰ্ণনা অনুসাৰে সমস্ত গোপীসকল হৈছে শ্ৰীকৃষ্ণৰ আশীৰ্বাদ শক্তিৰ প্ৰকাশ। তেওঁলোকৰ শ্ৰীঅঙ্গ নিজৰ হাতৰ দ্বাৰা স্পৰ্শ কৰি অতি মনোৰম চকুজুৰিৰ ফালে লক্ষ্য কৰি এটি শিশুৱে দৰ্শনত যিদৰে নিজৰ প্ৰতিবিম্বৰ সৈতে খেলা কৰে ঠিক সেইদৰে কৃষ্ণয়ো গোপীসকলক উপভোগ কৰিছিল। কৃষ্ণ গোপীসকলৰ দেহৰ বিভিন্ন অংগত স্পৰ্শ কৰিলত গোপীসকলে নিজকে এবিধ অপ্ৰাকৃত শক্তিৰ দ্বাৰা আৱিষ্ট হোৱা বুলি অনুভৱ কৰিছিল। শ্ৰীকৃষ্ণৰ অংগস্পৰ্শৰ পৰম আনন্দত তেওঁলোকৰ ইন্দ্ৰিয় সমূহ অৱশ হোৱাত তেওঁলোকৰ কৱৰীত থকা পুষ্পমালা সৰি পৰিল। তেওঁলোকৰ কেশদাম পৰিধানৰ বস্ত্ৰ আদি তেওঁলোকে আগৰ দৰে অনায়াসে ধাৰণ কৰিব নোৱাৰিলে।

ৰাসনৃত্যজনিত ক্লান্ত দূৰ কৰিবৰ বাবে গোপীসকলৰ সৈতে শ্ৰীকৃষ্ণই যমুনাৰ পানীত প্ৰৱেশ কৰিলে। শ্ৰীকৃষ্ণক আলিঙ্গন কৰাৰ ফলত গোপীসকলৰ ডিঙিত শোভিত পদুম ফুলৰ মালা দলিত হৈছিল আৰু তেওঁলোকৰ বক্ষৰ কুকুমৰ ৰঙেৰে ফলবিলাক ৰঞ্জিত হৈছিল। ভোমোৰাবিলাকে সেই ফুলৰ মৌ সংগ্ৰহ কৰিবৰ উদ্দেশ্যে সেইফলৰ চাৰিওফালে গুঞ্জন কৰি ফুৰিছিল। শ্ৰীকৃষ্ণই গোপীসকলৰ দ্বাৰা পৰিবৃত হৈ যমুনাৰ পানীত প্ৰৱেশ কৰিলে। পৰস্পৰৰ সংগ সুখ উপভোগ কৰি শৰীৰৰ ভাগৰ পলোৱাৰ বাবে জলকেলি কৰোঁতে কৃষ্ণ আৰু গোপীসকলে উভয়ে আনন্দত আত্মহাৰা হ'ল। উচ্চ হাঁহিৰে দশোদিশে মুখৰিত কৰি তেওঁলোকে শ্ৰীকৃষ্ণৰ শ্ৰীঅঙ্গত যমুনাৰ পানী চটিয়াব ধৰিলে। কৃষ্ণই মহা আনন্দত গোপীসকলৰ এই হাঁহি ধেমালি উপভোগ কৰিব ধৰিলে। কৃষ্ণই এই দৰে গোপীসকলক কৌতুকপূৰ্ণ মধুৰ বচন আৰু তেওঁলোকৰ হাঁহি ধেমালি উপভোগ কৰোঁতে স্বৰ্গৰ দেৱতাসকলে পুষ্প বৃষ্টি কৰিব ধৰিলে। এইদৰে স্বৰ্গৰ দেৱতাসকলে শ্ৰীকৃষ্ণৰ পৰম মাধুৰ্য্যমণ্ডিত ৰাসনৃত্য আৰু গোপীসকলৰ সৈতে যমুনাত তেওঁৰ জলক্ৰীড়াৰ প্ৰসংশা কৰিলে। ৰাসনৃত্য সমাপ্ত হোৱাৰ পিছত নিশাৰ অৱসান হৈ ব্ৰাহ্মমূহুৰ্ত্তৰ আগমন হ'ল। তেতিয়া কৃষ্ণই গোপীসকলক ঘৰলৈ উভতি যাবলৈ নিৰ্দ্দেশ দিলে, যদিও তেওঁলোকে শ্ৰীকৃষ্ণক এৰিব নুখুজিছিল। কিন্তু কৃষ্ণৰ অত্যন্ত প্ৰিয় আৰু একান্ত বাধ্য হিচাবে কৃষ্ণৰ নিৰ্দেশ তৎক্ষনাত পালন কৰিছিল।

এই ৰাসলীলা সম্পৰ্কত শুকমুনিয়ে উল্লেখ কৰিছে যে কোনো ভাগ্যৱানে যদি পৰমেশ্বৰ ভগৱান শ্ৰীকৃষ্ণৰ প্ৰকাশ ব্ৰজগোপীসকলৰ সৈতে কৃষ্ণৰ ৰাসলীলা বিলাসৰ কাহিনী যথাৰ্থ তত্ত্বজ্ঞানী পুৰুষৰ মুখৰ পৰা শ্ৰৱণ কৰে, তেন্তে কাম নামৰ অতি সাংঘাতিক ৰোগৰ পৰা মুক্ত হ'ব পাৰিব আৰু পাৰমাৰ্থিক জীৱনৰ চৰম স্তৰলৈ উন্নতি কৰিব। শাৰদীয় পূৰ্ণিমাৰ নিশা গোপীসকলে শ্ৰীকৃষ্ণৰ সংগসুখ উপভোগ কৰিছিল। কিন্তু সেই নিশাটো সাধাৰণ নিশা নাছিল । সেয়া আছিল ব্ৰহ্মাৰ নিশা আৰু সেই নিশাৰ দৈৰ্ঘ আছিল কোটি কোটি বছৰ। শ্ৰীকৃষ্ণ হৈছে পৰমেশ্বৰ ভগৱান শ্ৰীকৃষ্ণ, সেয়ে তেওঁৰ পক্ষে সকলো সম্ভৱ।❒❒

সহায়ক গ্ৰন্থ — পুৰুষোত্তম ভগৱান শ্ৰীকৃষ্ণ নামৰ গ্ৰন্থ।

# মহাপুৰুষ শংকৰদেৱৰ দৃষ্টিত ৰাসক্ৰীড়া

**সমীৰ কুমাৰ সুত্ৰধৰ**
**বঙাইগাঁও**

ৰাস নৃত্যপ্ৰধান অনুষ্ঠান। হৰিবংশ পুৰাণত 'ৰাস' শব্দৰ পৰিৱৰ্তে 'হল্লীল' শব্দ ব্যৱহাৰ কৰা হৈছে। এজন পুৰুষৰ সৈতে অনেক মহিলাৰ নৃত্যক ৰাসক্ৰীড়া বুলি কোৱা হয়। ৰাস, হল্লীল আৰু ছলিকা নৃত্য শাৰদীয় উৎসৱ আৰু এই উৎসৱ ব্ৰজত উদ্‌যাপিত হৈছিল। 'ৰস' শব্দৰ পৰা 'ৰাস' ৰ উৎপত্তি। এইসৰত এনে আনন্দ নিহিত হৈ আছে যি আনন্দত জাগতিক জীৱনৰ কলুষ-কালিমা নাথাকে। এই ৰস ষড়ৰসৰ ভিতৰত নপৰে। এই ৰস হ'ল আদিৰস, প্ৰেমৰস কিন্তু কামৰস নহয়। 'কাম'ক জয় কৰাৰ কাৰণে শ্ৰীকৃষ্ণই গোপী সকলৰ মাধ্যমেৰে ৰাসক্ৰীড়াৰ সৃষ্টি কৰে।

'ৰাস' ৰ প্ৰতিশব্দ হ'ল ৰাসযাত্ৰা, ৰাসক্ৰীড়া, ৰাসলীলা। ইয়াৰ আভিধানিক অৰ্থ হ'ল কাতি পূৰ্ণিমাত শ্ৰীকৃষ্ণৰ লীলা- ইংৰাজীত

"The festival of dancing of Krishna and Radha on the full moonlight of the month of Kartik."

ৰাসক্ৰীড়াৰ দৃশ্য দেৱতাকো মুগ্ধ কৰিছিল—

আসিল সভাসে যত দেৱগণ মানে
জুৰিয়া আকাশ আসি অসংখ্য বিমানে
মাধৱৰ ৰাসক্ৰীড়া চাৰে এক দৃষ্টি
বাৰৈ দেৱে দুন্দুভি কৰিয়া পুষ্পবৃষ্টি।

ৰাসক্ৰীড়াৰ মুখ্য নায়ক শ্ৰীকৃষ্ণ আৰু মুখ্য নায়িকা ৰাধা। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আধ্যাত্মিক আৰু সাহিত্যিক জীৱনৰ অন্যতম শ্ৰেষ্ঠ অৱদান হ'ল 'আদ্যদশম'। শ্ৰীমন্ত শংকৰদেৱে তেখেতৰ 'আদ্যদশম'ত ৰাসক্ৰীড়াৰ বৰ্ণনা কৰিছে। শ্ৰীকৃষ্ণৰ জীৱনৰ বৰ্ণনা দশম স্কন্দত বৰ্ণনা কৰা হৈছে। বৈষ্ণৱ ধৰ্মৰ উপাস্য দেৱতা হৈছে শ্ৰীকৃষ্ণ।

শ্ৰীমন্ত শংকৰদেৱে লিখিছে যে প্ৰকৃতি জগতৰ এক আনন্দময় অৱস্থাত শ্ৰীকৃষ্ণৰ ৰাসক্ৰীড়া কৰাৰ আগ্ৰহ জন্মে

"শৰৎ কালৰ ৰাত্ৰি অতি বিতোপন।
বহুবিধ পুষ্পে বিকশিত বৃন্দাবন।।
দেখি যোগমায়া বলে হৰিষে তহিত।
ৰাসক্ৰীড়া কৰিতে কৃষ্ণ ভৈল চিত।।"

ৰাসক্ৰীড়াত শ্ৰীকৃষ্ণই গোপীসকলৰ ৰাতি বৃন্দাবনলৈ আগমণৰ কাৰণ সোধাত গোপীসকলৰ দৈহিক প্ৰতিক্ৰিয়া শ্ৰীধৰ স্বামীয়ে এনেকৈ বৰ্ণনা দিছে—

"লজ্জয়া মন্দহাসিত মালক্ষ্যাহ ৰজণ্যেষতি।"

শ্ৰীমন্ত শংকৰদেৱে ইয়াৰ অনুবাদ কৰিছে—

"হেন বাক্য শুনি গোপীসব ভৈল লাজ
চপৰাই মাথাক হাসিলেক মুচুকাই।"

প্ৰত্যুত্তৰত গোপীসকলে শ্ৰীকৃষ্ণক কৈছে—

"হেন বা বুলিবা তোৰা ঘৰিণী গুচিয়া চেৰী
কিয় হুইবে খোজোহা আমাৰ।
যিহেতু বিক্ৰয় গৈলো প্ৰাণ প্ৰভু সোধা যেৱে
কহিবো উত্তৰ তেৱে তাৰ।"

ৰাসক্ৰীড়াৰ বৰ্ণনা প্ৰসংগত শ্ৰীমন্ত শংকৰদেৱে গোপীসকলে কৰা কৃষ্ণস্তুতি এনেকৈ উল্লেখ কৰিছে—

"তুমি সমস্তৰে বুদ্ধি সাক্ষী সখী।"

ৰাসক্ৰীড়াৰ বৰ্ণনাত, শ্ৰীকৃষ্ণৰ পৰিহাসসূচক বাণীদ্বাৰা গোপীসকলে ক্ষুন্ন হয়, শ্ৰীমন্ত শংকৰদেৱে তাৰ বৰ্ণনা দিছে—

"হেন বাণী শুনি সবে গোপৰ সুন্দৰী।
কৃষ্ণক কটাক্ষে কোপে চাৰে টেৰ কৰি।।
মনত গুণতে কেনে চেঞ্চান্ত বিবাণী।
হাসি পাচে বুলিলা বচন চক্রপাণি।।

শ্ৰীমন্ত শংকৰদেৱৰ বৰ্ণনাত গোপীসকলৰ সৈতে ৰাসক্ৰীড়াত ৰত হোৱাৰ আগতে গোপীসকলৰ কাৰণ্যত শ্ৰীকৃষ্ণই বিগলিত মনেৰে নিজৰ পীতবস্ত্ৰৰে গোপীসকলৰ 'আখিমুখ' মুচি দিয়ে। তেখেতে ৰাসক্ৰীড়াৰ বৰ্ণনাত গোপীসকলৰ নাম এনেকৈ পৰিবেশন কৰিছে— ইন্দুমতী, মদনমঞ্জুৰী, ৰত্নমালা, পদমাবতী, কুন্তী, মাধবী, ৰাধিকা, ভাগবতী, ভগবতী, বসুমতী, তিলোত্তমা, শশী, কাদম্বিনী, সুৰভি, উষা, ভবানী, কুমুদা, বিবুধা, ইন্দিৰা, কামিনী আদি।

শ্ৰীকৃষ্ণই তেখেতৰ বাঁহীৰ সুৰৰ মূৰ্ছনা তোলাত কৰ্মৰত গোপীসকলে সেই মধুৰ সুৰত আকৰ্ষিত হয়। সকলোৰে বাঁহীৰ সুৰ অনুসৰণ কৰি যমুনাৰ বালিলৈ গুচি আহে। শ্ৰীকৃষ্ণই গোপীসকলকলৈ ৰাসক্ৰীড়া আৰম্ভ কৰে। শ্ৰীকৃষ্ণক ইমান কাষত, ইমান আপোনভাৱে ওচৰত পাই গোপীসকলৰ অহমিকাভাবৰ উদয় হয়। তেতিয়া শ্ৰীকৃষ্ণই গোপীসকলৰ মনৰভাব বুজিব পাৰি অন্তৰ্ধ্যান হয়। শ্ৰীকৃষ্ণক দেখিবলৈ নাপাই গোপীসকলে শ্ৰীকৃষ্ণক বিচাৰিবলৈ ধৰিলে। কিন্তু, শ্ৰীকৃষ্ণক কতো নেপাই গোপীসকলে ৰাজহংসী, চাকৈ, কুৰুয়া, কৃপবতী, সাৰু, কুলি আদি বিহংগকূল, গছ, ফুল, পশু-পক্ষীৰ ওচৰত শ্ৰীকৃষ্ণৰ খবৰ জানিবলৈ বিচাৰে। শ্ৰীকৃষ্ণৰ কোনো সন্ধানত নাপাই গোপীসকলে কৃষ্ণভাবত বিস্মৃতা হৈ কৃষ্ণলীলাৰ অভিনয় কৰিবলৈ লয়। অৱশেষত কালিন্দীৰ উপকূলত শ্ৰীকৃষ্ণৰ সৈতে গোপীসকলৰ পুৰ্ণমিলন হয় আৰু কালিন্দীৰ ৰূপালী বালিত মহাৰাস আৰম্ভ হয়। শ্ৰীমন্ত শংকৰদেৱে 'আদি দশম'ত লিখিছে—

"গোপী গোপালৰ কাম বেলি ইটো
শুনৈ ভনৈ যিটো জনে।
কামকো জিনিবে অল্পতে বাঢ়িবে
ভকতি কৃষ্ণৰ চৰণে।"

শ্ৰীকৃষ্ণ আৰু গোপীসকলৰ ৰাসক্ৰীড়া দেখি আকাশৰ দেৱতাসকলে ৰূদ্ৰক, বিলাস, বিপঞ্চি, দোতাৰা আদি বাদ্যযন্ত্ৰ বজোৱাৰ বৰ্ণনা শ্ৰীমন্ত শংকৰদেৱে তেখেতৰ 'আদি দশম'ত দিছে।

ৰাসক্ৰীড়াৰ মাজত ভগবান আৰু ভক্তৰ মাজত নিবিড় সম্বন্ধ পৰিস্ফুট হৈছে। আনফালে, ভগবান আৰু ভক্তৰ মাজত বিচ্ছেদ যে কিমান মৰ্মান্তিক হ'ব পাৰে তাৰ আভাস মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ বৰ্ণনাত পৰিলক্ষিত হৈছে। তেখেতে 'আদি দশম' বাদেও 'কীৰ্তনঘোষা'তো ৰাসক্ৰীড়াক স্থান দিছে। তেখেতে ৰাসক্ৰীড়াক ভক্তবৃন্দৰ অন্তৰত ভক্তিভাবৰ সৃষ্টি কৰিছে।

ৰাসক্ৰীড়া বা ৰাসলীলা হৈছে শ্ৰীকৃষ্ণৰ লীলা। প্ৰসংগত, গুজৰাটৰ 'ৰাসো' বা 'ৰাসক'ৰ সৈতে বৃন্দাবনৰ ৰাসলীলাৰ সম্পৰ্ক আছে।❐❐

*প্ৰসংগ গ্ৰন্থাৱলী*—

১। পুৰণি অসমীয়া সাহিত্যৰ সুবাস ঃ ড° নবীন চন্দ্ৰ শৰ্মা বাণীপ্ৰকাশ, গুৱাহাটী, অক্টোবৰ, ১৯৮৮ চন
২। ঐতিহাসিক পটভূমিত মহাপুৰুষ শংকৰদেব ঃ বাপচন্দ্ৰ মহন্ত বনলতা, গুৱাহাটী, জুন, ১৯৯৯ চন
৩। ভক্তি সাহিত্য ঃ ড° বিমল মজুমদাৰ চন্দ্ৰ প্ৰকাশ, গুৱাহাটী, ২০০৩ চন
৪। Samsad Bengali English Dictionary : Complied by Sailendra Biswas Sahitya Samsad, Kolkata, May, 2012
৫। শব্দবোধ অভিধান ঃ সংকলক আশুতোষ দেব, দেব সাহিত্য কুটীৰ প্ৰাইভেট লিমিটেড, কলকাতা, জুলাই, ২০১৩ চন।

# শ্ৰীকৃষ্ণৰ ৰাসলীলা

**শৈলেন্দ্ৰ সূত্ৰধৰ**
**ছিপনছিলা, বঙাইগাঁও**

যুগে যুগে সভ্যতাৰ প্ৰাণ শক্তিক উজ্জীৱিত কৰি ৰাখে জ্ঞানৰ সাধনাই। সাধনা লব্ধ জ্ঞানৰ পবিত্ৰ আলোকেৰে আলোকিত পথেৰে আগবাঢ়ে মানৱ সভ্যতা। মানৱ সমাজে উৰ্দ্ধগামী সত্ত্বাৰ অধিকাৰী ৰূপ জ্ঞানৰ সাধনাৰে সভ্যতাক প্ৰভাৱান্বিত আৰু পৰিচালিত কৰি আহিছে। সাধনা লব্ধ পবিত্ৰ জ্ঞানে গঢ়ি তোলে জীৱন দৰ্শন। জীৱন জিজ্ঞাসাই নিৰ্দ্ধাৰিত কৰে সভ্যতাৰ অগ্ৰগতি। প্ৰাচীন কালৰে পৰা জ্ঞানৰ সাধনা সৰ্বোত্তম সাধনাৰূপে পূজিত হৈ আহিছে ভাৰতীয় সভ্যতাৰ মূলাধাৰাত। ভাৰতীয় সভ্যতাৰ মূলাধাৰ প্ৰোথিত হৈ আছে বৈদিক জ্ঞানৰ গভীৰতাত ভাৰতীয় সভ্যতাৰ মূলভেটি গঠন কৰা ৰত্নময় বৈদিক জ্ঞানৰ সংগেহেৰে প্ৰাচীন কালৰ ঋদ্ধিমান জ্ঞানী তপস্বীসকলে সমগ্ৰ মানৱ সভ্যতাকে সমৃদ্ধিশালী কৰি গ'ল। অপৌৰুষেও জ্ঞান সংগ্ৰহৰ এই অৱদানেৰে ভাৰতীয় সভ্যতা সংস্কৃতি আলোকিত। ইন্দ্ৰিয়জ জ্ঞানৰ উৰ্দ্ধত জ্ঞান আহৰণেৰে আত্ম উপলব্ধি লৈ মানৱ সত্তাৰ উত্তৰণ কৰোৱাৰ সাধনাৰ ফলতে সৃষ্টি ৰাসলীলা। ৰাসলীলা প্ৰকৃতাৰ্থত প্ৰকৃতি আৰু পুৰুষৰ মন, আত্মা আৰু পৰমাত্মাৰ মিলন তথা ভক্ত আৰু ভগবানৰ গভীৰ শ্ৰদ্ধা আৰু আলিংগনৰ এক সুন্দৰ দৰ্শন। ভক্ত বিহ্বল ভগবান শ্ৰীকৃষ্ণৰ ব্ৰজধামৰ গোপনাৰী সকলৰ সতে কৰা ৰাসকেলি ক প্ৰেম আৰু ভক্তিমূলক দৰ্শনক শৃংগাৰ ৰসৰ প্ৰয়োগেৰে ৰাসলীলা বৰ্ণনা কৰিছে।

এই ৰাসলীলা বা ৰাস ক্ৰীড়াত ভগবান শ্ৰীকৃষ্ণই শৰৎ কালৰ নিৰ্মল আকাশৰ তলত জোনাক নিশা যমুনা নৈৰ বালিত ব্ৰজধামৰ গোপনাৰী সকলৰ সতে নৃত্য কৰা শাস্ত্ৰত বৰ্ণনা পোৱা যায়। ব্ৰজধামৰ গোপনাৰী সকল কৃষ্ণৰ ৰূপ আৰু গুণত ইমানেই সম্মোহিত আৰু অনুৰাগী আছিল যে তেওঁলোকে কৃষ্ণক নিজৰ প্ৰেমিকৰ ৰূপত কল্পনা কৰিছিল। শ্ৰীকৃষ্ণই নিজৰ অনুৰাগী গোপী নাৰী সকলৰ মনৰ বাঞ্ছা পুৰণ কৰিছিল। এই ৰাসলীলাৰ জৰিয়তে। শাৰদীয় জোনাক নিশা নিৰ্মল আকাশৰ তলত আনিন্দ্য সুন্দৰ কৃষ্ণক অতি ওচৰত পাই গোপনাৰী সকল উদ্বাউল হৈ পৰিছিল আৰু কৃষ্ণক আলিংগন কৰি পৰম আনন্দ লাভ কৰিছিল। সেই আনন্দতে গোপ নাৰী সকলে কৃষ্ণক কেন্দ্ৰ কৰি ঘুৰি ঘুৰি নাচিছিল গাইছিল।

গোপনাৰী সকলৰ প্ৰেমঃ দৈহিক তৃপ্তিৰহিত আত্মা পৰমাত্মাৰ যোগসূত্ৰ। ধানৰ বাকলিৰ তলত যেনেদৰে চাউল লুকাই থাকে এই ৰাস ক্ৰীড়াটো তেনেদৰে কৃষ্ণৰ সৈতে ভক্তৰ আন্তৰিক মিনলহে বৰ্ণিত হৈছে। বহু সমালোচকে ৰাসৰ লগত মানৱ দেহৰ সম্বন্ধ আছে বুলি কব খোজে। বৃন্দাবনৰ ২৫ খন বনৰ লগত মানৱ দেহৰ ২৪ তত্ত্ব মনৰ কথা উল্লেখ কৰে। মনৰ সৈতে থকা ২৪ তত্ত্ব অৰ্থাৎ ২৫ খন বন সদৃশ দেহ জগতত জীৱা আত্মাৰ প্ৰতি যি দুৰ্বাৰ আকৰ্ষণ সেয়ে ৰাসক্ৰীয়া। যমুনা পাৰৰ

ৰাসক্ৰীয়া জীবাত্মা(গোপীসকল) আৰু পৰমাত্মাৰ (কৃষ্ণ) মিলন প্ৰক্ৰিয়া কৃষ্ণ ধাতুৰ অৰ্থ হ'ল- সত্তা বা অস্তিত্ব আৰু 'ন' ৰ অৰ্থ হ'ল- নিবৃত্তি। কৃষ্ণবস্তু ভগবান স্বয়ম। কথিত আছে ভগবান বিষ্ণুৰ ৰাম অৱতাৰত দণ্ডকাৰণ্যবাসী ঋষি সকলে শ্ৰীৰামক দেখি মুগ্ধ হোৱাৰ লগতে ৰামৰ প্ৰেয়সীৰূপে ৰামক সেৱা কৰিবলৈ বাঞ্ছা কৰিছিল। ভগবান ৰামে সেই সময়ত তেঁওলোকৰ মনোবাঞ্ছা পূৰ্ণ নকৰি পৰবৰ্ত্তী অবতাৰত পূৰ্ণ কৰিব বুলি কথা দিলে। ভগবান সদায় ভক্তৰ অধীন। সেইবাবে দ্বাপৰ যুগত ভগবন্তই কৃষ্ণ ৰূপে জন্ম গ্ৰহণ কৰিছিল আৰু শৰৎৰ পূৰ্ণিমা ৰাতি তেওঁলোকৰ সতে ৰাসলীলা সম্পন্ন কৰে। অষ্টাদশ কীৰ্ত্তন।

পদ

শৰৎ কালে চন্দ্ৰাৱলী ৰাতি।
দিব্য ৰাসক্ৰীড়া কৰিলা আতি।।
পঞ্চ ৰাগে গাইলা গীত হৰি।
শুনি মোহ ভৈলা গোপ সুন্দৰী।।১০০৮
ঘৰবাৰী এৰি লৰৰে ভোলে।
স্তন হলফল কুণ্ডল দোলে।।
বাইলাহা বাংশী পশি বৃন্দাবনে।
চৌপাশে বেঢ়ি নাচে গোপী গণে।।১০০৯

কৃষ্ণই গোপিনীৰ লগত কেনেকৈ ৰাসলীলা কৰিছিল, সেই কথা নাৰায়ণে নাৰদক কৈছিল। শৰৎ কালৰ আহিন মাহৰ শুক্লা ত্ৰয়োদশী তিথিৰ নিশা কৃষ্ণই ৰাসলীলা কৰাৰ ইচ্ছা কৰি বৃন্দাবনৰ মাজৰ শ্ৰী ৰাস মণ্ডললৈ গ'ল। সেই ৰাস মণ্ডল অতি বিতোপন। চাৰিওদিশে ফল-ফুল জাতিস্কাৰ। নানা ধৰণৰ গছ যেনে- বেলগছ, অগৰু, চন্দন, কদম, আম, জাম, কঠাল আদি। ফুলৰ ভিতৰত গোলাপ, গোন্ধৰাজ, বুকুল, জবা, মালতী, কৃষ্ণচূড়া, শেৱালি, গোৱালচি আদি ফুলৰ শাৰীশাৰী। শাৰি শাৰি চন্দন গছ, বেলগছ, বকুল গছ। মাজত সৰোবৰ। কি যে মনোৰম সেই ৰাস মণ্ডল তাক বৰ্ণনা কৰিব নোৱাৰি। দিনত কৃষ্ণৰ বাঁহীৰ মাত শুনি গোপিনী সকলে সাত বন কাতি কৰি থৈ তেওঁৰ ওচৰত বাঁহীৰ সুলোলিত সুৰ শুনি মোহিত হয়, সেই কথা কৃষ্ণই ভালদৰে জানে। গোপিনী সকলে তেওঁক স্বামীৰূপে পাব বিচাৰে সেই কথাৰো প্ৰমাণ পাইছে। তেওঁক সকলো গোপিনীয়ে ভাল পায়। ৰাধাই তেওঁক দিনৰ ভিতৰত এবাৰ দেখা নাপালেই পাগলীৰ দৰে হয়, সেই কথাও ভালদৰে জানে। নিশা তেওঁৰ বাঁহীৰ মাত শুনি গোপিনীয়ে কি কৰে তাকে চাবলৈ আৰু গোপিনী সবে সঁচাকৈয়ে তেওঁক কিয় ভাল পাইছে সেই কথা পৰীক্ষা কৰাৰ ইচ্ছা কৰিছিল তেওঁ। তেওঁ জানিছিল গোপিনী সকলে তেওঁৰ ৰূপ আৰু কামবোৰৰ বাবেহে ভাল পাইছে। কৃষ্ণ প্ৰকৃততে কোন? তেওঁক কিভাবে ভাল পালে মুক্তি পাব পাৰি, তাৰেই শিক্ষা দিবলৈ কৃষ্ণৰ সেই ৰাসলীলাৰ আয়োজন। কৃষ্ণই নিশা ৰাস মণ্ডলৰ পৰা বাঁহী বজালে। তেতিয়া টোপনিত মগ্ন গোপিনী সবে সদায় কৃষ্ণৰ বাঁহীৰ সুৰ শুনিবলৈ আৰু সকলো সময়তে কৃষ্ণক চিন্তা কৰি থকা বাবে কৃষ্ণৰ বাঁহীৰ সুৰ শুনিলে। তেওঁক ভালপোৱা গোপিনীৰ বাহিৰে আনে সেই বাঁহীৰ সুৰ শুনা নাছিল। ৰাধাই বাঁহীৰ মাত শুনি একেজাপে বিচনাৰ পৰা উঠি বাঁহীৰ মাত শুনা ঠাইলৈ দৌৰ দিলে। দিন নে ৰাতি তালৈ তেওঁৰ ভ্ৰূক্ষেপ নাই। কৃষ্ণৰ বাঁহীৰ মাত শুনি তেওঁৰ ওচৰলৈ গৈ কৃষ্ণৰ দৰ্শন কৰি পৰাণ জুৰাব সেয়াই ইচ্ছা। ৰাধাৰ বাহিৰে বাকী বোৰেও কৃষ্ণৰ বাঁহীৰ মাত শুনি সাজি কাচি শব্দ শুনা ঠাইলৈ গমন কৰিলে। খৰধৰ কৰোঁতে কোনোবাই খোপা বান্ধিব পাহৰিছে, কোনোবাই ভৰিত পিন্ধা অলংকাৰ ডিঙিত

পিন্ধিছে, কোনোৱে সন্তানক গাখীৰ খুৱাই আছিল, সেইভাগে সন্তানক এৰিলে, কোনোৱে কৃষ্ণক খুৱাবলৈ মাখন লৈছে, কোনোৱে ফুল তুলসী লৈছে। কোনোৱে ধূপ চাকি লৈছে। কোনোৱে গাই খীৰাই লৈছে। কিছুমানে আকৌ নিশা শোৱা পোছাক পিন্ধিয়েই দৌৰ দিছে ইত্যাদি। প্ৰত্যেকজনীয়ে বাঁহীৰ শব্দ শুনা ঠাইলৈ দৌৰ দিলে। দুজনী গোপিনীয়ে সেই সময়ত শোৱা নাছিল। আলোহীক শোধ পোচ কৰি আছিল। সেইবোৰ সকলো এৰি থৈ দৌৰ দিলে। দুইজনী স্বামী সাৰে আছিল। স্ত্ৰীয়ে যাব খোজাত বাধা দিয়া সত্ত্বেও বাধা নামানি দৌৰ দিলে। কোনোবা জনীয়ে মাক দেউতাকৰ বাধা নামানি কৃষ্ণৰ বাঁহীৰ মাত শুনি দৌৰ দিলে। এনেভাবে গোপিনীসকল গৈ কৃষ্ণৰ ওচৰ পালে। শ শ গোপিনীয়ে কৃষ্ণৰ মনোহৰ ৰূপ দৰ্শন কৰিলে। মাখন, গাখীৰ যিয়ে যি নিছিল কৃষ্ণক খুৱালে। পূজা কৰিব যোৱাবোৰে পূজা কৰিলে। কৃষ্ণই তেতিয়া গহীন ভাৱেৰে সকলোকে কবলৈ ধৰিলে, তোমালোকে মোৰ বাঁহীৰ মাত শুনি এনেকৈ নিশা হাবিৰ মাজলৈ দৌৰি অহা উচিত হোৱা নাই। পলম নকৰি নিজৰ নিজৰ ঘৰলৈ যোৱা। তোমালোক সত নাৰী। সতীৰ পৰম ধৰ্ম পতি সেবা কৰা । যিবোৰে সন্তান ঘৰত থৈ আহিছা, তেওঁলোকৰ সন্তানে মাকক নাপাই কান্দিব। যিবোৰে স্বামীক এৰি আহিছা, তেওঁলোকৰ স্বামীয়ে তেওঁক নেদেখি খং কৰিব। তোমালোকে মোক যদি ভাল পোৱা ভক্তি কৰা ঘৰত থাকিয়েই মোক দেখা পাবা। মোৰ কৃপা লাভ কৰিব পাৰিবা পতি সেবাৰ যোগে। পুত্ৰ কন্যা আৰু পৰিয়ালৰ মাজতো মোক স্মৰণ কৰি মোক দেখা পাবা। এনেকৈ সকলো ত্যাগ কৰা নাৰীক সকলোৱে কুলটা বুলি ভাবিব। গতিকে পলম নকৰি ঘৰলৈ যোৱাহক। কৃষ্ণৰ কথা শুনি ৰাধাকে আদি কৰি সকলোবোৰ গোপিনীয়ে কান্দি কান্দি কবলৈ ধৰিলেঃ

- শুনা, গুণনিধি, তুমি বাঁহীবাদক পৰমব্ৰহ্ম, তুমি ব্ৰজবাসৰ জীৱন। কৰুণাৰ সাগৰ। তুমি দয়াময় হৰি। তোমাৰ মায়াত আমি মগন হৈ আছো। তুমি বিনে আমাৰ জীৱন অসাৰ। তোমাৰ ভুবন মোহন ৰূপ আৰু ভুবন ভুলোৱা বাঁহীৰ সুৰে আমাক ইয়ালৈ মাতিছে। এতিয়া তুমি আমাক কিয় নিষ্ঠুৰ ভাবে ঘৰলৈ উভতিব কৈছা প্ৰভু ? আমি তোমাক ত্যাগ কৰি ঘৰলৈ নাযাম। গোটেই নিশা তোমাক দৰ্শন কৰি তোমাৰ লগত ৰং ধেমালি কৰি শান্তি লাভ কৰিম। তুমি আমাৰ লগত খেলা কৰা প্ৰভু। ৰাধা আৰু গোপীসবৰ মনৰ বাঞ্ছা পুৰণৰ বাবে কৃষ্ণই ৰাধাৰ লগত ধেমালি কৰিলে আৰু প্ৰতিজনী গোপিনীৰ বাবে একোজন মায়া কৃষ্ণৰ সৃষ্টি কৰি দিলে। গোটেই নিশা কৃষ্ণ আৰু মায়া কৃষ্ণই ৰাধা আৰু গোপিনীৰ লগত ৰাসলীলা কৰিলে। এনেকৈ কৃষ্ণই গোপিনীসবৰ লগত নানাভাবে ৰং ধেমালি কৰি কটালে। কিছুমানে কৃষ্ণক কোলাত লৈ শিশুৰ দৰে মৰম কৰিলে, আৰু কিছুমানে ফুলৰ মালা পিন্ধালে। কিছুমানে সঘনে কৃষ্ণৰ পদ সেবা কৰিলে আৰু কোনোবাই স্বামীৰূপে সাবটি মৰম কৰিলে। কিছুমানে কৃষ্ণৰ লগত নৃত্য-গীত কৰিলে ইত্যাদি নানাভাবে কৃষ্ণৰ লগত ৰাসলীলা কৰিলে। এনেকৈ শুক্লা ত্ৰয়োদশী তিথিৰ পৰা পূৰ্ণিমা তিথিত ৰাসলীলা সমাপ্তি ঘটিল। কৃষ্ণই ৰাসলীলাৰ উপৰিও ব্ৰজৰ নৱ নাৰীৰ লগত অলেখ লীলা কৰিছিল। এদিন কৃষ্ণই নাৱৰীয়াহৈ যমুনা নদীত নাওঁ বাই বহু নৰ নাৰীক নদীৰ ইপাৰৰ পৰা সিপাৰলৈ আকৌ সিপাৰৰ পৰা ইপাৰলৈ পাৰ কৰি আছিল। সেই সময়তে ৰাধাই সহচৰী গোপীসকলক লগত লৈ মূৰত দধিৰ পাত্ৰ লৈ গৈছিল। কৃষ্ণই নাৱেৰে যমুনাত মানুহ পাৰ কৰা দেখি ৰাধাই বান্ধবী সকলৰ সৈতে কৃষ্ণক কলে, হেৰা কানাই ! তুমি গৰখীয়া হৈ গৰু চাৰিব এৰি হাতত বঠা লৈ নাৱৰীয়া হৈছা কিয় ?

